# লাহৰী।

## ( ঘৰুৱা উপন্যাস )


কলিকতা ইউনিভাৰ্চিটীৰ ৰেজিষ্টাৰ্ড গ্ৰেডুৱেট আৰু বি-এ-প্ৰশ্নকাৰ ; পাটনা
ইউনিভাৰ্চিটীৰ প্ৰশ্নকাৰ আৰু পৰীক্ষক ; লণ্ডন ৰয়েল এচিয়াটীক চোচাইটীৰ
অনৰেৰী মেম্বৰ ; পোন্-প্ৰথম অসম লেজিচ্লেটীভ কাউন্সিলৰ অনৰেবোল
আহোম প্ৰতিনিধি মেম্বৰ ; আহোম এচোচিয়েচনবিলাকৰ জেনেৰেল
চেক্ৰেটাৰী আৰু প্ৰেচিডেণ্ট ; প্ৰথম শ্ৰেণীৰ অনৰেৰী মাজিষ্ট্ৰেট, ;
মিউনিচিপাল বোৰ্ডৰ চেয়াৰম্যান ; অসম-সাহিত্যিক-
সম্মিলনী, অসম-ছাত্ৰ সম্মিলনী, অসম-শিক্ষক-সম্মিলনী,
আহোম-সভা-সম্মিলনী, অসম-মণ্ডল-কাননৃগু-সম্মিলনী,
অসম-সংৰক্ষিণী-সভা-সম্মিলনী, জয়মতী-তিথি-
সম্মিলনী, অসম-এচোচিয়েচন-কন্ফাৰেঞ্চ
প্ৰভৃতিৰ সভাপতি ; 'বিজুলী',
'উষা' আৰু 'বস্তি'ৰ
সম্পাদক ;

অসমীয়া সাহিত্যিক পেঞ্চনাৰ্

**ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা,**

এম, আৰ, এ, এচ,


ৰচিত।


চতুৰ্থ তাঙৰণ।

তেজপুৰ,

১৮৬৫ শক।

মূল্য ১৷০ পাঁচসিকা

তেজপুৰ, অসম,

লীলা-এজেঞ্চিৰপৰা

গ্রন্থকাৰৰ দ্বাৰাই প্রকাশিত।

কলিকতা,

৮৫নং অপাৰ চাৰ্কুলাৰ ৰোডস্থিত

'ভাৰতমিহিৰ প্রেছত'

শ্রীযুগলচৰণ দাসৰ দ্বাৰাই মুদ্রিত

# ১। পাতনি।

অসমীয়া উপন্যাস বুলিবলৈ আজিলৈকে এখনো পুথি ওলোৱা নাই। সেই অভাৱ আৰু দুৰ্ণাম গুচাবৰ মনেৰেই "লাহৰী" ৰচিবলৈ হাতত লোৱা হয়। কিন্তু পুথি ৰচনাৰ ফালে বৰ্চোতাৰ এয়ে পোন্‌-প্ৰথম উদ্যম,—এই "লাহৰী"য়েই তেওঁৰ মনে-পতা গ্ৰন্থাৱলীৰ লখিমী। এতেকে, ইয়াত যে অনেক আসোঁৱাহ ৰৈছে, তাক নকলেও হয়; গুণগ্ৰাহী বাইজে ন-লিখাকৰ দোষাদোষত নালাগি, সামান্য গুণৰ ভাগ গ্ৰহণ কৰিলেই লিখকে তেওঁৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি মানিব।

কোৱা বাহুল্য মাথোন যে, কলিকতাত প্ৰতিষ্ঠিত "ফুকন-মজিন্দাৰ" কোম্পানীৰ এজেন্সিয়ে পুথিখনৰ প্ৰথম তাঙৰণ পোহৰলৈ উলিয়াই নিদিয়া হলে, "লাহৰী" সতকাই পোহৰলৈ ওলোৱাৰ আশা নাছিল। সেই বাবে আমি সেই কোম্পানীৰ গৰাকী শ্ৰীযুত দুৰ্গানাথ শৰ্ম্মা ফুকনদেৱলৈ এই ছেগতে আমাৰ শলাগৰ শৰাই আগ বঢ়াইছোঁ। ইতি—

কলিকতা,
৬৭নং, মিৰ্জ্জাপুৰ ষ্ট্ৰীট্।
১৫ আহিন, ১৮১৪ শক।

বিনীত,
শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

# ২। পাতনি।

পাঁচ বছৰমানৰ ভিতৰতে ১ম, তাঙৰণৰ "লাহৰী" গ্ৰাহকক বিলাবলৈ নাইকিয়া হল। সেই কাৰণে, তাৰ পাচৰ দুবছৰমান আমি গ্ৰাহকবৰ্গৰ তাগিদ্ সহিব লগাত পৰোঁ। তাৰ পাচত, এতিয়া বহু প্ৰবন্ধেৰে এই দ্বিতীয় তাঙৰণ উলিওৱা হৈছে। এই তাঙৰণৰ সংস্কাৰত পুথিৰ কলেৱৰ আগতকৈ অলপ বাঢ়িল; গতিকে, পুথিৰ মূল্যও ৷৵০ তিনিসিকিলৈ চৰিল। ইতি—

তেজপুৰ, অসম।
১৫ আহিন, ১৮২৩ শক।

বৰ্চোতা—গ্ৰন্থকাৰ।

# ৩। পাতনি।

২য়, তাঙৰণৰ "লাহৰী" সমুদায় বিক্রি হোৱাত, আকৌ পাবলৈ নাইকিয়া হল। এইবাৰ ভালেমান দিন গ্ৰাহকক পুথি যোগাব নোৱাৰি দুখিত হৈ, বহু প্ৰবন্ধেৰে এই তৃতীয় তাঙৰণ উলিৱা হৈছে। এইবাৰৰ সংস্কাৰত পুথিৰ কলেৱৰ ভালেমান চৰি উঠাত, ইয়াৰ বেচো ১৲এটকালৈ চৰিল। ইতি—

তেজপুৰ, অসম।
১৫ জেঠ, ১৮৪৬ শক।

বৰচৌঁতা—গ্ৰন্থকাৰ।

# ৪। পাতনি।

৩য়, তাঙৰণত "লাহৰী" ক্ৰমে মেট্রিকুলেচন আৰু আই, এ, মহলাথীৰ পাঠ্য নিৰ্দ্ধাৰিত হোৱা হেতুকে, ইয়াৰ কাটন বহুল হোৱাত, এই পুথি সোনকালে ঢুকাল; কিন্তু আমাৰ আন-আন গ্ৰন্থাদিৰ নতুন নতুন তাঙৰণ উলিৱাত আমি ব্যস্ত থকাৰ কাৰণে, এই চতুৰ্থ তাঙৰণ ছপা কৰোৱাত ভালেমান দিন পলম হল; সেইবাবে আমি ৰাইজৰ ওচৰত ক্ৰুটী মাৰ্জ্জনা মাগিছোঁ। চতুৰ্থ তাঙৰণত আগৰ দোষাদোষ পাৰ্য্যমানে পৰিশোধন কৰাৰ উপৰি, ভিতৰ-ভাগতো ভালেমান ভাল ভাল সমল ভৰাবলগীয়া হোৱাত, পুথিৰ কলেৱৰ আকৌ বাঢ়ি উঠিল; গতিকে, "লাহৰী"ৰ মুল্যও ১।৹ পাঁচসিকিলৈ চৰিল। ইতি—

"পদ্মকুটীৰ", তেজপুৰ, অসম।
১৫ বহাগ, ১৮৬৫ শক।

বৰচৌঁতা—গ্ৰন্থকাৰ।

# উছৰ্গা।

মোৰ

অতি চেনেহৰ

সুযশীয়া ভনী,

ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈৰ

প্ৰিয়তমা ভাৰ্য্যা,

৺নাৰায়ণী দেবী সন্দিকৈয়িনী

আইদেউৰ পৱিত্ৰ নামত

"সক্‌ককাইদেউৰ"

স্নেহ-স্মৃতি-তৰ্পণ।

ৰচোঁতা।

# লাহৰী।

## ১। আধ্যা।

### পামপুৰ।

অসমত "মানৰ দিন" এটা বৰ আপদীয়া যুগান্ত। অসমীয়াৰ মানত আজিকালি তাৰ বিবৃতি সাধুকথাৰ নিচিনা হে হৈছে। সেই আপদৰ কথা নজনা বা নুশুনা মানুহ এতিয়া নাই বুলিলেও বঢ়াই কোৱা নহয়। আজিও সেই দুৰ্দান্ত মান-জাতিৰ আসুৰিক অত্যাচাৰৰ কথা শুনিলে চকু-লো টুকিব লগীয়া হয়। আগৰদিনীয়া বুঢ়া মানুহৰ মুখে সেই অত্যাচাৰত কোৱা অসমীয়া মানুহৰ দুখ-দুৰ্গতিৰ কথা শুনিলে, আজিও লৰা-ছোৱালী ভয়ত অস্থিৰ হয়। সেই সময়ত সদৌ মানুহৰ ওপৰত এটা দৈবিক অভিশাপ পৰিছিল বুলিব পাৰি। কিয়নো, সেই বিপদ যে অকল অসমত হে ঘটিছিল এনে নহয়, আন-আন দেশ-প্ৰদেশতো একে সময়তে একে প্ৰকাৰৰ উৎপাতে তোলপাৰ লগাইছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া যাই-মন্ত্ৰী থাকোঁতেই প্ৰথমবাৰ মানে অসম আক্ৰমণ কৰেহি। মান-সেনাৰ লগত ৰণ দিবলৈ অসমীয়া সেনা পঠিয়াই, ইফালে বুঢ়াগোহাঞি ডাঙৰীয়া আকস্মিক-মৃত্যুৰ মুখত পৰিল। বুঢ়াগোহাঞি ডাঙৰীয়াৰ মৃত্যুৰ পাচত, তেওঁৰ সুযোগ্য পুত্ৰ ৰুচিনাথ গোহাঞিদেৱে দেউতাকৰ বিষয়-বাব ললে। পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু বদনচন্দ্ৰ বা "মান-অনা-বৰফুকন" দুইৰো ভিতৰত আগৰেপৰা ঘৰুৱা কথাত মনান্তৰ আছিল। তদুপৰি, পূৰ্ণানন্দ ডাঙৰীয়াৰ মৃত্যুৰ পাচত, স্বাৰ্থ সিদ্ধিৰ কাৰণে, চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱো প্ৰকাশ্যে বৰফুকনৰ ফলীয়া হল। ইয়াতে বৰফুকনে কঁকালত বেচি বল পাই, পুৰণি শত্ৰুতাৰ প্ৰতিশোধ দিবৰ অভিপ্ৰায়ে গোপনে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বিপক্ষে ষড়যন্ত্ৰ কৰে। পিচে, সেই কথাৰ সন্ধেদ্ পাই ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া তেওঁৰ ফলীয়া জনচাৰেক বৰুৱা, ফুকন আদি বিষয়াৰে সৈতে গোপনে গুৱাহাটীৰ ফালে ভটীয়াই গল। তাৰ পাচত, বৰফুকনে তেওঁবিলাকক ৰংপুৰত নাপাই, তেওঁবিলাকৰ ঘৰ-বাৰী, আত্মীয়-কুটুম্বাদিৰ ওপৰতে খং সাৰিবলৈ ধৰিলে; কিন্তু সদৌশেহত ৰাজমাও দেউতাৰ ষড়যন্ত্ৰত বদনচন্দ্ৰয়ো অকালতে মানৱলীলা সামৰিব লগাত পৰিল। বৰফুকনৰ মৃত্যুৰ পাচত, ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আকৌ ৰংপুৰলৈ উলটি আহিল। কিন্তু, তেওঁৰ লগত যোৱা অন্যান্য বিষয়াসকলে আৰু উলটিবলৈ মন নেমেলিলে; সিবিলাকে গুৱাহাটীতে কিছুকাল থাকি, একেবাৰে ভৱিষ্যত-বিপদৰ হাত সাৰিবৰ মনেৰে, ঠাইতে ব্ৰহ্মপুত্ৰ পাৰ হৈ, উত্তৰপাৰে ন-কৈ মাটি ভাঙ্গি, "পামপুৰ" নামেৰে এখনি গাওঁ পাতি তাতে বসতি কৰি থাকিল। সেই বিষয়াসকল ভাগি আহোঁতে লগত তেওঁবিলাকে বেটী-বন্দী, লগুৱা-লিগিৰী, পাইক-লিক্চৌ আদিও লৈ আহিছিল। সেই বেটী, বন্দী, পাইক আদিৰ দ্বাৰাই পামপুৰত খেতি-পথাৰ কৰাই বিষয়াসকলে মহাসুখেৰে প্ৰবৰ্ত্তি দিন নিয়াবলৈ ধৰিলে।

সেই বিষয়াসকলৰ মাজত কীৰ্ত্তিনাথ বুঢ়াগোহাঞি নামেৰে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বংশৰ এজনা বিষয়া আছিল। তেওঁ উজনিত থাকোঁতে ডেকাফুকনৰ বিষয়-বাব পাইছিল; গতিকে, তেওঁ এজন প্ৰতাপী লোক আছিল। তদুপৰি, নিজৰ স্বভাৱ-চৰিত্ৰৰ গুণত ৰাজহৰ মাজত তেওঁ এজন বৰ আদৰণীয় আৰু পূজনীয় পুৰুষ আছিল। তেওঁৰ ভাৰ্য্যাও এগৰাকী অতি সুন্দৰী, সাদৰী আৰু গুণৱতী তিৰোতা আছিল। পুৰুষৰ সমাজত তেওঁৰ স্বামী যেনে, তিৰোতাৰ সমাজত তেওঁ তেনে এগৰাকী আদৰুৱা আৰু পূজনীয়া ৰমণী আছিল। স্বামী ভাৰ্য্যা দুইৰো মাজত দাম্পত্য প্ৰেম এনে গভীৰ আছিল যে, সিবিলাকৰ ভিতৰত কোনো আসুৱা-অশান্তিৰ কথা হে নালাগে, কেতিয়াও কোনো কথাত অমিল ভাব দেখা নগৈছিল। আৰু, গৃহস্থী কৰ্ম্মত দুয়ো এনে উদ্যোগী আছিল যে, পামপুৰৰ নতুন ঘৰ বাৰী বছেৰেকৰ ভিতৰতে সিবিলাকে ৰংপুৰৰ আগৰ ঘৰ-বাৰীৰ দৰে চকুত-লগা কৰি তুলিলে। উজনিত থাকোঁতেও কীৰ্ত্তিনাথ গোহাঞি-ফুকন এজন বৰ চহকী মানুহ আছিল। কিন্তু, সংসাৰতে দেখিবলৈ পোৱা যায় যে, যাৰ খাবলৈ-পিন্ধিবলৈ সৰহ, তাৰ খাওঁতা পিন্ধোঁতা তাকৰ; যাৰ খাবলৈ-পিন্ধিবলৈ তাকৰ, তাৰ আকৌ খাওঁতা-পিন্ধোঁতা সৰহ। ইয়াৰ প্ৰমাণ কীৰ্ত্তিনাথ গোহাঞি-ফুকনৰ গাতে ভালকৈ ফলিয়ায়; তেওঁ যদিও বৰ চহকী লোক আছিল আৰু জনা-বুজা গুণৱতী ভাৰ্য্যাৰ সংসৰ্গত বৰ সুখীয়া আছিল, তথাপি তেওঁৰ আন্তৰিক আক্ষেপ-বেজাৰৰ সীমা নাছিল। কাৰণ, তেওঁৰ বয়স গুৱাহাটীলৈ ভটীয়াই আহিবৰ সময়ত ডুকুৰি বছৰৰ ওপৰ হৈছিল। প্ৰায় আদহীয়া হব লগা হল, সিমান দিনলৈকে তেওঁ নিজৰ সন্তান বুলিবলৈ লৰা-ছোৱালীৰ মুখ নেদেখিলে! উজনিত থাকোঁতে কত কি যে পূজা-সেৱা, যাগ-যজ্ঞাদি কৰালে, তথাপি তেওঁৰ সেই কামনা পূৰ্ণ নহল। তেওঁৰ গুণৱতী ভাৰ্য্যাই, বংশৰ নাম ৰক্ষাৰ্থে, তেওঁক আৰু এগৰাকী ভাৰ্য্যা বিয়া কৰাবলৈ

সততে অনুৰোধও কৰিছিল, কিন্তু কীৰ্ত্তিনাথ গোহাঞিয়ে এগৰাকী ভাৰ্য্যাৰ বৰ্ত্তমানে দ্বিতীয়া ভাৰ্য্যা গ্ৰহণ কৰাৰ কু-ফললৈ গমি চাই, তেনে অবিবেচনাৰ কাম কৰিবলৈ আগ নাবাঢ়িলে। আন্তৰিক সিমান বেজাৰ বুলিও, তেওঁৰ বাহ্যিক ভাব-গতি, চলন-ফুৰণ ইত্যাদিলৈ চাই কোনেও কব নোৱাৰিছিল যে, তেওঁৰ অন্তৰত কিবা অশান্তিয়ে ঠাই পাইছিল। পিচে, গুৱাহাটীলৈ অহাৰ বছৰচাৰেকৰ পাচতে, এজন সাধক সন্ন্যাসীৰে সৈতে তেওঁৰ দেখা-সাক্ষাৎ হয়। সন্ন্যাসীজনৰ ভাব-গতি দেখি তেওঁলৈ গোহাঞিদেৱৰ বৰ ভক্তি হল। তাৰ পাচত, তেওঁৰে সৈতে অনেক কথা-বাৰ্ত্তা পাতোঁতে কথা-প্ৰসঙ্গত কীৰ্ত্তিনাথ গোহাঞিৰ অন্তৰৰ কথা বাক্ত হৈ পৰিল। সেই বাবে সন্ন্যাসীজনে তেওঁক পুতৌ কৰি এটি ঔষধ দিলে। সেই ঔষধ আনি ভাৰ্য্যাক সেৱন কৰোৱাৰ মাহচাৰেকৰ পাচতে তাৰ গুণ ধৰিলে; কীৰ্ত্তিনাথ গোহাঞিৰ বহু দিনৰ আশা পূৰণ হবৰ আগন্তুক মিলিলে। তাৰ পাচত, যথাসময়ত তেওঁৰ জ্ঞানৱতী আৰু গুণৱতী ভাৰ্য্যাৰপৰা এটি সুন্দৰী আৰু সুলক্ষণা কন্যা লাভ হল; কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু তেওঁৰ মৰমৰ ভাৰ্য্যাৰ অন্তৰত আনন্দৰ সীমা নাথাকিল।

সেই ছোৱালীটি ছমহীয়ামান চালুকীয়া হোৱালৈকে ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া গুৱাহাটীতে আছিল। সেই ছমাহতে ছোৱালীটি বৰ মোহলগা আৰু চকুতলগা হৈ উঠিল। বুঢ়াগোহাঞি ডাঙৰীয়াই মৰমতে নিজৰ বংশৰ সেই ছোৱালীটিক "লাহৰী" বুলি মাতিছিল। পাচলৈকো ছোৱালীটিৰ সেই আদৰুৱা নামেই নাম হল। বুঢ়াগোহাঞি ডাঙৰীয়া আকৌ উজনিলৈ যোৱাৰ ছমাহমানৰ পাচত ছোৱালীটি খোজ কাঢ়িব পৰা হল। মৰমিয়াল পিতৃ-মাতৃৰ আদৰ পাই, চালুকীয়া "লাহৰী" পাহোৱাল লুতুৰপুতুৰটি হৈ বাঢ়িবলৈ ধৰিলে। কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু তেওঁৰ প্ৰিয়তমা ভৰ্য্যাই বহুত দিনৰ আশাৰ ফল লাহৰীক পাই আগৰ আক্ষেপ-সন্তাপ সকলো পাহৰিলে!

ইতিপূৰ্ব্বতে কৈ অহা হৈছে যে, কীৰ্ত্তিনাথ গোহাঞি ফুকন আৰু তেওঁৰ গুণৱতী ভাৰ্য্যা দুয়ো বৰ উদ্যোগী স্বামী-ভাৰ্য্যা আছিল। পামপুৰত লাহৰী ৰূপে-গুণে বাঢ়ি অহাৰ দৰেই, সিবিলাকৰ সেই গুণো বাঢ়িবলৈ ধৰিলে। তেওঁবিলাকক দেখি-শুনি আন-অন বিষয়া সকলো নিজ-নিজ পৰিশ্ৰমৰ বলত অতি অলপ দিনৰ ভিতৰতে টনকিয়াল হৈ উঠিল। বিষয়াসকলে পতা পামপুৰত আন-আন মানুহো দুঘৰ-চাৰিঘৰকৈ আহি বহিবলৈ ধৰাত, লাহে লাহে গাওঁৰ সীমা চাৰিওকালে বৰ বহল হৈ উঠিল। এই ন-কৈ আহি বসতি কৰা মানুহবিলাক বিষয়াসকলৰ পাইক স্বৰূপ হল। এই দৰে, বিষয়াসকল ৰংপুৰত থাকোতে যেনে সুখত আৰু সুচলত আছিল, পামপুৰত তাতোকৈ অধিক সুখত আৰু সুচলত হে থাকিব পৰা হল। মুঠতে, কবলৈ গলে, বিষয়াসকলৰ পক্ষে এই পামপুৰ এখন মহাসুখৰ ঠাই আৰু আন-আন ইতৰ মানুহৰ পক্ষে ই শান্তিধাম যেন হৈ উঠিল। কীৰ্ত্তিনাথ গোহাঞিৰ সদ্‌গুণৰ চিনাকি আগেয়েই অলপ দিয়া হৈছে; তেওঁ নিজ গুণৰ বলতে ৰংপুৰত থকাৰ দৰে, এই পামপুৰতো সকলোৰে মাজত গণ্য, মান্য আৰু পূজনীয় লোক হৈ উঠিছিল।

এইখিনিতে আমি ছেগ বুজি আৰু আন এজন বিষয়াৰ বিষয়েও উনুকিয়াই থওঁ। পামপুৰীয়া বিষয়াসকলৰ মাজত শূলধৰ বৰগোহাঞি নামেৰে এজন গণ্য-মান্য লোক আছিল। তেওঁ বৰ হোজা স্বভাৱৰ মানুহ আছিল। 'বৰগোহাঞি' তেওঁৰ ৰাজঘৰীয়া খিতাপ নহয়, বংশীয়া উপাধি হে। তেওঁৰ বিশেষ কোনো বিষয়-বাব নাছিল; বৰগোহাঞি ডাঙৰীয়াৰ ভতিজাক বুলি হে তেওঁকো বৰগোহাঞি খিতাপেৰেই মতা যায়। তেওঁ কোনো এজন লাগতিয়াল বিষয়া নাছিল যদিও, পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ বৰ আদৰৰ মানুহ আছিল। গতিকে, তেওঁ কোনো বিষয়-বাব নোপোৱাকৈয়ে বৰ ধনী, মানী আৰু প্ৰতাপী লোক আছিল। তেওঁৰ

গৃহিণী গৰাকী কিন্তু বৰ চলাহী তিৰোতা আছিল। তেওঁৰ হোজা গুণ আৰু গৃহিণীৰ চতুৰালিৰ বলতে বৰগোহাঞিদেৱ আগেয়েও ধনী আছিল, এতিয়াও অলপ দিনৰ ভিতৰতে কীৰ্ত্তিনাথ বুঢ়াগোহাঞিদেৱৰ সমানে ধনী হৈ উঠিল। শূলধৰ বৰগোহাঞিৰ ধনবৰ গোহাঞিদেৱ নামেৰে একেটি মাথোন পুতেক আছিল; পামপুৰলৈ প্ৰথমে অহা বছৰতে ধনবৰৰ বয়স আঁঠ বছৰত সোমাইছিল। দেউতাক যেনে হোজা, পুতেক তদ্বিপৰীতে তেনে ধূৰ্ত্ত আৰু তীখামথৰা লৰা আছিল; সদৌ কথাতে ধনবৰে পিতৃৰ বিপৰীত স্বভাৱৰ মানুহ হৈ উঠাৰ চিনাকি দিছিল।

এদিন ছেগ বুজি ধনবৰৰ মাক লাহৰীৰ মাকৰ ঘৰলৈ আহি কথা-বাৰ্ত্তা পাতি আছে, এনেতে লাহৰীক ওমলাই লৈ ফুৰা বুঢ়ী বান্দী 'চাকুলী বাই' ওলালহি। বুঢ়ীয়ে ৰংকৈ সুধিলে, "এ, আই, আপোনাসকলে নো কি 'বিয়নী মেল' পাতিছে?" ধনবৰৰ মাকে ৰং-মনেৰে এই বুলি উত্তৰ কাটিলে, "এৰা, ভাল তোৰ মুখত ওলাইছে, সেইটি সমন্ধ মিলিলে ভালেই; মোৰো একেটি লৰা, এখেতৰো একেটি ছোৱালী।" লাহৰীৰ মাকে মাজতে মাত লগালে, "নানিব সেইবোৰ কথা মনলৈ এথোন; বোলে, 'সাধি সাধি সাধনীক পালোঁ, সাধনীক দিবলৈ ঠাই নাপালোঁ'; তাই বা কেতিয়া কাৰ লৰা, কাৰ ছোৱালী হয়গৈ কি ঠিক, বিধিৰ লিখন কোনে জানে?" এনেতে, চাকুলী বাইৰ কোলাৰপৰা নামি, মাকৰ ডিঙিত সাবটি ধৰি, লাহৰীয়ে থুন্‌থুনাই কলে, "ইঃ, আমি হলে ধনবৰৰ লগত নোমলোঁ, সি বৰ দুষ্ট, বৰ বেয়া।" ধনবৰৰ মাকে মাত লগালে, "কিনো দুষ্টালি কৰিলে সি?" লাহৰীয়ে উত্তৰ দিলে, "সিদিনা সি ভাকুচীক চুলি-জোকৰা দিছিল; আৰু মোৰ দৰা-কন্যাযোৰ হাতৰপৰা কাঢ়ি নি সি বকৰানিত পেলাই দিছিল।" শুনি, দুই মাক আৰু চাকুলী বায়ে কিৰিলি মাৰি হাঁহিবলৈ ধৰিলে!

# ২। আধ্যা।

## ৰংপুৰ।

বদন বৰফুকনৰ মৃত্যুৰ পাচত, ৰাজমাও-দেউতাই কচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াক ৰংপুৰলৈ মাতি পঠিয়ালে। কিন্তু, বুঢ়াগোহাঞি ডাঙৰীয়া বৰ সন্দিহান লোক। কচিনাথ ডাঙৰীয়াৰ জনা আছিল যে, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে তেওঁৰ দেউতাক ৺পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াৰ বিপক্ষে মান অনা বৰফুকনক পেটে-পেটে টিপ্ দিছিল। গতিকে, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে তেওঁৰ প্ৰতিও যে শত্ৰুতা আচৰণ কৰিব পাৰে, সেই কথাত তেওঁ আশঙ্কা কৰিছিল। কিন্তু, সেই বুলি কচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আওকণীয়া হৈ বহি নাছিল; তেওঁ তলে তলে সৈন্য-সামন্ত গোটাই লৈ, আকৌ উজাৰলৈ কাৰবাৰ কৰিলে। চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱক ভাঙি, ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ বংশৰ পুৰন্দৰসিংহ গোহাঞিদেৱক ৰজা পাতিবলৈ তেওঁ মনে-মনে ঠিক কৰিলে। সেই সময়ত পুৰন্দৰসিংহ গোহাঞিদেৱ দেউতাকৰে সৈতে চিল্মাৰিত আছিলগৈ। কচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াই পুৰন্দৰসিংহ গোহাঞিদেৱৰ দেউতাক ব্ৰজনাথ গোহাঞিদেৱলৈ নিজৰ মনৰ কথা ভাঙি পত্ৰ লিখিলে। ব্ৰজনাথ গোহাঞিদেৱে পুতেক পুৰন্দৰসিংহ গোহাঞিদেৱক লগত লৈ যথাসময়ত গোপনে গুৱাহাটী পালেহি। তাৰ পাচত, কচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াই সৈন্য-সামন্ত লগত লৈ আকৌ ৰংপুৰ নগৰলৈ যাত্ৰা কৰিলে। সেই কথাৰ সম্ভেদ্ পাই, চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে লুকু ডেকাফুকন নামেৰে এজন বিষয়াক ৰাজ্য-ভাৰ গতাই দি পলাই ফাট্ মাৰিলে। লুকু

ডেকাফুকনৰ লগত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়াৰ চুৰ্‌চুৰীয়াকৈ এখন ৰণ লাগিল। ৰণত ডেকাফুকন পৰিল; বুঢ়াগোহাঞি ডাঙৰীয়াই পুৰন্দৰসিংহ গোহাঞিদেৱক যুৱৰাজ পাতিলে।

ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া যদিও মৰমিয়াল লোক আছিল, তথাপি চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱ তেওঁৰ দেউতাক পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াই পতা ৰজা বুলি হে তেওঁৰ বিশেষ অনিষ্ট কৰিবলৈ তেওঁ কাববাৰ নকৰিলে; কিন্তু বদনচন্দ্ৰ বৰফুকনৰ শত্ৰুতা আৰু অত্যাচাৰৰ কথা তেওঁ পাহৰিব নোৱাৰিলে। বৰফুকনে যেনেকৈ তেওঁক নাপাই তেওঁৰ ঘৰ-বাৰী, বয়-বস্তু আৰু আত্মীয়-কুটুম্বাদিৰ ওপৰতে খং সাৰিলে, সেই দৰে বুঢ়াগোহাঞি ডাঙৰীয়ায়ো বৰফুকনৰ ঘৰ-দুৱাৰ ভাঙ্গি বয়-বস্তু লুট্‌পাট্ কৰি নগুৰনাস্তি কৰিলে। তদুপৰি, বদনচন্দ্ৰৰ পৰিয়াল আৰু আত্মীয়-কুটুম্বাদিক নানা তৰহৰ উগ্ৰ দণ্ড দি বিষম অত্যাচাৰ কৰিবলৈ ধৰিলে। সেই অত্যাচাৰৰ প্ৰকোপত বৰফুকনৰ ফলীয়া আৰু তেওঁৰ সম্পৰ্কীয় মানুহ যেয়ে যিফালে পাৰিলে সেইফালেই ফিৰিঙ্গতি ভগা দি ভাগিবলৈ ধৰিলে।

সেই অত্যাচাৰৰ সময়ত থাওৰুৰু মৰাণ-বুঢ়াগোহাঞি ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ, চাওফ্ৰংডাম বুঢ়াগোহাঞি ডাঙৰীয়াৰ কনিষ্ঠ সহোদৰ, কুন্‌কাই গোহাঞি-বৰুৱাৰ ফৈদৰ শান্তিৰাম গোহাঞি-বৰুৱা নামেৰে এজনা বিষয়া আছিল; তেওঁ তেতিয়া মৰাণ-গোহাঞি বৰুৱাৰ বিষয়-বাব পাইছিল। তেওঁ বৰফুকনৰে সৈতে জীয়াৰী-সম্বন্ধৰ সম্বন্ধীয়া আছিল; গতিকে তেওঁৰ ওপৰতো বুঢ়াগোহাঞি ডাঙৰীয়াৰ ভায়েক মৰঙ্গিখোৱা গোহাঞিৰ কোপ-দৃষ্টি অতি তীব্ৰ ভাৱে পৰিল। কিন্তু, যদিও বৰফুকনৰ সম্বন্ধীয়া মানুহ, তথাপি তেওঁ বৰফুকনৰ অত্যাচাৰ দিৰ লগত কোনো সম্পৰ্ক ৰখা নাছিল; বৰঞ্চ, তেওঁ বৰফুকনক এনেবিলাক অন্যায় কাৰ্য্যৰপৰা ক্ষান্ত হবলৈ বৰকৈ অনুৰোধ হে কৰিছিল। তেওঁৰ নাম যেনে, তেওঁৰ স্বভাৱ চৰিত্ৰও তেনে আছিল। শান্তিৰাম গোহাঞি-বৰুৱা এনে শান্ত

স্বভাৱৰ লোক আছিল যে, সেই উৎপাত্ আৰু অত্যাচাৰৰ সময়ত তেওঁক এজন শান্তিৰ আধাৰ যেনকৈ হে মানুহে মানিছিল। তেওঁৰ ভাৰ্য্যাও সেই দৰেই এগৰাকী বৰ গুণৱতী আৰু জ্ঞানৱতী তিৰোতা আছিল; সিবিলাকৰ সন্তান বুলিবলৈ একেটি মাথোন পুতেক আছিল। পুতেকটি সেই অত্যাচাৰৰ সময়ত সাতবছৰীয়া হৈছিল; তেওঁৰ নাম কমলনাথ গোহাঞি-বৰুৱা। তেওঁ সৰুৰেপৰা দেখিবলৈ এনে সুন্দৰ আৰু বেথা-লগা আছিল যে, সাতবছৰীয়াটি-লৈকে আইতাক, দেউতাক আৰু ওচৰ-চুবুৰীয়া সকলোৰে মানত তেওঁ কোলাৰ ছমহীয়া চালুকীয়া লৰা যেন হে আছিল। যাৰ ঘৰলৈকে যায়, তাতে ইটোৱে-সিটোৱে কোলাত লওঁতেই কমল গোহাঞিদেৱ মাটিত নামিবলৈকে নাপায়। বাটত বা মানুহৰ ঘৰৰ আগেদি কেতিয়াবা লগুৱান হাতত ধৰি ধেমালিত ডেও দি ফুৰা কমলক দেখিলে, যেয়ে যতে থাকে সেয়ে তৰেপৰা ঠৰ্ লাগি চাই থাকে। আন কি, 'কমল মইনা'লৈ চাওঁতে সূতা-কটা বুঢ়ীৰ হাতৰপৰাও সূতা সৰি পৰে! এনে পূৰ্ণিমাৰ জোন যেন সুন্দৰ লৰাৰ পিতৃ-মাতৃ যে কিমান সুখীয়া আছিল, তাক অনুমানত হে ভালকৈ বুজিব পাৰি। সৃষ্টিকৰ্ত্তাই যাক যেনে সুন্দৰ কৰি স্ৰজন কৰে, তাক্ তেনে সদ্গুণেৰেও অলঙ্কৃত কৰে। সততে দেখিবলৈ পোৱা যায় যে, দেৱতুল্য মানুহৰ গুণো দেৱযোগ্য হয়। কমলনাথ গোহাঞি-বৰুৱাদেৱৰ লৰাকালত তেওঁৰ সদ্গুণৰ চিনাকিলৈ আৰু স্বভাৱ-চৰিত্ৰাদিলৈ চাই, তেওঁক শান্তিময় শান্তিৰাম গোহাঞি-বৰুৱাৰ সুযোগ্য সন্তান বুলি সকলোৱে মানিছিল। কমল গোহাঞিদেৱৰ যদিও সৰুৰেপৰা সকলোৰে আদৰ পাই অতি আলসুৱা হৈ উঠিছিল, তথাপি তেতিয়াৰেপৰা তেওঁক পুৰুষৰ কামত বৰ অনুৰাগী দেখা গৈছিল। বিশেষকৈ, লিখা-পঢ়াত তেওঁৰ বৰ ধাউতি আছিল। আঠবছৰীয়াটিতে তেওঁ কেইবাটাও কিতাপ লুটিয়াইছিল। আমি কমল গোহাঞিদেৱৰ কথা সম্প্ৰতি ইমানতে এৰি, এই ছেগতে আকৌ কচিনাথ বুঢ়াগোহাঞি ভাঙৰীয়া আৰু

তেওঁৰ ভায়েক মৰঙ্গিখোৱা গোহাঞিৰ অত্যাচাৰৰ বিষয়ে আৰু অলপ বহলাই উন্মুকিয়াওঁ।

দিনে দিনে বৰফুকনৰ সমন্ধীয়া মানুহৰ ওপৰত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু মৰঙ্গিখোৱা গোহাঞিৰ অত্যাচাৰ তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। বুঢ়াগোহাঞি ডাঙৰীয়া বিবেচক লোক আছিল; তেওঁ নিজৰ একে বংশমূলৰপৰা উদ্ভৱ হোৱা শান্তিময় শান্তিৰাম গোহাঞি-বৰুৱাৰ ওপৰত নিজে একো অত্যাচাৰ কৰা নাছিল। কিন্তু, মৰঙ্গিখোৱা গোহাঞিৰ কোপ-দৃষ্টি সৰু-বৰ, ভাল-বেয়া, নিলগীয়া-সম্বন্ধীয়া সকলোৰে ওপৰত সমভাৱে পৰিছিল; কেতিয়াবা সৰু বা শান্তৰ ওপৰত তেওঁৰ অত্যাচাৰ একোৰ চৰা হে দেখা গৈছিল। শেষতিকে, শান্তিৰাম গোহাঞিবৰুৱাৰ ওপৰতো তেওঁৰ উগ্ৰ দৃষ্টি পৰে। পাচলৈ মৰঙ্গিখোৱা গোহাঞিৰ আসুৰিক উপদ্ৰৱ ইমান অসহ্য হৈ উঠিল যে, শান্তিময় শান্তিৰাম গোহাঞি-বৰুৱায়ো তাত হাৰ মানিব লগাত পৰিল। সদৌশেহত, তেওঁ নিৰুপায় হৈ, অন্যান্য চুবুৰীয়া আৰু কুটুম্বাদিৰ দৰে, ঘৰ-বাৰী এৰি গুৱাহাটীলৈ ভটীয়াই যাবলৈ ঠিক কৰিলে। কিন্তু, ঘৰ-বাৰী এৰিব লগাত পৰিল বুলিও, তেওঁ অন্যৰ দৰে পলাই ফিৰিঙ্গতি ওফৰাদি ওফৰা মানুহ নাছিল। কমল তেতিয়া নিচেই লৰা; ভগনীয়া মানুহৰ দুখ-কষ্ট সহিব পৰা নৌ হয়। শান্তিৰাম গোহাঞি-বৰুৱাই সেই কোমল কমল আৰু মৰমৰ ভাৰ্য্যাই দুখ পায় বুলিয়েই নাৱেৰে ভটীয়াবলৈ স্থিৰ কৰিলে। সেই সময়ত ৰুচিনাথ বুঢ়াগোহাঞি ডাঙৰীয়া আৰু মৰঙ্গিখোৱা গোহাঞিৰ প্ৰতাপ অতি প্ৰবল আছিল বুলিও, শান্তিৰাম গোহাঞি-বৰুৱাই ইচ্ছা কৰা মাত্ৰে দুখীয়া চুবুৰীয়া প্ৰজাই মৰণত শৰণ দি নাৱৰীয়াই সৈতে নাও আনি গোহাঞি বৰুৱাৰ ঘাটত বান্ধিলেহি। শান্তিৰাম গোহাঞি-বৰুৱা দেশ এৰি বিদেশলৈ যাবলৈ ওলাইছে বুলি শুনা মাত্ৰকে সুখী-দুখী সকলোৰে শক্তি অনুসৰি যেয়ে যি পাৰিলে হাতত লৈ গোহাঞি-বৰুৱাদেৱক

সাক্ষাৎ কৰিবলৈ আহি চৰাঘৰ ভৰি পৰিল। সিফালে, ভিতৰত ওচৰ-চুবুৰীয়াসকলে কমলক কোলাত লৈ কন্দা-কটা লগাইছে; আৰু কমলৰ আইতাকক সাক্ষাৎ কৰিবলৈ অহা তিৰোতা ভিতৰত বুলনি ভৰি পৰিছেহি। আজি শান্তিৰাম গোহাঞি-বৰুৱাৰ চুবুৰীয়া দুখীয়া প্ৰজাসকল সদ্‌গুণৰ পূজাত বিয়ামোহ দি পৰিছে! আজি এই দুখীয়া প্ৰজাসকলে ৰাইজৰ ৰাজহুৱা বস্তু শান্তিক হেৰুৱাব লগাত পৰিছে! এতিয়াৰ অসমত যেই এটা আপুৰীগীয়া দৃশ্য, পুৰণি অসমতো সি এটা সততে নেদেখা বিৰল দৃশ্য। বাহিৰৰ চৰাত গোহাঞি-বৰুৱাক চাৰিওফালে বেৰি লৈ সকলো বেজাৰত জঁয় পৰিছে। ভিতৰত কোঙাকুলি, আন্দোলা-আন্দুলিৰে তোলপাৰ লাগিছে। ইফালে বস্তু বন্ধাই বস্তু বান্ধিছে; নাৰত ভৰা দিয়াই ভৰা দিছেগৈ। কিন্তু, কিনো দিছে, কিনো বান্ধিছে, গোহাঞিবৰুৱা-বৰুৱানীৰ একো খবৰ নাই। কমল নিঃচই সৰু যদিও, বৰ তীক্ষ্ণ বুদ্ধিৰ লৰা আছিল; তেওঁৰ দেউতাক, আইতাক আৰু তেওঁৰ নিজৰ লগত সেই মানুহবিলাকৰ কি সমন্ধ আৰু সিবিলাকনো কিয় এনে ব্যাকুল, সেইটো তেওঁ বেচকৈ বুজিব পাৰিছিল। ওচৰ-চুবুৰীয়াসকলক কান্দিবৰ দেখি কমলেও উচুপি উচুপি কান্দি ফুৰিছিল। কিন্তু, যি চুবুৰীয়া কমলৰ মৰমতে মৰি যায়, তেনে চুবুৰীয়াই তো সেই কমলৰ কোমল প্ৰাণত ব্যথা দিবলৈ ভাল নাপায়! আৰু, মিছাতে কন্দা-কটা লগাই তেওঁবিলাকৰ বেজাৰ বঢ়োৱাৰ সকাম নাই ভাবি, লৰালৰিকৈ সকলোৱে লাগিভাগি গোহাঞি-বৰুৱাক লৰা-তিৰোতাৰে সৈতে নি নাৱত তুলি দিলেগৈ। অলপ পৰৰ পাচতে নাও মেলি দিয়া হল। আগ বঢ়াই থবলৈ যোৱা সকলোটিয়ে চকুৰে দেখালৈকে কাঠৰ পুতলাশাৰীৰ দৰে একে ঠৰে চাই আছিল; তাৰ পাচত পৰস্পৰে চকু-চোৱাচুই কৰি বুজাবুজি হল যে, আজি হে তেওঁবিলাকৰ শান্তিধাম যেন ৰংপুৰ চহৰ অশান্তিৰ থল যেন অৱস্থাত এৰি শান্তিয়ে চিৰকাললৈ বিদায় ললে!

ভটীয়নি পানী পাই নাৱৰীয়াই হেলাৰাঙ্গে কোবাকুবিকৈ নাও বাবলৈ ধৰিলে। দুড়ঁৰমান বেলি থাকোঁতেই দিখৌমুখেদি নাও বৰ-নৈ ওলালগৈ। ঘৰৰপৰা ওলাবৰ সময়ত উগুল-থুগুল লগাত কাৰো ভাত-পানী খোৱা ভাল নহল; কোমল কমলে ভোক-ভোককৈ আইতাকৰ ওচৰত কান্দিবলৈ ধৰিলে। গতিকে, সেই দিনা বহুত ভটীয়াই যোৱা নহল; বৰ-নৈ ওলায়েই লাহেকৈ সিপাৰলৈ খেও দি বৰ বালি এটাৰ কাষত নাও বন্ধা হল। সকলোৰে পাৰলৈ উঠি দিহাদিহি ভাত খোৱাৰ কাৰবাৰ কৰিবলৈ ধৰিলে। কমলে নৈৰ তেনেকুৱা ফট্‌ফটীয়া বালি আগেয়ে কেতিয়াও দেখা নাছিল। লগুৱা লগত দি, দেউতাকে আগত থাকি সদায় দিখৌ নৈৰ পানীত সাঁতৰিবলৈ শিকাইছিল বুলিও, বৰ-নৈৰ বাহিৰে এনে বালি কত দেখা পাব? আজি বৰ-নৈৰ বালি পাই কমলৰ আনন্দৰ সীমা নাথাকিল। পাৰলৈ উঠা মাত্ৰকে কমলে জঁপিয়াবলৈ ধৰিলে। যিমানেই হওক, তেও লৰা; ঘৰৰপৰা ওলাওঁতে ওচৰ-চুবুৰীয়া সকলোকে কান্দিব দেখি কান্দিছিল হয়, কিন্তু বৰ-নৈৰ বালিত নমা মাত্ৰকে কমলে সকলো পাহৰিলে। আন কি, বাটতে লগা ভোকো কেনিবা গল! ভাত খাবলৈ বিচাৰক ছাৰি মাকে মাতিও নোপোৱা হে হল। সন্ধিয়া লাগোঁ-লাগোঁতেই সকলোৰে খোৱা-লোৱা শেষ হল; আকৌ সকলোটি নাৱত উঠিলগৈ। অলপ পৰ জিৰাই-শঁতাই ৰাতি এড়ঁৰমান হওঁতেই, আকৌ নাও মেলি দিয়া হল। তাৰ পাচত, দিনে-ৰাতিয়ে নাও মাৰি, নাৱৰীয়াই দুদিনতে চাৰি দিনৰ সমানে নাও ভটীয়ালে; গুৱাহাটীলৈ আৰু দুদিনমান হে থাকিলগৈ। তৃতীয় দিনা তিনি ডঁৰমান বেলি থাকোঁতেই, আবেলিতে গোহাঞি-বৰুৱাই নাও বন্ধাই ভাত-পানী খোৱাৰ দিহা কৰালে। আজি কিন্তু বালি দেখি কমলৰ মনত আন দিনাৰ দৰে ৰং নালাগিল; আজি হঠাতে তেওঁৰ মনটি কেনেবা লগাত আমন্‌জিমন্‌কৈ কমল আইতাকৰ ওচৰতে বহি থাকিল।

একো-একোবাৰ মাথোন কমলে দেউতাকৰ ওচৰলৈ গৈ তেওঁৰ মুখলৈ চাই থাকি মন মাৰি আকৌ আইতাকৰ গুৰিলৈ আহে। দেউতাকে বা আইতাকে কমলৰ ভাব-গতিলৈ সিমান মন কৰা নাছিল। আজি কমলৰ বালি-খেলা আইতাক আৰু দেউতাকৰ ওচৰলৈ অহা-যোৱা কৰোঁতেই পাৰ হল ;—কিয়, কব নোৱাৰি। ভাত-পানী খাই উঠি দুখনমান তামোল খোৱাৰ সময় জিৰাই গোহাঞি-বৰুৱাৰ আজ্ঞামতে নাৱৰীয়াইঁতে আকৌ নাও মেলি দিলে। গোহাঞি বৰুৱা ঘৰৰপৰা ওলাওঁতেই কৃষ্ণপক্ষৰ শেহছোৱা ; আজি অমাবস্যা ৰাতি। কিন্তু, বতৰ ফৰকাল আছিল ; আকাশৰ তৰা এটিও বাকী নথকাকৈ ওলাইছিল। নাৱৰীয়াবিলাকে নাম-গান গাই, নাও মাৰিবলৈ ধৰিলে। এই দৰে নাও এপৰমান ৰাতি গল। আন দিনা হলে কমলৰ শুবৰ সময় হলহি। ঠিক আৰু এখনমান তামোল খাবৰ পৰ নাও চলিছে, এনেতে গিৰ্‌গিৰণি শব্দ শুনা গল। তাৰ অলপ পাচতে সেই আন্ধাৰ ৰাতিক ঘোপমৰা আন্ধাৰ কৰি ডাৱৰে ছাতি ধৰিলে, আকাশৰ তৰা এটিও নেদেখা হল। চাওঁতে চাওঁতে ঢেৰেকনি-ধুমুহাত বৰ-নৈৰ পানীয়ে টলবলাবলৈ ধৰিলে। চাৰিওফালে নাৱৰীয়াবিলাকে ধৰ্-ধৰ্ মাৰ্-মাৰ্ কৰি কোঢ়াল লগাই উঠিলে। কমলে ভয় খাই এবাৰ আইতাকৰ আৰু এবাৰ দেউতাকৰ মুখলৈ চাই তেওঁবিলাককো বিতত্ হোৱা দেখি চিঞৰিবলৈ ধৰিলে। কোবাকুবিকৈ পাৰৰ ফালে নাও মৰা হৈছে হয়, কিন্তু প্ৰতি মুহূৰ্ত্তে নাও বুৰে বুৰে হৈছে! এই দৰে আৰু অলপ পৰ যাওঁতেই বৰ ডাঙৰ ঢৌ এটাই আছাৰ খুৱাই নাও খন চাঁত্‌কৰে ওঁতৰাই নি খিয় কৰি পেলালে! চাৰিওফালে 'ধৰঐ' 'মাৰঐ' 'কমলঐ' ইত্যাদি শব্দ উঠি নিমিষতে আকৌ মাৰ গল!—ক্ষন্তেকতে কোন্ কলৈ গল, তাৰ একো চিন্ নোহোৱাত পৰিল!!

——❖——

# ৩। আধ্যা।

## চান্দুকীয়া লাহৰী।

আমাৰ পাঠকসকলে মৰমৰ কমলক হেৰুৱাই বোধ কৰোঁ শোকত বিমোৰ হৈছে। সেই কাৰণে, আমি তেওঁবিলাকক বেগাবেগিকৈ ন ভগনীয়া বিষয়াসকলৰ দুখপাহৰোৱা সুখৰ ঠাই পামপুৰলৈ লৈ যাওঁ। আমি পামপুৰ এৰি গৈ ৰংপুৰ নগৰত থকা আঠ মাহত সোমালহি। সেই অলপ দিনৰ ভিতৰতে পামপুৰৰ এনে পৰিবৰ্ত্তন ঘটিল যে, এতিয়া সেই গাওঁখনি বিতোপন ন-পাম যেন লাগিছে। উদ্যোগী কীৰ্ত্তিনাথ গোহাঞি সোৰোপা হৈ ৰহি থকা মানুহ নহয়; আমি আগবাৰ দেখোঁতে তেওঁৰ ঘৰ-বাৰী ন-ভগনীয়া মানুহৰ দৰে হে আছিল। এতিয়া তেওঁ চাৰিওফালে ঢাপ মৰাই পদূলি বন্ধাই নিজাপি মানুহৰদৰে বাৰী পাতিলে। বাৰীৰ ভিতৰত যে কিমান উন্নতি হল, সেইবোৰ ভাঙ্গি কবলৈ গলে বহুত। তেওঁৰ বাৰীখনো সামান্য বহল নাছিল, প্ৰায় এপুৰা মাটি। বাৰীৰ পিচফালে তেওঁ এটা পুখুৰী খনালে। পুখুৰীৰ চাৰিওপাৰে এনলৈকে বহলাই গোলাপ, মালতী, তগৰ, জাতি, জুই, খৰিকাজাঁই ইত্যাদি নানা তৰহৰ ভাল ভাল ফুল আৰু দেখিবলৈ ধুনীয়া সৰু সৰু গছ-গছনিৰে সৈতে তেওঁ এখনি চাৰিপৰীয়া ফুলনি পাতিলে। ফুলনিৰ মাজেদি তিনি হাত বহলকৈ পুখুৰীৰ চাৰিওপাৰ মেৰাই জুৰত ফুৰিবলৈ এটি অতি সুন্দৰ বাট। সেই বাটৰ দুই দাঁতিৰ ঠায়ে ঠায়ে আৰু পুখুৰীৰ চাৰি চুকে লতা, ফুল, পাণৰ মাহী আদি ৰজা, হালধীয়া, সেউজীয়া

দেখিবলৈ ভাল সৰু সৰু গছৰ একোটি জোপা। সেই জোপাৰ ভিতৰত গছ-গছনি একো নাই; মাথোন দুটিমান মানুহ থিয় হব পৰা একোডোখৰ দুবৰিবনেৰে ছাতি থোৱা ঠাই সেই ৰঙ্গা, বগা, হালধীয়া ধুনীয়া ধুনীয়া গছেৰে বেৰি থোৱা হৈছে। আৰু, প্ৰতি দহ হাতৰ অন্তৰত একোজুপিকৈ সেই বাটৰ দুকাষে দুশাৰী সুমথিৰা টেঙ্গা। পুখুৰীৰ পাৰলৈ অলপ নিলগৰপৰা চাই পঠিয়ালে এটি বৰ সুন্দৰ উদ্যানৰ ছবি! তাতে আকৌ নানা তৰহৰ ফুলবোৰ ফুলি জকমকাব লাগিছে। ৰঙা ৰঙা সুমথিৰা টেঙ্গা ডাল ভৰি ভৰি লাগি ফুলৰ ওপৰে তিৰ্‌বিৰাব লাগিছে। এই পুখুৰীৰ পাৰত ফুলনিৰ মাজে মাজে ফুৰাৰ কথাকে নকওঁ, তালৈ নিলগৰপৰা চাই থাকিলেও হিয়া জুৰায়; বহুত দুখে-ভাগৰে অহা মানুহে ভোক-পিয়াহ সকলো পাহৰি যায়। তাতে এতিয়া আবেলি-বেলিকা। পছিম ফালৰপৰা সেন্দুৰীয়া ৰ'দ পৰি সেই শোভাৰ জেউতি আৰু মনমোহাকৈ চৰাইছে!

তাৰ পাচত, এবাৰ পদুলিলৈ ওলাওঁ। পদুলিৰ বিষয়ে বহলাই নকলেও হব। পিচফালৰ পুখুৰীৰ বিতোপন শোভা চায়ে আগফালৰ পদুলিৰ শোভাও অনুমান কৰিব পাৰি। পদুলিৰ দুকাষে দুখনি দুহাতমান বহল দীঘলী ফুলনি। বাট-চৰাৰ দুকাষে দুজুপি বকুল ফুল। পদুলিমুৰত থিয় হোৱা মাত্ৰকে আমোলমোল গোন্ধত মুগ্ধ হোৱা যায়। বাট-চৰাৰ সমুখতে ৰাজবাটৰ সিপাৰে এটি সৰু পঢ়াশালি। তাতে বিষয়াসকলৰ আৰু আন মানুহৰ লৰা-ছোৱালীয়ে পঢ়েহি। এই পঢ়াশালিটি কীৰ্ত্তিনাথ গোহাঞিদেৱে বহু যত্নেৰে স্থাপন কৰে। তেওঁ নিজে গুৱাহাটীলৈ গৈ এজন ভাল শিক্ষিত পণ্ডিত আনি এই পঢ়াশালিৰ অধ্যাপক পাতে। আৰু, তেওঁৰ উৎসাহতে আন-আন বিষয়া-সকলেও যোগ দি পঢ়াশালিটিৰ অৱস্থা বৰ টনকিয়াল কৰি ৰাখিছিল।

পাঠকসকলে, বোধ কৰোঁ, তেওঁবিলাকৰ চেনেহী লাহৰীৰ কথা আকৌ শুনিবলৈ আশা পালি আছে। আমি সিবাৰ লাহৰীক দুবছৰীয়াটি হওঁতেই

এৰি আহিছিলোঁ। তেতিয়াই পাঠকে ৰূপহী লাহৰীৰ ৰূপ-গুণৰ বিষয়ে অলপ আভাস পাইছিল। এতিয়া সেই ৰূপ আৰু গুণৰ বিষয়ে অলপ বহলাই কোৱা যাওক। দিনক-দিনে লাহৰীৰ গঢ়-গতি সকলো ভালৰ ফালে ঢাল লয়। সদায় দেখি থকা পিতৃ-মাতৃ আৰু ওচৰ-চুবুৰিয়াই সিমান গম্ ধৰিব পৰা নাই যদিও, আমি বহুত দিনৰ মূৰত দেখি সেই ৰূপ-গুণৰ লক্ষণ ভালকৈ ধৰিব পাৰিছোঁ। লাহৰীৰ বয়স যদিও এতিয়া চাৰি বছৰত সোমাইছে মাথোন, নেদেখা মানুহে দেখিলে তেওঁক পোনেই পাঁচ-ছ-বছৰীয়া ছোৱালী হে বুলিব। বয়সৰ লগে লগে লাহৰীৰ ৰূপ-গুণৰ জেউতি চতুৰ্গুণে চৰি আহিবলৈ ধৰিলে। ছমহীয়াটীতে বুঢ়াগোহাঞি ডাঙৰীয়াই লাহৰীক ৰূপ-গুণৰ বাবেই "লাহৰী" নাম দিছিল। এতিয়া তেওঁৰ বয়স চাৰি বছৰত পৰিলহি; গতিকে এতিয়া সেই সৰু কালৰ ৰূপৰ জেউতি কিমান চৰিছে, তাক সহজে অনুমান কৰিব পাৰি। মুঠতে, কবলৈ গলে, সাধাৰণ মানুহৰ ঘৰত এনে ৰূপৰ জেউতি দেখিবলৈ পোৱা টান। নিৰলে বহি থাকিলে, লাহৰিক ধুনীয়া মমৰ পুতলা এটি বুলি ভ্ৰম হয়। স্বভাৱ চৰিত্ৰাদিৰ সম্বন্ধেও একে কথাই; এনে এটি মনমোহা মমৰ পুতলা যেন সুন্দৰ মূৰ্ত্তিত যে পৃথিবীৰ নাৰী জাতিৰ সকলো গুণে থানিকা পাতিব, সেইটো স্বাভাৱিক কথা। তদুপৰি, সৃষ্টিকৰ্ত্তাই বহু পুৰুষাৰ্থ কৰি জগতৰ ভাল ভাল বস্তুৰ সাৰ অংশ আনি অতি যতনেৰে সৃষ্টি কৰা এনে এটি সুন্দৰ মূৰ্ত্তিত যে দোষৰ কিবা চেকা থাকিব পাৰে তেনে ভাবে মনত ঠাইকে নাপায়। বিশেষ, লৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰ সততে মাক-বাপেকৰ চাবেৰেই হয়। লাহৰীৰ আইতাক-দেউতাকৰ স্বভাৱ-চৰিত্ৰ, গুণাগুণৰ কথা আগতে উনুকিয়াই অহা হৈছে। এতেকে, তেনে মাক-বাপেকৰ জীয়েক যে চৰিত্ৰৱতী হব, সি একো আচৰিত কথা নহয়। লাহৰীৰ সেই সৰু কালৰেপৰা তিৰোতাৰ ঘৰুৱা কাম শিকিবলৈ বৰ ধাউতি; ঘৰত কাম কৰিবলৈ বেটী-বন্দী

থাকোঁতেও, লাহৰীয়ে নিজৰ লাগতিয়াল কাম কৰিব লগীয়া হ'লে, পৰাখিনিত আপুনি কৰি লয়। লাহৰীৰ আইতাকো আন তিৰোতাৰ দৰে, এনে আলসুৱা চিকণ পুতলাক কাম কৰিবলৈ নিদি বুকুৰ মাজত সুমাই লৈ থকা বিধৰ গৃহিণী নহয়। তেওঁ লাহৰীক কোনো কাম কৰা দেখিলে বেয়া নাপায়; বৰঞ্চ কাম চাই কাম কৰিবলৈ উদগনি হে দিয়ে। আইতাকে তাঁত বওঁতে বা ফুল বাছোঁতে লাহৰীয়ে তেওঁৰ এপাশে তাঁতৰ পাটত বহি একালপতীয়াকৈ চাই থাকে। কেতিয়াবা মাক কিবা কামত উঠি গলেই, তেওঁ ঘূৰি আহোঁমানে, ছেগ বুজি, লাহৰীয়ে তাঁত ববলৈ ধৰে। এদিন লাহৰীৰ আইতাকে অসমীয়া কেঁচা পাটৰ সূতাৰ চেলেং কাপোৰ এখনত ফুল বাছি আছিল। এনেতে, সিফালে বুননিত বেটী ছোৱালী দুজনীয়ে দন্দ, পাতি চুলীয়া-চুলিকৈ কোচাল লগাই তালনে। মাকে তাঁতৰ পাট এৰি বেগা-বেগিকৈ বেটী ছোৱালীহঁতৰ দন্দ, ভাঙিবলৈ ধৰিলেগৈ। বাহিৰত যি ঘ'তে আছিল দন্দ, চাবলৈ সিহঁতো চাপিলহি। কিন্তু, লাহৰীৰ মন সি টানিব নোৱাৰিলে; লাহৰীয়ে ঠাইতে, ছেগ বুজি, মাকে যতে এৰি থৈ গৈছিল, তৰে পৰা ফুল বাছিবলৈ ধৰিলে। মাক ঘূৰি আহোঁমানে আধা-বছা কাটিটো লাহৰীয়ে শেষ কৰিব লগীয়া কৰিছে, এনেতে মাক আহি দেখেহি, সূতা ছিঙি ভাল-ডাল কৰিলে! তেনেকুৱা কেঁচা পাটৰ সূতাৰ তাঁত বোৱা কেনে টান কাম শিপিনীসকলে হে ভালকৈ বুজে। মাকৰ খং উঠাত, তেওঁ লাহৰীক অলপ টান কথা শুনালে। কিন্তু সেইবাৰে লাহৰীয়ে তলৰ জিভা ওপৰ নকৰিলে; অলপ পৰ আমন-জিমনকৈ বহি থাকি, মাকে সূতা যোৰাই থাকোঁতেই লাহৰীয়ে লাহেকৈ উঠি তেওঁৰ জিৰণিৰ ঠাই পুখুৰী-পাৰৰ ফুলনিত সোমালেগৈ। তাৰ পাচত, মাকে সেই ছিগা সূতা যোৰাই উঠি চায় দেখোন, তেওঁ এৰি থৈ যোৱাবেলৰা লাহৰীয়ে যিখিনি ফুল বাছিলে, তাত কেনা এটাও লগা নাই। লাহৰী কেনে চোকা বুদ্ধিৰ ছোৱালী, তেতিয়া

হে তেওঁ বুজি উঠিলে। পিচে, তেতিয়াই তেওঁ তাৰে তাঁত তাতে এৰি, পুখুৰীৰ পাৰৰপৰা লাহৰীক কোলাতকৈ আনি বুকুত সুমাই লৈ মৰম কৰিবলৈ ধৰিলে। তেতিয়া হে লাহৰীৰ বৰকৈ বেজাৰ লাগিল; আৰু ফেঁকুৰি ফেঁকুৰি কান্দি, লাহৰীয়ে মাকৰ মুখলৈ চাই এই বুলি কবলৈ ধৰিলে, "আইতা, আজিৰপৰা মই তাঁতৰ ওচৰলৈ নাযাওঁ দেই"। মাকেও, বেজাৰে-আনন্দে খুন্দা মাৰি ধৰাত, কি কব কি নকব একো ঠিক কৰিব নোৱাৰি কান্দি পেলালে। সেই সময়ত লাহৰীৰ আইতাকৰ অন্তৰত নো কি ভাব খেলাইছিল আৰু তেওঁ নো কি কথা কব খুজিছিল, সি অনুভৱত বুজিবলগীয়া কথা। পিচে, মাকে তেতিয়াই আতিনী আৰু কেতেকী বুঢ়ীক মাতি আনি লাহৰীয়ে ববলৈ বুলি চাৰিখনমান গামোছা লগাবলৈ দিহা দি, লাহৰীৰে সৈতে তেওঁ আকৌ তাঁতৰ পাটত বহিলগৈ।

লাহৰীৰ অকল ঘৰুৱা কামলৈকে যে ইমান ধাউতি হৈছিল এনে নহয়; লিখা-পঢ়াতো তেওঁ বৰ মন দিছিল। দেউতাকৰ ওচৰত থাকিলে, লাহৰীয়ে সৰহ ভাগ লিখা-পঢ়াৰ হে কথা পাতে। সেই ছবছৰীয়াটিতে লাহৰী অলপ অচৰপ পুথি পঢ়িব পৰা হৈছিল। গধুলি হলে লাহৰীয়ে সদায় দেউতাকৰ লগত ঘোষা পুথিৰ ৰাগ জোৰে। দেউতাকৰ মানত লাহৰী এপাহী অতি যতনৰ আৰু আদৰৰ ফুল; গাৱঁৰ বিষয়াসকল আৰু আন-আন চুবুৰীয়া মানুহ সকলৰ মানতো লাহৰী এপাহী "লাহৰী ফুল"। দেউতাকক দেখা কৰিবলৈ যেতিয়াই যেয়ে আহিল লাগে, পোনেই পদুলি-মুৰৰেপৰা লাহৰী আইদেউক চিয়ঁৰি আহে। বাস্তৱতে, লাহৰী সঁচাসঁচি ফুল নহলেও, ফুলৰ ধাইমাক আছিল! পুখুৰী-পাৰৰ ফুলনিৰ ফুলে লাহৰী বাৰীত সোমালে হে ভালকৈ ফুলি উঠে। অহঃ, লাহৰীয়ে যেতিয়া আবেলিবেলিকা অকলশৰে ফুলনিত সোমাই ইপাহী-সিপাহীকৈ ফুলৰ গোন্ধ লৈ ফুলনিৰ মাজে মাজে ফুৰে, তেতিয়া যে ফুলনিৰ কেনে বিতোপন শোভা ধৰে! একে ঠৰে চাই

থাকিলে এনে হে লাগে, যেন কোনোবা দেৱকন্যা হে পৃথিৱীলৈ নামি আহি সেই দৰে ইপাহী-সিপাহীকৈ ফুলবিলাক চুমি চুমি ফুৰিছেহি! কেতিয়াবা গছৰ পাতৰ আৰত গা-টি আৰ হৈ থাকোঁতে লাহৰীয়ে হুলি, গৈ যেতিয়া ফুলৰ গোন্ধ লয়, তেতিয়া নিলগৰপৰা চাই পঠিয়ালে ফুল ইপাহেই নে সিপাহেই ঠিক কৰাই টান হৈ পৰে। আমি ওপৰত কোৱা সম্বন্ধ যদি সঁচা নহয়, তেন্তে লাহৰীৰ নো ফুলৰ লগত প্ৰকৃত কি সম্বন্ধ, আমি এতিয়াও ঠিৰাংকৈ কব নোৱাৰিছোঁ এথোন। লাহৰী যেতিয়া ফুলনিলৈ সোমায়, তেতিয়া তেওঁ পৃথুৱীৰ চাৰিওপাৰৰ প্ৰত্যেক জুপি ফুলৰ ওচৰলৈ গৈ, প্ৰত্যেক জুপি ফুলৰে এপাহীকৈ ফুল আৰু এটিকৈ কলি তুলি আনি, এটি ধুনীয়া জোপাৰ মাজত দুবৰিবনৰ ওপৰত বহি, তেওঁ নানা আহিঁৰে মালা গাঁথি, দুধাৰমান তেওঁ আপুনি পিন্ধে, বাকী কেইধাৰ সৰু সৰু গছৰ ডালত আৰি থৈ অলপ আঁতৰৰপৰা চাই থাকেগৈ। নিতৌ সন্ধিয়া নলগালৈকে লাহৰীয়ে এই দৰেই ফুলনিত সোমাই ফুলকুৱঁৰী হৈ থাকেগৈ। কিন্তু, পাঠক! লাহৰীয়ে এই দৰে জোপাৰ মাজত সোমাই মালা পিন্ধি অলপ আঁতৰি গছত আৰি থোৱা ফুললৈ একে ঠৰে চাই থকা দেখিলে ফুলকুৱঁৰীতকৈও আৰু কাৰোবালৈ মনত পৰে,—নিলগৰপৰা চাই পঠিয়ালে এনে হে বোধ হয়, যেন ৰাধিকাই হে কুঞ্জলতাৰ মাজত শ্ৰীকৃষ্ণক ধ্যান কৰি পৱিত্ৰ প্ৰেমৰ ভাবত ভোল গৈ বৈছে! পাঠকসকলে ইয়াতে মনৰ হাবিয়াহ পলুৱাই এই মোহিনী মূৰ্ত্তিকে চাই থাওক; আমি আকৌ সিবিলাকৰ মৰমৰ হেৰোৱা ধন বিচাৰি যাওঁ।

# ৪। আধ্যা।

## কমল কলৈ গল !

দৰাচলতে, পৃথিবীৰ ওপৰত স্থাৱৰ বুলিবলৈ একোৱেই নাই। চাৰিওফালে চকু ফুৰাই চালে, চকুৰে দেখালৈকে যিহকে কি নেদেখোঁ, সকলো আজি আছে, কালি নাই। দোৰ্ঘোৰ অৰণ্য আৰু হাতী সোমাব নোৱাৰা গেজেপনি হাবি সময়ত সুন্দৰ নগৰ হৈছে; আৰু তেনেকুৱা কিমান সুন্দৰ নগৰ গুচি দোৰ্ঘোৰ অৰণ্য আৰু গেজেপনি হাবি হৈ বনৰীয়া জন্তুৰ থকা ঠাই হৈছে, তাৰ সীমা-সংখ্যা নাই। মানুহৰ অৱস্থাও ঠিক তেনেকুৱাই। কথাতে কয়, বোলে, "বাঁহৰ এফাল, মানুহৰ একাল"। আজি যাক সঙ্গতিপন্ন আৰু ধন-সোণৰ দৌলতৰ গৰাকী দেখিছোঁ, কাইলৈ হয়তো সেইজনক বাটৰ মগনীয়া দেখিম। আজি যাক দুখীয়া-নিচলা দেখি ঘিণ্ কৰি বাটত দেখিলেও গুচ্-গুচ্ কৰিছোঁ, কাইলৈ হয়তো সেইটো মানুহৰ ধন-সম্পত্তি দেখি দহজনে তাৰ ওচৰত হাত পাতিব লগাত পৰিব। ইয়াৰ প্ৰমাণ শান্তিৰাম গোহাঞি-বৰুৱাতে পোৱা যায়। যি শান্তিৰাম গোহাঞি-বৰুৱাৰ সুখ-শান্তি, ধন-সম্পত্তি আৰু গৌৰৱ-ক্ষমতাৰ সীমা নাছিল, সেই শান্তিৰাম গোহাঞি-বৰুৱা জ্ঞাতি-বিষয়াৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি, মৰমৰ ভাৰ্য্যা আৰু প্ৰাণৰ প্ৰাণ একেটি পুতেকে সৈতে ৰংপুৰ এৰি গুৱাহাটীলৈ ভটীয়াই পলাব লগীয়া হল !

শান্তিৰাম গোহাঞি-বৰুৱা আৰু তেওঁৰ ভাৰ্য্যা কোন্ কলৈ গল, সিবিলাকৰ কি হল, এতিয়ালৈকে আমি তাৰ একো সম্ভেদ্ পোৱা নাই এথোন;

সিহঁতবিলাকক সেই সম্ভেদ নোপোৱাতে এৰি, কমল কলৈ গল তাৰ সম্ভেদ লোৱা যাওক। সেই দিনা বৰনৈৰ ঢৌৱে নাও বেতিয়াই থিয় কৰি পেলালে, নাৱৰ মানুহ আটাইবিলাক গিৰ্‌গিৰ্‌কৈ পানীলৈ সৰি পৰিল। কমল পৰি যাওঁতেই নৈৰ তলি পাইছিলগৈ; আৰু কেইমিনিটমানৰ পাছত ওপৰলৈ উঠি তেওঁ পোনেই ভোগৰাম লগুৱাক চাবলৈ পালে। ভোগৰামক পায়েই কষ্টকৈ কমলে তাৰ গাত ধৰিলেগৈ। সিও কমলক পাই নিজৰ জীৱন বিপদলৈ কটাক্ষ নকৰি, এহাতে কমলক সাবটি ধৰি ইহাতেৰে সাতুৰিবলৈ ধৰিলে। কিন্তু, বৰনৈৰ সোঁতত সেই দৰে সি কিমান পৰ ঠাহৰিব! তাতে পঢোৱা বতাহত পানীয়ে পৌকিবাথৌকি লগাইছে। পিছে, তিনি নলমান পানী এই দৰে সাঁতুৰি যাওঁতেই এটা বৰ ঢৌৱে দুইকো এজোপা উটি অহা গছৰ গাত পেলালেহি। গছৰ ওচৰ পাই কমলে থাপ্ মাৰি ডাল এটাত ধৰি তাতে বল। কিন্তু, ভোগৰামে ধৰিবলৈ নৌপাওঁতেই ঢৌৱে তাক জঁপৰিৰ তলত সুমুৱালেহি। সেই মুহূৰ্ত্তৰপৰা ভোগৰাম কলৈ গল, তাৰ কি হল, কমলে একো কব নোৱাৰে। গছজোপা শুকান আছিল; গতিকে পানীৰ ওপৰেদি ডালখিনিমান ওলাই গৈছিল। কমলে লাহেকৈ আন এটা ডালত ভৰি দি, গছতে ওলমি কিছুমান দূৰ গৈ পেৰেঙনি লগা ডাঙৰ ডাল এটাত ভালকৈ বহি ললেগৈ। তাৰ পাচত, গছ উটি গৈ আছে, কমলো সাগৰৰ বৰফেনৰ ওপৰত টিপচী এটিৰ দৰে গছৰ ডালত বহি উটি গৈয়ে আছে! চাওঁতে চাওঁতে অমাবস্যাৰ আন্ধাৰ ৰাতিয়ে গৰাহ মাৰি ধৰি কমলক আমাৰ চকুৰে নেদেখা কৰিলে। ইকালে বৰনৈৰ পানীৰ ধুমধুমনিৰ ৰক্ষা নাই! কমলে অকলে অকলে গছৰ ডালত বহি আন্ধাৰ নিশাৰ বুকুত সোমাই বৰনৈৰ মাজে মাজে কলৈ গৈছেগৈ! হায়, কমলে যে মাকৰ বুকুৰপৰা কলৈকো ওলাব নোখোজে; সন্ধ্যা লাগিলেই কমলৰ মাকে যে কমলক দুবাহুলিৰ বাহৰ নিদিয়ে। আজি সেই কমলৰ

মনত কি বিৰাগ ভাব আহিল! আজি নো কমলৰ আইতাকে এনে আন্ধাৰ নিশা কমলক কেনেকৈ এৰি দিছে! এনে ঘোপ্‌মৰা আন্ধাৰত কমলে নৈৰ পাৰ দেখক ছাৰি, নিজৰ গাকে দেখা নাই। সময়ৰ এনে ভয়ঙ্কৰ মূৰ্ত্তি দেখি কমলৰ নো ভয় লগা নাই নে? কমলে দেখোন আজি ইমানতো কেৰেপকে কৰা নাই। আজি দেখোন কমল আগতকৈয়ো শান্ত আৰু গহীন। গছৰ পেৰেঙ্গনিত বহি বৰনৈৰ শীতল বতাহ লৈ কমল ভোল গৈছে নে কি?—নহয়, আজি কমলৰ মানত সংসাৰ একেবাৰে অসাৰ! কমল আমাৰ চকুত সৰু আৰু আলসুৱা যদিও, কমলৰ জ্ঞানটি বুঢ়া। আজি আৰু কমলৰ ভয় নাই; আজিৰপৰা আৰু কমলে সাংসাৰিক ভয় বা বেজাৰ পাই নাকান্দে। হাঁয়, কান্দিব কাৰ ওচৰত! কমলে এই কুমলীয়া বয়সতে সংসাৰৰ অনেক দেখিলে, অনেক শুনিলে। বিশেষ, আজিৰ বিপদে কমলক বিপদৰ বাকীখিনিৰো শিকনি দিছে! এই মুহূৰ্ত্ততে যদি আকৌ গছে সৈতে কমল ডুবি যায়, তেও কমলৰ একো আপত্তি নাই, বেজাৰ নাই; বৰঞ্চ, মহাসুখে এই দুখময় সংসাৰৰপৰা তেওঁ একেবাৰে ইহজনমৰ নিমিত্তে বিদায় লব। কিন্তু, এটি কথা; কমলে ভাবিছে, জানোবা তেওঁৰ দেউতাক আৰু আইতাক তেওঁৰ দৰেই জীয়াই আছে। সেই একেটা ভাবে, সেই একেটা আশাই কমলক তেনে ইচ্ছাৰপৰা আঁতৰাই আনিছে। কমলৰ আৰু সেই সময়ত আন একো চিন্তা নাছিল; দেউতাক আৰু আইতাকৰ জীৱনৰ সম্বন্ধে অলপ সন্দেহ্ পোৱা হলেই কমল নিশ্চিন্ত হলহেঁতেন। কিন্তু, এতিয়া আৰু কমলৰ অন্তৰত একো কথা নাই; বৰনৈৰ ইচ্ছা, যলৈকে নিবৰ মন যায়, যিহকে ঘটাব খোজে, তলৈকে নিয়ক, তাকে ঘটাওক, কমলৰ তাত একো আপত্তি নাই। কিন্তু, আমি কওঁ, আমি ব্ৰহ্মপুত্ৰ নদৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, কমলক যেন ৰাতিপুৱালৈকে বাকী সময়ৰ নিমিত্তে তেওঁৰ বুকুতে ৰাখে। এনে ভয়ঙ্কৰ ৰাতি কমলক যেন কোনো হাবি-বননিত বনৰীয়া জন্তুৰ মাজত পেলাই নিদিয়ে নি। দুৰ্ভগীয়া কমলৰ

প্ৰাণত আপদ ইমানেই জুৰিছে ; আৰু সহ্য নহয়। কমলে এই দৰে মাজে মাজে উটি ভালেমান ভটীয়ালে। ৰাতিও শেহ নিশা পালেগৈ ; আৰু এপৰ ৰাতি মাথোন বাকী আছে। এনেতে, উত্তৰ পাৰে সোমাই যোৱা পাক এটা ঘূৰোঁতেই, পানীৰ বৰ কোবাল ধাৰ এটাত পৰি গছজোপা চাংকৰে দাঁতিত লাগিলগৈ। কি বিপদ! এইখন যে ঘোৰ অৰণ্য। ইয়াত বাঘ, ভালুক, গঁড়, ম'হ, হাতী আদি বনৰীয়া জন্তু থাকে। এতিয়া কমলৰ কি গতি হব! গছজোপা থমকা খাই ৰোৱাৰ গম পায়ে কমলে জানিলে যে, গছ ভাহি পাৰত লাগিলহি। সৰ্ব্বনাশ! কমল যে এতিয়া পাৰলৈ উঠি আহে! এতিয়া কি উপায়? কিন্তু, আমি হে ভয় কৰিছোঁ, কমলৰতো সেইবোৰ একো খবৰেই নাই ; কমলৰ মানত নৈৰ মাজ যেনে, পাৰো তেনে। পাৰলৈ উঠি কমলে ইফালে সিফালে যাবলৈ বিচাৰি দেখে, দেখোন এখন অটব্য হাবি ; কেনিও যাবৰ সন্ধি নাই। তাতে ৰাতিৰ কথা, ভয়ঙ্কৰ হাবি আৰু ভয়ঙ্কৰ হৈ পৰিছে! অলপমান পৰ ইফাল-সিফাল কৰোঁতেই কমলে 'হাঁওহাঁও' কৰা বাঘৰ গোঁজৰণি শুনিলে। ভালুক, গঁড়, ম'হ, হাতী ইত্যাদিৰ ভূমভূমনিত হাবি তোলপাৰ হৈছে, মাটি কঁপি উঠিছে! কমলক এতিয়া হে ভয় শূলে চাৰিওফালৰপৰা বিন্ধিবলৈ ধৰিলেহি। কোন্ মুহূৰ্ত্তত কিহে ধৰেহি ঠিক নাই। একো-একোবাৰ ধৰিলেহি ধৰিলেহি যেন ভাবি কোমল কমল সেই কালেই মাটিত পৰি চেপেটা হৈছে। একো-একোবাৰ পগলাৰ দৰে ইফালে-সিফালে লৰি ফুৰি চাটিফুটি কৰিছে! হায়, যিমানেই হওক, কমল নিচেই কুমলীয়া লৰা ; কোনো দিন ঘৰৰপৰা বাহিৰ নোহোৱা লৰা। আৰু, এনে বিপদত কোমল কমলে হে নালাগে, কোনে নো ধৈৰ্য্য ধৰি থাকিব পাৰে! কমলে লাহেকৈ আকৌ যি গছে আনি এনে বিপদৰ মুখত পেলালেহি, সেই গছতে উঠি আগৰ দৰে একে ঠাইতে বহি ললেগৈ। এতিয়া কমলৰ ইচ্ছা কি?— কমলৰ ইচ্ছা, যেন আকৌ আগৰ দৰে বৰ-নৈৰ বুকুত সোমাই উপস্থিত

বিপদৰ হাত সাৰে। ইচ্ছাময়ৰো ইচ্ছা হল, সঁচাকৈয়ে গছ আকৌ উটি যাবলৈ ধৰিলে। এই বাৰ কিন্তু দাঁতিয়ে দাঁতিয়ে হে। এই দৰে উটি যাওঁতে যাওঁতে অলপ পোহৰ পোহৰ যেন দেখা গল। অলপ পাচতে ভালকৈয়ে ৰাতি পুৱালত, কমলে চাৰিওফালে চাই দেখিলে, দেখোন এজন মানুহে এখন সৰু নাৱৰ টিঙ্গত বহি দক্ষিণ পাৰৰপৰা তেওঁৰ গাৰ ফাললৈ নাও এৰি দিছে। নাও আহি ওচৰ পাওঁ-পাওঁ হওঁতেই, কমলে উদ্ধাৰৰ ছেগ বুজি চিঞঁৰি চিঞঁৰি নাৱৰ সেই মানুহটিক নিজৰ বিপদৰ কথা জনালে। মানুহটিয়েও অনতিপলমে নাও চপাই আনি, কমলক নাৱলৈ তুলি ললেহি।

# ৫। আধ্যা।

## অময়া প্ৰেমৰ আভাস।

কমলক উদ্ধাৰ কৰা যিটি মানুহৰ কথা কৈ অহা হৈছে, সেই মানুহটি আদহীয়া। মানুহটিৰ কথা-বাৰ্ত্তা, ভাব-গতি, আচৰণ আদিলৈ চাই, তেওঁ কোনোবা ভাল মানুহ বা ভাল মানুহৰ সংসৰ্গত থকা মানুহ যেন অনুমান হয়। কিন্তু, তেওঁৰ সাজ-পাৰ আদিলৈ চালে, তেওঁক কোনোবা গাৱঁৰ ভাল মানুহৰ ওচৰত থকা সাধাৰণ মানুহ যেন হে লাগে। যেই হওক,

আজি কমলৰ মানত তেওঁ এজন মহৎ উপকাৰী লোক। আজি কমলৰ মানত তেওঁ এই সংসাৰত পিতৃতুল্য পূজনীয় লোক। ইমান দিনে কমলে নিজৰ দেউতাকৰ সমান জগতৰ ভিতৰত ডাঙৰ আৰু পূজনীয় মানুহ নাই বুলি ভাবি আছিছিল; আজি তেওঁ তেওঁৰ দেউতাকৰ সমনীয়া এজন লোক দেখা পালে। বাৰৈলৈ হুঠাৎলৈকে মানুহটিয়ে কমলক একোকে সোধা নাছিল; পাৰত উঠি কাপোৰ-কানি চেপি আকৌ পিন্ধাই দি, বৰনিতে ডুবাৰ পৰা হৈ-যোৱা ঘটনা সম্বন্ধে কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। কমলে নিজৰ ঘৰৰ কথাবোৰ আৰু সেই বৰ্ত্তমান অৱস্থালৈকে, নিমাতলৈকে পাৰিলে বৰ্ণাই কৈ কেঁকুৰি কেঁকুৰি কান্দিবলৈ ধৰিলে। সোৰৈৰণীৰ চোকা শোক-শেলে আজি কমলৰ কোমল হিয়া থকা সৰকা কৰিবলৈ ধৰিলে! মানুহটিয়ে কমলৰ মৰ্ম্মান্তিক বেদনা বুজিব পাৰি, কমলক কোলাত তুলি ললে। তেওঁ সহবেদনাত কাতৰ হৈ চুমা খাওঁতে কমলৰ সৰিয়হৰ ফুল যেন গাল দুখনি তেওঁৰ চকুলোৰে ধোৱাই পেলালে। হায়, সেই সময়ত সেই দুটি প্ৰাণীৰ নিমাত ভাৱৰ বিননি দেখিলে বনৰ চৰাই-চিৰিকতিবো মুখৰ মাত বন্ধ হৈ পৰে! অহঃ, এনে সামান্য পুৰুষৰ বেশ ধৰি ইজন নো কোন দয়াশীল মহাপুৰুষ? তেওঁ যদি কোনোবা ছদ্মবেশী মহাত্মা নহয়, তেন্তে সামান্য মানুহৰ অন্তৰতো এনে দয়া, এনে চেনেহ! সামান্য মানুহৰ হিয়া ইমান কোমল, ইমান সহজে পমে! তেন্তে যি দুৰাচাৰে মানুহক উপদ্ৰৱ কৰিবলৈকে বৰমানুহ হয়, সম্পত্তিশালী হয়, যি পাষণ্ডই মৰাক মাৰি তৰিবলৈকে বিষয়া হৈ ক্ষমতা লাভ কৰে, তাৰ জীৱনত ধিক! তাৰ জীৱন-লীলা পাপৰ ক্ৰীড়াৰ গাঁতত জাহ যাওক। এই পুৰুষজন সঁচাকৈয়ে আগৰ এজন ডাঙৰ মানুহ। তেওঁ আগেয়ে চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱৰ দেউতাকৰ দিনত এজন বৰ ডাঙৰ বিষয়া হৈ থাকোঁতে প্ৰজাক অনেক সুখ-শান্তিৰ উপায় কৰি দিছিল। সৰ্ব্বোপৰিত, প্ৰজাৰ উপকাৰ কৰা বাবেই তেওঁ ৰজাক

অপ্রিয় হৈ উঠে ; আৰু অন্তত নিজৰ গাৰ ফালে টনাটনি দেখি, লৰা-তিৰোতা আদিৰে সৈতে উত্তৰ পাৰলৈ ভাগি আহি, তেজপুৰৰ ওচৰৰ এখন গাঁৱত বাস কৰে। তেওঁ সেই দিনধৰি ছদ্মবেশী। তেওঁৰ লৰা-ছোৱালী যি দুটি আছিল, সিও সেই গাঁৱঁতে অস্ত পৰিল! সেই কাৰণে, তাৰপৰাও ভাগি এতিয়া আমাৰ ন-ভগনীয়া বিষয়াসকলে পতা পামপুৰতে আছেহি। পামপুৰলৈ আহিও. তেওঁ বিষয়াসকলক নিজৰ আচল পৰিচয় নিদিলে। কিন্তু, বিষয়াসকলে তেওঁক আন ইতৰ মানুহৰ দৰে ব্যৱহাৰ নকৰিছিল। ঘৰত তেওঁৰ গৃহিণীৰ বাহিৰে আৰু কেওঁ নাই। তেওঁৰ নাম কৃষ্ণৰাম বৰগোহাঞি। কোনো বিশেষ কাৰণত তেওঁ দিনচাৰেক গুৱাহাটীত আছিলগৈ ; আজি ঘৰলৈ উলটি পাৰ হওঁতে কমলক উদ্ধাৰ কৰিবলৈ পালে। তাৰ পাচত, অনেক কথা-বাৰ্ত্তা সুধি, কমলক লগত লৈ, তেওঁ ঘৰৰ ফালে খোজ ললে ; এখনমান তামোল খাবৰ পৰত দুয়ো ঘৰ পালেহি।

কৃষ্ণৰাম গোহাঞিৰ ঘৰত তোলনীয়া পুত্ৰ হৈ বছৰদিন কমলে কটালে। এতিয়া কমলৰ বয়স ন-বছৰত সোমালেহি। ইমান দিনে কমলে দেউতাক আৰু আইতাকলৈ পাহৰিলে নে?—অহঃ, যি কমলে মৰমৰ দেউতাক আৰু আইতাকৰ আশাতে প্ৰাণ ধৰি বৰনৈৰ মাজত গা এৰি দিছিল, সেই কমলে বছৰদিয়েক হে নালাগে, জীয়াই থাকেমানে সিবিলাকক পাহৰিব পাৰে নে? কৃষ্ণৰাম বৰগোহাঞি আৰু তেওঁৰ গৃহিণীৰ যত্ন আৰু মৰমে মাজে মাজে পাহৰাই ৰাখে যদিও, তেওঁবিলাকৰ ওচৰৰপৰা আঁতৰ হলেই, কমলক সোঁৱৰণীৰ শোকে হেঁচি ধৰেহি, তেওঁ সংসাৰ একেবাৰে আন্ধাৰ দেখে! বয়সৰ লগে লগে কমলৰ বেজাৰ দিনক-দিনে বাঢ়িবলৈ ধৰিলে। পামপুৰলৈ অহা দিনচাৰেকৰ পাচতে, কৃষ্ণৰাম বৰগোহাঞিয়ে কমলক পঢ়াশালিত নাম লগাই দিলে। তেতিয়াৰেপৰা কমলে এদিনো পঢ়াশালিলৈ যোৱা খতি কৰা নাই। পঢ়াশালিলৈ যাওঁতে

কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ আগে দি যাব লাগে। গতিকে, স্কুললৈ যোৱা-অহা কৰোঁতে কমলে লাহৰীক সদায় দেখে। কিন্তু, দেখে আৰু চায়, ইমানেই হে; তাত বাজে কমলৰ অন্তৰত আন একো ভাব নাই। পঢ়াশালিত থকা সময়ত বাজে, কমলক তেওঁৰ দেউতাক আৰু আইতাকৰ চিন্তাই বিমোৰ কৰি থয়; আন কথাই তেওঁৰ মনত অলপো ঠাই নাপায়। লাহৰীয়েও কমলক সদায় দেখে। কিন্তু, পঢ়া-লৰা পঢ়িবলৈ যায়, ইমানকে মাথোন কমলৰ বিষয়ে লাহৰীৰ মনত ঠাই পায়। লাহৰীৰ কমলৰে সৈতে অলাপ-পৰিচয়ো নাই। কাৰণ, কমলে আন লৰাৰ দৰে লাহৰীহঁতৰ পুখুৰীপাৰত ফুৰিবলৈকো নাহে। তথাপি, কেতিয়াবা কমল পঢ়াশালিলৈ যাওঁতে, বা তাৰপৰা আহোঁতে পদূলিমূৰত বা ভঁৰালৰ আগত দুয়ো দেখাদেখি হলে, মাত-বোল নহয় যদিও, দুইকো দুয়ো একেঠৰে অলপ পৰলৈ চাই নাথাকি নোৱাৰে। এই দৰেই ভালেমান দিন পাৰ হল, তথাপি কমল আৰু লাহৰীৰ মাজত মাত-বোল নাই। কিন্তু, পাচলৈ স্বভাৱতে দুইকো দুয়ো অলপ হেঁপাহৰ চকুৰে চোৱাচুই কৰা হল; চকুৰে চকুৰে চাই থাকোঁতে দুয়ো কেতিয়াবা চঁক্ পাই উঠা যেন হল। এতিয়া লাহৰীৰ বয়স ৯ বছৰ আৰু কমলৰ বয়স ১৪ বছৰ। এনে কোমল বয়সত এই দুটি প্ৰাণীৰ অন্তৰত কিবা প্ৰণয় বা প্ৰেমৰ ভাব উপজিছিল নে? উপজিছিল যদি, সি নো কি প্ৰণয়? কেনে প্ৰেম? লাহৰীৰ সাদৰী-প্ৰেম নে, কমলৰ কোমল-প্ৰেম? প্ৰকৃতপক্ষে ই প্ৰেম হলেও, প্ৰণয় নহয়;—অমৃত প্ৰেমৰ আভাস মাথোন। এই আভাসত স্বাৰ্থৰ ছয়াঁটিও নাই, আছে মাথোন এটি স্বভাৱৰ মিলন-টান। লাহৰীক নো লাগিছে কি? তেওঁৰ কি নাই, যাতে তেওঁ কমলৰপৰা কিবা আশা কৰিব? আৰু, কমলেও আইতাক-দেউতাকক হেৰুৱালে বুলিও, কৃষ্ণৰাম গোহাঞি জীয়াই থাকোঁতে তেওঁৰ কিহৰ নাটনি পৰিছে যে, লাহৰীৰপৰা কিবা পাবলৈ তেওঁ আশা কৰিব! কিন্তু, তাৰ

ভিতৰতো এফেৰি স্বাৰ্থ আছে। সেই স্বাৰ্থ নো কি?—সেই স্বাৰ্থ ইটিয়ে সিটিক হেঁপাহেৰে চাবলৈ আশা কৰা নিস্পৃহ আসক্তি। সেই স্বাভাৱিক ভাব এতিয়া ইচ্ছাত পৰিণত হবলৈ ধৰিছে। সেই ইচ্ছাৰ সোঁতত গা এৰি দি, ইটিয়ে সিটিক চাই থাকিবলৈ ভাল পায় কাৰণে, দুয়ো সদায় চায় আৰু যায়। ইচ্ছাটি দিনে দিনে বলৱতী হৈ আহিল। পাচলৈ কমল পঢ়াশালিলৈ আহিবৰ সময় হলেই লাহৰীয়ে পদূলিত বা ভঁৰালৰ আগত থিয় দি বাটলৈ চাই থাকেগৈ। কমলেও আগৰ শোক-বেজাৰ পাহৰি বাটত লাহৰীক দেখিবলৈ পোৱাৰ আশাতে পঢ়াশালিলৈ উলাহিত হৈ আহে; আৰু পঢ়াশালিৰপৰা যাওঁতেও উৰুলীকৃত হৈ সেই ঠাই পায়গৈ। কিন্তু, এতিয়াও লাহৰী-কমলৰ ভিতৰত মাত-বোল হোৱা নাই। মাতিবলৈ আন্তৰিক ইচ্ছা দুইৰো প্ৰবল; দুইৰো প্ৰাণত ভাবৰ উগুল-থুগুল, কিন্তু মুখত কথা ফুটি নোলায়!

এই দৰে অলপ দিন যোৱাৰ পাচত, এদিন কীৰ্ত্তিনাথ গোহাঞিদেৱে আজৰি পাই পঢ়াশালি চাবৰ মন কৰিলে। পিচে, সাজ-পাৰ পিন্ধি ওলাই আহোঁতেই বাটতে পাই লাহৰীয়েও লগ ধৰিলে। বাপেক-জীয়েক দুয়ো হাতত ধৰাধৰিকৈ পঢ়াশালি সোমালগৈ। পঢ়াশালিত সোমোৱা মাত্ৰকে প্ৰথমেই লাহৰী আৰু কমলে দুয়ো এবাৰ চকু-চোৰাচুই কৰি ততালিকে আকৌ দুয়ো দুফালে চকু ঘূৰালে। এই কথা লাহৰী আৰু কমলৰ ভিতৰত হে যি জনাজনি হল, আন কেৱে তাৰ তৎ ধৰিব নোৱাৰিলে। তাৰ পাচত, লাহৰীৰ দেউতাকে এটা-এটাকৈ লৰাবিলাকৰ পঢ়া লবলৈ ধৰিলে। সেই দৰে ছটা কি সাতোটামান লৰাৰ পঢ়া লৈ এঁতাই কমললৈ তেওঁৰ চকু পৰিল। কমললৈ চাই তেওঁ অলপমান পৰ ঠমক্ খাই বৈ আছিল। তাৰ পাচত, কমলক কিতাপে সৈতে ওচৰলৈ চাপি আহিবলৈ কোৱাত, কমলে ততালিকে তেওঁৰ আগত থিয় দিলেহি। দেউতাকৰ বাওঁহাতেই লাহৰীও

থিয় দি আছিল। লাহৰীৰ সমুখত কমলৰ পৰীক্ষা হল! পঢ়িবলৈ কোৱা মাত্ৰকে কমলে এনে থলথলাই পঢ়িবলৈ ধৰিলে যে, কীৰ্ত্তিনাথ গোহাঞিয়ে শুনি বৰ সন্তোষ পালে; আৰু পণ্ডিত, ছাত্ৰ সকলোৱে আগত তেওঁ কমলক নথৈ শলাগিবলৈ ধৰিলে। তাৰ পাচত, কমলৰ নাম সোধাত, তেওঁৰ হৈ পণ্ডিতে কৈ দিলে। তাৰ পাচে, কমলৰ ঘৰ-বাৰীৰ কথা সোধাত, এনে কমলৰ শলাগনিত ফুলি উঠা মুখখনি ম্লান পৰি গল। তথাপি, সেই কথা দুনাই সোধাত, কমলে কৃষ্ণৰাম গোহাঞিৰ ঘৰৰ কথাকে কৈ থলে। কীৰ্ত্তিনাথ গোহাঞিয়ে কমলৰ গঢ়-গতি, কথা-বাৰ্ত্তা সকলো শুনিবেপৰা মন কৰি আছিল। তেওঁ কমলৰ সম্বন্ধে পাচেকৈ কৃষ্ণৰাম গোহাঞিক মাতি আনি সুধিবলৈ মনে মনে স্থিৰ কৰি, ঘৰলৈ আহিবলৈ উঠিল; আৰু আহিবৰ সময়ত কমলক ঘৰলৈ উলটি যাওঁতে, তেওঁৰ ঘৰত সোমাই যাবলৈ কৈ আহিল।

লাহৰীয়ে পঢ়াশালিত কমলৰ বিষয়ে হোৱা কথা বাৰ্ত্তালৈ মন কৰি আছিল। ঘৰলৈ আহি আৰু সেই দিনা তেওঁ দেউতাকৰ লগ নেৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে চ'ৰাঘৰতে লাহৰীক কোলাত লৈ বহি আছে, এনেতে কমল ওলালহি। দেউতাকতকৈ আগেয়েই কমল লাহৰীৰ চকুত পৰিল; দেখিয়েই লাহৰীয়ে লাহেকৈ কোলাৰপৰা নামি দেউতাকৰ বাওঁফালে থিয় দি ৰল। কমলক সুধিব লগীয়া কথা বিশেষ একো নাছিল; কিন্তু কীৰ্ত্তি-নাথ গোহাঞিয়ে যেই-সেই লৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰ ভাল দেখিলেই তেওঁৰ ঘৰলৈ মাতি আনি সেই দৰে মৰম কৰে। কমল আহি থিয় হলত, তেওঁক দুই-চাইটা মৰম-লগা কথা সুধি, কীৰ্ত্তিনাথ গোহাঞিয়ে লাহৰীক কলে, "আই, কমলক আইতাৰৰ ওচৰলৈ লৈ যোৱা, জলপান খাবলৈ দিয়াগৈ।" লাহৰীলৈ ইয়াতকৈ আৰু আনন্দৰ বিষয় কি হব পাৰে! লাহৰীয়ে দেউতাকৰ অনুমতি পোৱা মাত্ৰকে আগ বাঢ়ি গৈ কমলৰ হাতত ধৰি, "আহা কমল" বুলি ভিতৰলৈ মাতি লৈ গল। কমলে

আজিলৈকে আনৰ ঘৰত কেতিয়াও একো খোৱা নাছিল। এতিয়াও নাখাওঁ বুলিবৰ, বা আন কিবা কাৰণ দেখুৱাবৰ ইচ্ছা আছিল; কিন্তু লাহৰী-লতাৰ কৰবান্ধনত তেওঁ বন্দী হল। লাহৰীয়ে হাতত ধৰা মাত্ৰকে কমল আপোন-পাহৰা হৈ পমি যোৱা যেন হল। নাখাওঁ বুলিবলৈ তেওঁৰ সত নোযোৱা হল। তাৰ পাচত, ভিতৰলৈ নি আইতাকৰ ওচৰত জলপান খুৱাই, লাহৰীয়ে আকৌ কমলক হাতত ধৰি পুখুৰীৰ-পাৰত ফুৰিবলৈ লৈ গল। কমলে আগেয়ে, আগৰ ঘৰত থাকোঁতেও, এনে ধুনীয়া ফুলনিপৰীয়া পুখুৰী দেখা নাছিল। আজি কীৰ্ত্তিনাথ গোহাঞিৰ পুখুৰীপাৰৰ ফুলনিত সোমাই কমলৰ মনত আনন্দে নধৰা হল। কিন্তু, অকল সেই ফুলনি দেখিয়েই কমলে মনে মনে এনে সুখ অনুভৱ কৰিছিল নে?—নহয়, আজি কমলে তেওঁৰ চেনেহৰ বস্তু, সেই ফুলনিৰ ফুলকুঁৱৰী লাহৰীৰ হাতত ধৰি ফুলনিৰ মাজে মাজে ফুৰিবলৈ পাই হে সেই সুখত আপোন-পাহৰা হৈছে। তেওঁৰ মানত এই দুখৰ পৃথিবীকে সুখৰ স্বৰ্গ যেন লাগিছে। এই ভাবে হাতত ধৰাধৰিকৈ লৰালি কথা-বাৰ্ত্তাৰে সৈতে দুয়ো পুখুৰীৰ চাৰিও পাৰে ফুৰিবলৈ ধৰিলে। এনে জকমকীয়া ফুলনিত এই দুটি প্ৰাণীক এনেকৈ হাতত ধৰাধৰিকৈ ফুৰি থাকোঁতে দেখিলে, বাটৰ বাটৰুৱায়ো বাট বুলিবলৈ পাহৰি যায়! যেয়ে এবাৰ চায়, তেওঁ আৰু সতকাই চকু ঘুৰাব নোৱাৰে। এই দৰে ফুৰি থাকোঁতেই সদায় ফুৰিবলৈ অহা গাৱঁৰ আন লৰা-ছোৱালীবিলাকো আহি পুখুৰীপাৰৰ ফুলনি ভৰি পৰিল। তাৰ পাচত, লাহৰীয়ে কমলৰ হাতত ধৰি পুখুৰীৰ চাৰিও পাৰে আকৌ এবাৰ ফুৰি, প্ৰত্যেক জুপিৰে এপাহী-দুপাহীকৈ ফুল তুলি লৈ, দুয়ো পাণৰ মাহী আদিৰে বেৰি থোৱা সুন্দৰ জোপা এটিৰ মাজত বহি মালা গাঁথিবলৈ ধৰিলে। তললৈ মূৰ কৰি দুই হাতে মালা গাঁথি থাকোঁতে লাহৰীয়ে এবাৰ দেখিলে যে, কমলে নিটাল মাৰি একেঠৰে মালা গঁথাকে চাই

আছে। তেতিয়াই লাহৰীৰ মনত কি যে এটা ভাব আহিল, তেওঁ হাতৰপৰা আধা-গঁথা মালা মাটিত থৈ কমলৰ হাতখনি দুই হাতৰ মাজত লৈ মোহাৰি মোহাৰি কবলৈ ধৰিলে, "কমল! তুমি কি ভাবিছা? চোৱাচোন, সৌবিলাক লৰা-ছোৱালী ইয়াত ফুৰিবলৈ সদায় আহে; তুমি হে নাহাঁ।" কমলে কি উত্তৰ দিব!—কমল যে কমলত নাই। লাহৰীৰ কোমল হাতৰ মাজত হাত ৰাখিবলৈ পাই কমলৰ কোমল প্ৰাণ যে পমি গৈছে! পিচে, কি কব, কি নকব, একো স্থিৰ কৰিব নোৱাৰি কাঠৰ পুতলাটিৰ দৰে একে ঠৰে তেওঁ লাহৰীৰ মুখলৈ চায়ে ৰল! তাৰ পাচত, সংজ্ঞা পোৱা দি পাই কমলে চঁক্ খাই উঠি কবলৈ ধৰিলে, "লাহৰি, মই নো কি ভাবিছোঁ, কি ক'ম? এই সময়ত কি ভাবিছিলোঁ কব নোৱাৰোঁ যদিও, আন সময়ত কি ভাবি থাকোঁ, সেই কথা কবলৈ বহুত পৰ লাগিব। আজিলৈ আৰু সেইবোৰ একো নকওঁ। লাহৰি, মই এনেই হে নহাকৈ আছিলোঁ; আজিৰপৰা বাৰু সদায় আহিম দেই।"

লাহৰী।—সদায় আহিবা নে কমল! সদায় আহিবা দেই। তুমি পঢ়াশালিৰপৰা আহিবৰ সময় হলে, মই সদায় জলপান-সজাই থম দেই।

কমল।—লাহৰি! মোলৈ সদায় ইয়াত জলপান সজাই থৈ তুমি দুখ পাব নালাগে; মই পঢ়াশালিৰপৰা বাজে বাজে ঘৰলৈ গৈ জলপান খাই বেগতে ইয়ালৈ আহিমগৈ দেই। মোলৈ আইতাই ঘৰত জলপান সজাই থয়; ঘৰত নাখালে আকৌ আইতাই বেজাৰ কৰিব নহয়। বেয়া নাপাবা দেই!

লাহৰী।—( মুখখনি অলপ আমোলাই ) বেয়া নাপাওঁ বাৰু। তুমি সদায় আহিবা নে? সদায় আহিবা দেই, কমল!"

কমল।—অ, লাহৰি, তুমি বেয়া পাইছা? মই সদায় নাপাওঁ হে বুলিছোঁ; মাজে মাজে ইয়াতো খামহি। আৰু, মই সদায় আহিম। লাহৰি! মই

পঢ়াশালিৰপৰা আহোঁতে তোমাক সদায় দেখোঁ; মনতে মাতিম মাতিম যেন লাগে। আৰু, দুদিনমান মাতিবলৈ চিপিয়াইছিলোঁ, মাতিব হে নোৱাৰিলোঁ!

লাহৰী।—(হাঁহি হাঁহি) "এৰা, মোৰো সদায় মাতিম মাতিম যেন লাগে, পিচে মাতিব হে নোৱাৰোঁ! অ, আজি পিচে মতামতি হল নহয়!" এই বুলি দুয়ো ঢেৰ্ঢেকাই হাঁহিবলৈ ধৰিলে। তাৰ পাচত, গধূলি হোৱা দেখ দেখি, লাহৰীয়ে আকৌ মালা গাঁথিবলৈ ধৰিলে। তেওঁ দুধাৰ মালা গাঁথি এধাৰ আপুনি পিন্ধিলে, ইধাৰ কমলৰ কণ্ঠত পিন্ধাই দিলে। অহঃ, কি যে মনমোহা দৃশ্য!—আজিয়েই কমলক লাহৰীয়ে মালা পিন্ধাই বৰিলে নে কি!—নহয়, আজি লাহৰীয়ে কমলৰ প্ৰাণত অময়া প্ৰেমৰ আবেগেৰে উলাহ হে লগালে! আজিৰপৰা কমল লাহৰীৰ মায়াত মেৰ খালে! আজিৰপৰা কমলে লাহৰীক পাই সকলো পাহৰিব পৰা হল! তাৰ পাচত, দুয়ো হাতত ধৰাধৰিকৈ থিয় দিলে। অহঃ, কিনো মোহন যুগলমূৰ্ত্তি! গোপ-গোপিনী-বিলাকে ইফুলৰপৰা সিফাললৈ বিহাৰ কৰি ফুৰিছে; ৰাধা-কুঞ্জৰ মাজত ৰাধা-কৃষ্ণ!!

# ৬। আধ্যা।

## ধনবৰ বৰগোহাঞি।

পাঠকৰ মনত থাকিব পায়, শূলধৰ বৰগোহাঞিৰ পুত্ৰেক ধনবৰ বৰগোহাঞিৰ কথা আমি আগতে অলপ উল্লুকিয়াই আহিছোঁ; এতিয়া আমি তেওঁৰ ৰূপ, গুণ আৰু স্বভাৱ-চৰিত্ৰৰ কথা অলপ কওঁ। ধনবৰৰ বয়স এতিয়া চৈধ্য বছৰত সোমাইছেহি। লৰাটি মিঠাবৰণীয়া,— দেখিবলৈ বৰ বিষম নহয়। শকত-আৱতলৈ চাই, থোলোকা পাৰটোৰ দৰে; পোন্ধৰ-ষোল বছৰীয়া লৰা যেন দেখি। ধনবৰৰ মুখখনি চকলামুৰা, নাকটি গঁৰা আৰু দুই চকুৰ মাজত চেপেটা; সেইখিনিত নাকৰ চিন্ নাই বুলিলেই হয়। চকু দুটি শল মাছৰ চকুৰ দৰে সৰু সৰু আৰু ৰঙা। সেকৰা ওঁঠখন দু-আঙুলমান বহল; সদায় তামোলৰ ৰাঙেৰে ৰাঙলী। আগদাঁত কেইটি উঠলা আৰু তলৰ দাঁতপাৰি বেৰীয়া-গজা; মুখ জঁপালে ওঁঠ দুখনে দাঁত ঢাকিব নোৱাৰে, আগদাঁত ওলাই থাকে। ৰৰকৈ চেপি ধৰিলে ঢাক খায়; কিন্তু মুখখনি হে মলুৰাটিৰ দৰে হৈ পৰে! সেই কাৰণেই, তেওঁৰ মুখৰপৰা সদায় মিচিকিয়া হাঁহি ফুটুচে। কাণ দুখনি মেকুৰীৰ কাণৰ দৰে নিচেই সৰু সৰু; নিলগৰপৰা চালে, আছে নে নাই তত ধৰিবলৈকে টান। চুলিখিনি ঠিক গাহৰীৰ গলধনৰ ওপৰৰ খিয় নোমখিনি চলে চাবই নালাগে। ডিঙিটি কাছৰ দৰে; কোঁচ মোচ খাই বহি থাকিলে কানতে-মূৰ-লগা যেন দেখি, ফেঁটী সাপৰ দৰে ওপৰলৈ মূৰ তুলি ধৰিলে তেও অলপ ডিঙি যেন দেখি। পেটটি কড়িৰ গুৰিবেপৰা ধেন্দু-ভিৰীয়া; চুবিয়া পিন্ধোতে ওপৰলৈ উজাই পিন্ধিলে কড়িৰ গুৰি পায়গৈ আৰু তিৰোতাই

বুকত মেখেলা পিন্ধাৰ দৰে হয়, তললৈ নমাই পিন্ধিলে আকৌ নাইৰ তলত থাকেগৈ। গাৰ ফালে চাবই নালাগে, বাদু ওলমি পৰিছে! কাপোৰ-কানি পিন্ধাৰ বিষয়েও সৰহ কব লগা নাই, তেওঁৰ গাত কেতিয়াও তিনি ডুখৰি কাপোৰতকৈ সৰহ নাথাকে। চুৰিয়াখনি পিন্ধাৰ ফালে পেটৰ ৰূপ বৰ্ণাওঁতেই বুজিব। বাকী,—একানে গাঁৰিদিয়া চেলেং এডোখৰ; আৰু কঁকালত তামোলৰ গামোছাখনি। গামোছাখনিয়ে জানিবা আৰু এটি উপকাৰ কৰে; সেয়ে নহলে চুৰিয়া নৰয়! তাৰ পাচত, গুণৰ কথা অলপ কওঁ। তালৈকো এটা লেঠা এই যে, সেই বিষয়ে কবলৈ হলে, প্ৰথমে মানুহটি মাতে-কথায় কেনে, তাক জানিব লাগে। কিন্তু, তেওঁৰ মুখৰপৰা দেখোন মাত-কথা শুনাই টান; কথা পাতিবলৈ ধৰিলে মানুহক মুখৰ থুইৰে বুৰাই দিয়ে! তাতে আকৌ কেঁচা ধঁপাতেৰে তামোল এমোকোৰা সদায় মুখৰপৰা সুগুচে। গতিকে, সেই ছোৱা এৰিয়েই দিব লগীয়া হল। কথা পাতিব নোৱাৰি সেই ছোৱা এৰি দিয়া গল যদিও, আন-আন গুণৰ কথাকে অলপ কোৱা যাওক। ধনবৰৰ বুদ্ধিটি জানিবা এটি ভোটা-বেজী; এইখিনিতে কথা এটি শুনিলে, সেই খিনিতে আকৌ সেইটো তেনেই পাহৰিলেগৈ। বছেৰেকমানেও পণ্ডিতে চেকনিৰে পিঠিৰ ছাল ছিঙিও ক-খ খনকে মুখত অনাব নোৱাৰিলে। তাৰ ভিতৰতে, ক-খ নৌ শিকোঁতেই, তেওঁ দহখনমান কিতাপ ফালিলে। পঢ়িব নোৱাৰি পণ্ডিতক ভুৱা দিয়া বিচক্ষণ বুদ্ধিটি চাওক,—যি কেইটা আখৰ মনত নৰয়, সেই কেইটা চিকুটি ফালি পেলাই দি, পণ্ডিতক কয় "মোৰ কিতাপতেই নাই, কেনেকৈ পঢ়িম?" পণ্ডিতৰ মাৰ খাই খাই দগা গৰুৰ দৰে মাৰলৈ আৰু কটাহি নকৰা হল। সদায় মই বৰ, মই ধনী মানুহৰ লৰা, মোৰ দেউতাক সকলোৱে মান কৰে, এনেবোৰ গণ্ডপ-মৰা ভাব লৈয়ে ধনবৰ গঙ্গাটোপৰ দৰে ওফন্দি ফুৰে। দয়া, ক্ষমা, নম্ৰতা এনেবোৰ

গুণৰ কোনো এটিলৈকে তেওঁৰ বহল হৃদয়ৰ এচুকতো ঠাই নাই। দুখীয়া, নিচলা, মগনীয়া মানুহ দেখিলে তেওঁ উগ্রমূৰ্ত্তি ধৰে। ঘৰলৈ কোনো মগনীয়া-খোজনীয়া আহিলে, ধনবৰে লগুৱা লগাই তাক ততালিকে পদুলিৰ বাজ কৰাই দিয়ে। তেওঁৰ প্রতাপত গৰু, ছাগলী, আন কি ভালৰ চৰাই-চিৰ্কতিয়েও কঁপি থাকে। ঘৰত থকাখিনিপৰত গৰু-ছাগলীয়ে বাৰীৰ চাৰিসীমাৰ ভিতৰলৈ ঢুঁকিয়াবৰ সাধ্য নাই! কেতিয়াবা কোনো গৰু বা ছাগলী বাৰীৰ ভিতৰত দেখা পালে, সেই গৰু-ছাগলীৰ আৰু সেই দিনা শৰাধ! ধনবৰ বৰমতাই হালোৱা এছাৰিৰ কোৰত তাৰ পিঠি দমলা-দমল কৰে; আৰু তাৰ পাচত বান্ধি লৈ, চকুত বিহ লগকীয়া ভাঙ্গি দি, ঠেং এটামান খোৰা কৰি এৰি দিয়ে। ভদ্রতাৰ বিষয়ে ওপৰতে উম্মুকিয়া হৈছে; সদায় মইবৰ ভাবতে ওকণ্দি থাকে। কোনো বুঢ়া, বা বয়সীয়া মানুহে তেওঁৰ অত্যাচাৰ সহিব নোৱাৰি ভাল কথাৰে দুই চাইটা উপদেশ দিব খুজিলে, ধনবৰে জাঁপ মাৰি ওপৰতে পৰিব খোজে! মাক বাপেকৰ তো কথাকে নকওঁ; ভালেই হওক বা বেয়াই হওক, তেওঁবিলাকৰ মুখ বজাবৰ সাধ্য নাই। কিন্তু, আনবিলাকক যিমানেই যি কৰক, কীৰ্ত্তিনাথ গোহাঞিক ধনবৰে একেবি মানি কৰে; আৰু তেওঁ কিবা কথা কলে অলপ কাণ পাতি শুনে! আন কি, কেতিয়াবা কিবা দুষ্টালি কৰি থকোঁতে কীৰ্ত্তিনাথ গোহাঞিয়ে দেখা পালে, ধনবৰ বোপা সেই কালেই ঠৰ্ হয় আৰু ততালিকে তেওঁ এনে গহীন আৰু শান্ত হৈ পৰে, যেন লৰাই সেই বিষয়ে একোকে কৰই নোৱাৰে; তেনেটি নম্র, ধীৰ আৰু শান্ত লৰা যেন আৰু পাবলৈকে নাই। বাস্তৱতে, ধনবৰ যেনে শকত-আৱত লৰা, দুষ্টালি কামত নেদেখিলে, মানুহে কেতিয়াও তেওঁক দুষ্ট বুলি ভাবিব নোৱাৰে। তাৰ পাচত, স্বভাৱ-চৰিত্রৰ বিষয়ে অলপ কবলৈ আছে। এই বিষয়ে বহলাই নকলেও, ওপৰত দিয়া চানেকি চায়ে অনুমান কৰিব পাৰি।

প্ৰথমে, দিনটোৰ ভিতৰত কাৰ ক'ত হানি কৰিব, কাক মাৰিব, কাক কিলাব, কাক ডকা দিব, কাক জগৰ লগাব, কাক জোকাব এইবিলাকেই হৈছে তেওঁৰ প্ৰধান চিন্তা। দিনটোৰ ভিতৰত নো ক'ত কিমান জগৰ লগাব, কিমান চুবুৰীয়াই মাক-বাপেকৰ ওচৰত গোচৰ দিবহি, তাৰ সীমা-সংখ্যা নাই। সকলোৱে ডাঙৰ মানুহৰ লৰা বুলি সহি থাকে। ধেমালি কৰা লৰাৰ ভিতৰতো তেওঁক কোনেও লগ দিব নোখোজে। কিন্তু লগ দিব নুখুজিলে বা হব কি?—যি কেইটাই লগ দিবলৈ আপত্তি কৰিব সিহঁতক মাৰি-কিলাই খেদি দি তেওঁ বলেৰে দলত সোমাই লয়। গাওঁৰ বোৱাৰী-জীয়াৰীয়ে ধনবৰক দেখিলে ওলাবলৈ ভয় কৰে। দেউতাকে বেয়া পায় বুলি মাথোন কোনেও একো নকয়। এই গতিৰেই চলি সদৌশেহত ধনবৰ কিছুমান দুষ্ট মানুহৰ সঙ্গত পৰিল! ধনবৰক অলপ উচটাই হে দিব লাগে, তেওঁ একেবাৰে জাঁপ মাৰি মূধৰ ছালত উঠেগৈ। সেই দুষ্ট সঙ্গত পৰি লাহে লাহে ডেকাই ভাং-কানিতো মাজে-সময়ে ধৰা হল। দুষ্ট মানুহবোৰে নিজৰ সুবিধা লাভৰ নিমিত্তে ধনবৰক ভাং-কানি খাবলৈ বৰকৈ উচটাবলৈ ধৰিলে। সিহঁতে কয়, "বোপা দেউতা! আপোনাৰ নো কি নাইকিয়া হৈছে? ৰামদেউৰ কিৰ্পাত, আপোনাৰ সকলো আছে। আপোনাৰ পিতাকৰ ইমান ধন সম্পত্তি নো কোনে খাব; এই দৰে অলপ সুখ নকৰিলে নো জীৱন ধৰাৰ সকাম কি?" এনেকুৱা উদগনি পালে ধনবৰে যেন স্বৰ্গ চুকি পায়। এই শলাগনি ফেৰিৰ নিমিত্তেই তেওঁ মাজে-সময়ে সিহঁতক ঘৰৰপৰা চুৰ কৰি নি দুই-চাৰি টকা যি পাৰে দিয়েগৈ। আৰু, এনেবিলাক মানুহৰে সৈতে হলে ধনবৰৰ বৰ মিল।

এই দৰেই কিছুকাল গল। এদিন সেই কানীয়া-ভকতসকলে ধনবৰক লৈ ভালকৈ কানিৰ থোলাত বহিবৰ মন কৰিলে। ধনবৰক সেই প্ৰস্তাৱ শুনোৱা মাত্ৰকে, তেওঁ ঘৰলৈ গৈ যি পাৰে দহ-বাৰ টকা আনি কানীয়া

ভকতসকলক শোধালেহি! কানীয়া ভকতসকলৰ মহা আনন্দ মিলিল! লৰালাৰিকৈ যথাসময়ত পাণৰ চাকি যুগুত কৰা হল। এজনে গৈ চকুৰ টিপতে ঘৰৰপৰা ধনবৰক মাতি আনিলে। তাৰ পাচত, পাণৰ চাকি হাতে লৈ, চাৰিপিনে চাৰি সিদ্ধ বহি, এপাশে ধনবৰ বোপা-দেউতাক ডুতৰপীয়া কঠ এটাৰ ওপৰত বহুৱাই লৈ, পাণৰ চাকি পুৰিবলৈ আৰম্ভ কৰিলে! টিকিৰা পোৰাৰ লগে লগে কানীয়া-সত্ৰৰ মেল আৰম্ভ হল। যথা,—

১ম, কানীয়া।—(দীঘলকৈ টান এটা মাৰি, ভলুকা বাঁহৰ হোঁকাটো ২য়, কানীয়াৰ হাতলৈ দি, কথাত মুখৰ ধোঁৱা উৰাই) "কোঁৱাঁ, আলপতি, কোঁৱা কোঁৱাঁ। আজি তেও বোপা-দেউতাৰ কিৰপাত, উকেৰে পাণ চাকি পুৰি লোৱাঁ।"

২য়, কানীয়া।—(আঙঠাডোখৰ জোকাৰি জোকাৰি) "এৰা, ৰামদেউৰ অনুগ্ৰহত কিন্তু, বোপা-দেউতাৰ মূৰৰ চুলিৰ সমান কিন্তু আয়ুষ হক।"

৩য়, কানীয়া।—(হাত লেচাৰি লেচাৰি) "নহয় বান্ধ, তাৰ-পৰা-তাপেনে-নামেনে, বোপা-দেউতাই ভাল ছোৱালী এটা পাওক।"

৪র্থ, কানীয়া।—(৩য়, কানীয়াৰ গাত ঠেলা এটা মাৰি) "খোৱা হে মিতা, তাৰ-পৰিণামে, তুমিও বৰ কথাটো, তাৰ পৰিণামে, বিচাৰি পালাগৈ! কৃষ্ণদেৱক চিন্তি, তাৰ-পৰিণামে, বোপা-দেউতাৰ নো ছোৱালীৰ, তাৰ-পৰিণামে, কি একাল লাগিছে।"

১ম, কানীয়া।—(ধোঁৱা এঢোকা পেটলৈ গিলি) "মই চাওঁতে অলে, লাৰৱী আইদেউৱেই বোপা-দেউতাৰ বাল যোৰা মিলিব।"

৩য়, কানীয়া।—"অ, বোপা-দেউতাক, তাৰ-পৰা-তাপেনে-নামেনে, বৰকৈ সুখুৱাবিহঁক। বোপা দেউতা, তাৰ-পৰা-তাপেনে-নামেনে, লৰা মানুহ; তাৰ-পৰা-তাপেনে-নামেনে, গাত বৰকৈ ধৰিব।"

২য়, কানীয়া।—"এৰা, কিন্তু, ৰামদেউৰ অনুগ্ৰহত, বোপা-দেউতাই, কিন্তু, বৰকৈ খোৱা নাই।"

ধনবৰ।—"হয়, ককাইহঁত, মই বৰকৈ খোৱা নাই। ঘৰত গৈ টলং-ভটং কৰিলে জানিব নহয়; সেই দেখি, মই গা চাই হে খাইছোঁ।"

৪র্থ, কানীয়া।—"তহঁতো, তাৰ-পৰিণামে, কিন্তু, ভাল আৰু! বোপা-দেউতাক, তাৰ-পৰিণামে, আমাৰ দুখীয়া ভেবা লৰাৰ নিচিনা, তাৰ-পৰিণামে, দেখিছ নে? কৃষ্ণদেৱক চিন্তি, বোপা-দেউতাক, তাৰ-পৰিণামে, আমি কি বুজনি দিবৰ লায়েক।

২য়, কানীয়া।—(ভাল কথকি বোলাই) "নহয়, কিন্তু, কথাটো হে—"

এনেতে, শূলধৰ বৰগোহাঞিৰ প্ৰৱেশ! তেওঁক মনে মনে কোনোবাই সম্ভেদ দিলেগৈ। শূলধৰ বৰগোহাঞিয়ে, সোধপোছ নাই, পোনেই সোমায়েই হাতৰ লাখুটীৰে সৈতে উধামুধাকৈ যাকে য'তে পালে, তাকে ত'তে টঙ্গনিয়াবলৈ ধৰিলে। কানীয়াহঁত যেয়ে যেনিয়ে পাৰিলে, দুৱাৰ-বাৰ ভাঙ্গি পলাই-পত্ৰং মাৰিলে। ধনবৰ বোপা কিন্তু সবাতকৈ আগ। তাৰ পাচত, শূলধৰ বৰগোহাঞিয়ে ঘৰলৈ আহি পুতেকক ডাবি-হুঁকি দি, সেই দুষ্ট মানুহবোৰক আঁতৰ কৰাবৰ নিমিত্তে কীৰ্ত্তিনাথ গোহাঞিদেৱৰে সৈতে পৰামৰ্শ কৰিবলৈ স্থিৰ কৰিলে। ধনবৰে এই কথা শুনি দেউতাকক কাকুতি কৰি কীৰ্ত্তিনাথ গোহাঞিক এই কথা নজনাবলৈ টানি ধৰিলেহি। তেৱোঁ মান্তি হল। গতিকে, কীৰ্ত্তিনাথ গোহাঞিয়ে ধনবৰ বোপাৰ কানী-খোলাত বহাৰ বিষয়ে একো সম্ভেদ নাপালে। কীৰ্ত্তিনাথ গোহাঞিয়ে ইমান দিনে ধনবৰৰ সম্বন্ধে একো বেয়া কথা শুনা নাই; মুঠতে তেওঁ ধনবৰক শান্ত আৰু বৰ সজ স্বভাৱৰ লৰা বুলি হে জানে।

# ৭। আধ্যা।

## লাহৰী-কমল।

আমি, ছেগ বুজি, আকৌ লাহৰী-কমলৰ ওচৰলৈ যাওঁ। সেই দিনা ফুলনিত লাহৰীয়ে কমলক প্ৰথম অময়া প্ৰেমৰ আবেগেৰে মোহ লগাবৰেপৰা লাহে লাহে দিনো বাঢ়ি আহিছে আৰু তাৰ লগে লগে সেই মোহ ক্ৰমাৎ ডাঠ্ হৈ আহিবলৈ ধৰিছে। লাহৰীয়ে অকল কমলক মোহ লগাই, তেওঁক নিজৰ ইচ্ছা মতে টনাঢিলোৱা কৰি ৰং চোৱা নাই,—লাহৰীয়ে সেই দিনাই নিজৰ ডিঙ্গিতো সেই মোহৰ ফাঁহ লগাই কমলৰ ডিঙ্গিত আঁটি দিছে। সেই গাঁঠি ক্ৰমাৎ দৃঢ় হৈছে বুলিও, সি চোঁচনী-গাঁঠি হে; টানিলেই চোঁচা খায় আৰু এৰি দিলেই ঢিলা হৈ পৰে। এতিয়া দুয়ো ওচৰা-উচৰি হৈ আছেমানে একো বিপদৰ আশঙ্কা নাই। কিন্তু এটিৰ পৰা আনটিয়ে আঁতৰি যাব লগাত পৰিলে, বা কোনোবা শতুৰুৱে বলেৰে ধৰি দুইকো দুফালে আঁতৰাই নিব লাগিলে, এটিও নাবাঁচে; টেঁটু-চেপা লাগি দুইটি দুফালে হানি হব! অহঃ, শতৰুৱেই হল লাগে, এনে দুটি প্ৰাণীৰ অন্ত পেলাবলৈ নো কাৰোবাৰ মত যাব নে? কাৰ নো এনে শিলাময় হিয়া আছে যে, এনে দুটি সুন্দৰ মূৰ্ত্তিক দেখি অলপো নপমিব? যি এনে নিকৰুণ কাম কৰিবলৈ আগ বাঢ়িব, সি যে নিয়ন্তাৰ ওচৰত ঘোৰ অপৰাধত অপৰাধী হব। সৃষ্টিকৰ্ত্তাই যে এই দুটি প্ৰাণীক গঢ়োঁতে বহু পৰিশ্ৰম কৰিলে; আৰু বহু কষ্ট সহিলে। আৰু, শতুৰু হবলৈকো,

লাহৰী-কমলে নো কাক কি কৰিছে?—কাক নো কেতিয়া আমনি কৰিছে? লাহৰী-কমলে দেখোন কাৰো ঘৰলৈ নাযায়, কাকো এটা বঢ়া-বচন নোবোলে, কাকো বেজাৰ পোৱা কথা এটি নকয়, কাৰো লগত কন্দল নকৰে, কাৰো কেতিয়াও অহিত নিচিন্তে। বৰঞ্চ, সিবিলাকে দুখীয়াৰ দুখত পুতৌ কৰে, নিচলাৰ শোকত শোক কৰে, বেজাৰ কৰা মানুহৰ লগত বেজাৰ কৰে; আৰু পৰাখিনিত তেনে দুখ, শোক আৰু বেজাৰ গুচাবলৈ হে যত্ন কৰে। তেন্তে নো এই পৃথিবীত লাহৰী-কমলৰ কোন্ শত্ৰু আছে?—নাই, এই জগতত লাহৰী-কমলৰ শত্ৰু নাই! কমল হেন এটি সুন্দৰ উঘা ভাঙ্গোতাও নাই আৰু সেই উঘাত মেৰ থাই থকা নিৰ্ম্মল প্ৰেমৰ লাহৰী-সূতা ছিঙ্গোতাও নাই। আমি তেন্তে লাহৰী-কমলৰ বিপদৰ ভাবনা এৰি পেলাওঁ। তেওঁবিলাকে নিজৰ ইচ্ছামতে যিমান পাৰে সিমান আগুৱাওক; তেওঁবিলাকে সেই অময়া প্ৰেমৰ মোহ যিমান পাৰে, সিমান ডাঠ্ কৰোক, তাত আমাৰ অকণো ভাবনা নাই।

যেই-সেই কথাতে কমল বৰ থিৰ। পঢ়াশালিত নাম লগাবৰেপৰা কমলে যেনেকৈ এদিনো পঢ়াশালিলৈ যোৱা খতি কৰা নাই, লাহৰীৰ ওচৰত "সদায় আহিম" বুলি কোৱা দিনৰেপৰা লাহৰীহঁতৰ ঘৰলৈকো তেওঁ এদিনো নহাকৈ থকা নাই। লাহৰী-কমলৰ নিতৌ নতুন ভাব, নতুন কথা, নতুন উলাহ। এনে কোমল বয়সত নো লাহৰী-কমলে কেনেকৈ ইমান নতুন ভাব, নতুন কথা লৈ নিতে নিতে নতুন ভাৱে উমলিব জানিছিল, তাক সহজে বুজা টান। তাৰ কাৰণ হৈছে, প্ৰেমে যেই-সেই মানুহৰে মন-প্ৰাণ প্ৰেম-কথা প্ৰেম-ভাবেৰে সাকৰা কৰি থয়। যি প্ৰকৃততে আৰু সৰল ভাৱে নিস্বাৰ্থ প্ৰেমত পৰে, সি আৰু তেনে প্ৰেম-কথা প্ৰেম-ভাব বিচাৰিবৰো আৱশ্যক নকৰে আৰু কাৰো ওচৰত তেনে কথা, তেনে ভাব শিকিবও নালাগে। অকৃত্ৰিম আৰু নিস্বাৰ্থ

প্ৰেমৰ এয়ে বিশেষত্ব। যি জনে সঁচাকৈয়ে এনে অময়া-প্ৰেমত পৰে, তেওঁক প্ৰেম-দেবীয়ে জয়ে-জয়ে আদৰেৰে ইয়াকে হে বঁটা দিয়ে। কিন্তু, যি নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে প্ৰেম কৰে, যি ভালপোৱা পাবৰ আশাৰে ভালপোৱা দিয়ে, যি নিজৰ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে সঁচায়-মিছায় বাৰবুৰি কথা জুকিয়াই লয়, বা আনৰপৰা শিকি লয়, তেনে কৃত্ৰিম প্ৰেমিকৰ প্ৰেমালাপ সীমাবদ্ধ। তেনে প্ৰেমিকৰ হিয়া উদং, তেনে প্ৰেম দুদিনীয়া আৰু তাৰ পৰিণাম সততে শোচনীয়। তেনে প্ৰেমক কৃত্ৰিম আৰু স্বাৰ্থপৰ প্ৰেম বোলা যায়। মনৰ মিল আৰু প্ৰাণৰ মিলনে লাহৰী-কমলৰ দিনে দিনে তেনে নতুন ভাব, নতুন কথা, নতুন লাহ-বিলাহ তাল পৰিমাণে বঢ়াবলৈ ধৰিলে। দিন বাগৰি সপ্তাহত পৰিল, সপ্তাহ বাগৰি মাহত পৰিল, মাহ বাগৰি বছৰত পৰিল; আৰু তেনে বছৰো কেইবাটাও পাৰ হল। এতিয়াও নিতে নিতে নতুন ভাব, নতুন লাহ-বিলাহ! বছৰৰ লগে লগে আমাৰ লাহৰী-কমলৰ বয়সো বাঢ়িল; এতিয়া লাহৰীৰ বয়স পোন্ধৰ বছৰত আৰু কমলৰ বয়স কুৰি বছৰত সোমাইছেহি। আৰু, বয়সৰ লগে লগে প্ৰণয়ৰ মোহ ক্ৰমাৎ ডাঠ হবলৈ ধৰিছে। কথা-বাৰ্ত্তা, ভাব-গতি সকলো আগতকৈ বসাল আৰু সাৰুৱা হৈ আহিছে। বয়স-বাৰিষা পাই পৱিত্ৰ প্ৰেম-নৈৰ মিলন সোঁতে খৰতৰ গতি ধৰিছে!

এই দৰে সদায় পৱিত্ৰ প্ৰেম-নৈৰ নিৰ্ম্মল পানীৰ সোঁতত ভাহিবলৈ পাই লাহৰী-কমলৰ সুন্দৰ মূৰ্ত্তি দিনে দিনে দুগুণ জেউতিৰে ফুলি আহিবলৈ ধৰিলে। ইটিৰ ৰূপত সিটিয়ে, সিটিৰ ৰূপৰত ইটিয়ে মোহ গৈ বিভোল হবলৈ ধৰিলে। আন কি, এই দুটি প্ৰাণীক একেলগে দেখিলে, দুখীয়া ৰোগীয়েও বিষম ৰোগৰ মৰ্ম্মান্তিক যন্ত্ৰণা পাহৰি এবাৰ মূৰ দাঙি চাব খুজিব। দুইটিকে পুখুৰীপাৰৰ জোপাৰ মাজত বহি প্ৰেমালাপ কৰা দেখিলে, যথা প্ৰেমিক ভাবৰ কপৌ-কপৌজনীয়েও নিজৰ প্ৰেমক হেয় জ্ঞান কৰি উৰা

ভাৱে চাব। ইমান দিনে নো কত প্ৰকাৰৰ কত প্ৰেমালাপ হৈ গল, তাৰ সীমা-সংখ্যা নাই। মুঠতে, কবলৈ গলে, লাহৰী-কমলৰ অন্তৰৰ প্ৰেম-নিজৰা পৃথিবীৰ নাগফুটা নিজৰাৰ দৰে অক্ষয়। আন কি, সেইবাবে আজৰিৰ অভাৱত কমলে ইমান দিনেও লাহৰীক নিজৰ ঘৰৰ কথা আৰু বিপদৰ কাহিনীও ভালকৈ ভাঙ্গিপাতি কবলৈ ছেগ পোৱা নাই। ইয়াৰ ভিতৰতে এদিন লাহৰী কমল দুয়ো আন দিনৰ দৰে পুখুৰী-পাৰত ফুলনিৰ মাজে মাজে ফুৰি কথা পাতি ফুৰিছে, এনেতে গাৱঁৰ আন লৰা-ছোৱালী আহি উপস্থিত। লাহৰী-কমল পুখুৰীৰ সিপাৰে আছিল। তেওঁবিলাকে লৰা-ছোৱালীবিলাকৰ ওচৰলৈ ঘূৰি আহোঁতে পুখুৰীৰ মাজত ফুলি থকা পদুম এপাহীত লাহৰীৰ চকু পৰিল। লৰাবিলাকৰ ওচৰ চাপিলত লাহৰীয়ে ফুলপাহ আনি দিবলৈ ইটো-সিটোক খাটনি কৰিবলৈ ধৰিলে। সিহঁতৰ ভিতৰতে আমাৰ ধনবৰো আছিল। ধনবৰে তেওঁৰ গাত এনেটি কামৰ ভাৰ পৰে বুলি, ছেগ বুজি, গুণুনাৰ ভাৱ জুৰি, আঁতৰি আঁতৰি পুখুৰীৰ সিপাৰ পালেগৈ। বাকী লৰাবিলাকৰ ভিতৰত কোনোৱে "সাঁতৰিব নেজানোঁ", কোনোৱে 'চুৰিয়া তিতিব', কোনোৱে 'গধূলি পানীত তিতিলে আইয়ে থং কৰিব' এনেবোৰ আপত্তি কৰি কোনো ফুল আনিবলৈ নোলাল। পিচে, লাহৰীয়ে অসন্তোষ মনেৰে কমলৰ ফালে চালে। কমলে ততালিকে গাৰ চোলাটি সোলোকাই লাহৰীৰ হাতত দি, সাঁতৰ মেলি গৈ, এটি কলিৰে সৈতে ফুলপাহ ছিঙ্গি লৈ, আকৌ এহতীয়া সাঁতৰ দি পাৰ উঠিলহি; আৰু হাঁহি হাঁহি ফুলপাহ কলিটিৰে সৈতে লাহৰীৰ হাতত দিলেহি। পিচ-মুহূৰ্ত্ততে লাহৰী-কমল আনন্দত সেই ফুলৰ দৰেই ফুলি উঠিল! কমলে আজি "কছাৰি-ৰণত" জিকি অহা হলেও ইমান আনন্দ আৰু গৌৰৱ বোধ নকৰিলেহেঁতেন কি জানি। লাহৰীৰ অপাঙ্গত আনন্দাশ্ৰু চল্‌চলীয়া হৈ উঠিল! কমলবো সেই একে আবেগতে মন-প্ৰাণ বিগলি পৰিল! কিন্তু, কমল আৰু সৰহ পৰ বৰ নোৱাৰিলে, বেগাবেগিকৈ

তিতা কাপোৰ সলাবলৈ ঘৰলৈ যাব লগা হল। কমল ঘৰলৈ গল, কিন্তু তেওঁৰ চেনেহৰ চিন্,—তেওঁ পৰম উলাহেৰে পানীৰপৰা তুলি আনি দিয়া কমল-কলি-ফুল লাহৰীৰ হাতত্তে ৰল। লাহৰীয়ে চকুৰে দেখালৈকে পিচৰপৰা কমলক একেঠৰে চাই আছিল; নেদেখা হলত, হাতৰ ফুল-কলিকে ঘনে ঘনে শুঙিবলৈ ধৰিলে। কলিটি আৰু ফুলটি তেওঁ যিমান বাৰ শুঙে, সিমানবাৰ কমলৰ সৌৰভে লাহৰীৰ হিয়া আমোলমোল্ কৰে; কলিটিক যিমানবাৰ তেওঁ চুমা দিয়ে, সিমানবাৰ কমলৰ ভাবেৰে লাহৰীৰ অন্তৰ ভৰপূৰ হয়। আজি ফুলটিৰ ভাগ্য যে, কমলৰ কোমল হাতেৰে ছিঙা পৰিল; নহলে লাহৰীৰ জেতুলীপকা যেন ওঁঠৰ অমিয়া পান কৰিবলৈ সি নাপালেহেঁতেন। কলিটিৰ সৌভাগ্য যে, আজি সি লাহৰীৰ হাতত কমলৰ উপহাৰ হবলৈ পালে; নহলে এই জন্মত তাৰ ইমান গৌৰৱ নাবাঢ়িলেহেঁতেন। দেহি ঐ, লাহৰীয়ে যেন ফুলটি হাতৰপৰা নেৰিবই! পদুম কলিটি যেন লাহৰীৰ অন্তৰঙ্গ হে,—সি আঁতৰিলেই যেন বুকুৰ উত্তমাঙ্গ সৰি পৰে! সঁচাকৈয়ে, পিচদিনা আকৌ কমলৰে সৈতে মিলন নোহোৱালৈকে পদুম কলিটি লাহৰীৰ বুকুৰ ধন হৈয়ে আছিল। বুকুতে ফুলি তাৰ এপাহি সৰিলেই—যেন লাহৰীৰ হিয়াৰ এচিকটা এৰাই যায়! পাহিটি লেৰেলিলে যেন লাহৰীৰ প্ৰাণটিও অন্তৰতে শুকাই যায়!

পিচদিনা আবেলিপৰত ফুলপাহ আঁচলৰ আগত মেলি লৈ পুখুৰীপাৰত লাহৰী বহি আছে, এনেতে পিচফালৰপৰা কোনোবাই মনে-মনে লাহৰীৰ চকু দুটি মুদাই ধৰিলেহি। লাহৰী পোনেই উচাপ্ খাই উঠিছিল, পিচে পিচমুহূৰ্ত্ততে সেই মনচোৰৰ আঙুলি কিটিৰ পৰশন অনুভৱ কৰি, লাহৰীয়ে আনন্দত খল্খলাই হাঁহি উঠি কবলৈ ধৰিলে, "বুজিছোঁ,—কমল, কমল"। কমলে চাত কৰে হাত-এৰা দি সুধিলে, "কেনেকৈ বুজিলা অই বুজি লাহৰী?"

লাহৰী।—এনেকৈয়ে বুজিলোঁ। আঙুলিকিটিৰ উমানতে ধৰিলোঁ। দেখা পোৱা হলে নাই, দেই।

কমল।—উমানতে নো কেনেকৈ ধৰিলাঁ মই বুলি?

লাহৰী।—তেনেকৈয়ে ধৰিলোঁ। তোমাৰ আঙ্গুলিকিটি চুই মই উমানতে কব পাৰোঁ নহয়, তুমি বুলি।

কমল।—( অলপ পৰ লাহৰীৰ মুখলৈ মোহ লাগি চাই থাকি ) ময়ো বুজোঁ, লাহৰি, তোমাৰ মুখখনি চায়ে তোমাৰ অন্তৰখনি বুজোঁ! পিচে, তুমিচোন কালিৰ সেই লেৰেলা ফুলপাহকে লৈ আছাঁ? নতুন এপাহ লাগে নেকি? আনি দিম নে?

লাহৰী।—নালাগে কমল, নালাগে আনিবগৈ।

সেই বুলি কমলৰ মুখলৈ চাওঁতেই লাহৰীৰ চকু চল্‌চলীয়া হৈ উঠিল। নিমিষতে দুগালে দুধাৰি মুকুতা-পানী বৰলৈ ধৰিলে। কমলে দেখি বিতত্ হৈ সুধিলে, "কিয়, লাহৰি! কিয় কান্দিছাঁ?" লাহৰীয়ে ততালিকে উত্তৰ দিলে, "নাই কন্দা, কমল! এনেয়ে চকু-পানী ওলায় দেখোন!" কমলে আকৌ সুধিলে, "এইটো ফুল লেৰেলিছে; আন এটা আনি দিওঁ, দেই?" লাহৰীয়ে উত্তৰ দিলে, "নালাগে, কমল, আবেলি-বেলিকা তোমাক এইদৰে তিতি জুৰুলি হোৱা দেখিবলৈ মই ভাল নাপাওঁ। এই লেৰেলা ফুলটিয়েই তুমি নহালৈকে মোৰ মানত সৌ নতুনকৈ ফুলি থকা কেইটাতকৈয়ো তেজাল হৈ আছিল। অ, কমল, তুমি নো এনেকৈ সাঁতুৰিবলৈ কেতিয়া শিকিলাঁ?

সেই প্ৰশ্ন শুনি কমলে অলপ জিকাৰ খাই উঠি লাহৰীৰ মুখৰ কালে চাই ঠৰ্ হৈ বল; আৰু পিচ-মুহূৰ্ত্ততে বিষাদ ডাৱৰে কমলৰ মুখ-চন্দ্ৰ ঢাকি পেলালে! সেই মুহূৰ্ত্তৰ কাৰণে ফুলনিত লাহৰী-পোহৰ নাইকিয়া হল! তাৰ পাচত, কমলে লাহৰীক বিচুৰ্ত্তি হোৱা যেন দেখি, এটি দীঘল হুমুনিয়াহ

কাঢ়ি কৰলৈ ধৰিলে, "লাহৰি! এই গাঁতৰ মই আমাৰ আগৰ ঘৰতে শিক্ষা; ইয়াকে নজনা হলে, মই সেই বৰনৈত নাও বুৰি তললৈ যোৱাৰ-পৰা আকৌ ওলাব নোৱাৰিলোঁহেঁতেন। আৰু, লাহৰি! এই গাঁতৰ নজনা হলে, কালি তোমাক পুখুৰীৰ মাজৰপৰা পদুম ফুল-কলি আনি দি, আজি মোৰ সকলো দুখ পাহৰিব পৰা অতুল সুখৰ গৰাকী হব নোৱাৰিলোঁহেঁতেন।" এই কথা কৈয়ে কমল আকৌ হাঁহিমুৰা হল। তাৰ পাচত, লাহে লাহে কমলে হৈ-যোৱা ঘটনাৰ গুৰিৰেপৰা কবলৈ লগিলে, লাহৰীয়ে কমলৰ মুখলৈ চাই একান্ত মনেৰে শুনিবলৈ লাগিলে। প্ৰথমে কমলৰ দেউতাক, আইতাক আৰু তেওঁৰ লৰাকালৰ কথা কৈ যাওঁতে লাহৰীয়ে আনন্দত মিচিকি মিচিকি হাঁহি আছিল। তাৰ পাচত, বুঢ়াগোহাঞি ডাঙৰীয়াৰ অত্যাচাৰৰেপৰা কমল পামপুৰলৈ অহালৈকে, এই ডোখৰ বৰ্ণাওঁতে লাহৰীয়ে চকু-লো টুকি তত নাপাইছিল। বিবৃতি শেষ পৰিলত, লাহৰীয়ে কমলৰ হাতখনি নিজৰ দুই হাতৰ মাজত সুমাই লৈ মোহাৰি মোহাৰি কবলৈ ধৰিলে, "কমল! এতিয়াৰপৰা আৰু তুমি সেইবোৰ কথা মনত পেলাই বেজাৰ নকৰিবা দেই; মোৰে শপত, কমল, বেজাৰ নকৰিবা দেই। কমল! তোমাক বেজাৰ কৰা দেখিলে মোৰো দেখোন বেজাৰ লাগে! কমল! মোৰ কথাত পতিয়ন যোৱা যদি, মই সঁচা কথা কৈছোঁ।"

কমল।—"লাহৰি! তোমাৰ কথাত পতিয়ন যোৱাৰ কথা কৈছা নে? তোমাৰ কথা নপতিয়াবলৈ মই ন কৈ শিকিলে হে হব! মোৰ কথাও যদি পতিওৱা, লাহৰি! মই সঁচাকৈয়ে কৈছোঁ, তোমাৰে সৈতে প্ৰথম কথা-পাতিবৰ দিনৰেপৰা মই সকলো বেজাৰ পাহৰিলোঁ।" কমলৰ সেই কথাত উৎফুল্লিত হৈ দুয়ো হাঁহিবলৈ ধৰিলে। তাৰ পাচত, তাৰপৰা উঠি দুয়ো ফুলনিৰ মাজে মাজে ফুৰিবলৈ ধৰিলে। অহঃ, লাহৰী-কমল বৰ দৃঢ়ৰূপে বান্ধ খালে! কমল-গছ পাই লাহৰী-লতাই একান্ত মনে

নথকাকৈ মেৰালে! এতিয়া গছ বা লতাত ধৰি আঁজুৰিলেও বান্ধ এৰুৱাবৰ সাধ্য নাই। কমল-গছ যে আন আম-কঁঠাল গছৰ দৰে টান নহয়,—নিচেই কোমল; লাহৰী-লতাই পাই হে মট্‌মটীয়াকৈ থৈছে। এই লতাডালি এৰুৱাব খোজোঁতেই কোমল পানী-গছ থুনুৰাই ভাগিব! আৰু, লতাডালিও আন লেটেকা লতাৰ দৰে নহয়; পানীত থকা লাহৰী-লতা, নিচেই কোমল-কোমল কমল-গছ পাই হে লাহৰী-লতাই মেৰাবকে পাৰিছে; এৰুৱাব খোজোঁতেই লতা উৰুঁলি যাব!

## ৮। আধ্যা।

### বিয়াৰ মন্ত্ৰণা।

পোন্ধৰ বছৰ পাৰ হৈ লাহৰীৰ বয়স এতিয়া ষোল বছৰত সোমালহি। লাহৰীৰ আৰু এতিয়া আগৰ দৰে গাৱঁৰ লৰা-ছোৱালীৰে সৈতে পুখুৰী-পাৰৰ ফুলনিত ফুৰি উমলিবৰ দিন নাই। লাহৰীৰ আৰু এতিয়া তেওঁৰ প্ৰাণৰ প্ৰাণ মৰমৰ কমলৰে সৈতে হাতত ধৰা-ধৰিকৈ ফুলনিৰ মাজে মাজে ফুৰি নানা তৰহৰ নিতে ন-ন কথা পাতি আনন্দ উপভোগ কৰাৰ দিনো নাই। লাহৰী এতিয়া ভিতৰ-বাৰীত ফুলি থকা এপাহী গোন্ধত আমোলমোল গোলাপ ফুল। লাহৰী এতিয়া বুলনিঘৰত আবি থোৱা সজাৰ এটি মইনা পখী। লাহৰী এতিয়া পুখুৰীপাৰৰ ফুলনিত বিৰহিনী বাধিকা। কিন্তু

আনন্দময়ী লাহৰীৰ ইমানতো অপাৰ আনন্দ! দেউতাক আৰু আইতাকে ভাল পোৱা কাম কৰাত লাহৰীৰ অকণো আপত্তি নাই। লাহৰীয়ে ভিতৰ-বাৰীত ফুলিও, যাক গোন্ধ বিলাব লাগে, তাৰেপৰা বিলাইছে। লাহৰীয়ে বন্দীনবৰত আৰি থোৱা সজাৰ মইনা চৰাই হৈয়ো, যাক মইনা-মাত শুনাব লাগে, তাৰেপৰা শুনাইছে। লাহৰীয়ে পুখুৰীপাৰৰ ফুলনিত বিৰহিনী ৰাধিকা হৈয়ো, হৃদয়-মন্দিৰত ধ্যানত প্ৰাণৰ কমল কৃষ্ণ-ধনক লগ পাইছে। লাহৰীক নো তেন্তে আৰু লাগিছে কি? লাহৰীয়ে আৰু ইয়াৰ ওপৰন্তু একো নিবিচাৰে। ইয়াকে পালেই লাহৰী সদায় সন্তুষ্ট। লাহৰীয়ে, দেউতাক আৰু আইতাকৰ ইচ্ছা-বিৰোধী হলে, এই ফেৰা সুখৰপৰাও নিজকে নিজে বঞ্চিত কৰিব পাৰে। লাহৰীয়ে, দেউতাক আৰু আইতাকৰ আজ্ঞা পালে, তেওঁবিলাকক সন্তোষ দিবলৈ নিজৰ জীৱন পৰ্য্যন্ত উছৰ্গা কৰিব পাৰে। ইমান দিনে লাহৰীয়ে দেউতাক বা আইতাকৰ এটিমান কথা পেলাইছে বুলি কোনেও কব নোৱাৰে; দেউতাক বা আইতাকে যেতিয়াই যি কয়, লাহৰীয়ে সেই কাম তেতিয়াই হৰিষ-চিত্তেৰে কৰে। সৰহ কোৱাৰ সকাম নাই, কোনোবা সৰু পাঠক-পাঠিকাই যদি মাক-বাপেকৰ কথা শুনিবলৈ বা সদায় মাক-বাপেকৰ বাধ্য থাকিবলৈ শিকিব খোজে; তেন্তে তেওঁ লাহৰীৰ চলন-ফুৰণ আৰু আচাৰ-ব্যৱহাৰলৈ একাণপতীয়া হৈ চাওক। অহঃ! সেই বুলি, সেই কমল-গছৰ গাৰপৰা এই লাহৰী-লতাডালি একেবাৰে কাৰবাৰ নকৰিবাঁহঁক। সেই বুলি, সেই লাহৰী-কমল দুটি সুন্দৰ উঘাত মেৰ খাই থকা ডুডালি পৱিত্ৰ প্ৰেম-সূতা ছিঙিবলৈ মন নেমেলিবাঁহঁক। তাৰপৰা যে তোমালোকৰ উদ্দেশ্য সিদ্ধি নহব; অনাহকত সেই কোমল কমল-গছ জুপি আৰু লাহৰী-লতাডালি নাশ কৰা হব মাথোন, অৱাৱতে তেনে দুটি সুন্দৰ উঘা ভাঙিব লগাত পৰিব। লাহৰী-লতা বৰ লাজকুৰীয়া; একেবাৰেতে মৰ্মান্তিক বেদনা পালেও তলৰ জিভা ওপৰ নকৰে, নিমাতী জাতেই

উৰঁলি যাব! সেই দুগছি নিৰ্ম্মল প্ৰণয়-সূতা এগছি হৈ লাহৰী-কমল জীয়াই থাকেমানে অনন্ত; ছিঙ্গিবৰ মনেৰে মাজতে ধৰি টানি নিলে সি ওলাই গৈয়ে থাকিব। গতিকে, সূতাগছ একেবাৰলৈ হলে, উঘা দুটি নাভাঙ্গিলে নহব! এতেকে, এনে নিকৰুণ কাম কৰিবলৈ মন নেমেলিবাঁহঁক। এনে নিঠুৰ কেতিয়াও নহবাঁহঁক। কেৱে কেতিয়াও এই দুটি প্ৰাণীলৈ ঈৰ্ষা ভাৱে নাচাবাঁহঁক।

এই দৰেই আজি দুবছৰ পাৰ হৈ গল। ইমান দিনে লাহৰীয়ে দুখ কাক বোলে, শোক কাক বোলে, একো কব নোৱাৰিছিল। ইমান দিন লাহৰী সকলোৰে ওচৰত আলসুৱা থাকি সকলো কথাতে সুখত আছিল। আজি লাহৰীৰ সেই সুখৰ আগত বিধি-পথালি! আজি লাহৰীৰ সেই সুগম পথত কোনোবা শতুৰুৱে মনে মনে বিঘিনিৰ কাঁইট পুতিলেহি। আজি লাহৰীৰ নিৰ্ম্মল সুখ-আকাশত লাহে লাহে বিপদ-ডাৱৰে দেখা দিছেহি। লাহৰীয়ে এতিয়াও ওপৰলৈ চকু মেলি চোৱা নাই এথোন; কিন্তু, সৰহ পৰ নাই, অলপতে চাবই লাগিব, অলপতে সেই ডাৱৰৰ ঘোৰ মূৰ্ত্তি দেখা পাব।

লৰা-ছোৱালী যিমানেই ডাঙৰ হল লাগে, মাক-বাপেকৰ মানত তথাপি কেঁচুৱা। লাহৰীৰ দেউতাক আৰু আইতাকেও সেই বয়সলৈকে লাহৰীক কথা-নজনা কেঁচুৱা ছোৱালীটি যেন ভাবি আছিল। কিন্তু, পাচলৈ সিবিলাকে দেখিলে যে, সেই দৰে সৰু-সৰু বুলি আওকণীয়াকৈ থাকিবৰ আৰু সময় নাই; কোনো এটি সজ পাত্ৰত ছোৱালীটি গতাবৰ সময় পালেহি। কীৰ্ত্তিনাথ গোহাঞিয়ে এই কথা কেইবাদিনৰেপৰা ভাবি আছিল; ভাৰ্য্যাৰে সৈতে আলচ পাতিবলৈ হে আজৰি পোৱা নাছিল। পিচে, এদিন ৰাতি, ভাত-পানী খাই লাহৰী শোৱাৰ পাচত, তেওঁ ছেগ বুজি ভাৰ্য্যাক কলে, "শুনিছা নে, আজি মই কেইবাদিনৰেপৰা তোমাক কথা এটা সোধোঁ-

সোধোঁতেই সুধিবলৈ সুবিধা পোৱা নাই। লাহৰী শুনে নে? চোৱাচোন।" এই কথা কৈ তেওঁ তললৈ মূৰ কৰি আকৌ কিবা শুনিবলৈ ধৰিলে। লাহৰী শুনে নে নাই বুলি সোধোঁতেই ঘৈণীয়ে বুজি উঠিলে। তাৰ পাচত, তেওঁ লাহৰীৰ ফালে জুমি চাই, উত্তৰ দিলে, "লাহৰী নো ইমান পৰলৈ সাৰে থাকে নে? শুনে, কি কব খুজিছে কওক।"

কীৰ্ত্তিনাথ।—"কি কব খুজিছোঁ,—বোলোঁ, এতিয়াও আওকণীয়া হৈ বহিয়ে থাকাঁ নে? ছোৱালীটি বিয়া দিয়াৰ বিষয়ে এটা উপায় কৰিব লাগিল নহয়? যোল্ল বছৰ হলহি; এতিয়া নিটাল মাৰি বহি থাকিলে আৰু গা নৰয়। ভাল লৰা এটি বিচাৰিব লাগিল! মই আজি তিন দিনমানৰপৰা ভাবি আছোঁ; একো স্থিৰ হে কৰিব পৰা নাই। তুমি নো কি উপায় কৰিব খোজাঁ, কোৱাচোন বাৰু।"

ঘৈণী।—"মই হে উপায় কৰিব লাগে! মই আপোনাতকৈ বহুত দেখিছোঁ, বহুত শুনিছোঁ আৰু সবহ কথা জানোঁ নহয়? সেই কাৰণে, আপুনি একো স্থিৰ কৰিব নোৱাৰাত হবলা মই স্থিৰ কৰিব লাগে, নহয়? ময়ো আজি ভালেমান দিনৰেপৰা এই কথা মনতে পাকি আছোঁ; আপোনাক কোৱা হে নাই। তাৰ পাচত, এদিন কমল——

কীৰ্ত্তিনাথ।—"কি! কমলকে বিচাৰি পালাঁগৈ হবলা? বৰ ভাল উপায়কে কৰিলা! কমলৰ আঁতি-গুৰিৰ কথা নাজানা হবলা? সেই দিনা কৃষ্ণৰাম গোহাঞিক মতাই আনি নো মই কি সুধিছিলোঁ? কমল আমাৰ কোনো বিষয়াৰ ঘৰৰ লৰা নহয়; কৃষ্ণৰাম গোহাঞিৰ তোল্লনীয়া লৰা হে। কমল নো আচল ক'ৰ লৰা, কৃষ্ণৰাম গোহাঞিয়েও ভালকৈ কব নোৱাৰে। তেওঁ অনুমানত বিমানৰেপৰা কব পাৰে, তাৰপৰা আঁতিগুৰি একো ঠিক কৰিব নোৱাৰি। তথাপি, তেওঁ অনুমানত উজনিৰ কোনোবা বিষয়াৰ লৰা বুলি কয়। কমলৰ ৰূপ, গুণ, স্বভাৱ-চৰিত্ৰ আদিলৈ চাই আমিও তাকে

ভাবোঁ। কিন্তু, তাৰপৰা কি হব? মানুহে বুলিব কি? তদুপৰি, কমল হেনো কাঠ এডালৰ ওপৰত উঠি বৰনৈৰ মাজে মাজে উটি আহিছিল। এনে লৰাৰে সৈতে নো সম্বন্ধ ঘটাব পাৰি নে? কেৱল লোক-হাঁহিয়াত হে হব। কিনো বোলে, 'উটি অহা লৰা!' কমল সঁচাকৈয়ে উটি অহা লৰা। কমলৰ ৰূপ-গুণ স্বভাৱ-চৰিত্ৰ দেখি মোৰো তোমাৰ দৰেই ভাব হৈছিল। সঁচা কথা কবলৈ গলে, কমলৰ দৰে লৰাৰ শাহু-শহুৰ হবলৈ পোৱা বৰ ভাগ্যৰ কথা। মই সেই কাৰণেই কৃষ্ণৰাম গোহাঞিক মতাই আনি তলে তলে সকলো কথাৰ সন্তেদ ললোঁ। কিন্তু কি কৰিবাঁ, লোক নিন্দা সহাটো বৰ টান কথা। বিশেষতঃ, মতা মানুহৰ ৰূপ লৈ ভাবিবৰ সকাম কি? এতিয়া আমি যি কথাৰ আসচ পাতিব খুজিছোঁ, তালৈ হলে প্ৰথমে মানুহৰ আঁতিগুৰি বিচাৰিব লাগে, তাৰ পাচত তাৰ বৰ্ত্তমান অৱস্থালৈ চাব লাগে, লগতে লৰাটিৰ স্বভাৱ-চৰিত্ৰলৈকো ভালকৈ মন কৰিব লাগে। এতিয়া সৰহ কথা চোবাবৰ সকাম নাই। মোৰ মনেৰে হলে, আমাৰ শূলধৰ বৰগোহাঞিৰ পুতেকটিকে ঠিক কৰোঁ। নহলেতো আৰু নাই। আৰু নো ক'তা? আন লৰা কাকো নেদেখোঁ দেখোন। তুমি নো কেনে দেখা? লৰাটি দেখিবলৈ যেনে কি নহওক, তাৰ স্বভাৱ-চৰিত্ৰ বৰ বেয়া নহয় বুলি মোৰ বিশ্বাস।"

ঘৈণী।—"আপুনি হে বৰ ভাল উপায় কৰিলে! অ, বাছোঁতে বাছোঁতে গেলা-বৰালিত হাত পৰিলগৈ! সেই নাকটো এঠাইত, মুখখন এঠাইত, পেটুৰা ফেঁচাটোলৈ দি, মোৰ আইক জীয়া-জুইত পুৰি খাব খুজিছে নে? মই জীয়াই থাকোঁতে তেনে কথা কেতিয়াও হব নোৱাৰে। এ, হে, এনে নো ভাল স্বভাৱৰ লৰাটি বিচাৰি পালেগৈ; তেওঁৰ প্ৰতাপত গাৱঁৰ বোৱাৰী-জীয়াৰী হে জানিবা ওলাব নোৱাৰে! আজি ৰাতিপুৱাও পূৰণৰ ঘৈণীয়েকে তেওঁৰ গুণৰ কথা যি হয় কৈ গৈছেহি! আপুনি বাহিৰত ফুৰিও এইবোৰ

কথাৰ সম্ভেদ নাপায়! ঘৰতে বুঢ়ী হলেও, মই সেই ফেঁচাটোলৈ মোৰ লাহৰীক কেতিয়াও নিদিওঁ। আৰু, কমলৰ কথা যে কৈছিলোঁ, কমল যে অকল দেখিবলৈকে শুৱনি এনে নহয়, তেনে স্বভাৱৰ লৰা মই আজিলৈকে কতো দেখা নাই। কমলৰ জাঁতিগুৰিৰ কথা যে কৈছে, সেইটো সঁচা হব পাৰে; কিন্তু, মই সিদিনা লাহৰীৰ মুখে শুনিলোঁ, কমল বোলে মৰাণ-বুঢ়াগোহাঞিৰ কৈদৰ শান্তিৰাম-গোহাঞি বৰুৱাৰ পুতেক। তেওঁ ৰুচিনাথ বুঢ়াগোহাঞিৰ অত্যাচাৰত ৰব নোৱাৰি নাৰেৰে ভটীয়াই আহিছিল; পিচে হেনো নাও বুৰি কোন্ কলৈ গল ঠিক নাইকিয়া হল। এতেকে, লোকে যেই বোলক লাগে, আমিতো নিজে কমল সজ বংশৰ লৰা বুলি জানোঁ। তদুপৰি, কমলৰ প্ৰতি লাহৰীৰ কেনে ভাব হৈ উঠিছে, আপুনি একো বুজ নাপায়; মই ভালেমান দিনৰেপৰা মন কৰি আহিছোঁ। সৰুৰেপৰা দুইলৈ দুইৰো এনে আদৰ, এনে মৰম, এনে চেনেহ যে, এটিৰ সলনি যেন আনটিয়ে মৰিব পাৰে। সিদিনা আপোনাৰ কথা মতেই লাহৰীক কমলৰে সৈতে কথা-বাৰ্ত্তা পাতিবলৈ হাক দিছোঁ। তাৰেপৰা ছোৱালীটিয়ে ভাত-পানী ভালকৈ খাবলৈ এৰিছে; সদায় শোক কৰি কৰি শুকাই গৈছে। এনে স্থলত কমলত বাজে আন কাৰোবাক পাত্ৰ স্থিৰ কৰিলে বৰ বিপদৰ আশঙ্কা। আমি লোকৰ—"

কীৰ্ত্তিনাথ।—"স্থিৰ হোৱা, অলপ দকৈ আকৌ এবাৰ ভাবি চোৱা। তোমালোকে, তিৰোতা মানুহ বুলিয়েই নে কি, বাহিৰৰ গঞ্জনালৈ সিমান নাভাবা! তুমি কমলৰ কথা যিবোৰ কৈছা, সেইবোৰ সঁচা হবও পাৰে। কিন্তু, তাক কোনে পতিয়াব? সকলোৱে মুখে মুখে কব, বোলে, সেই অমুকৰ ঘৰৰ ছোৱালীজনী নাম-শুৰি-নজনা উটি-অহা তোলনীয়া লৰা এটালৈ দিলে! তদুপৰি, গাৱঁৰ সৰু-বৰ সকলোৱে নিন্দাব। কোনো মানুহৰ সবাহ-বিয়া আদিলৈ গলেও, নাম-শুৰি নথকা লৰা বুলি পিচৰ শাৰীত হে ঠাই দিব। তেতিয়া নো মই কেনেকৈ সহিম? বাৰু, সেইটো মোৰ ভুল,

মই সহিলোঁৱেই যেনিবা, তোমাৰ সেই আলসুৱা লাহৰীয়ে কৃষ্ণৰাম গোহাঞিৰ ঘৰত বোৱাৰী হৈ, ভূঁই-বোৱা, কঠীয়া-তোলা দেখি তুমি নো কেনেকৈ সহিবাঁ? তোমাক মই বহুত কথাত জনা-বুজা গৃহিণী বুলি জানোঁ; আজি নো কিয় এনে অবুজন হৈছাঁ কব পৰা নাই। লাহৰী আৰু কমল দুইৰো প্ৰতি দুইৰো যি মৰম-চেনেহৰ কথা কৈছাঁ, তাৰপৰা আজি তোমাক মই নিচেই আজলী হে বুলিছোঁ; এনে বয়সত যাৰে-তাৰে লগত তেনে ভাব হব পাৰে। নহলেও, লৰা-ছোৱালীৰ কথামতে বাট বুলিবলৈ হলে আমাৰ মান-মৰ্য্যাদাৰ ফালে চকু মুদিব লগাত হে পৰিব।"

ঘৈণী।—"মই নো আৰু তেন্তে কি কম! আপোনাৰ যি ইচ্ছা তাকে কৰক। কিন্তু, শূলধৰ বৰগোহাঞিৰ পুতেক ধনবৰ পেটুৱালৈ লাহৰীক মোৰ এই প্ৰাণ থাকেমানে কেতিয়াও নিদিওঁ; আপুনি ধুৰুপ্ জানিব।"

কীৰ্ত্তিনাথ।—"বাৰু, একো কথা নাই, তোমাৰ কথাই কথা। পিচে, ধনবৰৰ বাহিৰে আন এটি লৰা বিচাৰি দিয়াঁ; মই হলে নাপালোঁ। আৰু, লাহৰীক যদি এই পামপুৰৰপৰা বাজ কৰি ৰংপুৰ বা আন কোনো দূৰণি ঠাইলৈ দিয়া, তাকে হলেও কোৱাঁ। পামপুৰ পাৰ হলেই, ভাল মানুহৰ ঘৰৰ ৰূপে-গুণে ভাল লৰা পাবলৈ বহুত দুখ কৰিব নালাগিব; ইয়াতে বহি থাকিয়েই মই তাৰ দিহা কৰিব পাৰিম।"

ঘৈণী।—"তেন্তে মোৰ আৰু কবলৈ একো নাই; আপুনি যেনে ভাল দেখে তাকে কৰক। আৰু, ময়ো আকৌ এবাৰ ভাবি-চিন্তি চাওঁ বাৰু।"

# ৯। আধ্যা।

## বিৰহ।

বছেৰেকৰ ছটা ঋতুৰ মাজত বসন্ত ঋতুৱেই সবাতকৈ শুৱনি আৰু মনোহৰ। সেই কাৰণে, এই ঋতুকে ঋতুৰাজ বোলা যায়। এই ঋতু ফাগুণ মাহৰপৰা আৰম্ভ হৈ চ'ত মাহৰ সামৰণিলৈকে থাকে। সেই সময়তে প্ৰকৃতি দেবীয়ে নতুন সাজ পিন্ধি মনমোহা শোভা ধৰে। আৰু, ফাগুণ-চ'ত দুমাহ উলাহ মনেৰে নানা তৰহৰ ৰং-ধেমালি দেখুৱাই চ'তৰ শেহত পুৰণি বছৰক বিদায় দিয়াই লৈ যায় আৰু নতুন বছৰক আদৰি পঠিয়ায়গৈ। এই ঋতুত বনৰ চৰাই, পশু আৰু সকলো জীৱ-জন্তু মনৰ আনন্দত উলাহিত হৈ ফুৰে। এই ঋতুত মানুহেও বছৰৰ দুখ-ভাগৰ সকলো পাহৰি মনৰ আনন্দত উধাও হৈ ফুৰে। আৰু, এই ঋতুত গছ-গছনিবোৰে নতুন পাত-চোত ধৰি সুন্দৰী স্বভাৱৰ মনমোহা শোভা আৰু মনোহৰ কৰে। এই সময়তে প্ৰকৃতিৰ ৰীতি-নীতি অনুসৰি ফুল-কুৰুৰীয়েও নিজৰ ফুলনি সজাই জকমকীয়া কৰে।—আজি সেই ফাগুণ আৰু চ'তৰ দোমাহী। আজি সেই মনোময় বসন্ত ঋতুৰ ভৰপক। আজি সেই বসন্ত ঋতুৰ সকলো শোভা যিমান বাঢ়িব পাৰে সিমান বাঢ়িছে। ইচ্ছাময়ৰ ইচ্ছা, প্ৰকৃতিৰ নিৰ্দেশ, স্বভাৱৰ গতিক আৰু কোনে হকা-বধা কৰিব পাৰে! গতিকে, কীৰ্ত্তিনাথ গোহাঞিৰ পুখুৰীপাৰৰ সুন্দৰ ফুলনিয়েও আজি মনোহৰ শোভা ধৰিছে। পুখুৰীৰ চাৰিও পাৰে নানা তৰহৰ ফুল ফুলি ফুলনি জকমকীয়া হৈছে। জোপাৰ সক সক

ধুনীয়া গছ-গছনিবোৰে নতুন কুঁহিপাত মেলি আৰু ৰঙা ৰঙা পাণৰ মাহীবোৰে কুমলীয়া পাত ধৰি সেই শোভাৰ অনুপম জেউতি চৰাইছে। মাজে মাজে সুম্‌থিৰা টেঙ্গা একোজুপিয়ে দুটি-চাইটি ৰঙা ৰঙা সুম্‌থিৰাৰে সৈতে অতি বিতোপন শোভা ধৰিছে। তাতে, আবেলি-বেলিকা; পছিম ফালৰ ৰঙা ৰ'দ পৰি গছ, ফুল আটাইবোৰ হেঙ্গুলীয়াকৈ জক্‌মকীয়া কৰি তুলিছে। দূৰৈৰপৰা চাই পঠিয়ালে এনে হে লাগে, যেন আন্ধাৰ-পোহৰৰ সম্মিলনত আলৌকিক নিয়মেৰে দীপান্বিতাৰ চাকি হে জ্বলিছে! সৰহ পৰ চাই থাকি আন ফালে চকু ঘূৰালে গোটেইখন ধূৰলি-কুঁৱলী যেন লাগে। তদুপৰি, ৰিব্‌ৰিবীয়া মলয়া বতাহে গা-মন শাঁত কৰি নিছে। সেই অনুভৱত মন-প্ৰাণ পমি যোৱা দি গৈছে! গোলাপ, মালতী, যুতি ইত্যাদি ফুলৰ গোন্ধ উৰি বাটৰুৱা মানুহৰো মন-প্ৰাণ শীতল কৰি তুলিছে। পাঠক, এনে সুখৰ সময়ত এই ফুলনিৰ ফুলকুৱঁৰী আমাৰ শান্তিময়ী লাহৰীৰ ফালে চাওক! লাহৰীৰ কি হৈছে?—আজি দেখোন লাহৰীয়ে ফুলনিৰ এনে অনুপম শোভালৈকো পিঠি দিছে। আজি দেখোন এনে নিৰ্ম্মল মলয়া বতাহতো লাহৰীৰ গাত চাটিফুটি লাগিছে। আজি দেখোন বাটৰ মানুহক মুগ্ধ কৰা ফুলৰ গোন্ধেও লাহৰীৰ ওচৰ চাপিব পৰা নাই। লাহৰীয়ে ইফালে-সিফালে হাত-ভৰি মাৰি চাটিফুটি কৰিব লাগিছে! চুলি তুলি মেলি লাহৰী বাউলীটি হৈছে! কান্দোতে কান্দোতে পদুম ফুলৰ পাহি যেন চকুৰ পাহিয়ে কেঁহেৰাজৰ বৰণ ধৰিছে! আজি নো আনন্দময়ী লাহৰীৰ এনে বিপৰীত দশা কিয়? আন দিনা যে লাহৰীয়ে মুফুলা ফুলকো এটি চুমা দি আহেগৈ! আন দিনা যে লাহৰীয়ে ফুলনিত সোমায়েই ফুলৰ ওচৰে ওচৰে গোন্ধ বিচাৰি ফুৰে! আজি দেখোন বতাহী কটকীয়ে যাছি দিয়া গোন্ধকো লাহৰীয়ে নিলগাই পেলাইছে! আজি আৰু লাহৰীৰ মনত একোকে ভাল নালাগে; শোকে, বেজাৰে হেঁচা মাৰি ধৰি লাহৰীক তলৰপৰা ওপৰলৈ মূৰ তুলিব নোৱাৰা কৰিছে। কেতিয়াবা অলপ

মূৰ দাঙি চাব খোজোঁতেই চাৰিওফালৰপৰা ফুসৰোবে গছে সৈতে হলাই আনি গাৰ ফালে হেন্দোলিয়াব দেখিলেই লাহৰীক শোকে খুন্দা মাৰি ধৰেহি, চকুৰ পানীয়ে ছাতি ধৰি একোকে নেদেখা কৰে। পাঠক! লাহৰীৰ চাটিফুটি আৰু বিষাদৰ কাৰণ কিবা বুজ পাইছে নে?—আজি লাহৰীৰ এনে কোমল প্ৰাণত বিৰহ-বতাহৰ আঘাত লাগিছে। আজি লাহৰীৰ বহুত দিনৰ আশাৰ বন্তি সেই বতাহত ঢিমিক্-ঢামাক্‌কৈ নুমাবলৈ ধৰিছে। সেই কাৰণে হে লাহৰীয়ে বিৰহৰ বিষম জঞ্জালত তৰণি নাপাই এনে চাটিফুটি কৰিছে। সেই দেখি হে লাহৰীয়ে জীৱন-বন্তি নুমোৱাৰ আশঙ্কাত বিমোৰ হৈছে!

পাঠক! লাহৰীৰ পোন্ধৰ বছৰ পাৰ হৈ যাওঁতেই আগৰ দৰে আৰু বাহিৰত ওলাই ফুৰিবলৈ আইতাকে তেওঁক ভিতৰি হাক দিলে; তেতিয়াৰে-পৰা পুখুৰীপাৰৰ ফুলনিত ফুৰিবলৈ গাঁৱৰ লৰা-ছোৱালীবিলাকো আহিবলৈ এৰিলে। গতিকে, লাহৰীৰ মৰমৰ কমলো নহাত পৰিল। কিন্তু, সেই বাবে লাহৰীৰ একো বেজাৰ-অসন্তোষৰ কথা নাছিল। কিয়নো, লাহৰীয়ে জানিছিল যে, আইতাকে লাহৰীৰ বয়স চাই হে বাহিৰলৈ ওলাব দিয়া নাই। তাৰ পাচতো ভালেমান দিনলৈকে লাহৰীৰ একো বেজাৰ নাছিল। কিয়নো, লাহৰীয়ে যি উদ্দেশে বাহিৰলৈ ওলাব লগাত পৰে, সেই উদ্দেশ্য ঘৰৰ ভিতৰত থাকিলেও সিদ্ধি হয়। কমলে সৰুৰেপৰা কীৰ্ত্তিনাথ গোহাঞিৰ ভিতৰলৈকে যায়, ভিতৰতে থাকেগৈ। লাহৰীৰ আইতাকেও কমলক এনে মৰম কৰিছিল যে, পাচলৈ কমলে জলপান খাবলৈ লাজ কৰক অস্তু, ভোক লাগিলেই নিজৰ মাকক খোজাদি খুজি খাবলৈ ধৰিলে। কমলেও লাহৰীৰ আইতাকক "আইতা" বুলিয়েই মাতিছিল; আৰু লাহৰীৰে সৈতে কমল আইতাকৰ ওচৰত সততে খেমালি কৰি থাকে। গতিকে, তেতিয়া লাহৰীৰ একো অভাৱ নাছিল। আজি দিনচাৰেকৰপৰা মাথোন সেউতাকৰ আজ্ঞামতে লাহৰীৰ আইতাকে কমলক ভিতৰ সোমাবলৈ হাক দিছে। তেওঁ লাহৰীকো কৈ দিছে,

কমলৰে সৈতে আগৰ দৰে কথাবাৰ্ত্তা নাপাতিবলৈ। পাঠক, ইয়াতকৈ নো আৰু লাহৰীক বেজাৰৰ কি ডাঙৰ কাৰণে পাব পাৰে! সেই আদেশ শুনা মাত্ৰকে লাহৰীক চাৰিওফালৰপৰা শোক, বেজাৰ আৰু বিপদৰ ভয়ঙ্কৰ মূৰ্ত্তিয়ে দেখা দিলেহি। সেই মুহূৰ্ত্তৰেপৰা আৰু দিনক দিনে লাহৰীৰ শোক, বেজাৰ আৰু বিপদ বাঢ়ি হে আহিবলৈ ধৰিছে। যি লাহৰীয়ে কমলক সদায় চকুৰ আগতে পাবলৈ বিচাৰে, যি লাহৰীয়ে কমলক নেদেখাকৈ থাকিলে এপৰ বেলিকে এবছৰ যেন অনুভৱ কৰে, আজি ছদিন কমলক নেদেখাকৈ তেওঁ কেনেকৈ আছে! পঢ়াশালি ভাগিবৰ সময় হলেই, লাহৰীক বেজাৰে হেঁচি ধৰেহি, চকুৰ পানীয়ে বাট নেদেখা কৰে; আন উপায় নাপাই বাৰীৰ পিচফালে গৈ লাহৰীয়ে হেঁপাহ পলুৱাই কান্দ হে তৰণি পায়; তাৰ পাচত আৰু ঘৰত থাকিব নোৱাৰি পুখুৰীপাৰৰ ফুলনিত শোক-বেজাৰৰ দুৱাৰ মেলি দি একেবাৰে বাউলীটি হৈ বহি থাকেগৈ। হঁায়, কালৰ কি বিচিত্ৰ গতি! যি ফুলনি লাহৰীৰ সুখৰ ঠাই, সেই ফুলনি আজি এনে দুখৰ কাৰণ হৈ উঠিল; সেই ফুলনিত লাহৰী আজি এনে বাউলী হব লগাত পৰিল! কিন্তু, অকল সেয়ে নহয়, বিপদৰ উপৰি আৰু বিপদ!—লাহৰীৰ দেউতাক আৰু আইতাকে সেই দিনা বিয়াৰ মন্ত্ৰণা কৰোঁতে লাহৰী টোপনি যোৱা নাছিল; দেউতাকে নো কি কথা কয়, তাকে শুনিবৰ মনেৰে মিছাকৈয়ে তেওঁ টোপনিৰ ভাও জুৰি আছিল। লাহৰীয়ে সেই দিনাৰ ৰাতিৰ মন্ত্ৰণা সকলো শুনিলে; শুনি, লাহৰীয়ে যাচি কিল খোৱাৰ দৰে আপোনা-আপুনি বিপদৰ উপৰি বিপদ চপাই ললে! আগেয়ে বিৰহ-চেপাত তৰণি নাপাই চাটিফুটিকে কৰিব পাৰিছিল, এতিয়া নিৰাশাৰ চেঁচুক সোঁতত উটি ঠেৰেঙ্গা লাগি লাহৰী একেবাৰে জঠৰ হৈ পৰিল। বিপদ অকলে কেতিয়াও নাহে হয়, কিন্তু সুকোমল লাহৰীৰ পক্ষে সেই নিয়ম নৰিব লাগিছিল! লাহৰীয়ে ইমান দিনলৈকে বিপদৰ ছঁয়াটোকো দেখা নাছিল। প্ৰথম বাৰ তাৰ আভাস পাওঁতেই যে লাহৰী

আশঙ্কাত একেবাৰে অস্থিৰ হৈছিল; আজি বিপদৰ উপৰি ভয়ঙ্কৰ বিপদ উপস্থিত! ইমানত নো লাহৰীয়ে কেনেকৈ স্থিৰ থাকে! লাহৰীৰ কুমলীয়া হিয়াই যে এতিয়া ছিঁৰাল-ফটা দিব! এতিয়া নো বাৰু লাহৰীৰ সৰল হৃদয়-পটলপৰা কমল-ছবিটি একেবাৰাই অনা সম্ভৱ নে? এই ছবিটি যে লাহৰীৰ নিৰ্ম্মল হিয়াত থাপনা কৰা আজি ভালেমান দিন হল। তাতে বহুত দিন থাকি থাকি যে ছবিটিও লাহৰীৰ হিয়াত লিপিতথাই লাগি ধৰিল। এতিয়া আৰু সি লাহৰীৰ নিজৰ গাৰ অঙ্গ হোৱাদি হল। এতিয়া ছবিটি টানি একেৰাৰ খুজিলে যে লাহৰীৰ কুমলীয়া হিয়া ফাটি-ছিটি যাব। অহঃ, লাহৰীয়ে সেই ৰাতি নিজ কাণে বিপদৰ কথা শুনিবলৈ পালে! ছবিটি একেৰাওঁতে যে দুখ পাব আৰু লগতে হিয়া বিদৰি যাব, লাহৰীয়ে আজি সেই ভাবনাত কন্দা নাই; একেৰাওঁতে যে ছবিটিও ফাটি-ছিটি নাশ পাব, সেই ভয়ে হে লাহৰীক এনে বাউলী কৰি তুলিছে। সেই কাৰণে হে আজি বসন্ত ঋতুৰ ভৰপকৰ দিনা আদৰৰ ফুলনিত ফুলি থকা ফুলবোৰৰ প্ৰতিও লাহৰীৰ এনে বিৰাগ ভাব উপস্থিত!

এই দৰে বাউলীটি হৈ কান্দি কান্দি দেখোন লাহৰী হঠাতে আকৌ সেই পোনেই টলকা মাৰি বল; আৰু তাৰ পাচত, কি জানো, কি কথা মনত লৈ গিৰিপ্ কৰে উঠি থিয় হল। অলপ পৰ ই লাল-সিফালকৈ চাই, তাৰ পাচত হাত দুখনি বুকুৰ উপৰ পাতি লৈ দেখোন লাহৰীয়ে মিচিকিয়া হাঁহি মাৰি লাহে লাহে খোজ লবাবলৈ ধৰিলে। চক খাই লৰ ধৰাৰ দৰে তাৰপৰা লাহৰীয়ে লৰি গৈ ফুলি থকা ফুল বেইজুপিৰ কাষ চাপিলেগৈ। তাৰ পাচত, আগৰ দৰেই প্ৰত্যেক জুপি ফুলৰে এপাহি-দুপাহিকৈ ফুলকলিৰে সৈতে ছিঙি আনি লাহৰী এটি জোপাৰ আৰত বহিলগৈ; তাতে দুধাৰি মালা গাঁথি লৈ লাহৰীয়ে এধাৰি আপুনি পিন্ধিলে; ইধাৰি দুই হাতে মানুহক পিন্ধাই দিবলৈ ধৰাদি ধৰি, ইকালে-সিকালে চাই, আতুৰ হৈ কবলৈ ধৰিলে, "কমল,

কমল, মোৰ প্ৰাণেশ্বৰ কমল,—ক'তা!" এই বুলি লাহৰী আকৌ ঠৰ্ হৈ ৰ'ল।—অহঃ, লাহৰী আজি একেবাৰে উন্মাদিনী! তাৰ পাচত, লাহৰীয়ে "এইয়া মোৰ কমল, মোৰ প্ৰাণনাথ! পিন্ধাঁ, পিন্ধাঁ" এই বুলি মালাধাৰ আপোনাৰ কণ্ঠতে আপুনি পিন্ধি ললে। অলপ পৰ থাকি দেখোন লাহৰীয়ে আকৌ কণ্ঠৰপৰা মালাধাৰি হাতত লৈ, আগৰ দৰে মানুহক পিন্ধাবলৈ লোৱাদি লৈ বিয়াকুল হৈ আকৌ কবলৈ ধৰিলে, "কমল, কমল, তুমি মোক বধিব খুজিছাঁ? কমল, মোৰ প্ৰাণেশ্বৰ, তুমি আকৌ আঁতৰিলাঁ? অ, নহয় কমল, পিন্ধাঁ, পিন্ধাঁ; মোৰে শপত, কমল, পিন্ধাঁ, পিন্ধাঁ।" এই বুলি বিতত্ হৈ থাকোঁতেই কমলে আচম্বিতে আহি মূৰ পাতি মালাধাৰি পিন্ধি ললে! বিধাতাৰ কি অলৌকিক মহিমা! কমলৰ নাম লওঁতেই কমল উপস্থিত!—লাহৰীৰে কিবা আকৰ্ষণী গুণ নে সবল কমলেই সৰ্ব্বজান? কিন্তু হাঁয়, কমলে যে নিশ্চিন্ত হৈ ঘৰত বহি থাকিব পাৰিছিল, এনে নহয়। লাহৰীৰ দৰেই কমলৰো কোমল হিয়া সেই একেটা বিৰহৰ চেপনিয়েই পেপুৱা লগাইছিল। বিৰহৰ বিষম চেপনি সহিব নোৱাৰি তেওঁ ঘ'তে ত'তে চট্‌ফটাই ফুৰিব লগাত পৰিছিল। ভিতৰলৈ সোমাবলৈ মানা কৰি দিয়াৰ কাৰণে, কমলে কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰলৈ যাবলৈকে এৰিলে। এতিয়া কীৰ্ত্তিনাথ গোহাঞিৰ পিচবাৰীৰ এচৰৰ বাটেদি অমাই কমাই ফুৰোঁতে লাহৰীৰ মাত শুনি একে লৰে আহি তেওঁ সেই মালাধাৰি পিন্ধি লৈছেহি! লাহৰী একেই উন্মাদিনী, তাতে কমলক দেখা পাই বাউলীটি হল! লাহৰীয়ে একে লৰে গৈ কমলৰ ডিঙিত সাবটি ধৰি কবলৈ ধৰিলে, "কমল, মোৰ প্ৰাণেশ্বৰ, তুমি ইমান পৰ কলৈ গৈছিলাঁ? মই তোমালৈ বাটচাই কেতিয়াবাৰেপৰা ইয়াতে বহি আছোঁ নহয়, তুমি কলৈ গৈছিলাঁ?" লাহৰীৰ তেনে আতুৰ অৱস্থা দেখি বিমোৰ কমল আৰু বিমোৰ হৈ পৰিল। অন্তত, কমলেও উন্মাদৰ দৰে খল্-খল্‌কৰে হাঁহিবলৈ ধৰিলে।

বাতুল হলেও, মুহূৰ্ত্তলৈ মাথোন ; কমলে ততালিকে আকৌ স্থিৰ হৈ কবলৈ ধৰিলে, "লাহৰি, লাহৰি, স্থিৰ হোৱাঁ। এতিয়া ব্যাকুল হলে কি হব ! মোৰ বহুত কথা সুধিব লগীয়া আছে। মই আৰু ইয়াত সৰহ পৰ থাকিব নোৱাৰিম ; আইতাই দেখিলে তোমাক আকৌ খং কৰিব।" লাহৰীয়ে অলপ পৰ টলকা মাৰি থাকি কমলৰ কথা বুজিব পাৰিলে ; বুজিলে, কিন্তু, তেতিয়াও ভালকৈ কথা পাতিব পৰা হোৱা নাই। তথাপি, কমল যে ফুলনিত সৰহ পৰ ৰব নোৱাৰিব, সেই কথা লাহৰীয়ে ভালকৈ বুজি উঠিলে। সেই কাৰণে, পাৰ্য্যমানে ধৈৰ্য্য ধৰি, ভগা-ভগা মাতেৰে লাহৰীয়ে কবলৈ ধৰিলে, "কমল, মোৰ প্ৰাণ, মই থিৰ হৈছোঁ, মোক নো কি কথা সুধিব খুজিছা সোধাঁ। মোৰো বহুত কথা কব লগীয়া আছে। পিচে, কমল, এই অলপ সময়ৰ ভিতৰত কিনো কম !"

কমল।—"এৰা, এনে অৱস্থাত আমাৰ একো কোৱা নহব। বাৰু, মই এটা উপায় দিওঁ ;—তুমি যদি উপায় কৰিব পাৰাঁ, তেন্তে চিঠিৰেই মোক সকলো কথা জানিবলৈ দি থাকিব পাৰিবাঁ।"

লাহৰী।—"এৰা, হয়, ঠিক, ৰব ভাল উপায়, মই পাৰিম——"

কমল।—( ইফালে সিফালে চাই ) "বাৰু, তেন্তে মই যাওঁ এতিয়া, লাহৰি ! মোৰে শপত, তুমি এই দৰে বাউলীটি হৈ নাথাকিবাঁ দেই। নিয়তিৰ নীতি অৱশ্যে ফলিয়াব।

এই কেইষাৰ কথা কৈয়ে কমল লৰালৰিকৈ আঁতৰ হল। কমলৰ শেহৰ কথাকিটি লাহৰীৰ মনত ৰবকৈ লাগিল ; তাকে তেওঁ টলকা মাৰি গুণিবলৈ ধৰিলে।

# ১০। আধ্যা।

## ৰত্নেশ্বৰ ৰাজখোৱা।

গুৱাহাটীৰ পূবফালে এখন গাৱঁত ৰত্নেশ্বৰ ৰাজখোৱা নামেৰে এজন ডেকা-মানুহ আছিল। মানুহটিৰ বয়স ডেৰকুৰি বছৰমান হব। তেওঁৰ দেউতাকে বৰফুকনৰ তলে ৰাজখোৱাৰ বিষয়-বাব পাইছিল; ধনে-বস্তুৰে তেওঁ বৰ চহকী মানুহ আছিল। দেউতাকৰ মৃত্যুৰ পাচত, সেই ধন-সম্পত্তি ককায়েক আৰু ৰত্নেশ্বৰৰ মাজত ভাগ বঁটৰা হয়। ককায়েকজন মাহী-মাকৰ পুতেক। তেওঁৰ মাক মৰাৰ পাচত, ৰত্নেশ্বৰৰ মাক ঘাই গৃহিণী হৈছিল। গতিকে, ৰত্নেশ্বৰৰ মাক জীয়াই থাকোঁতে ৰত্নেশ্বৰৰ ভাগ-বস্তু যে ককায়েকতকৈ সৰহ হব, তাক কোৱা বাহুল্য মাথোন। তদুপৰি, ৰত্নেশ্বৰৰ মাকে দেউতাকে নজনাকৈয়ো আৰু কিমান যে লুকাই ৰাহী কৰি থৈছিল তাৰ হিচাপ পাবলৈকে নাই। এই কথাত ককায়েকৰ বৰ বেজাৰ হল; তেওঁ ৰত্নেশ্বৰক সেই আপাহতে যিমান পাৰে খিয়াল কৰিবলৈ ধৰিলে। যাতে ৰত্নেশ্বৰৰ ধন ভাগে, সদায় তেওঁ তাৰ হে আলচ কৰা হল। ৰত্নেশ্বৰো আগৰেপৰা বৰ খৰছী ডেকা আছিল; মাক মৰাৰ পাচৰপৰা যে তেওঁৰ হাতৰ মুকলি মুঠিয়ে বান্ধ নোলোৱাই হল। সেই দৰে আধানাৰ্জ্জিকৈ ভগন কৰি দুই-চাৰি বছৰৰ ভিতৰতে ৰত্নেশ্বৰ ফচছুটো হৈ পৰিল। তথাপি, একেবাৰে তলি উদং হোৱা নাছিল; পাচলৈ তেওঁ গা চাই ভগন কৰিবলৈ ধৰিলে। তেওঁ মানুহটি বৰ চতুৰ আৰু বুধিয়ক আছিল; দেখিবলৈকো বৰ বেয়া নহয়। মুখখনি চকলামুৱা; কিন্তু সেয়ে পকা থেকেৰা যেন ৰঙা। তেতিয়ালৈকে তেওঁ বিয়া-বাৰু কৰোৱা নাই। বিয়া নকৰোৱাৰ আন কাৰণ বিশেষ একো নাছিল; কেৱল মনেৰছা ছোৱালী নোপোৱাত হে

তেওঁ বিয়া নকৰায়। কত ঠাইত বিচাৰিলে, তথাপি তেওঁ মনোমত ছোৱালী নাপালে। সদৌশেহত, নিৰাশ হৈ তেওঁ বিয়াকে নকৰাওঁ বুলি অঙ্গীকাৰ কৰিলে। সেই প্ৰতিজ্ঞাতে ধৰি প্ৰায় ছমাহমান বিয়াৰ কাৰবাৰ নকৰাকৈ তেওঁ বহি আছিল। এনে সময়তে এদিন কীৰ্ত্তিনাথ গোহাঁঞিৰ ঘৰৰ ওচৰৰে এজন পামপুৰীয়া মানুহ তেওঁৰ আলহী হয়গৈ। আলহী মানুহ সোধা-পোছাত ৰত্নেশ্বৰ নামজলা লোক আছিল। এই আলহী জনকো ভালকৈ আলপৈচান ধৰোৱাত তেওঁ যথাৰত যত্ন কৰিছিল। তাতে সন্তুষ্ট হৈ, ভাত-পানী খাই উঠি আলহীয়ে ৰত্নেশ্বৰৰে সৈতে সুখৰ কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। কথা-প্ৰসঙ্গত আলহী জনে সুধিলে, "বোপা-দেউতাই, কিনো-ৰূপে-সৈতে, মানুহ অনা নাই হবলা?" ৰত্নেশ্বৰে হাঁহি মাৰি উত্তৰ দিলে, "এৰা, মই আৰু বিয়া নকৰাওঁৰেই বুলিছোঁ, দেও।"

পামপুৰীয়া।—"সি কি কথা! কিনো-ৰূপে-সৈতে, আপোনাৰ নো কিহে নাটিছে। আপোনাৰ এনে সম্পত্তি নো, কিনো-ৰূপে-সৈতে, কোনে খায়? আপোনাৰ, কিনো ৰূপে-সৈতে, মাক নাই, দেউতাক নাই, কিনো-ৰূপে-সৈতে, ঘৰখন সোনকালে পতা হে ভাল।"

ৰত্নেশ্বৰ।—"আলহী ভকত! সেইবোৰ কথা কলে আৰু কি হব! বিয়া কৰাবৰ মনেৰেই আজি বছেৰেকে ইমান কাৰবাৰ কৰিলোঁ, তথাপি হৈ নুঠিল। এতিয়া আৰু বিয়াকে নকৰাওঁ বুলি অঙ্গীকাৰ কৰিলোঁ।"

পামপুৰীয়া।—"বোপা-দেউতাই, কিনো-ৰূপে-সৈতে, কয় কি! আপুনি কাৰবাৰ কৰিলে নো, কিনো-ৰূপে-সৈতে, কোনে ছোৱালী নিদিব? আপোনাৰ নো, কিনো-ৰূপে-সৈতে, ধনেই নাই নে বস্তুৰেই নাই নে, কিনো-ৰূপে-সৈতে, কি নাই? আৰু, আপোনাৰ নো, কিনো-ৰূপে-সৈতে, ৰূপেই নাই নে গুণেই নাই! নহয়, বোপা-দেউতা, আপুনি, কিনো-ৰূপে-সৈতে, ঘৰখন পাতিব হে লাগে।"

ৰত্নেশ্বৰ।—"নহয়, আলহী ভকত! তুমি বুজা নাই। মই আজি বছেৰেকে ছোৱালী বিচৰাই মোৰ মনেবছা ছোৱালী নাপালোঁ!"

পামপুৰীয়া।—"অঃ, কিনো-ৰূপে-সৈতে, তাকে নকয় কিয়? বোপা-দেউতা, সেইটো কথাৰ ভাৱ, কিনো-ৰূপে-সৈতে, মই ললোঁ। আমাৰ গাৱঁত, কিনো-ৰূপে-সৈতে, কীৰ্ত্তিনাথ গোহাঞিৰ লাহৰী নামেৰে, কিনো-ৰূপে-সৈতে, ছোৱালী এটি আছে, কিনো-ৰূপে-সৈতে, বোপা-দেউতা, কি কম! মই ডাঠকৈ কওঁ, কিনো-ৰূপে-সৈতে, আপুনি কেতিয়াও নিদাব নোৱাৰে। আৰু, ছোৱালীটিও, কিনো-ৰূপে সৈতে, আপোনাৰ হে লায়েক!"

ৰত্নেশ্বৰ।—"এ, আলহী ভকত! তোমাৰ দৰেই কিমানে কৈছিল! পিচে, যিমান দেখিলোঁমানে, মোৰ চকুত নালাগিল।

পামপুৰীয়া।—"বাৰু, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মোৰ কথাটোকে চাওক। যেতিয়া দেখিব, কিনো-ৰূপে-সৈতে, তেতিয়াহে কব, বোলে, কিনো-ৰূপে-সৈতে, সেই গেন্ধেলাটোৱে কি কৈছিল।

ৰত্নেশ্বৰ।—"বাৰু, তেন্তে আলহী ভকত! তোমাৰ কথা মতেই আকৌ এবাৰ চোৱা যাব। তুমি নো ঘৰলৈ কেতিয়া উলটিবাঁ?

পামপুৰীয়া।—"মই নে বোপা দেউতা? মই, কিনো-ৰূপে-সৈতে, কাইলৈ দিনটো ইয়াতে থাকিম। পৰহিমানলৈ হে, কিনো-ৰূপে সৈতে, ঈশ্বৰৰ কিৰপাত যোৱা হব।"

ৰত্নেশ্বৰ।—"এৰা, তোমাৰ লগতে যাব পাৰিলে হওঁতে বেয়া নহয়। তুমি দেখুৱাব পাৰিবা জানো?"

পামপুৰীয়া।—"হয়, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মোৰ লগতে ওলাওক। আজিকালি হওঁতে, কিনো-ৰূপে-সৈতে, ছোৱালীটি বাহিৰলৈ নোলায়। তথাপি, কিনো-ৰূপে-সৈতে, তালৈ গৈ এটা উপায় কৰিব লাগিব।"

ৰত্নেশ্বৰ।—"তেন্তে সেয়ে ঠিক হ'ল। মই তোমাৰ লগতে পৰহিলৈ পামপুৰলৈ যাম।

এইবোৰ কথা-বাৰ্ত্তাৰ পাচত দুয়ো শুবলৈ গল। যথা সময়ত ৰত্নেশ্বৰে পামপুৰলৈ যাত্ৰা কৰিলে। পামপুৰত তেওঁ সেই 'আলহী ভকতৰ' ঘৰতে আলহী হলগৈ। চাৰি-পাঁচ দিনলৈকে কাৰ্য্য সিদ্ধি হোৱা নাছিল। তাৰ পাচত, এদিন লাহৰীয়ে আগৰ দৰেই গৈ পুখুৰীৰ পাৰৰ ফুলনিত মনৰ বিষাদত গালত হাত দি, আমনজিমনকৈ উদাসভাৱে বহি আছে, অন্তৰৰ বিষাদে বাহিৰত সুন্দৰী লাহৰীৰ সুন্দৰ ৰূপ আৰু সুন্দৰ কৰি তুলিছে! এনেতে, ৰত্নেশ্বৰে 'আলহী ভকত'ৰে সৈতে গৈ চকোৱাৰ সুৰুঙায় দি লাহৰীক জুমি চাবলৈ ধৰিলে। ৰত্নেশ্বৰে দেখিয়েই বিমোহিত হৈ বিতত্‌ভাৱে পামপুৰীয়াৰ ফালে চালে। এনে মোহিনী মূৰ্ত্তি তেওঁ আগেয়ে কতো দেখা নাছিল। ৰত্নেশ্বৰে আনন্দত আশাভৰা মিচিকিয়া হাঁহি মাৰি 'আলহী ভকত'ক কলে, "আলহী ভকত! তোমাৰ কথা ঠিক। সঁচাকৈয়ে, এনে সুন্দৰী ছোৱালী মই কতো কেতিয়াও দেখা নাই।" এই বুলি ৰত্নেশ্বৰে আকৌ জুমিবলৈ ধৰিলে। 'আলহী ভকত'ৰো আনন্দ মিলিল; ভাবিলে যে, এইজনতে তেওঁ টকাচাৰেক সৰকাৰ পাৰিব। ইয়াকে ভাবি তেওঁ ফুটাই কবলৈ ধৰিলে, "বোপা-দেউতা, মই কোৱা কথাত, কিনো-ৰূপে-সৈতে, কিমান মূইল্ আছে, ভাবি চাওক।" ৰত্নেশ্বৰে ঘনে ঘনে জুমি চায়; আৰু মাজে মাজে মাত লগায়, আৰু একোবাৰ 'আলহী-ভকতৰ' কথালৈ কাণ দিয়ে। ভকতে হাঁহি হাঁহি কলে, "এতিয়াও কিন-ৰূপে সৈতে, চকুৰ তিৰ্‌পিতি কিনো-ৰূপে-সৈতে, পূৰ হোৱা নাই নে বোপা-দেউতা? কিনো-ৰূপে-সৈতে, আহক আৰু; মাহুহে দেখিলে, কিনো-ৰূপে-সৈতে, বেয়া বুলিব।"

ৰত্নেশ্বৰ।—"এৰা, নাচাওঁ আৰু, বলা আলহী-ভকত, বলা।" এই বুলিও আকৌ দুবাৰ জুমি চায়।

সদৌশেহত, দুয়ো ঘৰৰ ফালে খোজ ললে। যাওঁতে যাওঁতে বাটে বাটে দুয়ো ছোৱালী খোজা-বঢ়াৰ আলচ পাতি গৈ আছে, এনেতে পামপুৰীয়াই মাত লগাগে, "এতিয়া বোপা-দেউতা, কিনো-ৰূপে-সৈতে, আমাৰ ফালেও অলপ, কিনো ৰূপে-সৈতে, চাব লাগে নহয়।"

ৰত্নেশ্বৰ।—"অ, সঁচা, মই কেতিয়াও অগুণকাৰী নহওঁ। তুমি যেনে কাম কৰিলা, তেনে বঁটাও পাবা।"

পামপুৰীয়া।—"হয়, বোপা-দেউতা, মই কিনো ৰূপে-সৈতে, এই কেদিনতে আপোনাক, কিনো-ৰূপে-সৈতে, ভালকৈ চিনিলোঁ। এতিয়া, কিনো-ৰূপে-সৈতে, আমাৰ কাম ফেৰা সিদ্ধি হলেই হয়।

ৰত্নেশ্বৰ।—"এৰা, এৰা, এতিয়া আৰু বহি থকাৰ সকাম নাই। তুমি আৰু অলপ কাম কৰি দিব লাগিব দেই।"

পামপুৰীয়া।—"ভাল, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মই আৰু দুখীৰ দুখী অৱস্থাৰে, কিনোৰূপে-সৈতে, যি পাৰোঁ কৰি থাকিম।"

ৰত্নেশ্বৰ।—"একেবাৰে খোজা-বঢ়া আদি ঠিক্‌ঠাক্ কৰি হে ঘৰলৈ উলটিম, কি বোলা?"

পামপুৰীয়া।—"এৰা, কিনো-ৰূপে-সৈতে, ভাল কৈছে। পলম কৰাৰ আৰু, কিনো-ৰূপে-সৈতে, সকাম নাই; কাইলৈ বা পৰহিলৈ, কিনো-ৰূপে-সৈতে, ছোৱালী খুজিবগৈয়ে লাগে। বাৰু, কিনো-ৰূপে-সৈতে, তাৰ দিহা কৰা যাব।"

এই দৰে কথা-বাৰ্ত্তা পাতি যাওঁতে যাওঁতেই দুয়ো পামপুৰীয়াৰ ঘৰ সোমালগৈ। কিন্তু, লাহৰীৰ ৰূপত মুগ্ধ, ৰত্নেশ্বৰৰ মন কীৰ্ত্তিনাথ গোহাঞিৰ লাহৰী-ফুলনিতে বন্দী হৈ ৰৈ গল। তাৰ পাচত, ৰত্নেশ্বৰে কল্পনা-চকুৰে লাহৰীৰ ৰূপ-লাৱণ্যৰ জেউতি চৰাই চাই চাই, মনে-পতা সংসাৰ-সাগৰত ওপঙিবলৈ ধৰিলে।

# ১১। আধ্যা।

## খোজাবঢ়া।

ৰাতি ভাত-পানী খাই উঠি ৰত্নেশ্বৰ শুবলৈ গল। কিন্তু, তিনিখনমান তামোল খাবৰ পৰলৈকে তেওঁ মনেপতা নতুন সংসাৰত সুখৰ ঘৰ সাজি চাওঁতে চাওঁতে চকু জাপ নোযোৱা হল। তেওঁ মনৰ কথা ব্যক্ত কৰি হৃদয় শীত কৰিবৰ উদ্দেশ্যে উঠি আহি পামপুৰীয়াক মাতিলে। তেওঁ শুই-ছিলগৈ মাথোন; ৰত্নেশ্বৰৰ মাত শুনি তেওঁ উঠি আহিল। তাৰ পাচত, দুপৰমান ৰাতিলৈকে দুয়ো বহি বিয়াৰ বিষয়ে নানা তৰহৰ আলচ পাতিবলৈ ধৰিলে। পাচলৈ পামপুৰীয়াৰ টোপনি অহাত, কথা পাতি থাকোঁতেই তেওঁ ঝপৰ-ঝপৰ টোপনিয়াবলৈ ধৰিলে। সদৌশেহত, অসহনি পাই পামপুৰীয়াই কলে, "বোপা-দেউতা, কিনো-ৰূপে-সৈতে, মই শোওঁগৈ হে এতিয়া, যি কথা পাতিব লাগে, কিনো-ৰূপে-সৈতে, কাইলৈ দিনটো আছে।" এই বুলিয়েই পামপুৰীয়া ভিতৰলৈ সোমাই গল। ৰত্নেশ্বৰ অপ্ৰস্তুত হৈ উঠি আহি আকৌ শোৱাপাটীত পৰিল। কিন্তু, তেওঁৰ চকুত টোপনি নাই। আকাশত চাং পতা কথাৰ টোপোলা মেলি লৈ তেওঁ তাৰ কাম সামৰিব নোৱাৰাত পৰিল। বিয়া নো কেনেকৈ হব, বিয়ালৈ কাক কাক কি নিয়মেৰে নিমন্ত্ৰণ কৰিব, তাৰ পাচত বিয়া হৈ গলে লাহৰীক কেনে সুখেৰে ৰাখিবলৈ ইত্যাদি সুখৰ কল্পনাত ভোল গৈ শেহৰাতিলৈকে ৰত্নেশ্বৰৰ টোপনি নাই; পুৱতী নিশা মুঠেই চিলমিলকৈ এমুমটি আহিছিল। মানুহক সুখৰ বা দুখৰ চিন্তাই পালে সকলোৰে এনে গতি! তাতে, ৰত্নেশ্বৰক লাহৰীৰ মোহিনী মূৰ্তিয়ে একেবাৰে বিমোহিত কৰি থৈছে। পিচদিনা শুই উঠিয়েই ৰত্নেশ্বৰ আকৌ

পামপুৰীয়াৱে সৈতে মন্ত্ৰণাত বহিল। ৰত্নেশ্বৰে নো ৰাতিৰপৰা দিনৰ দুপৰলৈকে কিমান কথা পাতিলে তাৰ অন্ত নাই। তথাপি, কথাৰ অন্ত নপৰে; আজি ৰত্নেশ্বৰ কথাৰ সাগৰ। কিন্তু, কথা সেই একেবুৰিয়েই; তাকে পাগুলি থাকিয়েই ৰত্নেশ্বৰৰ মনত সুখ-শান্তিয়ে নধৰা হৈছে! পামপুৰীয়াৰ শুনোতে শুনোতে আমনি লগাত পৰিল। সেই একে কথাকে 'পাতি' থাকিবলৈ পালেই ৰত্নেশ্বৰ আনন্দত ফুলি থাকে; কথাৰ অন্ত পৰিলেই উগুল-থুগুল ভাবত তেওঁ অস্থিৰ হৈ পৰে। তেতিয়া এটা মুহূৰ্ত্তেই যেন নাযায়-নুপুৱায় তেওঁৰ মানত এনে হে লাগে। দুখে-সুখে যেনে-তেনেকৈ সেই দিনটো গল, আকৌ ৰাতি আহিল। সেই ৰাতি পামপুৰীয়াই কথা শুনাৰ ভয়ত গধুলিতে জ্বৰ বুলি শুই থাকিলগৈ। ৰত্নেশ্বৰ ভাত ৰান্ধিবলৈ বহিল। কিন্তু, কিনো ৰান্ধিছে, কিনো বাঢ়িছে, তেওঁৰ গাত বিশেষ গম নাই। চৰুত তেল দি ইফালে কিবা ভাবোঁতে তালৈ পাহৰিলেই; যেতিয়া তেলত জুই উঠি ভম্ভম্কৈ জ্বলিবলৈ ধৰিলে, তেতিয়া হে তেওঁৰ গাত হুঁচ্ আহিছে! লৰালৰিকৈ বাটী এটাৰে সৈতে ঢাকোন দি জানিবা কোনোমতে ঘৰত জুই নলগাকৈ ৰাখিলে। তাৰ পাচত, আৰু আঞ্জা ৰান্ধিবলৈ কাৰবাৰ কৰা নহল; শুদাই-নিকাই দুগৰাহমান খাওঁ বুলি তেওঁ খাবলৈ বহিল। স্বৰূপাৰ্থত, আজি ৰত্নেশ্বৰৰ মানত বাৰখন আঞ্জাৰে খোৱাও যেনে, লোণ চেলেকি শুদা ভাত খোৱাও তেনে। এই দৰে ভাত খাবলৈ ধৰি এগৰাহ বা দুগৰাহ মাৰিয়েই সেই পোনেই তেওঁ আকৌ টলকা মাৰি ৰয়; একোবাৰ ওপৰলৈ চাই থাকোতে ভাত বিচাৰি মাটিতে খেপিয়াবলৈ ধৰে! এই দৰে খাওঁতে খাওঁতে ৰত্নেশ্বৰে ভাত অন্ত কৰি আকৌ কাঁহী চেলেকিবলৈ ধৰিলে। তাৰ পাচত, মুখ নোধোৱাকৈয়ে ভাবৰ পাকত ঘূৰি ৰত্নেশ্বৰ আহি শোৱা ঠাই পালেহি! তেতিয়া হে আকৌ মনত কৰি তেওঁ মুখ ধুই আহিছেগৈ। ভাত খোৱা হল; কিন্তু মুহূদি আৰু নহল; সেইভাগেই ৰত্নেশ্বৰ শোৱা পাটীত

পৰিলগৈ। এই বাতিও তেওঁৰ কেনেকৈ গল, তাক সহজে অনুমান কৰিব পাৰি। আগ-ৰাতিও টোপনি নাই, সেই ৰাতিও টোপনিয়ে ৰত্নেশ্বৰৰ ওচৰ চাপিব নোৱাৰিলে। পিচদিনা ৰাতিপুৱাই ছোৱালী খুজিবলৈ যাবলৈ খৰধৰ্ লগাই, ৰত্নেশ্বৰ পামপুৰীয়াৰে সৈতে আকৌ মন্ত্ৰণাত বহিল।

ৰত্নেশ্বৰ।—"আলহী ভকত! এই বেলাই ছোৱালী খুজিবলৈ যোৱা হওক, কি বোলাঁ?"

পামপুৰীয়া।—"নহয়, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, ভাত-পানী খাই গলে হে ভাল।"

ৰত্নেশ্বৰ।—"নহয়, আলহী ভকত! সেইবোৰ ফাংফুং নকৰিবা আৰু, বুজিছা নে। মই এই বেলাতে যাবলৈকে স্থিৰ কৰিলোঁ। এতিয়া, লগত কোন্ কোন্ যাব সেইটো মাথোন স্থিৰ কৰা।"

পামপুৰীয়া।—"বাৰু, তেন্তে, কিনো-ৰূপে-সৈতে, এতিয়াই যাব লাগে। লগত আৰু, কিনো-ৰূপে-সৈতে, কোন্ যাব? সৰহকৈ মানুহৰ, কিনো-ৰূপে-সৈতে, কি সকাম? আপুনি যাব আৰু, কিনো-ৰূপে-সৈতে, মই যাম। আপুনি মুঠে, কিনো-ৰূপে-সৈতে, বহি থাকিব; যি কব লাগে, কিনো-ৰূপে-সৈতে, সকলো কথা মই কম।"

ৰত্নেশ্বৰ।—"হয়, তেন্তে আলহী ভকত! পলম নকৰিবাঁ আৰু; উঠা উঠা। মোৰে শপত কাপোৰ-কানি পিন্ধাগৈ উঠা।"

নবালবিকৈ সাজু হৈ দুয়ো ছোৱালী খুজিবলৈ খোজ ললে। বাটে-বাটে যে ৰত্নেশ্বৰৰ মন কি হৈছিল, ক'ত আছিলগৈ আমি বুজিম কি, তেওঁৱেই কব নোৱাৰে। যথা সময়ত ৰত্নেশ্বৰ আৰু পামপুৰীয়া কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰ পালেগৈ। বেটী ছোৱালী এজনী আহি ৰত্নেশ্বৰক, কঠ এটা আৰু পামপুৰীয়াক চাবি এখন বহিবলৈ পাৰি দিলেহি। পামপুৰীয়াই বহিয়েই বেটী ছোৱালী জনীক সুধিলে, "হেৰ, আহিনা, আওবায়া-দেউতা, কিনো-ৰূপে-সৈতে, ঘৰত আছে নে?

আছে যদি, কগৈ যাচোন, বুলি, কিনো-ৰূপে-সৈতে, গুৱাহাটীৰপৰা ভাল মানুহ এজন, কিনো-ৰূপে-সৈতে, ডাঙৰীয়া-দেউতাক দেখা কৰিবলৈ আহিছে।” বেটী ছোৱালীজনীয়ে ভিতৰলৈ গৈ কীৰ্ত্তিনাথ গোহাঞিক এই কথা জনালেগৈ। কীৰ্ত্তিনাথ গোহাঞিয়ে ভিতৰত ঘৈণীৰে সৈতে লাহৰীৰ বিয়াৰ বিষয়ে আলচ পাতি আছিল। অলপ পাচত ডাঙৰীয়া ওলাই আহি এখন মেৰচাৰিত বহিল। বহিয়েই, তেওঁ পামপুৰীয়াক সুধিলে, “এওঁনো কোন্? এওঁক মই আৰু এদিন কৰবাত দেখিছিলোঁ।” পামপুৰীয়াই ৰত্নেশ্বৰৰ আঁতি-গুৰি ভাঙ্গি সকলো কথা কবলৈ ধৰিলে। কথাপ্ৰসঙ্গত সুবিধা উলিয়াই পামপুৰীয়াই ৰত্নেশ্বৰলৈ আঙ্গুলিয়াই কলে, “এওঁ বোপা-দেউতা, কিনো-ৰূপে-সৈতে, ডাঙৰীয়া দেউতাৰ এখেত কিবা এটি সকামত হে আহিছে।” কীৰ্ত্তিনাথ গোহাঞিয়ে ৰত্নেশ্বৰৰ ফালে ঘূৰি সুধিলে, “বোপাৰ নো কি সকাম আছিল? মই তোমালোকৰ ঘৰৰ কথা জানোঁ; আমি গুৱাহাটীত থাকোঁতে তোমাৰ দেউতাৰৰে সৈতে মোৰ আলাপ-পৰিচয় আছিল।”

ৰত্নেশ্বৰ।—“আমাৰ কব লগীয়া সকলো কথা ডাঙৰীয়াক এওঁ ককায়েই কওক।”

অনুমতিৰ সুবিধা পোৱা মাত্ৰকে পামপুৰীয়াই সকলো কথা ভাঙ্গি-পাতি কবলৈ ধৰিলে। অলপ পৰ থামি আকৌ কলে, “ডাঙৰীয়া-দেউতা, বোপা-দেউতাৰ ঘৰৰ ফালে, কিনো-ৰূপে-সৈতে, কবই নেলাগে; মই অলপতে গুৱাহাটীলৈ যাওঁতে, কিনো-ৰূপে-সৈতে, এওঁৰ ঘৰ-বাৰী সকলো নিজে দেখি আহিছোঁ। মোৰ কথা নপতিয়ালেও, কিনো-ৰূপে-সৈতে, ডাঙৰীয়া-দেউতাই মানুহ পঠিয়াই, কিনো-ৰূপে-সৈতে, চোৱাবও পাৰে।”

কীৰ্ত্তিনাথ।—“তেওঁৰ ঘৰৰ কথা তুমি কব নালাগে; ময়ো নিজেই জানোঁ আৰু দেখিছোঁ। কিন্তু, মাকক সুধিলে হে কব পাৰোঁ। বাৰু, তোমালোক খন্তেকমান বহাঁ; মই বেগতে ভিতৰত সুধি আহোঁগৈ।”

এই বুলি কীৰ্ত্তিনাথ গোহাঞিও ভিতৰলৈ উঠি গল। ঘৈণীৰ ওচৰলৈ গৈ তেওঁ এই বুলি কবলৈ ধৰিলে, "চোৱাঁ এতিয়া, মই নকৈছিলোঁ, যোলোঁ গুৱাহাটী বা আন ঠাইত স্থিৰ কৰিব লগীয়া হলে, ভাল মানুহৰ ভাল লৰাৰ বৰ অভাৱ নাই। সৌটি চোৱাঁ, আমাৰ, কি নাম বোলে পাহৰিছোঁ, ৰাজখোৱাৰ পুতেক, মই তেওঁৰ দেউতাকৰ নাম পাহৰিছোঁ, লাহৰীক খুজিবলৈ আহিছে। তুমি এতিয়া কি বোলাঁ? মই হলে ভাল দেখিছোঁ।"

ঘৈণী।—(বস্ত্ৰেশ্বৰক জুমি চাই) "লৰাটি হলে বেয়া নহয়। তথাপি, মই সিমান দূৰৈলৈ দিব নোৱাৰোঁ।"

কীৰ্ত্তিনাথ।—"তোমাক আৰু এনে লৰালি কথাই নেৰিলে! জীয়াৰী ছোৱালী তুমি সদায় বুকুত লৈ থাকিবলৈ পাবা নে কি? নাই, তুমিয়েই হে ছোৱালী উলিয়াই দিব লগাত পৰিছে, আন কোনেও ছোৱালী বিয়া দিয়াই নাই নে?

ঘৈণী।—"ভাওৰীয়া! মোক যেই বোলক, মই মোৰ একেটি পোনাক সিমান দূৰৈলৈ দিব নোৱাৰোঁ; ভাল হওক, বেয়া হওক, মই আপোনাৰ আগৰ কথাতে মান্তি হৈছোঁ। যি হওক, ওচৰতে ধনবৰলৈকে দিব লাগে।"

কীৰ্ত্তিনাথ।—"তুমি আৰু দিনে দিনে কেঁচুৱা হৈ হে আহিছা। যেই-সেই কথা—"

ঘৈণী।—"মোৰে শপত, ভাওৰীয়া, মোক আৰু সেইবোৰ কথা একো সুসুধিব। মই কেতিয়াও সিমান দূৰৈলৈ নিদিওঁ। লোকৰ মানুহ অনাহকত বথাই থোৱাৰ সকাম নাই; যাওক যাওক, সোনকালে বিদায় দিয়কগৈ।"

কীৰ্ত্তিনাথ।—"অলপ কথাতে ইমান ব্যাকুল হোৱা কিয়; স্থিৰ হোৱা। মোৰ কথা শুনা—"

ঘৈণী।—“মই আৰু স্থিৰ হবলৈ নাই; যি কৈছোঁ, মই স্থিৰ হৈয়ে কৈছোঁ। মোক নবধিব ডাঙৰীয়া! আপোনাৰ চৰণত ধৰি মাতিছোঁ।” এই বুলি তেওঁ কান্দিবলৈ ধৰিলে।

কীৰ্ত্তিনাথ গোহাঞি নিৰুপায়! তেওঁ ঘৰমৰ ভাৰ্য্যাক বেজাৰ দিয়া হে নালাগে, তেওঁক নোসোধাকৈ কোনো এটা কামকে নকৰে। অগত্যা, তেওঁ ৰত্নেশ্বৰক বিদায় দিবলৈকে ওলাই আহিল। ইফালে ৰত্নেশ্বৰৰ প্ৰাণত তৰণি নাই; কীৰ্ত্তিনাথ গোহাঞি ওলাই অহাত পলম হবৰ দেখি তেওঁ উগুল-থুগুল ভাবত ভিতৰি অস্থিৰ হৈ পৰিছিল। কীৰ্ত্তিনাথ গোহাঞি ওলাই অহাত, তেওঁৰ মুখ দেখিয়েই ৰত্নেশ্বৰে বুজিলে যে, তেওঁ যি আশঙ্কা কৰিছিল জানোবা ঠিক সেয়েই হল! কীৰ্ত্তিনাথ গোহাঞিয়ে বিমৰ্ষ ভাৱে থিয়ৈ-থিয়ৈ কবলৈ ধৰিলে, “বোপা! সকলো মিছা হল; মই তোমালোকক ৰখাই থৈ অনাহকত কষ্ট হে দিলোঁ। মাকৰ ইচ্ছা নাই, মই কি কৰিম!” এই কথা শুনিয়েই ৰত্নেশ্বৰ একেবাৰে নিৰাশাত সেই পোনেই শেঁতা পৰি গল। কিনো কব, কিনো নকব একো স্থিৰ কৰিব নোৱাৰা হৈ পৰিল। তাৰ পাচত, পামপুৰীয়াই মাত লগালে, “ডাঙৰীয়া-দেউতা, কিনো-ৰূপে-সৈতে, বহকচোন। আপুনি নো, কিনো-ৰূপে সৈতে, কি কামটো কৰিলে। আকৌ ভালকৈ এবাৰ, কিনো ৰূপে-সৈতে, ভাবি চাওক। মাকে আৰু, কিনো-ৰূপে সৈতে, ছোৱালী উলিয়াই দিবই নোখোজে; সেই বুলি, কিনো-ৰূপে-সৈতে, আপুনিও সেই কথাতে ভিৰ দিব নে? মই হলে কৈছোঁ, কিনে-ৰূপে-সৈতে, এনেটি দৰা পোৱা টান হব।”

কীৰ্ত্তিনাথ।—“সেইবোৰ কথা কলে আৰু কি হব? মাকৰ মন নহলে মই এনে কাম কৰিব নোৱাৰোঁ। বোপা, বেয়া নাপাবা, যোৱা আৰু! মই কি কৰিম!

এই সম্বিধান পোৱা মাত্ৰকে ৰত্নেশ্বৰে একেচাবে উঠি, পামপুৰীয়াক তাতে এৰি ভোঁ-ভোঁকৰে গুচি গল। তাৰ পাচত, পামপুৰীয়ায়ো লাহেকৈ উঠি ঘৰৰ ফালে খোজ ললে। ধৰত পামপুৰীয়াই দেখেগৈ যেখোন, ৰত্নেশ্বৰ তেওঁৰ ঘৰলৈ উলটিবলৈকে ওলাইছে। পামপুৰীয়াক দেখিয়েই, ৰত্নেশ্বৰে ৰূপ তিনি টকা বঁটা স্বৰূপে দি কলে, "পামপুৰীয়া, মোৰ আৰু ইয়াত সৰহ পৰ থাকিবৰ মন নাই। মই এতিয়াই যাওঁগৈ, তোমাক সৰহ দিব নোৱাৰিলোঁ। পাচে হে যি পাৰোঁ দিম; এতিয়াও তোমাৰ কাম আৰু আছে। মই এতিয়া ঘৰলৈ যাওঁ, তাৰ পাচত মোক কিছুমান কথাত তুমি সহায় কৰিব লাগিব।" টকা পাই পামপুৰীয়াৰ আনন্দত ঠাই নাইকিয়া হল। তেওঁ ভালৰি লগাই ৰত্নেশ্বৰক কবলৈ ধৰিলে, "বোপা-দেঁতাই নো, কিনো-ৰূপে-সৈতে, মোক কব লাগিছে নে! এতিয়া, ভাত দুটামান খাই যোৱা হলে, কিনো-ৰূপে-সৈতে, ভাল আছিল।"

ৰত্নেশ্বৰ।—মোক আৰু নধৰিবাঁ ককাই। পামপুৰ পাৰ নহওঁমানে গাকে নোধোওঁ। বেয়া নাপাবাঁ, মই এতিয়া আহোঁ হে।"

ইয়াকে কৈ বেগাবেগিকৈ ৰত্নেশ্বৰে ঘৰৰ-ফালে খোজ ললে। পামপুৰীয়ায়ো ভিতৰলৈ সোমাই গৈ ঘৈণীয়েকৰ আগত সাধুকথা কোৱাৰ দৰে ৰত্নেশ্বৰৰ ছোৱালী-খোজা কথা বৰ্ণাবলৈ ধৰিলে।

ইফালে কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ ভাৰ্য্যা দুয়ো বিয়াৰ নতুন মন্ত্ৰণাত বহিল,—

কীৰ্ত্তিনাথ।—"মই হলে কথা বৰ ভাল দেখা নাই। ৰত্নেশ্বৰে যেনেকৈ হে খং কৰি গৈছে, ইয়াৰপৰা বৰ অমঙ্গলৰ আশঙ্কা আছে।"

ঘৈণী।—"কিহৰ নো অমঙ্গলৰ কথা কৈছে? তাৰ খং উঠি গল বুলি আমাক কাটি-মাৰি উটুৱাই দিব পাৰিব নে কি? যি হওক, এতিয়া আৰু পলম কৰাৰ সকাম নাই; সোনকালে শুভকাম সমাধা কৰিব লাগে।"

কীৰ্ত্তিনাথ।—"ক'তা, এতিয়াও শূলধৰ বৰগোহাঞিৰ ঘৰবপৰা দেখোন খোজাবঢ়া একো হোৱাই নাই; যাছি দিব খুজিছোঁ নে কি ?"

ঘৈণী।—"মই শুনিছোঁ, বোলে, অহা বিৰস্পতিবাৰে তামোল-পাণ কটাবহি হেনো।"

তাৰ পাচত দুদিন গল। বিৰস্পতি বাৰ পালেহি। শূলধৰ বৰ-গোহাঞিয়েও গাৱঁৰ বিষয়া জনচাৰেক আৰু পঢ়াশালিৰ পণ্ডিতৰে সৈতে কীৰ্ত্তিনাথ গোহাঞিৰ চ'ৰাঘৰত ছোৱালী খুজিবলৈ বহিলেহি। কীৰ্ত্তিনাথ গোহাঞি ওলাই আহি, আগেয়ে বুজ নোপোৱাৰ ভাও ধৰি সুধিলে, "আজি দেখোন তামোল-পাণে সৈতে সকলোটি! সকাম বা কি ?"

এজন বিষয়া।—"সকাম অলপ আছে। বাৰু, বহকচোন।"

২য়, বিষয়া।—"সকাম এই, আজি আমাৰ বৰগোহাঞি ডাঙৰীয়াৰ লৰাটিলৈ আপোনাৰ ছোৱালীটি খুজিবলৈ অহা হৈছে। আপুনি কি বোলে জানো ?

কীৰ্ত্তিনাথ।—"এৰা, মই নো কি বুলিম। মোৰ ছোৱালী নহয় জানিবা আপোনাসকলৰে ছোৱালী। আপোনাসকলে যেনে ভাল দেখে তাত নো মোৰ কি আপত্তি আছে! তথাপি, মাকক সুধিলে হে কব পাৰোঁ। মোৰ আৰু দেখিছেই, লৰা-ছোৱালী বুলিবলৈ একেটি ছোৱালী। যাতে ছোৱালীটিৰ আগলৈ সুখ হয়, সেয়ে হে বাঞ্ছনীয়।

শূলধৰ।—"হয়, বিয়ৈদেউ, হয়। মোৰো একেটি লৰা দেখিছেই। মই জীয়াই থকাথিনিত আপোনাৰ ছোৱালীয়ে কেতিয়াও দুখ নাপায়।"

৩য়, বিষয়া।—"অ, ছোৱালী খুজিবলৈ আহোঁতেই বৰগোহাঞিদেৱে সম্বন্ধ লগালেই! হোজা মানুহ দেহি!"

কীৰ্ত্তিনাথ।—"বাৰু, তেন্তে ভিতৰত সুধি আহোঁ।" এই বুলি লাহেকৈ তেওঁ উঠি গল।

সিফালে ভিতৰতো তিৰোতাৰ মেল চলিছে! খোজা-বঢ়াৰ কথা পাতি থাকোঁতে, এগৰাকীয়ে মাত লগালে, "অঃ, বৰগোহাঞি ডাঙৰীয়ানীয়ে ছোৱালী খুজিবলৈ আহিছে, এতিয়া ছোৱালী চাব লাগে নহয়।"

শূঃ ঘৈণী।—"এ, কিনো চাব লাগিছে দেও হে; মই নিজে কোলাত লৈ ডাঙৰ কৰা ছোৱালী সেই জনী।"

আন এগৰাকী।—"নহয়, নহয়, তেও নিয়মটো ৰাখিব পায়।"

সিফালে লাহৰীৰ চেষ্টাই নাই! ৰাতিপুৱাৰেপৰা কান্দোতে কান্দোতে চকুৰ পটাই কেহৰাজৰ বৰণ ধৰিছে। খোজা-বঢ়া কৰিবলৈ মানুহ চাপিবৰপৰা যে তেওঁৰ গাত সংজ্ঞা নোহোৱাৰ দৰে হল। বাহিৰত দখুৱাবলৈ আনোতে তেওঁ সেই পোনেই যেন পৰি যায়! চকুৰ আগে দি ভমক্ ভমক্ জুই-আওনি ওলাইছে; চাৰিওকালে লাহৰীয়ে ধঁৱলি-কুঁৱলী দেখিছে। বাজে-ভিতৰে মানুহৰ মেলত কি হৈছে, কি মেলিছে, লাহৰীৰ গাত তাৰ একো বুজ নাই। দুখাৰি চকু-লোত বাজে এই সময়ত লাহৰীৰ আন একো নাই। তাৰ পাচত এগৰাকীয়ে বুজাবলৈ ধৰিলে, "নেকান্দিবি, অ, আই! এইখনো ঘৰ, সেইখনো ঘৰ, তই কিবা দেশ এৰি বিদেশলৈ যাব লাগিছে নে? কত মানুহৰ কপালেৰে তেনেও হয়।" এনে সময়তে কীৰ্ত্তিনাথ গোহাঞি সোমাই আহিল। তিৰোতাসকলে মূৰৰ ওৰণি টানি লৈ তললৈ মূৰ কৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে ঘৈণীক ভিতৰলৈ মাতি নি কলেগৈ, "মই একেবাৰে মত দিয়া নাই। তোমাক সোধোঁগৈ বুলি হে আহিছোঁ।"

ঘৈণী।—"আকৌ যাওক তেন্তে, যি হয় কওকগৈ। আৰু নো কি সুধিবলৈ আছে।"

কীৰ্ত্তিনাথ।—"মই যাওঁ বাৰু, ছোৱালীটি বৰকৈ বিহ্বল হৈছে; অলপ মন কৰিবা।" এই বুলি তেওঁ আকৌ বাহিৰলৈ ওলাই আহিল।"

১ম, বিষয়া।—"কি হল ডাঙৰীয়া? কি মন্ত্রণা নো কৰিলে?"

কীৰ্ত্তিনাথ।—"এৰা, সিফালেও তিৰোতাসকলৰ মেল বহিছে। ভিতৰৰ ফালে ঠিকেই হল।"

২য়, বিষয়া।—"তেনেহলে কথাই নাই আৰু। ভাল, এতিয়া শৰাই ভাঙ্গক।"

কীৰ্ত্তিনাথ।—( শৰাই চুই ) "মই বাৰু চুই দিছোঁ; আপোনাসকলেই ভাঙ্গকচোন।"

৩য়, বিষয়া। "বাৰু, তেন্তে বিয়াৰ দিন নো কেতিয়া স্থিৰ কৰা হৈছে? মোৰ মনেৰে হলে অহা বহাগতে হলেই ভাল।"

কীৰ্ত্তিনাথ।—"এৰা, শুভকাৰ্য্য শীঘ্রে হোৱাই ভাল। কিন্তু, বহাগ ছোৱালীটিৰ ওপজা-মাহ। সেই কাৰণে আহাৰ মাহত হলেই ভাল দেখোঁ? আহাৰ মাহতো দিন থাকিব পায়।"

পঢ়াশালিৰ পণ্ডিত।—"আছে, এই বাৰ আহাৰ মাহত হে বিয়াৰ বৰ ভাল দিন আছে।"

৪র্থ, বিষয়া। "বাৰু, তেন্তে সেয়ে হল। এতিয়া আৰু আমাৰ আন কাম নাই। আমি তেন্তে উঠিব হে লাগে।"

কীৰ্ত্তিনাথ।—"বহক, বহক, তামোল খাই যাওক।"

তাৰ পাচত, আন-আন বাজে কথা দুটা-চাইটা পাতি তামোলপাণ খাই সকলোৱে দিহাদিহি প্রস্থান কৰিলে।

—:o:—

# ১২। আধ্যা।

## চিঠি-পত্র।

সেই দিনা লাহৰীক অকলশৰে পুখুৰীপাৰৰ ফুলনিত বাউলী অৱস্থাত এৰি অহাৰেপৰা সিদিনা আকৌ খোজা-বঢ়া কৰিবলৈ অহা তিৰোতাৰ মেলত ছয়াঁময়াকৈ দেখালৈকে ভালেখিনি কথা কব লগীয়া আছে। কমলে সেই দিনা লাহৰীক সঁচাকৈয়ে জিবণিৰ ঔষধ হে দি আহিল। আমি সেই দিনাই কৈ আহিছোঁ যে, কমলে শেহত কোৱা কথা কেইষাৰি লাহৰীৰ মনত বৰকৈ লাগিল। লাহৰীয়ে লিখা-পঢ়া জানে বুলিও, চিঠিৰ মহিমা তেওঁ বুজা নাছিল। সেই দিনা কমলে কওঁতে হে তেওঁ এই নতুন উপায়ৰ মোল পালে। লাহৰীয়ে সেই দিনাই আৰু এটি মহোষধ লাভ কৰিলে। তেওঁ যদিও অনেক পুথি-পাঁজিত ঈশ্বৰৰ লীলা-খেলা আৰু মহিমাৰ কথা পঢ়িছে, যদিও দেউতাকৰ লগত তেওঁ সদায় পূজা-সেৱা আদিত লাগি থাকে, তথাপি ইমান দিনলৈকে সঙ্কটৰ সময়ত 'ঈশ্বৰ' স্মৰণৰ যে কি প্ৰতিকাৰ তেওঁ তাৰ মহিমা বুজা নাছিল। সেই দিনা কমলে নিচেই শেহত কৈ গৈছিল, "ঈশ্বৰ আছে, তেওঁ কি কৰে"। সেই মুহূৰ্ত্তৰেপৰা সেই কথাকিটি লাহৰীৰ কোমল হিয়াত দৃঢ়ৰূপে লিখা হল। অহঃ, কমলৰ মুখৰ এটি কথাই লাহৰীক কিমান শান্তি দিয়ে! কমলে কি কথা কয়, সি লাহৰীৰ অন্তৰত কিমান দৃঢ়কৈ বহে! সেই দিনা ইমান বাউলী হৈছিল যে, তেওঁ দুটাই কথা এষাৰিকে কব নোৱাৰিলে।

কিন্তু, তেনে বাউলী অৱস্থাতো কমলৰ কথা কেইটিয়ে লাহৰীক কিমান গুণ দিলে! এই সংসাৰত যি যাক প্ৰাণে-প্ৰাণে ভাল পায়, তেওঁৰ প্ৰাণত তেওঁৰ কথা প্ৰাণে-প্ৰাণে লাগি যায়। প্ৰিয়জনৰ মুখৰ মধুৰ কথাই উতলা হিয়াক চেঁচা কৰে। ই স্বাভাৱিক নীতি। লাহৰীয়ে সেই দিনা তেওঁৰ প্ৰাণৰ প্ৰাণ কমলৰ মুখৰপৰা সেই দুষাৰি কথাতে দুটি মহৌষধ পাই আকৌ ভালেমান দিনলৈকে স্থিৰে ৰব পৰা হল। আহিনীয়ে লাহৰীক কেঁচুৱাৰেপৰা কোলাত লৈ ডাঙৰ কৰিছিল। সৰুৰেপৰা লাহৰীক তাই বৰ মৰম কৰিছিল। আগেৰেপৰা লাহৰীয়ে যেনে কাম ভাল পায়, আহিনীয়ে তেনে কাম মৰি-পৰি কৰে। সেই দিনা পুখুৰীপাৰৰপৰা আহিয়েই লাহৰীয়ে মনে মনে আহিনীক লগত লৈ আকৌ পুখুৰীপাৰৰ ফুলনিলৈ গল। ফুলনিত গৈ লাহৰীয়ে আহিনীক লাহে-ধীৰে কবলৈ ধৰিলে, "আহিনী বাই, তোক আৰু মই ইমান দিনে কোনো কথা এই দৰে গুপুতে কব লগাত পৰা নাই। আজি তই মোৰ বৰ কাম এটা কৰি দিব লাগে। পাৰিবি নে নোৱাৰ আগেয়ে ক।"

আহিনী।—"আইদেউ! মই নো আপোনাৰ কথা কেতিয়া নুশুনোঁ! আপোনাৰ কথাত যদি মই মৰিবলৈকো যাব লাগে, তেও আগ বাঢ়িম।"

লাহৰী।—"আহিনি! তই যে মোক বৰ ভাল পাৱ, মই আগৰেপৰা জানোঁ। সেই দেখি হে তোক আজি মোৰ এনে গুপুত কথাৰো ভাগ দিবলৈ মাতি আনিছোঁ। এতিয়া কথা হৈছে কি, তই কোনেও নজনাকৈ মোৰ চিঠি কমললৈ আৰু কমলৰ চিঠি মোলৈ নিয়া-অনা কৰিব লাগিব। পাৰিবি নে নোৱাৰ, ক এতিয়া।"

আহিনী।—"বাৰু, আইদেউ, কৰিব লাগে।"

লাহৰী।—"আহিনি! তই নো মোক কিমান ভাল পাৱ, আজি ভালকৈ বুজিলোঁ। বাৰু, এতিয়া যা। মই অলপ পাচে যাম।"

আহিনী অহাৰ পাচত লাহৰীয়ে গুণ্-গুণ্‌কৈ নাম গাই ফুলনিৰ মাজে মাজে ফুৰিবলৈ ধৰিলে। লাহৰী এতিয়া এনে গহীন, কোনে কব পাৰে যে, এই লাহৰীয়েই এই পুখুৰীপাৰতে অলপৰ আগেয়ে বাউলীটি হৈছিল! পাচে, সন্ধ্যা হবৰ দেখি লাহৰী ঘৰলৈ আহিল। লাহৰীৰ আইতাকেও আজি লাহৰীক এনে স্থিৰ হোৱা দেখি মনে মনে বৰ বং পাইছিল। তেঁও ইটো-সিটোক ফুচ্‌ফুচাই কৈ ফুৰিছিল, "আজি আইদেউৰ মনটি ভাল দেখিছোঁ; তইঁত কোনো ওচৰলৈ নাযাবিহঁক।" আইতাকে আকৌ বাৰ-জুমি চাই কলে, "মোৰ পোনাই আখৰ লিখিছে।" এই বুলি তেওঁ বুলনি-ঘৰলৈ ওলাই গল। ইফালে যে লাহৰীয়ে কি আখৰ লিখিছে তাক তেওঁ হে জানে। লাহৰীয়ে কিতাপ চাই আখৰ লিখা ভাওটিবে আগতে কিতাপ এটি মেলি লৈ মনে মনে কমললৈ চিঠি লিখিবলৈ ধৰিছে। চিঠি লিখিবলৈ বুলি হাতত কাপ লোৱা লাহৰীৰ এয়ে প্ৰথম। সেই দিনা চিঠিত অইন বিশেষ কথা একো লিখা নাই, কেৱল আগ-বাতি দেউতাক আৰু আইতাকে কি মন্ত্ৰণা কৰিছিল, তাকে হে লিখিলে। লিখিলে বুলি, কমলৰ উৎপত্তিৰ কথা যি শুনিলে, তাৰ একোকে নিলিখিলে। কিয়নো, লাহৰীয়ে তেনে কথা লিখি কমলৰ মনত দুখ দিয়ক অস্ত, নিজৰ মনৰ দুখৰ কথা লিখিও কমলৰ মনত দুখ দিব নোখোজে। কেতিয়াবা অগত্যা একেবাৰ লিখিব লগাত পৰিলেও, তাক আন সন্তোষৰ ভাবেৰে তেওঁ ঢাকি পঠিয়ায়।

পিচদিনা বাতিপুৱাই আহিনীয়ে চিঠি লৈ কমলক দিলেগৈ। কমলে তেতিয়াই উত্তৰ নিদি আহিনীক অলপ পাচত আহিবলৈ কৈ পঠিয়ালে। কমলেও, এনে চিঠি লিখিবলৈ কাপ লোৱা আজিয়েই প্ৰথম। তথাপি, কমল এতিয়া লৰা নহয়। সক কালতে কমলৰ তীক্ষ্ণ বুদ্ধিৰ বিশেষ চিনাকি পোৱা গৈছিল। চিঠিৰ উত্তৰ তেওঁ এনে মৌ-বৰষাকৈ লিখিলে যে, লাহৰীয়ে পঢ়ি দুখ, বেজাৰ, বিপদ সকলো পাহৰি গল। তাৰ পাচত, আৰু

দুবাৰ-তিনিবাৰমান লিখা-লিখি কৰি লাহৰীয়ে চিঠিৰ মোল সুন্দৰকৈ বুজি উঠিলে। বাস্তৱতে, চাবলৈ গলে, চিঠিয়ে পৱিত্ৰ প্ৰেমৰ ৰস যিমান উলিয়াব পাৰে, আন একোৱে সিমান নোৱাৰে। যাক প্ৰাণে-প্ৰাণে ভাল পোৱা যায়, তেনে জনলৈ চিঠি লিখি যে কেনে পৱিত্ৰ সুখৰ অধিকাৰী হোৱা যায়, যি এবাৰ তেনে সুখৰ মোল পাইছে, তেওঁ হে বুজিছে। কিন্তু, সেই বুলি যেই-সেই চিঠিয়েই তেনে সুখ টানিব নোৱাৰে। বৰঞ্চ, পৱিত্ৰ প্ৰেম আৰু পৱিত্ৰ ভাবৰ চিঠি নহলে, প্ৰেম-পত্ৰই তাৰ বিপৰীত ফল হে জন্মায়। তেনে চিঠিয়ে বিপদৰ দুৱাৰ সোনকালে মুকলি কৰে। কিন্তু, লাহৰীয়ে কমললৈ লিখা চিঠি! অহঃ, যি কমলৰ মুখৰ দুটি কথা একেলগ কৰি, তাৰপৰা পৱিত্ৰ ভাব লৈ আৰু সঙ্কটত নিৰুপায় হৈ অদৃষ্টক সাক্ষী কৰি চিঠি লিখিবলৈ বহে, তেওঁৰ কাপে মৌ-বৰষায়, তেওঁৰ কাপে বিপদ মাৰ নিয়ায়। ইয়াৰ পাচতো কেইবাখনো চিঠি-পত্ৰ চলোৱা হল; প্ৰত্যেক খনিতে একে পৱিত্ৰ ভাব, পৱিত্ৰ কথা। লাহৰী-কমলে আগত এটা ডাঙৰ ভেটা আৰু অসংখ্য বিপদলৈকো আওকাণ কৰিছিল বুলিও, কোনো এখন চিঠিত কোনো এটি কথা ভ্ৰম বা অজ্ঞান স্বৰূপে লিখা নাছিল। লাহৰী-কমল যেন সেই সময়ত নৈতিক বলেৰে বলী আৰু দৈৱ জ্ঞানেৰে জ্ঞানী হৈছিল। কিয়নো, যি মুহূৰ্ত্তত কমলৰ মুখৰপৰা লাহৰীৰ আগত সেই শেহৰ কথা কেবাৰি ওলাইছিল, সেই মুহূৰ্ত্তৰেপৰা লাহৰী-কমলে আশা-ভৰসা, বেজাৰ-বিপদ সকলোকে অদৃষ্টৰ ওপৰ নিৰ্ভৰ কৰি নিশ্চিন্ত হল, সেই দিনাৰেপৰা লাহৰীয়ে বৰ্ত্তমান বিপদৰ কথা হে নালাগে, যেই-সেই কথাতে অলপ মন বেয়া লাগিলেই, অকলে অকলে পুখুৰীপাৰলৈ গৈ এটি জোপাৰ মাজত বহি, চকু মুদি নিয়তিক ভাবিবলৈ ধৰেগৈ; মনৰ শান্তি নোপোৱালৈকে লাহৰীৰ সেই আন্তৰিক উপাসনা নেভাগে। এই দৰে ভাবি ভাবি নিয়তিৰ নীতিত লাহৰীৰ বিশ্বাস এনে দৃঢ় হল যে, সেই বিশ্বাসেই

তেওঁৰ সকলো বিপদ গুচোৱা অব্যৰ্থ মহৌষধ হৈ উঠিল। স্বৰূপতে, এই সংসাৰ-সাগৰৰ মাজত অদৃষ্ট-নিৰ্ভৰ একেখনি মাথোন আশা-তৰি। এনে বিশ্বাসে যাৰ হৃদয়ত এবাৰ ঠাই পাইছে, যাৰ হৃদয় এবাৰ এনে নৈতিক পোহৰে উজ্জ্বল কৰিছে, তেওঁ আৰু এই ভয়ঙ্কৰ সংসাৰ-সাগৰৰ বিপদ-ঢৌলৈ কেৰেপ্ নকৰে। নিলগৰপৰা অনেকে অনেক কব পাৰে, কিন্তু যি এবাৰ চকু মুদি সেই নিয়তিৰ মূৰ্ত্তি হিয়াত থাপনা কৰিছে, যাৰ হৃদয় সেই শিৱ মূৰ্ত্তিয়ে এবাৰ মঙ্গলময় কৰিছে, সি আৰু ইহ-জনমত সেই পৱিত্ৰ নামৰ মহিমা পাহৰিব নোৱাৰে। জাহ্নৱীৰ এই উপাসনা কৰিবলৈ কোনো ঠাইৰ ঠিকনা নাই, সময় নিৰ্দ্ধাৰিত নাই; য'তে যেতিয়াই সুবিধা ঘটে, ত'তে তেতিয়াই তেওঁ উপাসনাত ধৰে।

এই দৰে জাহ্নৱী আকৌ বহুত দিনলৈকে নিশ্চিন্ত আছিল। কিন্তু হঁায়, মানুহৰ মন! একেটি বিশ্বাসে কিমান স্থিৰ ৰাখিব। সেই দিনা ৰাতিপুৱাৰপৰা খোজ-বঢ়াৰ উলহ-মালহ লাগিবৰ দেখি, জাহ্নৱী আকৌ নিৰাশাৰ সোঁতত উটি যাবলৈ ধৰিলে, জাহ্নৱী আকৌ সেই চেঁচুকৰ সোঁতত পৰি ঠেকেঁচা লাগিল; জাহ্নৱীৰ হাত-ভৰি অৱশ হৈ পৰিল। জাহ্নৱীৰ সেই দিনাৰ অৱস্থা কোৱাতকৈ অনুমানত হে বেচিকৈ বুজা যায়। সেই দিনা তিৰোতা-সমাজত কোনেও জাহ্নৱীৰ তেনে মৰ্ম্মান্তিক বেদনাৰ প্ৰকৃত কাৰণ বুজিব পৰা নাছিল। খোজ-বঢ়া শেষ হোৱাৰ পাচত সকলো ঘৰা-ঘৰি উঠি গল। জাহ্নৱীয়েও লাহেকৈ উঠি তেওঁৰ মহৌষধ সেৱন কৰাৰ ঠাই পুখুৰীপাৰৰ ফালে খোজ ললে। ফুলনিত গৈ এটি জোপাৰ মাজত বহি চকু মুদি সেই বিধানকাৰী বিধাতাক ভাবিবলৈ ধৰিলে। তিনিখনমান তামোল খাবৰ পৰ ধ্যানত বহি, জাহ্নৱীয়ে চকু মেলি চাই দেখে, যেখোন সকলো মঙ্গলময়! সন্ধ্যাৰ অমৃতময় বতাহে মন-প্ৰাণ যেন শীতল কৰি দিছে! জাহ্নৱীয়ে এই সুখ অনুভৱ কৰি অকলে অকলে হাঁহিবলৈ ধৰিলে।

অহঃ, ঔষধটিৰ কেনে গুণ! এপালিতে লাহৰীক সাংঘাতিক ৰোগৰ-পৰা নিস্তাৰ কৰিলে। তাৰপৰা উঠি আহি, লাহৰীয়ে ঘৰৰপৰা গোপনে লিখাৰ সঁজুলি লৈ, আকৌ সেই জোপাটিৰ মাজত বহি ললেগৈ। ইমান দিনে লাহৰী-কমলে যিবোৰ চিঠি-পত্ৰ চলাইছে, পুথিৰ কলেৱৰ বঢ়াৰ আশঙ্কাত আমি পাঠকক সেইবোৰৰ নকল দিব নোৱাৰিলোঁ। সেই কাৰণে, সিবিলাকে ইতিমধ্যত লিখা চিঠি কেখনিমানকে তাৰ আৰ্হি স্বৰূপে চাওক :—

"শ্ৰীশ্ৰীহৰি শৰণং।"

কমল!

ইয়াৰ অলপৰ আগেয়ে মই আকৌ বাউলী হব লগাত পৰিছিলোঁ। মোক ৰক্ষকৰ নিমিত্তে তুমি দিয়া জীৱনীমন্ত্ৰৰ বল-শক্তিয়ে এৰি গৈছিল! কিন্তু, তোমাৰ মহামন্ত্ৰৰ কি যে গুণ!—তাক এবাৰ মুখত লৈয়ে মই এতিয়া আকৌ সুস্থিৰ হলোঁ; মই এতিয়া আকৌ আগৰ দৰে থিৰ; মোৰ এৰি যোৱা বল-শক্তিয়ে ঘুৰি আকৌ ভাগে ভাগে মোক বল দিছেহি। নহলে তো মই তোমালৈ ইমান সোনকালে চিঠি লিখিবকে নোৱাৰিলোঁহেঁতেন। তুমি মোক যেনে শান্ত, ধীৰ আৰু ভাল অৱস্থাত দেখিবলৈ ভাল পোৱাঁ, মই এতিয়া ঠিক তেনেই আছোঁ। এতেকে, মোৰ নিমিত্তে তুমি অকণো চিন্তা নকৰিবাঁ। এতিয়া, তুমিও মোৰ দৰেই সেই মহামন্ত্ৰ সুমৰি সুখে আছাঁ বুলি জানিলেই, তোমাৰ হৈ মোৰ যি একেৰি চিন্তা আছে, তাকো পাহৰিব পাৰোঁ।

কমল! আজিৰ দিনত যি হৈ গৈছে, তাক মই চিঠিৰে জনাবৰ সকাম নাই, তুমি নিজেই সকলো বুজিছাঁ, আৰু সকলো জানিছাঁ। কিন্তু, কমল! সেই বুলি তুমি কিবা বেজাৰ বা অসন্তোষ কৰিবা নে? মই জানোঁ, তুমি কেতিয়াও বেজাৰ নকৰাঁ। মই জানোঁ, তুমি মোক কেতিয়াও এৰি নিদিবা। কমল! মই

অল্পপৰ চকু মুদি ঈশ্বৰক চিন্তিলেই আকৌ সুস্থিৰ হওঁ। কোনোবাই যেন মোক কাণে কাণে কৈ যায়হি যে, আমি ভয় কৰাৰ সকাম নাই; আমাৰ ঈশ্বৰ সহায়। সি যি হওক, কমল! মোৰ ই প্ৰাণে তোমাত বাজে আন কাকো নাজানে। এই জগতত মোৰ নিজৰ প্ৰাণতকৈয়ো ভাল পোৱা প্ৰাণীৰ ভিতৰত তুমিয়েই প্ৰথম; তোমাৰ পাচত হে মোৰ মৰমৰ আইতা আৰু দেউতা। কমল! এই পৃথিবীত মই যিমান দিন জীয়াই থাকোঁ, তোমাৰ প্ৰতি মোৰ ভালপোৱা অটল। মোৰ এই সময়ৰ জীৱনৰ ধৰণী সেই দীনবন্ধুৰ চৰণত খাটিছোঁ, যেন জন্মে-জন্মে মই তোমাৰেই হে সঙ্গিনী হবলৈ পাওঁ। এতিয়া, কমল! তুমিও যেন মোৰ দৰেই থিৰ থাকিবা, ইয়াকে হে আশা কৰিলোঁ। ইতি মৰমৰ,——লাহৰী।

* * * *

লাহৰি!

তোমাৰ চেনেহী চিঠিখনি পঢ়ি মোৰ হিয়াত আনন্দ উপচি পৰিছে, অন্তৰত ভাব নধৰা হৈছে। কিন্তু, লাহৰি, কিনো কম, মোৰ ভাব আছে, ভাষা নাই, প্ৰকাশ কৰিবৰ উপায় নাপাওঁ। তোমাৰ দৰে থোৰতে এপাচী ভাব একঠা কথাৰে আধৈ-ফুটাবলৈ আই-সৰস্বতীয়ে মোৰ কাপ-কণ্ঠত থিত নিদিয়েচোন! মই অতি অভাজন, তাতে দুৰ্ভগীয়া। মোৰ সুখ-দুখলৈ মই নাভাবোঁ, কেনেবাকৈ মই হেতু হৈ তোমাৰ সুখ-শান্তি ভাঙো বুলিহে সদায় ভয় কৰোঁ! সি যি হওক, লাহৰি, তুমি সকলো আশা-ভৰসা অন্তৰ্য্যামী পৰমেশ্বৰৰ চৰণত নিৰ্ভৰ কৰি নিশ্চিন্ত আছাঁ বুলি জানি,ময়ো একেবি নিশ্চিন্ত আছোঁ। আগন্তুক আপদ-সাগৰৰপৰা কোন্ পাকে কেতিয়া কিভাৱে আমি পাৰ পামহঁক, সেইটো নেদেখাজনেহে দেখিছে। আজিলৈ ইমানতে দেই, লাহৰি! ইতি—

মৰমৰ,—কমল।

## ১৩। আধ্যা।

### ন-পমুৱা মান।

সেই দিনা ৰত্নেশ্বৰ ৰাজখোৱাই সঁচাকৈয়ে পামপুৰ পাৰ নোহোৱালৈকে বাহী-গা ঘুধুলেই। তেওঁ ঘৰলৈ খোজ লওঁতেই বেলি ভাটি দিছিল; ৰৰনৈ পায়গৈমানে আবেলি হল। ৰত্নেশ্বৰে নৈ-দাঁতীয়া মিৰিগাৱঁত সোমাই পাখীৰ এপোৱামান আৰু কল ছুটামান কিনি ললেগৈ; আৰু ৰৰনৈতে গা ধুই তাকে খাই মাথোন তেওঁ পেটৰ পোৰণি মাৰিলে। তাৰ পাচে কোবাকুবিকৈ খোজ ধৰি তেওঁ সেই দিনাই ঘৰ পালেগৈ! ঘৰত গৈয়ো, দিনদিয়েক তেওঁৰ মনত সমুলি সুখ-শান্তি নোহোৱাত পৰিল। অন্তত, প্ৰতিহিংসাৰ ভাবে মনত ঠাই ললেহি; আৰু দিনে দিনে সেই হিংসা-ভাব তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। সেই দৰেই মাহদিয়েক পাৰ হৈ গল; এদিন সেই প্ৰতিহিংসাৰ প্ৰেৰণাত ৰব নোৱাৰি, তেওঁ এইবুলি অঙ্গীকাৰ কৰিলে যে, যেনে-তেনে উপায়েৰে তেওঁৰ সেই হাবিয়াবৰ ধন লাহবীক তেওঁ হাত কৰিবই কৰিব। ইয়াকে গুণা-গঁথা কৰি, সেই দিনাই, সিবাৰ তেওঁৰ ঘৰত আলহী থকা পামপুৰীয়া মানুহটিক আনিবলৈ ৰত্নেশ্বৰে মানুহ পাচিলে। ৰাতৰি পোৱা মাত্ৰকে যথা সময়ত পামপুৰীয়া গৈ উপস্থিত হলত, ৰত্নেশ্বৰে তেওঁক নিজৰ মনৰ কথা ভাঙ্গি কলে। তেওঁ নিজৰ উদ্দেশ্য সিদ্ধিৰ অৰ্থে বৰ্ত্তমান যি যি উপায় পাঙ্গিছিল, তাক পামপুৰীয়াৰ আগত এইবুলি কবলৈ ধৰিলে, পামপুৰীয়া তোমাক আজি মই মোৰ মনৰ কথা এটা ভাঙ্গি কওঁ। আমাৰ দেশৰ অৱস্থা ছুৰাচাৰ মানহঁতে তিনিবাৰে নিবাৰকৈ যি কৰি থৈ গৈছে, সেয়ে আটিছে। ইয়াৰ উপৰি, আমি জনা-শুনা মানুহ হৈ আকৌ

তাহাঁতৰ আদিকা থাকি যোৱা উপদ্ৰৱী মানহঁতক উৎসাহ দিয়াটো যুগুত নহয়। কিন্তু, পামপুৰীয়া মোৰ বৰ্ত্তমান মনৰ উত্তেজনাত, মই সেই কীৰ্ত্তিনাথৰ জীয়েকক বলেৰে আনিব লগীয়া হয় যদিও, যেনে-তেনে উপায়েৰে আনিম বুলি ভীষ্ম-প্ৰতিজ্ঞা কৰিলোঁ। এতিয়া মোৰ উদ্দেশ্য সিদ্ধি কৰিবলৈ হলে, সেই মানহঁতৰ সহায় নললে নচলে! সেই কাৰণে, মই এতিয়া ন-পমুৱা মান কিছুমান গোটাবলৈ যাওঁ; তোমাকো লগতে লৈ যাব খোজোঁ। তোমাক লগত নিয়াৰ আন কোনো অৰ্থ নাই, মাথোন তোমাক চিনাকি কৰি দি, সিহঁতক তোমাৰ লগ লগাই দিম। তুমি আন বিশেষ একো কৰিব নালাগে; মাথোন সিহঁতক কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ জীয়েক লাহৰীক চিনাই দিবাগৈ। আমি আজিয়েই ঘৰৰপৰা ওলাওঁ বুলিছোঁ; আশা কৰোঁ, ইয়াত তোমাৰ কোনো আপত্তি নাথাকিব।"

পামপুৰীয়া—"নহয়, বোপা-দেউতা, মই কিনো-ৰূপে-সৈতে, নোৱাৰিম হবলা? সিহঁতে আকৌ আমাৰ গাওঁ ভাঙি, কিনো-ৰূপে-সৈতে, খান্তাং কৰিব।"

ৰত্নেশ্বৰ।—"তুমি সেই কথালৈ একো ভয় নকৰিবা; মই সিহঁতক ঠিক ৰাখিব পাৰিম।"

পামপুৰীয়া।—"বাৰু তেন্তে, বোপা-দেউতা, কিনো-ৰূপে-সৈতে, আপুনি হে জানে। গাওঁ ভাঙিব খুজিলে কিন্তু, কিনো-ৰূপ-সৈতে, মই আগধৰি ভাগিম।"

পামপুৰীয়াক এই প্ৰস্তাৱত মান্তি কৰাই, ৰত্নেশ্বৰে লগত কিছুমান টকা আৰু লগুৱা এটা লৈ, সেই দিনাই দুয়ো ন-পমুৱা মানৰ গাঁৱলৈ যাত্ৰা কৰিলে।

সেই ন-পমুৱা মানবিলাকৰ সম্বন্ধে বহলাই বৰ্ণনা নকৰিলেও হব; অসমত ইহঁতৰ বসতিৰ বিষয়ে 'মানৰ দিন'ৰ কাহিনী জনাসকলে ভালকৈ

জানে। মানৰ সেই উপদ্ৰৱৰ পাচতো, অসমত বৈ যোৱা এই ন-পমুৱা মানইঁতে ছেগ বুজি উপদ্ৰৱ কৰে; সেই কাৰণে অনেকে ইহঁতৰ উপদ্ৰৱো মানৰ উপদ্ৰৱৰ লগতে ধৰি থয়। মানে লুট্-পাট্ কৰি জুৰুলা কৰি বৈ যোৱাৰ পাচতো, ৪।৫ বছৰলৈকে মাজে মাজে ইহঁতৰ উপদ্ৰৱ চলি আছিল। আন কি, ইহঁতৰ উপদ্ৰৱ বাৰেওকালি হয় বুলিলেও বঢ়াই কোৱা নহয়; কিয়নো, ইহঁতে অসমীয়াক অত্যাচাৰ কৰিয়েই জীৱিকা চলাইছিল; কোনো মানুহৰ উদগনি পালে যে কথাই নাই। এই দৰেই, অনেক দুষ্ট কুলাঙ্গাৰে দুখীয়া প্ৰজাৰ বয়-বস্তু লুট্-পাট্ কৰোৱাই সৰ্ব্বনাশ কৰিছিল। আমি যি সময়ৰ কথা কৈছোঁ, সেই সময়ত এই ন-পমুৱা মানবিলাকক য'তে-ত'তে পোৱা গৈছিল। ইহঁতে য'তে জীৱিকা উলিয়াবৰ সুবিধা দেখে, সেই ঠাইৰ ওচৰতে গুপ্তভাৱে বসতি কৰিছিল। কিন্তু, ৰত্নেশ্বৰৰ বৰ্ত্তমান উদ্দেশ্য সাধিবৰ নিমিত্তে যেই-সেই মানৰে সৈতে কাম নচলে; গতিকে তেওঁ একেবাৰে ভালেমানলৈ উজাই যাব লগীয়া হল। কিয়নো, আন ঠাইতো তেওঁৰ উদ্দেশ্যৰ উপযুক্ত মান পোৱা যায় নে নাযায়, ৰত্নেশ্বৰে নাজানে। দুবছৰমানৰ আগেয়ে ৰত্নেশ্বৰে ছোৱালী চাবৰ মনেৰে এবাৰ উজনিলৈ গৈছিল; তেতিয়াই তেওঁ এখন ন-পমুৱা মানৰ গাওঁ দেখি যায়। সেই বাৰ তেওঁ উজাই যোৱাৰ বিষয়েও অলপ কব লগীয়া আছে। কিন্তু, সবিশেষ অলপ পাচে হে কোৱা যাব। ৰত্নেশ্বৰে উজনিত আগেয়ে ছোৱালী খুজিবলৈ যাওঁতে চিনাকী হোৱা মানুহএঘৰতে এৰাতি কটালে। তাৰ পিচদিনা মান-গাৱঁলৈ গৈ চাৰিকুৰিমান মান গোটাই লৈ আনিবলৈ ঠিক কৰিলে। তাৰ পাচত, সিহঁতক ৰত্নেশ্বৰে নিজৰ উদ্দেশ্য ভালকৈ বুজাই দি সুধিলে, "তহঁতে পিচে গাৱঁৰ মানুহক আমনি নকৰ, নহয় ?"

মানইঁত।—( এজাকে একেবাৰে ) "উঁঃ নককঙ, অ, দৌটা, নককঙ। তই পাচে আমাক ধন নিদিলে হে বয়া হব।"

ৰত্নেশ্বৰ।—"তইঁতে মোৰ কাম কৰি দিব পাৰিলে মই তিনিকুৰি টকা দিম বুলিছোঁ নহয়।"

মানইঁত।—"বাৰু, অ দৌটা, তোৰ কাম কৰি দিম দে, তই ভয় নকৰিবি।"

ৰত্নেশ্বৰ।—"আৰু এটা কথা। মই তইঁতৰ লগত নাযাওঁ। (পামপুৰীয়াক দেখুৱাই) তইঁতে এই মানুহটিয়ে যি কয়, তাকে শুনিব লাগিব। এওঁ হে সেই ছোৱালীজনী দেখুৱাই দিবগৈ।"

মানইঁত।—"শুনিম দে অ, দৌটা, শুনিম। তই একো ভয় নকৰিবি দে। আমি জাছুং, এওঁৰ কথা মতে চলিম।"

ৰত্নেশ্বৰ।—"বাৰু তেন্তে, তইঁত কাইলৈ ৰাতিপুৱাই আটাইবোৰ ওলাই আহিবিহঁক। এতিয়া ঘৰাঘৰি যাগৈহঁক দেই।" যাবলৈ কোৱা মাত্ৰকে মানইঁত দিহাদিহি ঘৰলৈ গল। ৰত্নেশ্বৰেও পামপুৰীয়াৰে সৈতে আলহী থকা ঠাইলৈ উভতি আহিল।

সেই দিনা সেই আলহী-বহাতে শুদাই-নিকাই এমুঠি খাই লৈ, পামপুৰীয়াৰে সৈতে ৰত্নেশ্বৰে কোবাকুবিকৈ ঘৰলৈ ওলটা-যাত্ৰা কৰিলে। বাটে-বাটে দুইবো মাজত অনেক কথা-বতৰা হল। মানইঁতক লগাই, কেনেকৈ ঘৰ-বেৰা দি, লাহৰীক ধৰি লৈ, একেদিনাই ৰবলৈ পাৰ হৈ, ক'তো এখন্তেকে নোৰোৱা-নিজিৰোৱাকৈ ৰত্নেশ্বৰৰ ঘৰ পাবগৈ লাগিব; লাহৰীক নি পোনেই তেওঁৰ আগত থিয় কৰাব, মানইঁতক তাতে আৰু দিনদিয়েক ৰাখি, আগন্তুক খেদি অহা মানুহক কেনেকৈ ওকবাই পঠিয়াব ইত্যাদি লাগি-নিছিগা আলাপ-আলোচনাৰে সৈতে বাটকুৰি বাই সেই একেদিনাই দুয়ো ৰত্নেশ্বৰৰ ঘৰ পালেহি।

---

# ১৪। আধ্যা।

## জয়ন্তী।

পিচদিনা ৰাতিপুৱাই ৰত্নেশ্বৰ আৰু পামপুৰীয়া আকৌ ন-পমুৱা মানৰ গাঁও পালেগৈ। সিফালে সিহঁতে এওঁবিলাক নৌ যাওঁতেই খাই-বৈ, কাপোৰ-কানি বান্ধি সাজু হৈ ওলাই আছিল। এওঁবিলাকক দেখা মাত্ৰকে চাৰিও ফালৰপৰা বিং-বিং বাং-বাং কৰি তিনি কুৰি দহোটা মান আহি জুম্ বান্ধিলেহি। ৰত্নেশ্বৰে সিহঁতক আকৌ আগৰ কথালৈ মনত পেলাই দি, পামপুৰীয়াক কলে, তুমি এতিয়া বাজে-বাজেই যোৱাঁগৈ। ইয়াতে মোৰ আৰু এটি সকাম আছে; মই কাইলৈ হে ইয়াৰপৰা উলটি গোজ লম। তুমি এতিয়া পোনে-পোনেই ইহঁতক পামপুৰলৈ লৈ যোৱাঁগৈ। বিশেষ কথা তোমাক আৰু শিকাবৰ আৱশ্যক নকৰে। বৰনৈ পাৰ হওঁতে, মানুহে নেদেখাকৈ আন এটা ঘাটে পাৰ হবাহঁক। তোমালোকে মোক ঠিক সময়ত মোৰ ঘৰতে পাবাহি। তুমি এতিয়া ইহঁতৰ দৰেই কাপোৰ-কানি পিন্ধি লোৱাঁ।" এই বুলি, আকৌ মানহঁতৰ ফালে ঘূৰি তেওঁ কবলৈ ধৰিলে, "তহঁতে এতিয়া এওঁকো তহঁতৰ দৰেই কাপোৰ-কানি পিন্ধাই সজাই লব লাগে। আৰু, এওঁ যি কব, তহঁতে তাকে শুনিব লাগিব।"

মানহঁত :—"আমি জানোঙ্ অ, দৌটা, তয় হিকাব নেলাগে দে।"

মানহঁতে পামপুৰীয়াকো সিহঁতৰ দৰেই কাপোৰ-কানি পিন্ধাই লৈ পামপুৰৰ মুখে খোজ ললে। ৰত্নেশ্বৰে সিহঁতক আৰ নোহোৱালৈকে চালে, তাৰ পাচত তেওঁ আলহী থকা ঠাইলৈ উভতিল। ৰত্নেশ্বৰ সিহঁতৰ লগত

নোযোৱাৰ আন একো কাৰণ নাই ; কেৱল তেওঁ লোক-নিন্দালৈ অলপ ভয় কৰিছিল। জনা-বুজা মানুহ হৈ তেনেকুৱা গৰ্হিত কাম কৰিলে বহুজনে বেয়া বুলিব, এই ভয়ত তেওঁসিহঁতৰ লগত নগল। তাৰ পাচে, বাটে বাটে নানা চিন্তাত বিভোল হৈ ৰত্নেশ্বৰ আলহী-থকা ঘৰ পালেগৈ।

ৰত্নেশ্বৰে এই যাত্ৰাত আলহী হোৱা ঘৰৰ কথা আমি ওপৰত অলপ উহ্নকিয়াই মাথোন আহিছোঁ। এতিয়া সেই মানুহঘৰৰ আঁতি-গুৰিৰ কথা বহলাই নকলেও, মুঠতে কৈ থওঁ যে, এইখন আগৰ এজন ডাঙৰ বিষয়াৰ ঘৰ আছিল। পাচতো, সেই বিষয়া জন নাই বুলিও, তেঁওৰ বিধৱা ভাৰ্য্যাৰ ঐশ্বৰ্য্য আৰু ক্ষমতা সামান্য নাছিল। এই ঠাই ডুখৰিৰ ভিতৰত তেওঁৰ ক্ষমতা ৰাণীৰ ক্ষমতাৰ দৰে আছিল। আগৰ ডাঙৰ বিষয়াৰ ভাৰ্য্যা বুলি আৰু বৰ্ত্তমান অনেক ধন-সম্পত্তিৰ বলত তেওঁ এই ঠাইৰ সৰু-বৰ সকলোৰে ওচৰত সম্মান পাইছিল আৰু সকলোৱে তেওঁক খাতিৰ কৰিছিল। তেওঁৰ জয়ন্তী নামেৰে ছোৱালী এটি আছিল। সেই ছোৱালীটিকে দুবছৰৰ আগেয়ে ৰত্নেশ্বৰে বিয়া কৰাবৰ মনেৰে চাবলৈ আহিছিল। তেতিয়া জয়ন্তীৰ বয়স চৈধ্য বছৰ মাথোন হৈছিল। ৰত্নেশ্বৰে সেই বাৰ ছোৱালী নিন্দাই বিয়া কৰাবলৈ অসম্মত হৈ উলটি গুচি গল। স্বৰূপতে কিন্তু ছোৱালীটি বৰ সুন্দৰী আছিল। তেতিয়া তেওঁ সৰু আছিল বুলিয়েই বা ৰত্নেশ্বৰে সেই সময়ত যাকে-তাকে বেয়া ভাবি ফুৰাৰ কাৰণেই, জয়ন্তী তেওঁৰ চকুত নালাগিল। এতিয়া জয়ন্তীৰ বয়স ষোল বছৰত সোমাইছেহি। বয়সৰ লগে লগে সুন্দৰী জয়ন্তী বৰ ৰূপহীটি হৈ উঠিল। ছোৱালীটিৰ হাত-ভৰি আদিৰ লাৱণ্যতাৰ বিষয়ে নকওঁৱেই, মুখখনি পূৰ্ণিমাৰ জোন যেন বৰ শুৱনি আছিল। ৰত্নেশ্বৰে সেই বাৰ বেয়া বুলি এৰি যোৱাৰ পাচতে, ঘোৰহাটৰ এটি বাজ-কোঁৱৰলৈ জয়ন্তীক বিয়া দিয়াৰ স্থিৰ হৈ গল। লৰাটিৰ বিষয়েও মুঠতে কোৱা যায় যে, তেওঁ যেনে ঘৰৰ লৰা, গুণে-জ্ঞানেও

ঠিক তেনেই আছিল। তেওঁক অচিনাকী মানুহে দেখিলেও, তেওঁ কেনে ঘৰৰ লৰা তাক অনুমানত বুজিব পাৰে। লৰাটিৰ নাম পূৰ্ণচন্দ্ৰ গোহাঞি। খোজা-বঢ়া হবৰো আজি ভালেমান দিন হলহি। খোজা-বঢ়া হোৱাৰ পাচত পূৰ্ণচন্দ্ৰ গোহাঞিদেৱে শাহুৰেকৰ ঘৰলৈ মাজে-সময়ে আহি থাকে; এতিয়া তেওঁ শাহুৰেকৰ ঘৰতে। এই বাৰ তেওঁ ইয়াত থকা কেইবা মাহো হলহি। ইমান দিন জয়ন্তী আৰু পূৰ্ণগোহাঞিদেৱ দুইৰো ভিতৰত মাত-বোল নাই যদিও, ওলাওঁতে-সোমাওঁতে নিলগৰপৰা অনেক বাৰ দেখা-দেখি হৈছে। এতিয়া সিঁহঁতৰ পৰস্পৰৰ প্ৰতি এনে মৰম, এনে চেনেহ, এনে আদৰৰ ভাব যে, কোনোৱে যদি পৱিত্ৰ প্ৰণয়ৰ চানেকি চাই সুখী হব খোজে, তেন্তে এই দুটি সুখীয়া প্ৰেমিক-প্ৰেমিকাৰ ফালে এবাৰ চকু দিব লাগে। সংসাৰত প্ৰেম আছে, প্ৰণয় আছে; তাৰ লগে লগে দুখো আছে, বেজাৰো আছে। দুখ আৰু বেজাৰে সেই প্ৰেম আৰু প্ৰণয়ৰ জেউতি অনেক গুণে চৰায় সঁচা, কিন্তু সেই বুলি যে বিনা-দুখ, বিনা-বেজাৰে লাভ কৰা প্ৰেম বা প্ৰণয়ত মোল নাই, এনেও নহয়। ঈশ্বৰে যাক যেনে ভোগৰ ভাগী কৰিব খোজে, তাক সেই সম্ভোগ দিবলৈ তেনে প্ৰেম আৰু তেনে প্ৰণয়ত হে পেলায়। ঈশ্বৰ নিজে বহুৰূপী; গতিকে তেওঁ সদায় বহুৰূপৰ পক্ষপাতী। তেওঁৰ লীলা-খেলা, আমোদ-প্ৰমোদ, চকু-তৃপ্তি,—আমাৰ দুখ-সুখ, বেজাৰ-আনন্দ, অসুখ-অশান্তিও হব পাৰে। ঈশ্বৰ নিজে মহা-প্ৰেমিক। তেওঁৰ সৃষ্টি-লীলাত যে কত প্ৰকাৰৰ প্ৰেম-ৰস বিৰিঙি পৰিছে, সহস্ৰ মুখে বখানিও তাক শেষ কৰিব নোৱাৰি।

বক্রেশ্বৰে জয়ন্তীহঁতৰ ঘৰত আলহী থকা আজি তিন দিন হলহি। আগৰ দুদিন তেওঁ পামপুৰলৈ মান পঠোৱাত অতি ব্যস্ত আছিল; তৃতীয় দিনা পুৱা তেওঁ শুই উঠি মুখ ধুবলৈ বহোঁতেই বুলনিত জয়ন্তীৰ মোহিনী ৰূপৰ চমকনি হঠাৎ তেওঁৰ চকুত পৰিল। বক্রেশ্বৰক গোসাঁই-ঘৰৰ টুপত্তে শুবলৈ দিয়া হৈছিল।

গোসাঁই-ঘৰৰ আগত থিয় হলে, বুলনি-ঘৰৰ প্ৰায় সমানে একোখৰ দেখা যায়। সেই সময়ত জয়ন্তীয়ে গা ধুই আহি বুলনিত বহি একোণ-পতীয়াকৈ মূৰ মেলাইছিল ; তেওঁ ৰত্নেশ্বৰলৈ মন কৰা নাছিল। সেই ছেগত জয়ন্তীৰ ৰূপলাৱণ্যতাৰ কথা আৰু বঢ়াই কবৰ সকাম নাই। ৰত্নেশ্বৰে প্ৰথম দৃষ্টি ঘূৰাব নোৱাৰি মুখ আধা-খোৱাকৈয়ে ঠৰ্ লাগি চাই বল।—চাই চাই, চায়ে বল। এই দৰে প্ৰায় এখনমান তামোল খাবৰ পৰলৈকে চাই আছে, এনেতে জয়ন্তীয়ে তেওঁক দেখা পাই, পিচলৈ মেঘ-নেজীয়া চুলিৰ টো মেলি চকিত হৰিণীৰ দৰে ভিতৰলৈ লৰ মাৰিলে। সেই মুহূৰ্ত্তৰেপৰা ৰত্নেশ্বৰক আন এটা নতুন কথা, নতুন ভাব আৰু নতুন চিন্তাই জোকাবিলৈ ধৰিলেহি। জয়ন্তী যে বয়সত এনে ৰূপৱতী হৈ উঠিব, ৰত্নেশ্বৰে আগেয়ে সপোনতো ভবা নাছিল। ৰত্নেশ্বৰে এতিয়া জয়ন্তীৰ ৰূপত মোহ গৈ লাহৰীৰ সম্বন্ধীয় ভাবনালৈ সেই মুহূৰ্ত্তৰ নিমিত্তে পাহৰি গল ; আৰু তেওঁৰ গুপ্ত আয়োজনৰ চিন্তালৈ তেওঁ একেবাৰে পিঠি দি বহিল। ইমান দিনলৈকে ৰত্নেশ্বৰৰ হিয়া-পটত লাহৰীৰ মোহিনী মূৰ্ত্তি অঙ্কিত আছিল, আজি ৰত্নেশ্বৰে সেই মূৰ্ত্তি ঢাকি তাৰ ওপৰত জয়ন্তীৰ মোহিনী চিত্ৰ আঁকিলে। ৰত্নেশ্বৰে তেওঁৰ পূৰ্ব্বৰ ভ্ৰান্তি সুঁৱৰি অনুতাপ কৰিবলৈ ধৰিলে, আপোনাৰ চকুকে আপুনি নিন্দা কৰিবলৈ ধৰিলে ; আৰু জয়ন্তীৰ মূৰ্ত্তি লাহৰীতকৈও মনমোহা বুলি আপোনা-আপুনি সহস্ৰবাৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ইফালে জয়ন্তীৰ বিয়া যে অনন্তৰ লৈতে স্থিৰ হৈ গৈছে, সেই কথা ৰত্নেশ্বৰে তেতিয়ালৈকে কব নোৱাৰে। কিয়নো, আগৰ দুদিন নিজৰ পাপ-কাৰ্য্যত লাগি থকাতেই তেওঁ এতিয়াও জয়ন্তীৰ আইতাকৰে লৈতে কথা-বাৰ্ত্তা পাতিবলৈ সময় পোৱা নাছিল। ভিতৰতে ভালেখিনি পৰলৈকে ৰত্নেশ্বৰে এইবোৰ কথাকে ভাবি-চিন্তি আছিল। তাৰ পাছত, তেওঁ ভিতৰ-চ'ৰালৈ আহি জয়ন্তীৰ আইতাকৰে লৈতে সাক্ষাৎ পাবৰ নিমিত্তে ভিতৰত কবলৈ

এটা লিগিবাক পাচিলেহি। অলপ পৰৰ পাচত, জয়ন্তীৰ আইতাক ওলাই আহি ৰত্নেশ্বৰৰে সৈতে কথা পাতিবলৈ বহিল। তেওঁ জয়ে-জয়ে জীয়েকৰ সম্বন্ধীয় কথাকেই জুৰিলে। কথা-প্ৰসঙ্গত যেতিয়া ৰত্নেশ্বৰে জয়ন্তীৰ বিয়াৰ বিষয়ে আদ্যোপান্ত কথা বুজি উঠিল, তেতিয়া তেওঁ একেবাৰে নিৰাশ হল। সেই মুহূৰ্ত্ততে ৰত্নেশ্বৰৰ আনন্দত ফুলি পৰা মুখত বিষাদ ডাৱৰৰ ঢাকনি পৰিল। আৰু অলপ পাচৰপৰা জয়ন্তীৰ আইতাকে নো কি কৈছে, তাৰ ভাব বা অৰ্থ তেওঁ বুজিব নোৱাৰাই হল; এটা কথা শুধিলে আন এটাৰ উত্তৰ দিয়াত পৰিল! পূৰ্ণ গোহাঞিদেৱে সেইবোৰ কথালৈ মন কৰি আছিল। দেখি দেখি, তেওঁ আৰু হাঁহি সামৰিব নোৱাৰিলে! জয়ন্তীৰ আইতাকেও ৰত্নেশ্বৰৰ অৱস্থা বুজিব পাৰি তেওঁক একো সমিধান নিদিয়াকৈ ভিতৰলৈ সোমাই গল। পূৰ্ণ গোহাঞিদেৱে ৰত্নেশ্বৰক নিতান্ত অপ্ৰস্তুত হবৰ দেখি, তেওঁৰেই কথা পাতিবলৈ বহিলহি। ইফালে ভিতৰত জয়ন্তীয়ে, সখীয়েক কাঞ্চনৰে সৈতে, বাৰ জুমি ধেমালি চাবলৈ ধৰিলে। এই দৰে আৰু অলপ পৰ আছে, এনেতে ৰত্নেশ্বৰে নিজৰ বৰ্ত্তমান অৱস্থা তৰ্কিব পাৰি, কাকো একো নোকোৱাকৈয়ে বাতুলৰ দৰে উচাটৃ মাৰি তাৰপৰা উঠি গুচি আহিল। হাঁয়, আজি ৰত্নেশ্বৰ বিষমৰূপে অপ্ৰস্তুত! আজি ৰত্নেশ্বৰে পূৰ্ণ গোহাঞিদেৱ আৰু তেওঁৰ শাহুৱেকৰ আগত বান্দৰ-নচা দিলে! ৰত্নেশ্বৰে উঠি গৈ গোসাঁই-ঘৰত সোমাই, শোকে-বেজাৰে-লাজে খুন্দা মাৰি ধৰাত, কান্দি পেলালে! তাৰ পাচত, লৰালৰিকৈ টালিটোপোলা বন্ধাই লগুৱাটোৰে সৈতে, পামপুৰৰপৰা আঁতৰ হোৱাৰ দৰে, কাকো মাত নলগোৱাকৈয়ে তেওঁ তাৰপৰা উধাতু খাই প্ৰস্থান কৰিলে!

—৯৯৯—

# ১৫। আধ্যা।

## বিয়া।

খোজবচা কৰাৰপৰা ভালেমান দিন পাৰ হৈ গল। ইমান দিনলৈকে লাহৰী-কমলে, দুইকো দুইয়ো চিঠিৰে সৈতে প্ৰবোধ দি মন পতিয়াই আছিল। কিন্তু, যিমানেই হওক, মানুহৰ মন!—একেটা বিশ্বাস আৰু একে প্ৰকাৰৰ অকল প্ৰবোধ বাক্যে কিমান স্থিৰেৰে ৰাখিব! যিমানেই হওক, বিপদ ওচৰ চাপিলে, মানুহ অলপ নহয় অলপ বিহ্বল হবই হব। এতিয়া আৰু বিয়াৰ দিন নিচেই ওচৰ চাপিলহি,—আৰু দহ দিনমান মাথোন বাকী। দুয়ো কালৰ বিয়াঘৰীয়াই চাৰিওফালে গাধীৰ-গুৰ লগাই বিয়াৰ ধূমধাম লগাই দিছে। কীৰ্ত্তিনাথ বুঢাগোহাঞি আৰু শূদ্ৰধৰ বৰগোহাঞিৰ ঘৰত বাট-পদূলি আঁতোৰা আৰু বঢ়া দিওৱাৰ থৰথৰ লাগিছে। গোটেই পামপূৰত ঘৰে ঘৰে বৈণী, বোৱাৰী, জীয়াৰী সকলোৰে মুখত কেৱল বিয়াৰ হে কথা। বিয়াঘৰীয়া দুঘৰত লিগিৰা-লিগিৰীবিলাক আনন্দত উকলীকৃত। দৰা-ঘৰত সকলোৰে মন আনন্দত উধাও হৈছে; কন্যা-ঘৰতো কেৱল এটি প্ৰাণীত বাজে সকলোৰে মনত আনন্দ বুলিব পাৰি। ঘৰপতে, ন-পমূৱা বিয়া-সকলৰ সুখৰ ঠাই, পামপূৰত আজি লাহৰী-কমল দুটি প্ৰাণীত বাজে সক-বৰ সকলো সুখী। লাহৰী-কমলে এতিয়াও দুইকো দুয়ো বুজনি দিয়ে আছে হয়, কিন্তু ভিতৰি দুয়ো মাজে মাজে হতাশৰ বুকাত অস্থিৰ হৈ পৰিছে। ইয়াৰ আগেয়ে জীৱনীমৰণে মাজে মাজে ঈশ্বৰৰ নাম একোবাৰ

লৈয়ে দুদিন-তিনদিনো সিবিলাক শান্ত থাকিব পাৰিছিল। এতিয়া দিনটোৰ ভিতৰত তিনি-চাৰিবাৰকৈয়ো সেই নাম স্মৰণ কৰিব লগাত পৰিছে। দিনে দিনে বিপদ যিমান ওচৰ চাপি আহিবলৈ ধৰিছে, তাৰ লগে লগে লাহৰী-কমলৰ সেই মন্ত্রোচ্চাৰণ সিমান ঘন হবলৈ ধৰিছে। ঘন হৈছে বুলি, কমললৈ সিমান অসুচল হোৱা নাই। কিয়নো, কমলে সকলো কথাকে নিৰলে পাইছে; যেতিয়াই যেনে অৱস্থাতে থাওক, কোনো তেওঁলৈ মন কৰোঁতা নাই। কিন্তু, লাহৰীৰ ফালে ইয়ো এটা বিপদ; দিন-টোত লাহৰীৰ মনৰ অৱস্থা যিমান ঘনাই সলনি হবলৈ ধৰিছে, মানুহে লাহৰীলৈ সিমান বেচিকৈ চকু দিবলৈ ধৰিছে। সময়ত এনেও হৈছে যে, মানুহৰ আগতে লাহৰীয়ে তর্কিব নোৱাৰাকৈ ঈশ্বৰৰ নাম লব লগাত পৰিছে। অৱশেষত নিৰুপায় হৈ লাহৰী পুখুৰীপাৰৰপৰা ঘৰলৈ আহিবকে নোৱাৰাত পৰে। ইফালে আকৌ বহুত পৰ ঘৰত নেদেখি আইতাকে পুখুৰীপাৰলৈকে লাহৰীক বিচাৰি যোৱা হল। কি হব! আৰুতো লাহৰীৰ উপায় নাই। লাহৰী মহা সঙ্কটত পৰিল। ঘৰত থাকিলেও মতা, মাইকী মানুহৰ ঘিটুঘিটনিত লাহৰীৰ মনোবেদনাই ঘনাই উক্ দিয়ে; অথচ, ঘৰত সিমান ঘনাই জীৱনী-মন্ত্র লবলৈ তেওঁৰ সুবিধা নঘটে। হাঁয়, বিপদে যাক পায়, তাক একে-বাৰে চাৰিওফালৰপৰা বেৰি ধৰি জলা-কলা কৰে! লাহৰী বৰঞ্চ বাউলী অৱস্থাতে ইয়াতকৈ ভালেৰে আছিল। এতিয়া বিপদ-চিন্তাই তুঁহজুইৰ দৰে উমাই উমাই লাহৰীৰ কোমল কলিজা ধোঁৱাবেই কলা কৰিছে। আৰু নো লাহৰীয়ে কিমান সহিব! লাহৰীয়ে যে নিজৰ শক্তিৰ উপৰিও, ঐশ্বৰিক শক্তিৰে সহিলে। ইমানত আৰু লাহৰীয়ে কেনেকৈ ধৈর্য্য ধৰি ৰয়! এতিয়া আৰু লাহৰী আকৌ বাউলী হলে কোনোবা আচৰিত হব নে? এতিয়া আৰু লাহৰীয়ে মৰণত শৰণ দি, আন কোনো উপায়ৰ

চিন্তা কৰিলে কোনোবাই দায় দিব নে?—লাহৰীয়ে কিন্তু আনে ইহাঁলৈ চকু নিদিয়ে, ইতিকিং কৰালৈ কাণ নিদিয়ে আৰু দায় ধৰালৈ কটাহি নকৰে। লাহৰীয়ে কেৱল নিজে অধৈৰ্য্য আৰু বাউলী হৈ তেওঁৰ প্ৰাণৰ প্ৰাণ মৰমৰ কমলৰ কোমল প্ৰাণত ব্যথাৰ উপৰি ব্যথা দিবলৈ এনে বেজাৰতকৈয়ো বেজাৰ পায়। সেই কাৰণে হে আজি লাহৰীয়ে এনে বিপদতো ইমান ফেৰাকে স্থিৰেৰে আছে। সেই দেখি হে লাহৰীয়ে আজিও তেওঁৰ এনে মৰ্ম্মান্তিক বেদনাৰ কথা কাকো নোকোৱাকৈ তাৰ তাপত নিজৰ কোমল কলিজা উতলাই টুলটুলীয়া কৰিছে।

এই দৰেই আৰু চাৰি দিনমান পাৰ হৈ গল। বিয়া একেবাৰে ওচৰ চাপিলহি; টেকেলি দিয়াৰ দিনালৈকে মাজতে দুদিন মাথোন আছে। ইমানলৈকে কমলে লাহৰীৰ প্ৰবোধ মানি নিটাল মাৰি আছিল। ইমানলৈকে কমলে নিজৰ মৰ্ম্মান্তিক বেদনাৰ কথা লাহৰীলৈ লিখি তেওঁক বেজাৰ নিদিওঁ বুলি আছিল। কিন্তু, আজি আৰু তাৰ সীমা পাৰ হল। আজি আৰু তেওঁ অন্তৰৰ শেষ কথা নিলিখি নোৱাৰাত পৰিল। সেই কাৰণে, কমলে আজি অগত্যা বেজাৰৰ কাপ হাতত ললে :—

"লাহৰি !

ইমান দিনে তোমাৰ মোহিনী লিখনীৰ মায়াত পৰি বিভোল হৈ, তোমাৰ চেনেহী কথাত মোহ গৈ, তোমাৰ অমৃতময় প্ৰবোধ বাক্যৰ ওপৰতে সকলো কথা নিৰ্ভৰ কৰি, মই নিটাল মাৰি আছিলোঁ। মোৰ দৃঢ়-বিশ্বাস যে, তুমি তোমাৰ আন্তৰিক বেদনা জানিবলৈ দি, মোক বেজাৰ দিবলৈ কেতিয়াও ভাল নোপোৱা। মইয়ো, আজিলৈকে তোমাৰ দৰেই অন্তৰৰ প্ৰকৃত বেজাৰৰ ভাৱ লুকাই, খলপ ভুৱা দি আছিলোঁ। কিন্তু এতিয়া আৰু সঁচা কথা কোৱাৰ সময় পৰিলহি। এতিয়া আৰু আগৰ দৰে তুমি বেজাৰ পোৱা বুলি গুপুতে ভাব

ফুটাই নকলে, অলপ উপকাৰ কৰিবলৈ চাওঁতে, তোমাৰ মহৎ অপকাৰ কৰা হব ; আৰু মই সেই পাপৰ ঘোৰ পাতকী হম ! লাহৰি ! মই নো কিমানলৈকে উচিত বিচাৰ কৰিছোঁ কব নোৱাৰোঁ ; যদি কিবা দোষ কৰি থাকোঁ, ক্ষমা কৰিবাঁ। তোমাৰ ওচৰত অপৰাধী থাকিলে, মই এই সংসাৰতে নৰক-যন্ত্ৰণা ভুগিব লাগিব।

লাহৰি ! মোৰ প্ৰাণে নো তোমাক কিমান ভাল পায়, মোৰ এই ভালপোৱাৰ নো প্ৰকৃত গৰাকিনী কোন্ তাক কথাৰে ফুটাই কবলৈ ভাষাৰ অভাব। তথাপি কওঁ, মোৰ অন্তৰ-জগতৰ সকলো কথা কেৱল তুমি—মোৰ জীৱনৰ জীৱন স্বৰূপ, একেটি মাথোন আদৰৰ সৰ্ব্বস্ব—তুমি হে জানাঁ। কিন্তু লাহৰি ! তোমাৰ প্ৰাণে নো মোক কিমান ভাল পায়, তোমাৰ মানত নো মই কেনে আদৰৰ বন্ধু, মই হেজাৰ বছৰ হেজাৰ মুখেৰে কৈয়ো শেষ কৰিব নোৱাৰিম। তথাপি লাহৰি, মই এটা কথা কওঁ। আমি সংসাৰৰ ভাব-গতি বুজিবলৈ যদিও নিচেই সৰু, এনে সৰু বয়সতে আমি অনেক দেখিলোঁ, অনেক শুনিলোঁ, সংসাৰৰ গতিত ভালেমান ভটিয়ালোঁ। এতিয়া ভাবি চোৱাঁ, ইচ্ছাময়ৰ ইচ্ছাত হকা-বধা কৰিবৰ কাৰো সাধ্য নাই। আমিও এদিন সংসাৰৰ স্বাভাৱিক গতিত ঢাল খাবই লাগিব। এতেকে, তুমি আৰু মোৰ কথা লৈ ব্যাকুল নহবলৈ মনক বুজনি দি ৰাখাঁ। মোৰ সাংসাৰিক সম্বন্ধৰ বান্ধন তোমাৰ দৰে নহয়। মোৰ আঁতি-গুৰিৰ কথা তোমাক সবিশেষ কোৱা হৈছে। মোৰ বৰ্ত্তমান কোনো নাই বুলিলেও হয়। মই এতিয়া, বা ইয়াৰ পাচত, যেনে অৱস্থাত থাকিব লগাত পৰোঁ, তেনে অৱস্থাতে থাকিব পাৰিম। গতিকে, মোৰ নিজৰ দুখ-বেজাৰ লৈ মোৰ চিন্তা নাই। মই যে তোমাৰ পৱিত্ৰ কোমল হিয়াত এনে দৃঢ়ৰূপে ঠাই পালোঁ, এয়ে মোৰ ভাগ্য। মই যে মোৰ জীৱনৰ জীৱন, সবাতকৈ আদৰৰ ধন—তোমাৰ ভাল-পোৱা পালোঁ, তাৰেই মই বৰ চহকী। তোমাৰ এই নিৰ্ম্মল ভালপোৱাকে লৈ মোৰ

জীৱনৰ বাকী ছোৱাও সুখেৰে নিয়াম। তুমি কিন্তু এতিয়া সংসাৰৰ গতিত ঢাল্ লব লগাত পৰিছে। গতিকে, তুমি তোমাৰ আগৰ ভাব-গতি সকলো সলাব লগীয়া হৈছে। এতিয়া আৰু তুমি যাতে সংসাৰৰ গতিত সুখেৰে চলিব পাৰা, তাৰ নিমিত্তে সাজু হোৱা। ময়ো, যেন আগলৈ তোমাৰ সুখ দেখি, মোৰ এই পৱিত্ৰ সুখ কেৰি বঢ়াব পাৰোঁ, ইয়াকে হে আশা কৰিলোঁ। লাহৰী! মোৰ এই এটোপা চকু-লোৰে সৈতে গত জীৱনৰ সকলো বেজাৰ ধুই পেলালোঁ। এতিয়া তোমাৰ দেৱীমূৰ্ত্তিলৈ নব জীৱনৰ নতুন চকুৰে হে চাইছোঁ। ইতি

মৰমৰ,———কমল।"

কমলে চিঠি লিখি সামৰি আকৌ মেলি দুবাৰ ঘুৰাই ঘুৰাই পঢ়ি চালে। তাৰ পাচত চিঠি হাতত লৈ তেওঁ বাহিৰলৈ ওলাই আহিল। আহিনীক লগ পাবৰ অৰ্থে, কীৰ্ত্তিনাথ গোহাঞিৰ পদুলিৰ আগে দি কমল দুবাৰ অহা যোৱা কৰিলেহি; তৃতীয় বাৰত, নিলগতে আহিনীক দেখা পাই, সঙ্কেতেৰে মাতি চিঠিখনি তাইৰ হাতত দিয়েই তেওঁ ঘৰলৈ উলটি আহিল। আহিনীয়েও গুপুতে চিঠি লৈ ঘৰলৈ গল। চিঠিখনি লাহৰীক দিবলৈ বুলি তাই কতবাৰ চিপিয়াইছে, কিন্তু আনকাণৰ দৰে দিবলৈ সুবিধা পোৱা নাই। এই দৰেই আবেলিলৈকে চিঠি আহিনীৰ আঁচলতে থাকিল। সন্ধিয়া পৰত মাথোন লাহৰী পুখুৰীপাৰলৈ যোৱাত, সুবিধা বুজি আহিনীয়ে চিঠিখনি তেওঁক দি আহিলগৈ। লাহৰীয়ে প্ৰথমে চিঠি পায়ে হাঁহি পেলালে। তাৰ পাচত তেওঁ চিঠি মেলি পঢ়িবলৈ একাণপতীয়াকৈ ধৰিলে। পঢ়োঁতে পঢ়োঁতে, চকুৰ পানীয়ে ছাতি ধৰাত তেওঁ শেহৰ ভোখৰ পঢ়িবই নোৱাৰা হল। আকৌ, চাৰি-পাঁচবাৰ চেষ্টা কৰি তেওঁ কোনোমতে পঢ়া এবাৰ শেষ কৰিলে। পঢ়ি অন্ত কৰি লাহৰী বিমোৰ হৈ সেই কালেই থঁচ্ কৰে মাটিত

পৰি মূছ্‌কঁছ্‌গল। তাৰ পাচত, লাহৰীৰ মুখৰ সৰিয়হ ফুল যেন বৰণে কেঁহেৰাজৰ বৰণ ধৰিলে। তেওঁ এবাৰ কলা পৰিছে, এবাৰ ৰঙ্গা পৰিছে, এবাৰ বা কান্দিয়েই পেলাইছে, এই দৰে লাহৰীয়ে মুহূৰ্ত্তে মুহূৰ্ত্তে মুখৰ বৰণ আৰু মনৰ ভাব-গতি সলাবলৈ ধৰিলে। সদৌশেহত তেওঁ অলপ সংজ্ঞা পাই, জোপাৰ মাজত বহি একান্তমনেৰে পৰমেশ্বৰক ধ্যান কৰিবলৈ ধৰিলে। অলপ পৰ সেই দৰে চকু মুদি ভাবিয়েই লাহৰী আকৌ শান্ত হল, আকৌ থিৰ হল, আকৌ তেওঁ চিঠিখনিৰ আদ্যোপান্ত ভাবিবলৈ ধৰিলে। ভাবি ভাবি, তেওঁ সেই চিঠিৰ উত্তৰ ৰাতিকৈ লিখিবলৈ স্থিৰ কৰিলে। তাৰ পাচত, অলপ পৰ ইফাল সিফাল কৰি লাহৰী ঘৰলৈ আহিল। আজি আৰু লাহৰীৰ মূৰ্ত্তি সংসাৰৰ মানুহৰ আকৃতিৰে নিমিলে। লাহৰীৰ আজিৰ শান্ত, ধীৰ আৰু গহীন ভাব একেবাৰে অলৌকিক! আজি আৰু লাহৰীৰ মনত সাংসাৰিক দুখ, চিন্তা, ভয় একো নাই; আছে, কেৱল কমলৰ চিঠিখনিৰ উত্তৰ দিবলৈ। লাহে লাহে ৰাতিৰ আন্ধাৰে সকলোকে আবৰি ধৰিলেহি; লাহৰীৰ ভাব-গতিলৈকো কোনেও মন কৰিব নোৱাৰা হল। ভিতৰত কুঁঠৰীয়ে কুঁঠৰীয়ে বন্তি জ্বলিল; লাহৰীয়েও লাহেকৈ লিখা-সঁজুলী লৈ নিজান এটি কুঁঠৰীত কমলৰ চিঠিৰ উত্তৰ লিখিবলৈ বহিলেগৈ:—

"প্ৰাণনাথ!

ইমান দিন আপোনাক নাম ধৰি মাতিছিলোঁ, ইমান দিনে আপোনাক 'তুমি' বুলি সম্বোধন কৰিছিলোঁ, ইমান দিনলৈকে লৰাকালৰ ধেমালিৰেই উমলিছিলোঁ, ইমান দিন লৰালি প্ৰণয়-ডোলেৰেই বান্ধ খাই আছিলোঁহঁক।—আজি হে মোৰ আচল সংজ্ঞা লাভ হৈছে, আজি হে মই মোৰ বৰ্ত্তমান অৱস্থা বুজিব পাৰিছোঁ, আজি আপোনাৰ চিঠিয়ে হে সকলো কথা মোৰ চকুৰ আগত পোহৰাই ধৰিছে।

প্রাণনাথ! আজি আৰু মই আপোনাৰ সেই পুখুৰীপাৰত বহি নানা তৰহৰ কথা পাতি ধেমালি কৰা 'জাহ্নবী' নহয়; আজি মই আপোনাৰ অৰ্দ্ধাঙ্গিনী,—সহধৰ্ম্মিনী। প্ৰাণেশ্বৰ! ইমান দিনে মই আপোনাৰ লগত কথা-বাৰ্ত্তা পাতি যি সুখ উপভোগ কৰিলোঁ, ইমান দিনে মই আপোনাৰ সঙ্গত যি লীলা-খেলা খেলিলোঁ, সকলো সাংসাৰিক সুখ আৰু সকলো সাংসাৰিক লীলা-খেলা। আপোনাৰ সংসৰ্গ-সুখ সম্ভোগলৈ আৰু বহুত আশা কৰিছিলোঁ, কিন্তু বাটতে বিধি-পথালি হল। নাপালোঁ, নালাগে, যিখিনি পালোঁ সেইখিনি সোঁৱৰণীতে মোৰ অপাৰ আনন্দ! আৰু, যি বাকী থাকিল সেইখিনি পৰকালত ভুগিমগৈ বুলি হৃদয়ত আশা সাঁচি থলোঁ।

প্ৰাণেশ্বৰ! আপুনি যে ভুৱা দিয়াৰ কথা লিখিছিল, এতিয়া আৰু ভুৱা নিদিও —সঁচা, সেই অপৰাধ অলপ কৰা হৈছিল। কিন্তু, প্ৰাণেশ্বৰ! আপোনাৰ দৰে অৰ্দ্ধেক গা বঁচাই, বাকী অৰ্দ্ধেকলৈ পিঠি দিয়া নাই; আৰু নিদিও। আপুনি মোৰ বৰ্ত্তমান ভাব-গতি সলাই, সংসাৰৰ বৰ্ত্তমান গতিত মোক চাল খাবলৈ উপদেশ দিছে। বাৰু, এটি কথা সোধোঁ, মই নো কিহেৰে সংসাৰৰ গতি ধৰোঁ? মোৰ যে সিমান দুৰণী বাট খেদিবলৈ বাটকৰাৰ সমল একেৰিও নাই! মোৰ প্ৰেম, মোৰ ভক্তি, মোৰ ভালপোৱা যে আপোনাৰ চৰণত কেতিয়াবাই উবুৰিয়াই অৰ্পণ কৰিলোঁ। সেই সমল যে মোৰ হিয়াত আৰু লেশমানো আনলৈ নাই। সেই সমলত বাজে আপুনি কোৱা সংসাৰৰ গতি ধৰিবলৈ আন কিবা সমল আছে জানো? তথাপি, প্ৰাণনাথ, সেই বাবে মই আপোনাৰ গাত দায় দিয়া নাই, আৰু নিদিও। মই জানোঁ, আপুনি নিৰুপায় হৈ হে তেনে কথা লিখিছিল। যি হওক, আপুনি সুখে আছে বুলি জানি মোৰ অন্তৰত আনন্দে নধৰা হৈছে; পাচলৈকো এই অভাগিনীৰ প্ৰেম, ভক্তি আৰু ভালপোৱাকে লৈ সুখে থাকিব বুলি জানি মই নমৰি-জীয়াই থাকোঁতাতে নিচিন্ত হলোঁ।

এই ৰাতি আৰু চিঠি দিয়া নহব। কাইলৈকো তুপৰীয়ামানে হে দিয়াম। কাইলৈৰপৰা মোৰ নামে পতা ভেঁকুলী-বিয়াৰ আৰম্ভণ! এতেকে, এতিয়া আৰু আপোনাৰ শ্ৰীচৰণত মোৰ শেষ নিবেদন কৰোঁ। আজিৰ ৰাতিটো, কাইলৈৰ দিনটো আৰু ৰাতিৰ এছোৱালৈকে মাথোন আছোঁ। ইহজনমৰ নিমিত্তে শ্ৰীচৰণত দাসীয়ে এই শেষ বিদায় ললোঁ। মোৰ পাঙ্গি লোৱা কাৰ্য্যত বাধা জন্মাবলৈ বা আন উপায় কৰিবলৈ আপোনাৰ সময় নথকাকৈ হে চিঠি দিয়াম। গতিকে, আপোনাৰ তেনে চেষ্টা সফল নহব। আপুনি আপোনাৰ প্ৰতিজ্ঞা মতে সুখে থাকি, যেন আপোনাত এৰি যোৱা মোৰ অৰ্দ্ধ-আত্মাক সুখেৰে ৰাখিব, শ্ৰীচৰণত দাসীৰ এয়ে শেষ মিনতি। ইতি—

সেৱিকা,——লাহৰী।"

লাহৰীৰ চিঠি লিখা হল। চিঠি সামৰি লৈ অলপ পৰ তেওঁ কি ভাবিলে। ভাবি ভাবি কি মন হল, চিঠিখনি মেলি আকৌ পঢ়িবলৈ ধৰিলে। এবাৰ পঢ়া হল, লাহৰীয়ে আকৌ এবাৰ ঘূৰাই পঢ়িবলৈ ধৰিলে। এইবাৰ পঢ়ি গৈ মাজখিনিমান পাওঁতেই, লাহৰীৰ কেতেকীপাহী যেন তুগালে মুকুতাৰ পানী যেন তুধাৰি চকু-লো বৈ আহি চিঠিখনিৰ ওপৰত কেইবাটিও টোপাল পৰিলহি; লাহৰীয়ে চকু মোহাৰি থাকোঁতেই ইফালে চিঠিৰ ওপৰত পৰা চকু-লোৰ টোপাল কেইটি শুকাই গল। টোপালৰ চিন্ কেইটি চিঠিখনিৰ ওপৰত অতৃপ্ত হেঁপাহৰ চিন্ স্বৰূপে বৈ গল। চিঠি নাসামৰালৈকে লাহৰীৰ চকুৰ জলক্-তবক্ সুগুচিল। গতিকে, তেওঁ সেই চিন্ কেইটিলৈ মন কৰিবলৈ নহল। সেই ৰাতিলৈ চিঠিখনি লাহৰীয়ে ৰিহাৰ আঁচলতে বান্ধি থলে। পিচদিনাও, বেলি ভাটী দিয়ালৈকে কমলক চিঠি দিয়া নহল। পিচ দিনা আবেলি—বিয়াৰ টৈকেলি দিয়াৰ পিচ দিনা—হে তেওঁ চিঠি পঠিয়াইছে। তাৰ পাচৰপৰা বিয়াঘৰীয়া মানুহৰ

চাৰিওফালে উলহমালহ লাগিবলৈ ধৰিলে। দৰা-ঘৰ আৰু কন্যা-ঘৰ নিচেই ওচৰা-উচৰি। দুয়ো ঘৰতে পানী তুলিবলৈ সষ্টম হল। ঢোলৰ গিৰ্-গিৰণিত চাৰিওফালে ক'তো কাৰো মাত শুনিবলৈ নোপোৱা হল। পাট-গাভৰু লিগিৰীবোৰে ধোলৰ চেৱে চেৱে বাটে-ঘাটে যেয়ে য'তে আছিল, ত'তে নাচোন ধৰিছে। পানী-তোলাৰ পাচত নোৱন-ধোৱন হৈ গল। লাহৰীক আকৌ আনি নোৱনী-ঘৰত বহুৱা হল। চাৰিওফালে তিৰোতাবিলাকে জাঁত জাঁত নাম উকৱাবলৈ ধৰিছে। কোনো কোনো জনীয়ে ধেমালিত যোৰা-নামৰ অৰিয়া-অৰি পাতিছে। লাহৰীয়ে কিন্তু এইবোৰ একো কৰ নোৱাৰে। লাহৰীক নো কেতিয়া নোৱালে, কেতিয়া ধুৱালে, তেওঁ একো কৰ নোৱাৰে।

তাৰ পিচদিনাও, দুপৰীয়াৰ নোৱন-ধোৱন হৈ গল। আকৌ আবেলি হলহি। পানী তুলিবলৈ অহা ঢুলীয়া-খুলীয়াই দুই ঘৰতে ঢোল খোল বজাই থলক লগালেহি। আজি টেকেলি দিয়াৰ দিনতকৈয়ো বেচি ধুমধাম্। আজি সেই বাহিৰৰ তোলপাৰৰ লগে লগে লাহৰীৰ অন্তৰৰ তোলপাৰ চতুৰ্গুণে চৰিছে। লাহৰীৰ অলৌকিক শান্ত, ধীৰ, গহীন, আপোন পাহৰা ভাব-গতি দেখি, যেয়ে-সেয়ে অলপ আচৰিত ভাৱে তেওঁলৈ চোৱা হল। বিশেষকৈ, আহিনীৰ মনত বৰকৈ উগুল-থুগুল লাগিবলৈ ধৰিলে। আইতাক আৰু দেউতাকৰ গাত বিয়াৰ কাৰবাৰতে তত্ নাই; সিবিলাকে লাহৰীলৈ বিশেষ মন-কাণ দিবলৈ আজৰি পোৱা নাই। ইফালে বিভোল লাহৰীয়ে, গধূলি হৈ আহিছেমানে, কমললৈ লিখা চিঠিৰ শেহৰ কথা কেকাঁকিলৈ বৰকৈ মনত কৰি আহিছে। তাৰ পাচত, কটাকানিৰ অচেতন দৰা-কন্যাক নোৱন দিয়াৰ দৰে লাহৰীক আকৌ এবাৰ নোৱন দিয়া হৈ গল। এতিয়া আৰু লাহৰীৰ মনে-পতা অন্তিম সময় নিচেই ওচৰ চাপিলহি। লাহে লাহে সেই ভাৱৰ কাৰ্য্যলৈ ভয়ৰ ৰূপে লাহৰীক বিত্ দিলেহি।

স্বামী-গুৰু কমল-চৰণ চিন্তি লাহৰীয়ে এহাতে লাহেকৈ আঁচলৰ গাঁথিত হাত দিছে, এনেতে চাৰিওফালে ঢুম্-ঢুম্-দাম্-দাম্ লাগি উঠিল। লাহৰীয়েও চঁক্ খাই হাতৰ আঁচল এৰি দি, কি হৈছে অলপ গম্ লওঁতেই "মান, মান, মান! পালেহি, পলা, পলা, পলা" ইত্যাদি বিপদৰ আৰ্ত্তৰাৱ শুনা গল। পিচমুহূৰ্ত্ততে দেউতাক আৰু আইতাকে আহি লাহৰীক সাবটি ধৰিলে। চাওঁতে চাওঁতে, বিয়ালৈ অহা মানুহ কোন্ কলৈ গল, চিন্ নোহোৱাত পৰিল। কীৰ্ত্তিনাথ গোহাঞিয়ে য'ৰে বস্তু ত'তে এৰি, ভাৰ্য্যা আৰু জীয়েকক লৈ পলাবলৈ দিহা লগালে। মানহঁতে পোনে-পোনেই কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰকে বেৰি ধৰিলেহি। তাৰ পাচত, দহোটা মানে ভিতৰলৈ সোমাই দেখে যে মানুহ নাই, উদং ঘৰ! মানহঁতে খঙত সুহুৰি-টকালি মাৰি সেই দিনা ৰাতিয়েই অলপ পৰলৈ বিচাৰি চালে; কিন্তু আন্ধাৰ ৰাতি নিজৰ মানুহকে চিনা টান দেখি সিহঁতে বেচি পৰ আৰু নিবিচাৰিলে। সিহঁতে, ৰত্নেশ্বৰৰ উপদেশ মতে, অন্যান্য মানুহক একো অত্যাচাৰো নকৰিলে। পিচদিনা ৰাতিপুৱাই মানহঁতে আকৌ দিহাদিহি লাহৰীক বিচাৰিবলৈ ওলাইছে, এনেতে কমল আহি উপস্থিত! কমল লাহৰীৰ চিঠি পোৱাৰেপৰা ব্যাকুল হৈ আছিল। মানৰ কথা শুনি তেওঁ লাহৰীৰ নো কি হৈছে চাবলৈ আহিছিল। পামপুৱীয়াই মানহঁতক বুজাই দিলে যে, কমলক ধৰিলেই লাহৰীৰ সম্ভেদ্ পোৱাৰ সম্ভৱ। সেই কাৰণে, সিহঁতে কমলক ধৰি, লগতে লৈ, হাবিয়ে বননিয়ে লাহৰীক বিচাৰিবলৈ ধৰিলে। সিহঁতে হাবি মহটিয়াই বিচাৰি যাওঁতে-যাওঁতে, জোপা এটাৰ মাজৰপৰা ওলাই মানুহ এটা লৰি পলোৱা দেখা পালে। মানুহটো শকত-আৱত দেখি, তেওঁকে কীৰ্ত্তিনাথ গোহাঞি ভাবি, মান দুটাই তেওঁক পিচে পিচে খেদি গল। পিচে, দুকুৰি নলমান বাট খেদা খাই, মানুহটো হুল-জোং থকা এটা পোতা-নাদত উফৰি পৰিলগৈ। হুল-জোঙেৰে খকাসৰকা হৈ অন্তিম সময়ৰ আৰ্ত্তৰাৱ কাঢ়ি

মানুহটো তেতিয়াই তাতে মৰিল! মৰণৰ সময়ত 'লাহৰী' নামটি তেওঁৰ মুখত আধাফুটা হৈ আৰু নোলোৱা হল! পামপুৰীয়াই লৰি গৈ চাই দেখে, সেখোন সেইটি ধনবৰ হে! নির্দোষী লৰাটি অবাবত মৰা পৰিল বুলি পাচত সি হাঁয়-হাঁয় কৰিবলৈ ধৰিলে। তাৰ পাচত, মানহঁতে আকৌ ইফালে সিফালে বিচাৰিবলৈ ধৰিলে। এই দৰে আৰু এপৰমান বেলি বিচাৰি বিচাৰি কীৰ্ত্তিনাথ গোহাঞিৰ পলাই থকা জোপাটোৰ আগতে কমলে সৈতে মানহঁত থিয় হলগৈ। লাহৰীয়ে কমলক ধৰি লৈ ঘোৰা দেখিয়েই, জুইত ফাৰিং উফৰি পৰাৰ দৰে, জঁাপ মাৰি আহি তেওঁক সাবটি ধৰিলেহি! পামপুৰীয়াই "ধৰ, ধৰহঁক, কিনো-ৰূপে-সৈতে, এওঁৱেই লাহৰী" বুলি কোৱা মাত্ৰকে মানহঁতে কমলক এৰি লাহৰীক ধৰিলে। তাৰ পাচত, সিহঁতৰ উদ্দেশ্য সিদ্ধি হোৱাত, কমলক তাতে এৰি, লাহৰীক লৈ সিহঁত উলটিবলৈ সষ্টম হল। লাহৰীক ধৰি লৈ যোৱা দেখি কমল, লাহৰীৰ দেউতাক আৰু আইতাক তিনিও উৰি ঘোৰা দি গৈ লাহৰীৰ ওপৰতে পৰিলগৈ! সেই খিনিতে বিপদৰ চিঞৰ-বাখৰত তোলপাৰ লাগি উঠিল। কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ ভাৰ্য্যাক গঁতা খোঁকোটাৰে অপমান কৰি গোটাচাৰেকে ধৰি নি বহু নিলগত আঁতৰাই থলেগৈ। কিন্তু, কমলক চৰ, লাঠি, গঁতা, খোঁকোটা একোৱেই লাহৰীৰ গাৰপৰা এৰুৱাব নোৱাৰা হল; কতবাৰ লগতে লাগি যায়, কতবাৰ পাৰগুইতে গঁতিয়াই থৈ যায়হি,—তথাপি, কমল লগতে লাগি যায়! সদৌশেহত মানহঁত নিৰুপায় হৈ, সিহঁতৰ দুটাই কমলক ধৰি থাকিল, বাকীবিলাকে লাহৰীক উকৱাই নিয়াদি লৈ গুচি গল! অলপৰ পাচতে, ইহঁতেও কমলক তাতে আধা-মৰা কৰি হাত-ভৰি বান্ধি পেলাই গৈ লগৰীয়া-বিলাকৰ লগ ধৰিলেগৈ।

# ১৬। আধ্যা।

## কমল।

লাহৰীক ধৰি নিয়াৰ পাচতো দিনদহেক পামপুৰৰ পলোৱা মানুহবিলাক ঘৰলৈ উলটি অহা নাই। সকলোৰে ঘৰ-বাৰী একেবাৰে এৰা-পলৰীয়া ঘৰৰ দৰে হৈছে। নিজম পামপুৰ একেবাৰে নিজান-নিমাত। মাজে মাজে ছেগ বুজি দুষ্ট মানুহবিলাকে যাৰ য'ত যি পাইছে, অবাধে লৈ গৈছেহি! ইফালে হাবিত মানুহবিলাকে পেটৰ ভোকত কলমলাই ফুৰিছে। আজি পামপুৰৰ এনে শোক-লগা অৱস্থাত ডালৰ চৰাই-চিৰিকতিয়েও বিষাদৰ সুৰেৰে সমবেদনা জনাইছে। ভাবিলে শোক লাগে, এসময়ত অসম দেশ অৰাজক পাই, নৰ-ৰাক্ষস কিছুমানে দুখীয়া-নিচলা অসমীয়াৰ এনে দুৰ্গতি কৰিছিল! এনেবিলাক দুখ-দুৰ্গতি নিজে দেখা বা ভোগ কৰাৰ কথাকে নকওঁ, এতিয়া লোকৰ মুখে শুনিলেও, চকু-লো মুটুকি থাকিব নোৱাৰি! তৃতীয় দিনা জানিবা বিষয়া বিলাকে ঘৰলৈ উলটিবলৈ ধৰিলে। চতুৰ্থ দিনা বিষয়া জনচাৰেক আহি দেখে, দেখোন অন্য উৎপাত একো নাই; মানে বিয়া ভাঙ্গি সেই দিনাই উলটিলে। সিবিলাকে হাবিয়ে-বননিয়ে মানুহ পঠিয়াই বাকী মানুহবিলাককো মতাই অনালে। প্ৰথমে কীৰ্ত্তিনাথ গোহাঞি কিম্বা আন কোনো বিষয়াই মানৰ হঠাৎ এই উৎপাতৰ কাৰণ একোকে বুজিব নোৱাৰিছিল। তাৰ পাচত, পাষণ্ড ৰত্নেশ্বৰৰ কথালৈ কীৰ্ত্তিনাথ গোহাঞিৰ মনত পৰিল। তেতিয়া হে তেওঁ বুজি উঠিল যে, সেই পাষণ্ডয়ে এই প্ৰতিশোধ দিলে।

এই ভাব মনত অহা-মাত্ৰকে কীৰ্ত্তিনাথ গোহাঞিয়ে চিঁয়ৰি চিঁয়ৰি মুৰত ভুকুৱাই কান্দিবলৈ ধৰিলে। বিষয়ালকল সকলোৱে কীৰ্ত্তিনাথ গোহাঞিক সান্ত্বনা দি ৰাখি, এই কথাৰ সম্ভেদ লবলৈ আৰু লাহৰী নো ৰত্নেশ্বৰৰ ঘৰত আছে নে নাই, তাৰ সন্ধান লবলৈ গুপ্তভাৱে মানুহ পাচিলে। কেইদিনমানৰ পাচত, সেই মানুহে গৈ ঘৰত ৰত্নেশ্বৰক নাপালে। গাৱঁৰ আন মানুহে কলে, বোলে দহ-বাৰ দিনমানৰপৰা তেওঁ ঘৰতেই নাই। ইফালে, লাহৰীৰ আইতাকে বিননিত গছৰ পাত কঁপাইছে। গাৱঁৰ বিষয়ানীসকলে কত নো বুজনি দিছেহি, লাহৰীৰ আইতাকৰ কাণত সি অলপো গুণ ধৰাৰ পৰা নাই। হিয়া ভুকুৱাই ভুকুৱাই তেওঁ বুকু চামভলা যেন কৰিছে। আজি লাহৰীৰ আইতাকৰ বিলাই দেখি পানীতো হাঁহ নচৰা হৈছে। হাঁয়! যি লাহৰীক আইতাকে বুকুৰপৰা এৰিবই নোখোজে, যি লাহৰীক তেওঁ চকুৰ আঁতৰ কৰিব নোৱাৰি ৰত্নেশ্বৰলৈ নিদিলে, আজি সেই লাহৰীক কোনে কলৈ নিলেগৈ তাৰ একো চিন্ নোহোৱাত পৰিল! ইচ্ছাময়ৰ আচৰিত ইচ্ছা! তেওঁৰ আচৰিত লীলা-খেলাৰ উদ্দেশ্য আমি কি বুজিম! পাঠক, ইফালে আকৌ শূলধৰ বুঢ়াগোহাঞিৰ ঘৰলৈ চকু দিয়ক! ভাল হওক, বেয়া হওক, দুষ্টই হওক, টেটোনেই হওক, একেটি মাথোন পুতেক আছিল, আজি তেওঁ তাকো হেৰুৱালে! বৰগোহাঞি একেই হোজা মানুহ, পুতেকৰ শোকত এতিয়া একেবাৰে আতুৰ হৈ পৰিল। দেহি, সৰহ কথাৰ মানুহ নহয়; তেওঁ সক লৰাৰ দৰে চিঁয়ৰি চিঁয়ৰি কান্দিবলৈ ধৰিছে! ইফালে, মাকে বিননিত গছৰ পাত খিলি খিলি কৰিছে। একো একোবাৰ বা তেওঁ পানীত পৰি মৰিবলৈকে ওলাইছে। একেবাৰে বাউলী হৈ তেওঁ যাকে-তাকে "মোৰ সোণাই" "মোৰ সোণাই" বুলি সাবটি ধৰিছেগৈ। তেওঁৰ কান্দন শুনি বাটৰ বাটকৰাৰো চকু-লো দুটুকি যাব পৰা নাই। শোকৰ বিননিৰে পুতেকৰ

কত নো গুণ গাবলৈ ধৰিছে, তাৰ আদি-অন্ত নাই। স্বৰূপতে, ধনবৰ দুষ্ট আৰু অসৎ স্বভাৱৰ লৰা আছিল যদিও, সেই আপদীয়া বিয়াৰ সম্পৰ্কত তেওঁ একেবাৰে নিৰ্দ্দোষী। কিন্তু, অদৃষ্টত যাৰ য'ত যেনেকৈ মৰণ নিৰ্দ্দিষ্ট আছে তাক কোনে খণ্ডাব পাৰে ? পুত্ৰ-শোকত বিমোৰ হৈ শূলধৰ বৰগোহাঞিৰ আৰু পামপুৰত তিষ্ঠিবলৈ ইচ্ছা নোহোৱা হল ; সেই দুৰ্ঘটনাৰ পাচত এমাহমান থাকি, তেওঁ মাটি-বাৰী, বয়-বস্তু বেচি, বিষয়াসকলৰ ওচৰত বিদায় লৈ, পামপুৰ এৰি তেজপুৰৰ ফালে গলগৈ।

সিবিলাকক সিমানতে বিদায় দি, আমি আকৌ পাঠকসকলক কমলৰ বিলাই দেখুৱাবলৈ লৈ যাওঁ। আজি পাঠকসকলে পামপুৰৰ চাৰিওফালে বিলাই-বিপত্তিকে হে দেখিব। বাটে, ঘাটে, ঘৰে, বাহিৰে, মতা, মাইকী, লৰা, ছোৱালী সকলোৰে মুখত কেৱল এই দুৰ্ঘটনাৰ বেজাৰৰ কথা হে শুনিব ; সকলোকে আজি শোকত বিমোৰ হোৱা দেখিব। হাঁয় ! যি পামপুৰ এবাৰ সুখৰ ঠাই, শান্তিধাম বুলি বৰ্ণোৱা হৈছিল, আজি সেই পামপুৰত এনে অশান্তি ! কমলে সেই দিনা নো কিমান গঁতা খালে, কিমান কিল খালে, কিমান কৰ্কথনা সহিব লগীয়া হৈছিল, তথাপি তেওঁ প্ৰাণৰ প্ৰাণ মৰমৰ লাহৰীৰ লগত লগ লাগিবলৈ নাপালে ! পাচতো, কমলে লাহৰীৰ ছঁয়া চাই পিচত লৰিবলৈ ছেগ নাপালে ! কমলক ধৰি নিবৰ দেখিয়েই হে যে লাহৰীয়ে ফৰিং-উফৰাদি আছি তেনে বিপদৰ জুইত পৰিলে সেই কথাৰ সোঁৱৰণীয়ে কমলৰ কোমল হিয়া অনুতাপত দগ্ধ কৰিবলৈ ধৰিলে ! কমলে এটোপা চকু-পানীৰে সকলো বেজাৰ ধুই নিশ্চিন্ত থাকিব বুলি লাহৰীলৈ লিখিছিল ; আজিচোন সাতখন সাগৰৰ পানী আনি ধুৱালেও কমলৰ একেটি বেজাৰৰ চিনকে ধুই গুচাব নোৱাৰা হল। হাঁয় ! আগেয়ে লাহৰীক বাউলী হব দেখিলে, কমলে নিজে স্থিৰ থাকি তেওঁক সান্ত্বনা দিছিল ; আজি নিজৰ তেনে অৱস্থাত কমলক শান্তি দিয়ে কোনে !

কমলৰ মানত আজি সংসাৰ মৰুময়, সমূলি অসাৰ আৰু আন্ধাৰ! কমলে লৰাকালতে মৰমৰ আইতাক আৰু দেউতাকক হেৰুৱায়ো ইমান বেজাৰ, এনে শোক পোৱা নাছিল। কমলে লাহৰীলৈ লিখা চিঠিত সকলো সঁচা কথাকে লিখিছিল। লাহৰীৰ যদি ধনবৰৰ লগতে বিয়া হলহেঁতেন, তেও কমল মহাসুখে থাকিলহেঁতেন; লাহৰীৰ সাংসাৰিক সুখ-দুখ তেওঁ চকুৰে চাই থাকিবলৈ পালেহেঁতেন। আজি কমলে এই সংসাৰৰ ভিতৰত তেওঁৰ একেটি মাথোন শান্তিৰ প্ৰতিমা একেবাৰে হেৰুৱালে! আজি কমলে নিজৰ জীৱনতকৈয়ো অধিক আদৰৰ বস্তুটিৰ এনে আলাই-আথানী দেখিলে! বুজন হৈছে বুলিও, কমলৰ প্ৰাণ নিচেই কোমল, কমলৰ হিয়া অতি আলসুৱা; আচাঁৰ দৰে সি ইফালে চালে সিফাল দেখা নিৰ্ম্মল। এতিয়া যে এনে বিপদ-ধুমুহাই পাই কমলৰ কোমল প্ৰাণ ক'বাবলৈ উৰুৱাই নিব! এতিয়া যে নিঠুৰ শোক-শেলে ভেদি কমলৰ কুমলীয়া হিয়া থকাসৰকা কৰিব! লাহৰী-লতা সিফালে উভলিয়েই গল নে কি, তাৰ চিন্ নাই; ইফালে কমল-গছ, সেই লতা-বান্ধনী একৱাই নিয়াত, মৃদু মলয়াতে হলি পৰা হল! এইহেন ভয়ঙ্কৰ বিপদৰ ধুমুহাত পৰি কোমল কমল গছ এতিয়া কেনেকৈ তিষ্ঠি থাকে? ইফালে লাহৰী-কমলৰ প্ৰেম-বান্ধনীৰ প্ৰণয়-সূতা অনন্ত নোহোৱা হলে তো কথাই আছিল, ইমান পৰ কমলক দেখিবলৈকে পোৱা নগলহেঁতেন কেতিয়াবাই টেঁটু-চেপা খাই তেওঁৰ প্ৰাণ অন্ত হলহেঁতেন। হায়, আসন্ন বিপদতো ধৈৰ্য্য ধৰা কমল আজি সমূলি অথিৰ, একেবাৰে বাতুল! কাৰ কি হৈছে, কোন্ ক'ত আছে, কমলে আজি একো কব নোৱাৰে। কব পাৰে, কেৱল লাহৰীৰ কথা; লাহৰীৰ গুণ সাত দিন সাত ৰাতি বিনালেও আজি তেওঁৰ ওৰ নপৰে। তেওঁ দেখিছে মাথোন পাৰগুৱঁতে লাহৰীক ধৰি নিয়া। কৃষ্ণকান্ত গোহাঞি কোন্, তেওঁৰ বৈৰী নো কোন্, কীৰ্ত্তিনাথ গোহাঞি

কোন্, লাহৰীৰ আইতাক নো কোন্, কমলে আজি কাৰো সম্বন্ধ-ভেদ নুবুজা হল। যেয়ে যি কথাকে সোধে, কমলে উত্তৰত কেৱল লাহৰীৰ কথা হে কয়। নাইবা, জীৱনী-শক্তি-শূন্য শেঁতা মুখখনি একলীয়াকৈ কাঠৰ পুতলাটিৰ দৰে কমলে জলকা লাগি চাই থাকে। ইচ্ছাময়ৰ কি অলৌকিক মহিমা! মানুহক এই দৰেও তেওঁ পুতলা নচুৱায়! যি কমল পামপুৰৰ ভিতৰত শান্ত, ধীৰ আৰু গহীন স্বভাৱৰ এটি পটন্তৰ আছিল, আজি সেই কমল এনে অস্থিৰ আৰু বাতুল! যি কমলে বুঢ়া বিষয়া আৰু চুবুৰীয়াৰ ওচৰত লাজতে মূছকঁছ যায়, আজি সেই কমলৰ লাজ নো কি, তাৰ বোধ নাই; যাৰে-তাৰে আগত তেওঁ "লাহৰী" "লাহৰী" বুলি চিঞঁৰিব লাগিছে! কমলে যে লাহৰীক ইমান ভাল পায়, লাহৰী যে কমলৰ এনে হৃদয়ৰ গুপুত ধন আছিল, ইমান দিনে লাহৰীৰ আইতাক আৰু দেউতাকত বাজে আন কেৰে নাজানিছিল।

এই দৰে উন্মাদ অৱস্থাতে কমলৰ দহ বাৰ দিনমান গল। সেই কেইদিনৰ ভিতৰত তেওঁ কৃষ্ণৰাম গোহাঞিৰ ঘৰত কেইদিন আছিল কব নোৱাৰে। তাৰ পাচত, লাহে লাহে কালৰ গতিত কমল আকৌ দিনে দিনে তিল পৰিমাণে ধীৰ হৈ আহিল; কিন্তু লগে লগে তেওঁৰ আন্তৰিক সন্তাপ তাল পৰিমাণে বাঢ়িবলৈ ধৰিলে। দিনে দিনে কমল শুকাই-ক্ষীণাই যাবলৈ ধৰিলে। কীৰ্ত্তিনাথ গোহাঞিয়ে কমল আৰু লাহৰীৰ এনে অকৃত্ৰিম প্ৰণয়ৰ কথা ভালেমান দিন ভাৰ্য্যাৰ মুখৰপৰা শুনিছিল যদিও, লাহৰী-কমলৰ প্ৰণয়-বান্ধ যে এনে অকৃত্ৰিম আৰু ইমান দৃঢ়তম আছিল, তাৰ সন্তেদ্ তেওঁ আগেয়ে নাপাইছিল। এতিয়া, কমলৰ এনে পৱিত্ৰ প্ৰেমৰ চিনাকি পাই কীৰ্ত্তিনাথ গোহাঞিয়ে আত্ম সন্মানৰ নিমিত্তে স্বাৰ্থপৰ কাৰ্য্য কৰাঁৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে। স্বামী-ভাৰ্য্যা দুয়ো এতিয়া কমল-গছৰ গাত লাহৰী-লতাৰ সাঁচ চাই মন পতিয়াবলৈ ধৰিলে। সিবিলাকে

কমলতে লাহৰী-কমলৰ যুগল-মূৰ্ত্তি দেখা পোৱা হল। লাহৰীৰ আইতাকে যে কমলক নেদেখিলে ক্ষন্তেকো থাকিব নোৱাৰা হৈ পৰিল। কমল আগত থাকিলে, ঘনে ঘনে তেওঁৰ লাহৰীলৈ মনত পৰে হয়, কিন্তু কমলৰ কোমল ভাব গতি দেখি তেওঁ অন্তৰৰ জ্বলা-জুই ৰৰকৈ জ্বলি আকৌ নিমিষতে চেঁচনি পৰা যেন পায়। কীৰ্ত্তিনাথ গোহাঞিয়েও কমলক দেখিলেই আঁকোৱালি চপাই ধৰি লৰাৰ দৰে কোলাত তুলি লয়। পাচলৈ তেওঁ কমলক নেদেখিলে থাকিব নোৱাৰা হল। বুদ্ধিমান কমলে এই কথা বুজিব পাৰি, পাচলৈ প্ৰায় সদায় কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰত হে থকাহি হল; কৃষ্ণৰাম গোহাঞিৰ ঘৰত কেৱল তেওঁ সময়মতে খাবলৈ হে যায়। কৃষ্ণৰাম গোহাঞি বৰ জ্ঞানী মানুহ, কমলৰ এনে জ্ঞান আৰু বুদ্ধিৰ পৰিচয় পাই তেওঁ সেই বাবে সন্তোষ হে পাইছিল। এই দৰে থাকি থাকি কমল পাচলৈ কীৰ্ত্তিনাথ গোহাঞি আৰু কৃষ্ণৰাম গোহাঞিৰ অতি আদৰৰ উমৈহতীয়া পুত্ৰৰ দৰে হৈ উঠিল।

# ১৭। আধ্যা।

## বুঢ়া-বুঢ়ীৰ বুকত লাহৰী।

সেই দিনা লাহৰীয়েও কমলক আৰু এবাৰ সাবটি ধৰিবলৈ কতবাৰ নো বাউলী হৈ হলি হলি পৰিছিল, তথাপি তেওঁ মনৰ সেই হাবিয়াষ পূৰাবলৈ পাষণ্ডহঁতৰ হাতৰপৰা এবাৰ নোৱাৰিলে! নিৰুপায় হৈ, লাহৰীয়ে মানহঁতৰ ভৰিত পৰি পৰি আৰু এবাৰ মাথোন ক্ষন্তেকমান এৰি দিবলৈ কাবৌ কৰিবলৈ ধৰিলে। কিন্তু, পাষণ্ডহঁতৰ অন্তৰত তো দয়া-মমতাৰ থানিকা নাই; ততালিকে সিহঁতৰ দুটা মানে লাহৰীক দুই বাউসিত ধৰি উৰুৱাই নিয়া দি আঁতৰাই লৈ গল! সেই মুহূর্ত্তৰেপৰা বৰনৈৰ দাঁতি নোপোৱালৈকে লাহৰীৰ গাত সংজ্ঞা নাছিল; পাষণ্ডহঁতে সেইছোৱা বাট লাহৰীক শৱ এটা নিয়াৰ দৰে দাঙ্গি লৈ গৈছিল। ওচৰে ওচৰে গা-লুকুৱাই পামপুৰীয়াও গৈ আছিল। মানহঁতে লাহৰীক ধৰোঁতেই বেলি ভাটী দিছিল; এতিয়া সন্ধিয়া হব লগা হলহি। তাৰ পাচত, বৰনৈ পাৰ হওঁ-হওঁ কৰোঁতেই গাৰ-নোম-নেদেখা গধূলি হল। এনে অসময়ত মানহঁতে পাৰ হওঁ-নহওঁ কৰিছিল, কিন্তু পামপুৰীয়াই সিহঁতক বুজাই দিলে যে, ইপাৰে থকাৰ পৰা কাৰ্য্যত বিঘিনি লগাৰ আশঙ্কা। সেই কাৰণে, সিহঁতো সেই কথাতে মান্তি হল। কিন্তু মানহঁতে অলপ উজাই আন এটা ঘাটে হে পাৰ হৈছিল; আৰু নাও কেৱল এখন হে আছিল। নাওখনত টানিমানি সাতোটা কি আঁঠোটা হে মানুহ ধৰে। গতিকে, প্ৰথম খেপত মুঠেই ছটা মানে পামপুৰীয়াৰে সৈতে লাহৰীক লৈ সিপাৰ হৈ গলে। তাৰ পাচত, খেপেপতি আঁঠোটা নটাকৈ মানহঁতে পাৰ হবলৈ ধৰিলে। এই দৰে তিনিকুৰি-দহোটা মান বৰনৈ পাৰ হওঁতেই দুপৰনিশা হল। লাহৰীয়ে সিপাৰ হবৰেপৰা বিপদৰ

পূৰ্ণ গৰাহত পৰিল বুলি জানি, আকৌ শান্ত আৰু গহীন হৈ বহিলে। মনে মনে ধৈৰ্য্যতাৰ শৰণ লৈ তেওঁ টলকা মাৰি বহি শুনিবলৈ ধৰিলে। মানহঁতেও লাহৰীক মৰ্ম্মান্তিক বেজাৰত বিমোৰ হৈছে বুলি জানি, আন কোনো কথাকে নুসুধিলে। পামপুৰীয়া যে লাহৰীয়ে চিনি পায় বুলি কাৰকো নচপা হল। আটাইবিলাক পাৰ হোৱাৰ পাচত, সিহঁতে ইয়াকে স্থিৰ কৰিলে যে, সেই ৰাতিলৈ বৰনৈৰ পাৰতে জিৰণি লোৱাই ভাল। পামপুৰীয়াযো তাতে সম্মত হল। মানহঁতে সেই দিনা পলৰীয়া মানুহ বিচাৰোঁতেই আবেলি হৈছিল; ভাত-পানী খাবলৈ সিহঁতে আজৰি নাপালে। তাৰ আগৰ দিনাও দুদিনৰ বাট ডেৰদিনে আহি সিহঁত বৰ দুখে-ভাগৰে আছিল। গতিকে, আজি বৰনৈৰ পাৰত অতিপাত দুখ-ভাগৰত অৱশ হৈ পৰাত মাজনিশা ভাত-পানী খোৱাৰ কাৰবাৰলৈ সিহঁতে মন নকৰিলে; যেয়ে য'তে বহিল, সেয়ে ত'তে ঢাল খাই খাই পৰি গল। পামপুৰীয়া কিন্তু সবাতকৈ আগ। তাৰ পাচত, কুৰিটামান টনকিয়াল মান মাখোন সাৰে আছিল। সিহঁতৰ ভিতৰত এনে নিয়ম বন্ধা হল যে, দুখন দুখন তামোল খোৱাৰ পৰলৈকে এটা-এটা মানুহে পহৰা দিব; তাৰ পাচত সি আকৌ আন এটাক তুলি দি শুব। এই দৰে স্থিৰ কৰি সকলোটি শুই পৰিল। লাহৰীয়েও ভাগৰত অস্থিৰ হোৱাৰ ভাও ধৰি, সিহঁতৰ দৰেই ঢাল খাই পৰি গল। কিন্তু, লাহৰীৰ চকুত টোপনি নাই; তেওঁ মনে মনে উদ্ধাৰৰ নানা উপায় চিন্তা কৰি সদ্যহতে পহৰীয়া কেইটাৰ গম-গতিলৈ মন কৰি আছে। এই দৰে দুটা কি তিনিটা মানুহৰ পহৰা পাৰ হৈ গল; তাৰ পাচত এটা বুঢ়া কানীয়া মানুহৰ পাল পৰিল। ৰবকৈ ভাগৰ লগাত বুঢ়াই সেই দিনা গধূলিতে কানি একেৰা বেচিকৈ গিলিছিল। গতিকে, কানি আৰু টোপনিৰ জালত বুঢ়াই বহি থাকোঁতেই জপৰ্‌-জপৰ্‌ টোপনিয়াবলৈ ধৰিলে। লাহৰীয়েও সেই কালেই নিটাল মাৰি ভৰ-টোপনিৰ ভাও ধৰিলে। বুঢ়াই লাহৰীক

ফালে বাৰচাৰেক মন কৰি চাই আপোনা-আপুনি কবলৈ ধৰিলে, "এঃ, সৰু ছোৱালী, এনে ৰাতি নো কলৈ যাবঐ! এতিয়াতো তাইৰ বৰ ভৰ টোপনি; ময়ো অলপ কাতি হৈ চাই থাকুং দে।" এই বুলি অলপ পৰ চাই থাকি, সেইফালেই বুঢ়া টোপনি গল। গতিকে, তাৰ পাচৰ পহৰীয়াক তুলি দিওঁতাও নোহোৱা হল। লাহৰীয়ে পৰি থকাৰেপৰা কাণশাৰ দি ঘনে ঘনে গম লবলৈ ধৰিলে। তাৰ পাচত, এখনমান তামোল খাবৰ পৰলৈকে লাহৰীয়ে নিটাল মাৰি শোৱাৰ ভাও ধৰিয়েই আছে, এনেতে বুঢ়াটিৰ নাকে ঘঁট্-ঘঁটৈকৈ ভৰ-টোপনিৰ তাল ধৰি শুনালে। লাহৰী এইবাৰ লাহেকৈ উঠি বহিল। ভয় আৰু উলাহত লাহৰীৰ গা ঘামিবলৈ ধৰিলে। তেওঁ ইফালে-সিফালে কাণ পাতি শুনিলে, চাৰিওফালে একে তালতে ডাৱৰীয়া ভেঁকুলীয়ে টোৰ্-টোৰোৱাৰ দৰে ঘঁৰত্-ঘৰত শব্দ তুলি মানহঁতে শুই নিৰ্পালি দিয়া বুজাইছে। বহি থাকিবৰ আৰু সময় নাই; লাহৰীয়ে এইবাৰ মৰণত শৰণ দি থিয় দিলে। তাৰ পাচত, তেওঁ এখুজি-দুখুজিকৈ আহি ওচৰৰ হাবি এজোপা পাৰ হলহি। লাহৰী আচল বাটে আৰু নগল; তেওঁ আওহতীয়াকৈ হাবিয়ে হাবিয়ে বৰনৈৰ উজনিৰ মুখে লৰালৰিকৈ উজাবলৈ ধৰিলে। এই দৰে দুখনমান তামোল খাবৰ পৰ গৈয়ে তেওঁ এখন পথাৰ ওলালগৈ। তাৰ পাচত আৰু লাহৰীয়ে উজাবলৈকো কাৰবাৰ নকৰিলে; সেই পথাৰখনৰ দক্ষিণমুৱাকৈ তেওঁ প্ৰাণকাতৰে লৰিবলৈ ধৰিলে;—পথাৰখন পাৰ নোহোৱালৈকে লৰিলে। আৰু কিমান লৰিব, নিধাতু হৈ ভাগৰত লুটি খাই পৰি সেই ফালেই লাহৰী মূছকঁছ গল! পৰিল বুলিও, জিৰাবলৈ সময় নাই; পিচ মুহূৰ্ত্ততে তেওঁ আকৌ উঠিল। আকৌ এখন হাবি। লাহৰীয়ে নো কলৈ লৰিছে তাৰ উৱাদিহ্ পোৱা নাই; তেওঁ কেৱল মানহঁতৰপৰা আঁতৰ হবলৈ হে চাইছে। লাহৰী আকৌ হাবি সোমাল। হাবিৰ ভিতৰত তেওঁ যিমান বেগাই যাব পাৰে, গৈছে। এই দৰে কোবাকুবিকৈ সেই হাবিৰ ভিতৰে ভিতৰে

দহ নলমান বাট গৈছে, এনেতে লাহৰীয়ে গছৰ পাতৰ তলে দি দুটা তৰা জিলিকি থকা দেখিলে। দেখি যাওঁতেই লাহৰীয়ে অলপ চঁক্ খাইছিল, কিন্তু তাৰৈ আৰু তেতিয়া তেওঁ কি মন কৰিব! লাহৰীয়ে গছ-লতা ভাঙ্গি আগুৰাবলৈ হে ধৰিলে। কিন্তু, হাঁয়, সেইটো যে বাঘ! লাহৰীয়ে মন নকৰি ভালকে কৰিলে। এই দৰে যাওঁতে যাওঁতে তেওঁ আকৌ এখন পথাৰ ওলাল গৈ। মুকলি পাই লাহৰীয়ে আকৌ উধাতু খাই লৰিবলৈ ধৰিলে। লৰি লৰি পথাৰখন পাৰ হওঁহওঁ হওঁতেই পেটৰ বিষত থমকা খাই পৰি, লাহৰী আকৌ সেই ফালেই মূৰ্চ্ছা যোৱাৰ দৰে হল। এইবাৰ লাহৰী ভালেখিনি পৰলৈকে উঠিব নোৱাৰা হৈ পৰি আছিল; কিন্তু মনৰ তেজে গাত বল দিয়াত তেওঁ আকৌ উঠি বাট খেদিবলৈ ধৰিলে। এইবাৰ হাবি নাই। বিৰিণাৰ জোপা গোটাচাৰেক পাৰ হৈয়ে তেওঁ এখন গাওঁ পালেগৈ। সিমানতে লাহৰীৰ গা অলপ গহীন হল, তথাপি ভয় যোৱা নাই। তেতিয়াও বেগাবেগিকৈ তেওঁ উজনিৰ মুখে যাবলৈ ধৰিলে। এই দৰে যাওঁতে যাওঁতে লাহৰী দুখন পথাৰ আৰু তিনিখন গাওঁ পাৰ হৈ গল। তাৰ পাচত, লাহৰীৰ মনৰপৰা ধৰা-পৰাৰ ভয় আঁতৰ হবলৈ ধৰিলে। পাৰগুইতৰ হাত সাৰিলোঁ বুলি ভাবি লাহৰী এক্ৰেৰি উলাহিত হল; আৰু সকলো দুখ-ভাগৰ তেওঁ ক্ষন্তেকৰ নিমিত্তে পাহৰি গল। এই দৰেই আৰু এখনমান তামোল খাবৰ পৰ যাওঁতেই ৰাতি পুৱাই আহিল। লাহৰীয়ে ভাবিলে, বহুত বাট আহিলোঁ। বাস্তৱতে, বহুত বাট যোৱাও হয়। এতিয়া আৰু পাৰগুইতে তেওঁক নাপায়হি। আৰু অলপ বাট গৈয়ে তেওঁ এখন মুকলি ঠাইত ওলালগৈ। লাহৰীয়ে তাতে এজোপা গছৰ তলত বহি, অলপ জিৰাবৰ মন কৰিলে। বহু ভাগৰেৰে বহি লাহৰীয়ে ভৰিলৈ চায়চোন, একেবাৰে বাৱলী হল! গোৰোৱা কাটি তেজ ওলাইছে! ভৰিৰ তলুৱাৰ ছাল ছিগি গোৰগিত ভকৃভকাইছে! দুইটি ভৰি ভম্ভমাবলৈ

ধৰিছে! এই দৰে লাহৰীয়ে গাৰ বেদনালৈ মন কৰা মাত্ৰকে বিষ দুগুণ হৈ উঠিল। অন্তত, তৰণি নাপাই লাহৰীয়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে। বেলি মুঠালৈকে সেই গছৰ তলতে কান্দি কান্দি তেওঁ বহিয়েই থাকিল। দেহিঐ, দেখিলেই হিয়া বিদৰি যায়! কোনো দিন এনে দুখ পোৱা হে নালাগে, বাহিৰলৈ নোলোৱা লাহৰীৰ সুকোমল শৰীৰত নো এনে কষ্ট সয় নে! ভৰিলৈ চায়মানে তেওঁৰ শোকৰ খুন্দা টান হবলৈ ধৰে; লাহৰীয়ে ফেঁকুৰি ফেঁকুৰি কান্দি উঠে! কিন্তু, এনে বিপদত গাৰ বেদনালৈ চালে হব নে?—তেওঁ আকৌ উঠি গাওঁ বিচাৰি যাব লগাত পৰিল। দেহিঐ, খোজ কঢ়া হে নালাগে, লাহৰীয়ে মাটিত ভৰি পেলাবই নোৱাৰা হল; আকৌ নো লাহৰী কেনেকৈ যায়! কিন্তু নগলেওতো নহয়; অগত্যা আকৌ উঠি পেঙ্গুৰিয়াই-পেঙ্গুচিয়াই লাহৰীয়ে আগুৱাবলৈ ধৰিলে। হওঁতে সৰহ বাট যাব লগা নহল; সৰু পথাৰ এখনি পাৰ হৈয়ে লাহৰী আকৌ এখন গাৱঁত সোমাল গৈ। তিনি-চাৰি ঘৰমান মানুহৰ ঘৰলৈ গৈ বাহিৰত মানুহ নেদেখি তেওঁ উলটি গুচি গুচি যায়। এই দৰে কেঘৰমান এৰাই গৈ, তেওঁ আৰু এঘৰত বাহিৰৰ চ'ৰাত বহি থকা বুঢ়া এটিক দেখা পালে। লাহৰীয়ে লাহে লাহে বুঢ়াটিৰ ওচৰতে থিয় দিলেগৈ। বুঢ়াটিক দেখোঁতেই ভাল মানুহ বুলি চিনিব পাৰি। তেওঁ লাহৰীক দেখিয়েই অলপ পৰ ঠৰ্ লাগি চাই থাকি সুধিলে, "আই! তই নো ক'ৰপৰা আহিছ, কি লাগে?" লাহৰীয়ে উত্তৰ দিলে, "বুঢ়া-দেউতা, মই বহুত দূৰৈৰপৰা বহুত ভাগৰত আহিছোঁ। আচল কথা পাচে হে ভাঙ্গি কব পাৰিম; মই আজিলৈ আপোনাৰ ঘৰতে জিৰাব খোজোঁ।" এনেতে ভিতৰৰপৰা বুঢ়ী এটি ওলালহি। বুঢ়ীয়ে থিয় হৈয়েই লাহৰীক সুধিলে, "দেহিঐ, ক'ৰপৰা আহিছ আই, তই?" লাহৰীয়ে বুঢ়াক দিয়া উত্তৰকে তেওঁকো শুনালে। লাহৰীৰ কথা শুনি বুঢ়ীৰ বৰ বেথা লাগিল; তেওঁ

অতি চেনেহেৰে সমিধান দিলে, "থাকৃহি আই, আজি হে মালাগে দহ দিনো থাকৃহি।" এই বুলি, বুঢ়ীয়ে লাহৰীক লগত লৈ ভিতৰ সোমালেগৈ।

ইফালে ৰাতিপুৱা এডাঁৰ বেলি উঠালৈকে মানইত আটাইবিলাক শুয়ে আছে। তাৰ পাচত, পামপুৰীয়াই উঠি চকু-মুখ মোহাৰি চায়, দেখোন লাহৰী নাই! তেওঁ মান গোটাচাৰেকক জগোৱাই দি এই কথা কোৱা মাত্ৰকে আটাইবিলাকে কোঢ়াল কৰি হুল-স্থুল লগাবলৈ ধৰিলে। কিছুমান পৰ ইটোৱে-সিটোক দায় দিয়া-দিয়ি কৰি, আটাইবিলাকে চাৰিওফালে পিয়াপি দি আকৌ বিচাৰিবলৈ ধৰিলে। খোদ্ পাৰওইতে এতিয়া আৰু লাহৰীক ক'ত পায়! লাহৰী যে এতিয়া বুঢ়া-বুঢ়ীৰ বুকুত! চাৰিওফালে বিয়াকুল হৈ তুপৰীয়ালৈকে বিচাৰি নাপাই, আকৌ আটাইবিলাক আগৰ ঠাইতে গোট খালেহি। তাৰ পাচত, সিহঁতে কি কৰিব কি নকৰিব বিবুদ্ধি হৈ পামপুৰীয়াক বুধি সুধিলে। পামপুৰীয়াই আৰু আন উপায় কি দিব! বস্থেশ্বৰক এই ঘটনাৰ কথা জনাবলৈকে তেওঁ স্থিৰ কৰিলে। সদৌশেহত পামপুৰীয়াৰ কথা মতেই মানইঁত লঘোনে-ভোকে বস্থেশ্বৰৰ ঘৰলৈ যাবলৈকে ওলাল। বস্থেশ্বৰৰ ঘৰৰ ওচৰ পাই, পামপুৰীয়াই মানইঁতক জোপা এটাৰ ওচৰতে থাকিবলৈ দি, তেওঁ বস্থেশ্বৰক মাতি আনিবলৈ গল। কিন্তু, পামপুৰীয়াই ঘৰ পাই দেখেগৈ যোখান বস্থেশ্বৰৰ ঘৰ-দুৱাৰ বন্ধা। ওচৰ-চুবুৰীয়াক সোধাত জনা গল যে, দহ দিনমানৰেপৰা তেওঁ ঘৰত নাই। পামপুৰীয়াই ভাবিলে যে, বস্থেশ্বৰে টকা দিয়াৰ ভয়ত হে পলাইছে। এই ভাবি, ভয়ত তেওঁৰো পলাবৰ উপায় ভাবিবলৈ ধৰিলে। কিন্তু মানইঁত সেই পাকত পৰিবান অজলা নহয়। সিহঁতে পামপুৰীয়াৰ পিচে পিচে তিনটা মানুহ চোৰাংচৈ পঠিয়াই দিছিল। পামপুৰীয়াই ইফালে-সিফালে চাই বেগাবেগিকৈ পলাবৰ উপক্রম কৰোঁতেই, মানইঁতে বুজিব পাৰিলে। সিহঁতে এবে খেদাই গৈ তেওঁক ধৰি

আনি সিহঁতৰ নগৰীয়াবিলাকৰ ওচৰলৈ লৈ আহিলে। আৰু, পামপুৰীয়াৰ মুখে ৰত্নেশ্বৰ পলোৱাৰ কথা শুনা মাত্ৰকে নঘোনীয়া মানহঁতৰ খং মূৰত উঠিলগৈ। তিনদিনীয়া নঘোনত আবৰীহঁত একেবাৰে খাওঁ খাওঁ মূৰ্ত্তি হৈ আছিল; পামপুৰীয়াৰ মুখৰ কথা শুনা মাত্ৰকে সোধ-পোছ নাই, সিহঁতে কপি দা উলিয়াই তাক টুকুৰা-টুকুৰকৈ কাটি পেলালে! সদৌশেহত, মানহঁতে দুখ, ভাগৰ আৰু বেজাৰকে বঁটা স্বৰূপে লৈ ঘৰলৈ উলটি ভাগকৰা খোজ ধৰিলে।

এই ছেগতে আমিও লাহেকৈ লাহৰীৰ নতুন চিনাকী বুঢ়া-বুঢ়ীৰ ঘৰলৈ ওলটোঁ। এই বুঢ়া-বুঢ়ী দুটি সতি-সন্তানশূন্য, একেবাৰে নিচুৰীয়া; সংসাৰৰ বিষময় ফল ভোগ কৰি, উজনি নগৰৰপৰা ভাগি আহি, আজি ভালেমান বছৰ এওঁবিলাক এই ঠাইতে বসতি কৰি আছেহি। সন্তান বুলিবলৈ একেটি মাথোন পুত্ৰ আছিল; তাকো যি বিধাতাই দিছিল, সেই বিধাতায়ে অকালতে হৰি নিলে। এতিয়া আৰু ঘৰৰ বন-ৰাবি কৰা গোটাচাৰেক নগুৰাত বাজে বুঢ়া-বুঢ়ীৰ কোনো নাই। লাহৰীকে যেন তোলনীয়া সন্তান কৰি সিবিলাকে বুকু জুৰাবলৈ পাব, দুইৰো অন্তৰত স্বভাৱতে এনে এটি কৰুণ ভাবে থিত্‌ ললে। কিন্তু, অন্তৰৰ গুপুত ভাব গুপুতেই আছে; তাক ফুটাই কবলৈ সিবিলাকে এতিয়াও ছেগ পোৱা নাই। ইচ্ছাময়ৰ ইচ্ছাত যেন বুঢ়া-বুঢ়ীৰ সৰল কামনা পূৰ্ণ হওক। লাহৰীৰপৰাই যেন সিবিলাকৰ শুকান হিয়াত অপত্য স্নেহ পুনৰ সঞ্চাৰ হওক। সেই দিনা ঘৰৰ কথা সোধোঁতে লাহৰীয়ে পামপুৰত বুলি কলে হয়, কিন্তু বিশেষ কথা ভাঙ্গি নকলে। লাহৰীৰ আতুৰ অৱস্থা দেখি সিবিলাকেও কোনো কথা পিটিকি নুসুধিলে। আলহী ভাৱেই লাহৰী কুৰি দিনমান থকাৰ পাচত, বুঢ়ীয়ে তেওঁক এদিন সুধিলে, "আই, তই নো মোৰ বুকু জুৰাই ইয়াত কিমান দিনলৈ থাকিবি?" সেই কথাৰ উত্তৰত লাহৰীয়ে কলে যে, যেতিয়ালৈকে

আকৌ ঘৰলৈ যাবলৈ সুবিধা নোলায়, তেতিয়ালৈকে তেওঁ বুঢ়া-বুঢ়ীৰ বুকুতে থাকিব। সেই কথা শুনি বুঢ়ীৰ মনত আনন্দ নধৰা হল; তেওঁ মনে মনে চিন্তিলে, যেন লাহৰীৰ সেই সুবিধা কোনো কালে নোলাওক! তাৰ পাচতো লাহৰীয়ে সেই বুঢ়া-বুঢ়ীৰ তোলনীয়া জীয়েকৰ দৰে ভালেমান দিন আছে, তথাপি তেওঁ নিজৰ আচল চিনাকি দিয়া নাই। কীৰ্ত্তিনাথ গোহাঞিৰ নাম লোৱা হলেই, বুঢ়া-বুঢ়ীয়ে সকলো কথা জানি উঠিলহেঁতেন। লাহৰীয়ে ইমান দিনে তাকে কোৱা নাই। কিন্তু হায়, চিনাকি দিয়াৰপৰা সোনকালে তেওঁৰ উদ্ধাৰ হোৱা যেন গম্ পোৱা হলে, লাহৰীয়ে কেতিয়াবাই সেউতাকৰ নাম কৈ দিলেহেঁতেন। তেওঁৰ দুখময় জীৱনৰ প্ৰকৃত কাহিনী কোৱাৰপৰা তেওঁৰ প্ৰাণৰ প্ৰাণ কমলক পুনৰ লগ পোৱাৰ অলপো সঙ্কেত পোৱা হলেই, লাহৰীয়ে সকলো কথা ভাঙ্গি কবলৈ কেতিয়াও পলম নকৰিলেহেঁতেন। লাহৰীয়ে নাজানি গাথোন নিজৰ উপকাৰ কৰোঁ বুলি অপকাৰ কৰিছে। ইমান দিনে লাহৰীয়ে মনৰ বেজাৰত তৰণি নাপায় যদিও, নিজৰ বেজাৰৰ কথা কাকো নকয় আৰু ভাব-ভঙ্গী আকাৰে-ইঙ্গিতেও অন্তৰৰ ভাব আনক জানিবলৈ নিদিয়ে। এতিয়া আৰু লাহৰী ঘাই ঘৰত থকাৰ দৰে নহয়; এতিয়া লাহৰী খোজেপতি সাৱধান। তথাপি, কেতিয়াবা অকলে অকলে থাকোঁতে, লাহৰীয়ে তেওঁৰ প্ৰাণৰ প্ৰাণ কমল আৰু মৰমৰ আইতাক-সেউতাকলৈ মনত কৰি উচুপি উচুপি কান্দিবলৈ ধৰে। ইকালে বুঢ়ীয়ে আকৌ লাহৰীৰ লগ নেৰেই; সদায় আগৰ দিনৰ মান-জগনীয়া কথা পাতি তেওঁ লাহৰীক ভোল নিয়াই থয়।

এই দৰেই আৰু ভালেমান দিন পাৰ হৈ গল। এদিন সেই গাওঁতে এখন বিয়া হৈছিল। তালৈকে আমাৰ বুঢ়া-বুঢ়ীৰ ঘৰতো নিমন্ত্ৰণ পৰিলহি। বুঢ়ীয়ে ভাবিলে, তেওঁ নো কি যাব, লাহৰী ঘৰৰ জীয়াৰী, লাহৰীয়েই যাওক। এনে ভাবি বুঢ়ীয়ে অলঙ্কাৰ-পাতি উলিয়াই দি, লাহৰীক মাতি আনি পিন্ধি

উৰি বিয়ালৈ যাবলৈ কলে। লাহৰীয়ে বিয়াৰ নাম শুনা মাত্ৰকে তৰ্কিব নোৱাৰাকৈ জিকাৰ খাই উঠিল। তাৰ পাচত, নিজৰ অন্তৰৰ ভাব প্ৰকাশ পোৱা যেন গম্ ধৰি বুঢ়ীৰ ফালে অলপ পৰ্ ঠৰ্ হৈ চাই থাকোঁতেই, কেতেকী ফুলৰ পাহী যেন লাহৰীৰ দুগালে মুকুতাৰ পানী যেন দুধাৰি চকু-লো বৈ পৰিল। লাহৰীৰ মনত যে কিবা মৰ্ম্মান্তিক বেদনা আছে, বুঢ়ীয়ে ইমান দিনলৈকে জনা নাছিল। আজি লাহৰীৰ মনৰ গতি গম্ ধৰি করুণ ভাবত বুঢ়ী বিগলিত হল। বুঢ়ীয়ে লাহৰীৰ হাত দুখনিত ধৰি আতুৰ ভাৱে, শপত দি, কন্দাৰ কাৰণ সুধিবলৈ ধৰিলে। কিন্তু, লাহৰীক সিমানতো নিটাল মাৰি থাকিব দেখি, বুঢ়ীয়ে হুমুনিয়াহ কাঢ়ি মনটি আমোলাই পেলালে। অতি কোমল অন্তৰা লাহৰীৰ কোমল হিয়া বুঢ়ীৰ মুখ-আমোলনিয়ে পমাই নিলে। বুঢ়ীয়েও আকৌ এবাৰ কাবৌ কৰি লাহৰীক নিজৰ আঁতিগুৰিৰ কথা ভাঙ্গি কবলৈ বৰকৈ ধৰিলে। এইবাৰ আৰু লাহৰীৰ কোমল প্ৰাণে সহিব নোৱাৰিলে। লাহৰীৰ মনত পৰাৰেপৰা বৰ্ত্তমানলৈকে নিজৰ অৱস্থাৰ বিষয়ে তেওঁ ভাঙ্গি-পাতি কৈ, অলপ পৰ বৈ থাকি আকৌ হুমুনিয়াহ এটি কাঢ়ি কান্দিবলৈ ধৰিলে। ইফালে বুঢ়ীয়েও কিবা কথা বাকী বল বুলি ভাবি আকৌ বেচিকৈ পেৰিবলৈ ধৰিলে। লাহৰীয়ে আগ ভোখৰত কেৱল দেউতাক, আইতাক আৰু তেওঁৰ নিজৰ কথা হে কৈছিল। তেওঁৰ বেজাৰৰ ঘাই কাৰণ তেওঁ তেতিয়াও উলিয়াকিৰা নাছিল। বুঢ়ীয়ে বৰকৈ টানি ধৰিবৰ দেখি, তেওঁ জয়ে-জয়ে কমল নামেৰে এটি লৰাৰে সৈতে তেওঁৰ কি সূত্ৰে চিনাকি হল, ক্ৰমাৎ দুইকো দুয়ো নো কিমান ভাল পোৱা হল, এইখিনি কথা বৰ্ণাবলৈ ধৰিলে। লাহৰীৰ কথা শুনি শুনি ইফালে বুঢ়ীৰ চকু চল্‌চলীয়া হৈ আহিল। তাৰ পাচত, লাহৰীয়ে কমলৰ আঁতি-গুৰি ভাঙ্গি-পাতি কবলৈ আৰম্ভ কৰিলে। লাহৰীয়ে কমলৰ মুখৰপৰা তেওঁৰ উৎপত্তিৰ কথা যি শুনিছিল, সকলো ভাঙ্গি-পাতি কবলৈ ধৰিলে। শুনি শুনি বুঢ়ীৰ আৰু

সহ্য নহল ; লাহৰীয়ে কমলৰ লৰাকালৰ কথা বৰ্ণাই শেষ কৰিবলৈ নৌ পাওঁতেই বুঢ়ীয়ে "ঔ, ডাঙৰীয়া, এই ফালে চাপি আহক ঔ, লাহৰীয়ে কি শুনায়ঔ!" এই বুলি সেই ফালেই পৰি বুঢ়ী মূছকঁছ্‌ গল! বুঢ়ীৰ চিঞৰ শুনি উধাতু খাই বুঢ়া আহি উপস্থিত। বুঢ়াই লৰালৰিকৈ "কি হল, কি হল" বুলি সোধাত, লাহৰীয়ে বুঢ়ীক কমলৰ বিষয়ে কোৱা কথাখিনি বেগাবেগিকৈ যি পাৰে অলপ কৈছে, এনেতে বুঢ়ায়ো "আঐ, মোৰ আই, কি শুনালিঐ!" বুলি লাহৰীক গৰা মাৰি ধৰি কান্দিবলৈ ধৰিলে! হঠাৎ হিতে-বিপৰীত ঘটিবৰ দেখি, লাহৰী বিচূৰ্ত্তি হৈ মনৰ উগুল-থুগুল ভাবত মমৰ পুতলাটিৰ দৰে ঠৰ্‌ লাগি বল!

# ১৮। আধ্যা।

## জয়ন্তীৰ বিয়া।

ৰত্নেশ্বৰ সেই দিনা খঙ্গৰ বেগত জয়ন্তীহঁতৰ ঘৰৰপৰা ওলাই আহিল; আধা মাইলমান বাট সেই একেটা কোবেৰেই ফোঁ-ফোঁকৈ তেওঁ ঘৰমুৱা হৈ আঁতৰ হল। সেই ছোৱা বাট ৰত্নেশ্বৰক এটা অৰ্থশূন্য খঙ্গে ওখৰাই লৈ গল। তাৰ পাচৰপৰা দেখোন পিচ ফালৰপৰা ৰত্নেশ্বৰৰ চুলিত ধৰি কিবা এটি আকৰ্ষণী ভাবে লাহে লাহে টানিবলৈ ধৰিলে। লাহে লাহে ৰত্নেশ্বৰৰ ঘৰ-চিৰিকায়া খোজে ৰাজহংসীয়া গতি ধৰিলে। পিচত যোৱা ভাৰীটোৱে কানত মেটৃমৰা ভাৰখন লৈ কন্যা-খোজ ধৰিব লগাত পৰিল। তাৰ পাচত আকৌ ৰত্নেশ্বৰ তুপৰীয়া, গুন্দা হাতীৰ দৰে, যাওঁ নাযাওঁকৈ অগা-পিচা খোজ ধৰা হল; একো-একোবাৰ আলহী হৈ থকা ঠাইত কিবা এটা এৰি অহাৰ ভাৱে পিচলৈ উভতি সুৱঁৰি চাই ৰত্নেশ্বৰ মাজবাটতে টলকা মাৰি ৰয়। লাহে লাহে ৰত্নেশ্বৰৰ এই ৰোগ প্ৰৱল হৈ উঠিল; এনেল বাট যাওঁতেই তিনি-চাৰি বাৰকৈ ৰোগৰ বিকাৰ উঠা হল। শেহান্তত, লগুৱা-টোৱে কানৰ ভাৰ সহিব নোৱাৰি পিচৰপৰা মাত লগালে, "দৌতাই নো এইখন কি আওপকীয়া খোজ ধৰিছেঐ! সঁচা কৈছোঁ, এনে ধেমালি মোৰ কানে নসহে, মই ভাৰ ইয়াতে পেলাম হে এতিয়া!" ৰত্নেশ্বৰে অলপ হুঁচ্ পাই সমিধান দিলে, "অ, হয়, তোৰ ফালে টান পৰিছে; তই তেন্তে আগ হ, ব'ল, মই পিচে পিচে গৈ থাকোঁ।" সেই অনুমতি ৰত্নেশ্বৰৰ মুখৰপৰা আধা হে বাজ হবলৈ পালে, লগুৱাই ততালিকে আগ হৈ হুখুজীয়া গতিৰে আগুৱাবলৈ ধৰিলে। ৰত্নেশ্বৰেও আকৌ এখনমান তামোল খাবৰ পৰলৈ লগুৱাৰ পিচে পিচে খৰ খোজেৰে যাবলৈ ধৰিলে। কিন্তু

উদ্‌ফাই ৰোগৰ দৰে পিচফালৰ সোৱঁৰণীয়ে ৰত্নেশ্বৰৰ প্ৰাণৰ ভিতৰত আকৌ উজনি-ভাটী লগাবলৈ ধৰিলে; ৰত্নেশ্বৰে পূৰ্ব্বৰত আকৌ মৰাল-গতি ধৰিলে। এইবাৰ আলহী হৈ থকা ঘৰত কিবা এৰি অহালৈ ৰৰকৈ মনত পৰা হল! ৰত্নেশ্বৰে ঘনে ঘনে উলটি-উভতি চায় আৰু মূৰ খজুৱায়; তাৰ পাচত তেওঁ দোখোজমান ওভতনি-খোজ ধৰে। এই দৰে ভালেখিনি পৰলৈকে উজনি-ভাটী কৰি থাকোঁতে সিফালে লগুৱা-ভাৰীৰ গা নেদেখাই হল! ৰত্নেশ্বৰে আকৌ অলপ হুঁচ্ পাই মূৰ দাঙি চায়, দেখোন লগুৱাক মনিব নোৱাৰাই হল। বহু দূৰণিত কোনোবা এটাক ৰিণিকি ৰিণিকি দেখা গৈছে; সি বা কোন্, আহিছে, নে গৈছেই তাৰো চিন্ নাই। লগুৱাৰ সেঠাৰ হাত সাৰি এইবাৰ ৰত্নেশ্বৰ বহিয়েই পৰিল! লগুৱাৰ ভাবনা এৰি ৰত্নেশ্বৰে উপস্থিত ৰোগত আসন্ন বিপদ গুচোৱা ঔষধিৰ ভাবনাত লাগিল। যহি জিৰোৱা গছৰ তলতে ৰত্নেশ্বৰ ভালেমান পৰ বহিল, তেওঁ ভালেমান ভাবিলে; কোনো উপায়ন্তৰ নেদেখি, উঃ আঃ কৰি, তেওঁ চাটিফুটি কৰিবলৈ ধৰিলে। এই দৰেই এডাঁৰমান বেলি গল, এনেতে ৰত্নেশ্বৰৰ চকু ৰঙা হৈ উঠিল, মুখত তেজ বিৰিঙি পৰিল, বুকু ফিন্দ খাই উঠিল; তাৰ পাচত দাঁত-কৰচনি মাৰি ৰত্নেশ্বৰ গিৰিপ্‌কৰে উঠিল! উঠিল, আৰু তাত থিয় নহল; উলটি বেলি ভাটী দিয়াৰ পৰত অন্তৰ্হিতৰ ঘৰৰ ওচৰৰ গাৱঁৰ এজনী বাৰী-ধুখুনী তিৰোতাৰ ঘৰত আলহী হৈ নচপালৈকে, ৰত্নেশ্বৰে উভতি আকৌ ঘৰ-চিৰিকীয়া খোজ ধৰিলে। সিফালে ঘৰমুৱা লগুৱাই কোৰাকুৰিকৈ বাট খেদিবলৈ ধৰিলে; গৈ গৈ সি গাওঁ সোমোৱা দেখা গল; কিন্তু তাক ৰত্নেশ্বৰৰ চোতালত ভৰি দিয়া দেখা নগল।

এসূৰীয়া অকলশৰীয়া বাৰীৰ ঘৰতে ৰত্নেশ্বৰ আজি ভালেমান দিনো আছে। তাৰ পাচত দেখা যায় যে, তেজ, মাংস, অন্তৰ আৰু কাৰ্য্যেৰে ৰত্নেশ্বৰেই; কিন্তু সাজ-পাৰ, চলন-ফুৰণ, আও-ভাও ইত্যাদিলৈ চাই তেওঁ

যেন এটা হজুৰা গাৱঁলীয়া, যেন সেই বাঁৰীৰে চপনীয়া-মতা। কি অৰ্থে, কি কাৰ্য্যেৰে ৰত্নেশ্বৰে এই দৰে প্ৰবাস খাটিছে বুজা নাযায়। ঘৰৰ-পৰাও তেওঁ বৰকৈ নোলায়। কিন্তু, বাঁৰী-বাইক হলে কেদিনমানৰপৰা জয়ন্তীহঁতৰ ঘৰলৈ ঘনাই যোৱা-অহা কৰা দেখিছোঁ। তাইৰ নো কি উদ্দেশ্য, কি কাৰ্য্য কোনেও বুজিব পৰা নাই। তাই মুঠেই বিষয়ানীৰ ওচৰত ছালি খাবলৈ পাণ এবিৰা, চুণ অকণ, খুদচাউল এমুঠি, শাক এডাল, লোণ এজেৰা, ইয়াকে বিচাৰেহি; তাই উলটিবৰ বেলিকা এবাৰ জয়ন্তী আইদেউৰ ওচৰত সোমাই দুটা-চাইটা কথা পাতেগৈ আৰু তেওঁ লিখি পেলাই দিয়া কাকত পত্ৰ কিবা-কিবি বান্ধিবলৈ বুলি বুটলি লৈ যায়। জয়ন্তী আইদেৱো বৰ খেমেলীয়া গাভৰু; তেওঁ গাৱঁৰ তিৰোতাৰে সৈতে খেমেলীয়া কথাবাৰ্ত্তা পাতি বৰ ভাল পায়। বাঁৰী-বাই দেখাত হে এলাইজাঁপৰী, তাইৰ কথাবিলাক বৰ ৰং-লগা। সেই কাৰণে, তাই সোনকালে জয়ন্তী আইদেউৰ ওচৰত লাগী হৈ উঠিল। বাঁৰী-বাই সদায় যায়, সদায় আহিবৰ সময়ত জয়ন্তীৰ মুখৰপৰা "কাইলৈকো আহিবা দেই বাই," এই আৱাবি মিঠা মাত পাই আহে। পাচলৈ বাঁৰী বায়ে জয়ন্তীৰ অতি গুপুত প্ৰেমৰ কথাবাৰ্ত্তাৰো ভাগ পোৱা হল। পূৰ্ণ গোহাঞিদেৱৰ ঘৰলৈ উভতি যোৱা আজি কুৰি দিনমান হৈছে। তেওঁ থাকোঁতে দুইৰো ভিতৰত গুপুতে কেনেকৈ পত্ৰ চলিছিল, এতিয়াও তেওঁ নাম-ধাম-ঠিকনা লিখি দি যোৱা লেফাফাত ভৰাই মানুহৰ হাতত কেনেকৈ চিঠি চলাচল কৰা হয়, তাৰো বাঁৰী বায়ে সন্তেদ পোৱা হল। মাজে মাজে পূৰ্ণ গোহাঞিদেৱহঁতৰ ঘৰৰ ফালে কোনো কামত যাবলৈ ওলোৱা মানুহৰ সন্তেদ দি সেই মানুহৰ হাতত দি পঠিয়াবলৈ জয়ন্তী আইদেউৰ চিঠিও বাঁৰী-বায়ে গোপনে নিয়াহি হল। বাঁৰীবাই চাপিবৰপৰা জয়ন্তী আইদেৱে চিঠি পঠিওৱাত বৰ সন্তা পাইছে; কিন্তু পূৰ্ণ গোহাঞিদেৱৰপৰা তাৰ উত্তৰত চিঠি-পত্ৰ অহাত হে বিসঙ্গতি ঘটিবলৈ ধৰিছে।

গাঁৱৰ গাত আৰ লৈ ৰত্নেশ্বৰ একে দৰেই তাতে আৰু কিছুমান দিন আছে। এনে সময়তে, যোৰহাটৰপৰা পূৰ্ণ গোহাঞিদেৱৰ বৰ খং-বেজাৰেৰে হঠাৎ জয়ন্তীহঁতৰ ঘৰত ওলালহি। তেওঁ থিয় হৈয়েই জয়ন্তীৰ আইতাকক লগ পাবৰ নিমিত্তে ভিতৰলৈ পাচিলেহি। আন দিনাৰ দৰে তেওঁ মুখ, হাত, ভৰি ধুই নিজৰ ঘৰৰ দৰে আসন লৈ নবহি, অচিনাকী আলহীৰ দৰে পাৰি থোৱা চালপিৰা এখনতে বহিল। পূৰ্ণ গোহাঞিদেৱৰ অহা শুনিয়েই জয়ন্তীৰ মন আনন্দত নাচি উঠিল। তেওঁ পিচ-চোতালৰপৰা লৰালৰিকৈ আহি জুমিবলৈ ধৰিলে। কিন্তু, গোহাঞিদেৱৰ ৰঙা চকু-পকোৱা আৰু কপালৰ গাঁঠি খোপা হোৱা দেখি তেওঁৰ সেই আনন্দ মনতে মাৰ গল! আৰু, উগুল-থুগুল ভাবত তেওঁ তাৰপৰা অলপ আঁতৰ হল। আইতাকে ওলাই আহি লৰালৰিকৈ ভাবী-জোঁৱায়েকক অভ্যৰ্থনা কৰিবলৈ খৰধৰ কৰিলে। কিন্তু, পূৰ্ণ গোহাঞিদেৱে তেওঁক সেইবোৰ কাৰবাৰৰ প্ৰয়োজন নাই বুলি কৈ, বেজাৰ মনেৰে কলে যে, আজি তেওঁ আন কিবা বৰ টান কথা এটা কব লগীয়া থকাত হে অসময়ত ওলাইছেহি; আৰু তেওঁ ততালিকে আকৌ ঘৰলৈ উলটিব। এই কথা কৈয়েই পূৰ্ণ গোহাঞিদেৱে চোলাৰ জেপত হাত ভৰাই কবলৈ ধৰিলে, "মই জানিছিলো, আপুনি যেনে সাধ্বী, সতী আৰু অশেষ গুণৰ গৰাকিনী, আপোনাৰ মৰমৰ জীয়েকো তেনে চৰিত্ৰৱতী হব। এনে ভাবি হে মই আপোনাৰ প্ৰস্তাবিত বিয়াত সন্মতি দিছিলো। এতিয়া চাওক, আপোনাৰ জীয়েকে তলে তলে এইবোৰ কি কাম কৰিছে!" এই বুলি একাপ চিঠি উলিয়াই জয়ন্তীৰ আইতাকৰ আগত থৈয়েই, তেওঁ আকৌ কবলৈ ধৰিলে, "সেই দিনা আমি বান্দৰ-নচুৱা সেই ৰত্নেশ্বৰ নে কি, তালৈকে জীয়েকে এইবোৰ চিঠি চলাইছে। সি মোলৈ বহুত লাজ-বি এখন চিঠিৰে সৈতে এইবোৰ প্ৰমাণ স্বৰূপে পঠিয়াইছে। সি আছে ক'ত, ক'ৰপৰা এই চিঠি দিছে, তাকো

এফো ঠিকনা দিয়া নাই। মানুহৰ মুখে শুনিছোঁ, বোলে সেই পাষণ্ড ইয়াতে কাৰোবাৰ ঘৰত আছে। মই আৰু কি কম, মই এতিয়া বৰ দুখেৰে পূৰ্ব্বৰ প্ৰস্তাৱত অমাস্তি হলোঁ। সেই কাৰণে, মই আৰু ইয়াত এৰাতিও নাথাকোঁ ; আজিয়েই ঘৰলৈ উলটিম।" জয়ন্তীৰ আইতাক অবাক্ হৈ সেই পোনেই ঢাল খাই পৰিল! পূৰ্ণই ততালিকে দাঙ্গি ধৰি গাৰ ধূলি-মাটি গুচাই দি অলপ তেওঁক শাঁত কৰিবলৈ চেষ্টা কৰিলে। সিফালে, বুলনীৰপৰা জুমি আৰু শুনি থকা জয়ন্তী বজ্ৰাহত হোৱাৰ দৰে মূছৰ্কছ গৈ পৰিল। ঘৰৰ লিগিৰীহঁতে পানী-তুনি দিয়াত অলপ সংজ্ঞা পাই আৰ্ত্তৰাৱ কাঢ়ি, "আইঔ, মাজতে মোক এই দৰে কোনে খালেও!" বুলি হিয়া-ভুকু মাৰি জয়ন্তী আকৌ মূছৰ্কছ গৈ পৰিল। পূৰ্ণ গোহাঞিদেৱ বৰ খং আৰু বেজাৰত আহিছিল বুলিও, তেওঁ বৰ কোমল অন্তৰৰ মানুহ ; জয়ন্তী আৰু আইতাকৰ মনোদুখ বুজিব পাৰি তেওঁ নিজে অলপ ৰংমুৱা হৈ বহিল। তেওঁ মনে মনে ইয়াকো ভাবিলে যে, জয়ন্তীয়ে আৰ্ত্তৰাৱত কোৱা কথা ফাঁকিৰ কিবা অৰ্থ থাকিব পায় ; এতেকে ইবিলাকক শান্ত কৰাৰ লগে লগে সেই কথাৰো অলপ সম্ভেদ্ লবলৈ চেষ্টা কৰা যাওক। এই ভাবি তেওঁ মনে মনে গুণিবলৈ ধৰিলে।

জয়ন্তীৰ আইতাক সেই যে নিমাত হৈ বাগৰি পৰিল, তেওঁ সেই দৰে নিমাতী হৈয়ে বল। ভিতৰৰপৰা আহি লিগিৰীহঁতে ধৰাধৰিকৈ নি বিছনাত শোৱাই তেওঁক শুশ্ৰূষা কৰিবলৈ ধৰিলে। জয়ন্তীৰ ফালেও পৰ-পালি দিয়াৰ তুল্যই হব লাগিছিল ; কিন্তু আসন্ন বিপদত ধৈৰ্য্য ধৰি উপস্থিত বুদ্ধি নখটালে মুহূৰ্ত্তৰ ভুল-বুজনিয়ে সাংঘাতিক বিপদ ঘটাব পাৰে ; সেই কাৰণে, তেনে সময়ত মানুহ অলৌকিক বলেৰে বলী হয়। জয়ন্তীয়েও আজি সেই বলেৰেই ধৈৰ্য্য ধৰি, পূৰ্ণ গোহাঞিদেৱৰ ভুল সংশোধনৰ উপায় চিন্তিবলৈ ধৰিলে। গোহাঞিদেৱলৈ যে তেওঁ গুপুতে চিঠি চলাই-

ছিল, সেইটো এতিয়াও সকলোৰে আগত প্ৰকাশ্যে কৰলৈ তেওঁ লাজ কৰি আছে। এনেতে, বুঢ়ী লিগিৰীৰ সাহায্য আহি আপোনা-আপুনি উপস্থিত। তাই ভাবিলে যে, জয়ন্তীয়ে নিজে গৈ গোহাঞিদেৱক বুজালে আৰু সেই বিষয়ৰ কোনেও জেক্সা ভাঙিব নোৱাৰে। এনে ভাবি, তাই শুশ্ৰূষাৰ অৰ্থে মাতি নিয়াৰ ভাৱে গোহাঞিদেৱক তেওঁ আগেয়ে থকা কুঁঠৰীলৈ মাতি নি বহুৱালেগৈ। সেই ছেগতে সুবিধা পাই জয়ন্তীয়ে উৰি যোৱা দি গৈ গোহাঞিদেৱৰ পাৰত পৰি কান্দিবলৈ ধৰিলে; আৰু প্ৰকৃত ঘটনা জানি লৈ, তেওঁৰ ভুল-বিশ্বাস এৰিবলৈ কাকুতি কৰিবলৈ ধৰিলে। পূৰ্ণ গোহাঞিদেৱ বৰ ধীৰ;—ধৈৰ্য্যতা যেন তেওঁৰ আজ্ঞাধীন গুণ। তেওঁ তেতিয়াই স্থিৰ ভাৱে জয়ন্তীৰ মুখে আদ্যোপান্ত বৰ্ণনা শুনিবলৈ ধৰিলে। কওঁতে কওঁতে, জয়ন্তীয়ে সৰস্বতী যেন মুখেৰে চিঠিৰ কথাবোৰ বৰ্ণাই আৰু স্বাভাৱিক ভাব-ভঙ্গীৰে সৈতে গোহাঞিদেৱলৈ তেওঁৰ অটল ভক্তি আৰু অকৃত্ৰিম প্ৰেম বুজাই উঠিল। শুনি শুনি, গোহাঞিদেৱৰ দৃঢ় বিশ্বাস হল যে, সেইবোৰ চিঠিৰ প্ৰকৃত গৰাকী তেওঁৰেই হে; জয়ন্তীয়ে চিঠি তেওঁলৈকে হে লিখিছিল, মাজতে কু-চক্ৰীয়ে পাই হে এনে দুৰ্ঘটনা ঘটাইছে। ইয়াকে স্থিৰ কৰি, তেওঁ জয়ন্তীক আশ্বাস দি ভিতৰলৈ পঠিয়াই, গাওঁ ফুৰিবলৈ ওলাই গল। তেওঁ ধীৰে ধীৰে গৈ বাঁৰী-বাইৰ ভগা-বহাৰ দুৱাৰমুখত থিয় দি ৰল। তাৰেপৰা তেওঁ সহাৰি লৈ জানিলে যে, বাঁৰীয়ে এটা মানুহৰে সৈতে কিবা গুপুত আলচ পাতিছে। তেওঁ লাহেকৈ পিচফালে ঘূৰি গৈ, বাৰৰ চুকত কাণ পাতি সিহঁতৰ ভিতৰত হোৱা কথা-বাৰ্ত্তা শুনিবলৈ ধৰিলে।—

বাঁৰী—"এ, সেয়া নহয়, মই অমুকী লাগিলে মো কেই দিনৰ বন্ন! আজি আহি ধম্ধমনি লগাই দি আজিয়েই শুচি গলগৈ নহয়।"

বগ।—"পিচে, পিচে পূৰ্ণ গোহাঞিয়ে বিয়া নকৰাও বুলি গৈছে নে? ইহঁতে কি কয় পিচে? নকৈছিলো, মযো উভতি বান্দন-নচুৱাম্‌ হি বুলি!"

"বাঁৰী।—"সেয়ে নহয় নো কি? যি কলেৰে হে পূৰ্ণ লৈ লিখা চিঠিবোৰকে তোমালৈ লিখা চিঠি বুলি জয়ন্তীক অবিশ্বাসী কৰালোঁ! এতিয়া আৰু কোন্টো লাজেৰে নো সি বিয়া কৰায়? মিছা যদিও, সেই কথা পতিৰাব কেনেকৈ?"

পূৰ্ণ গোহাঞিদেৱে আৰু সহিব নোৱাৰিলে। তেওঁ ইয়াতকৈ আৰু নিজ কাণে শুনা প্ৰমাণ অধিক নিবিচাৰিলে। তেওঁ তেতিয়াই উলটি আহি সকলো বৃত্তান্ত জয়ন্তীৰ আইতাকত জনালে। জয়ন্তীৰ আইতাক বিধবা বুলিও, সেই চুবুৰিৰ ভিতৰত এগৰাকী ক্ষমতা থকা ভগা-বিষয়ানী আছিল। সেই গুপ্ত চক্ৰান্তৰ সম্ভেদ্ পোৱা মাত্ৰকে তেওঁ পাঁচোটামান মানুহ পাচি বাঁৰীক আৰু বাঁৰীত চাপি থকা মানুহটোক ধৰাই অনালে। মানুহটোক তিনটা লগুৱাই বাহিৰতে ধৰি ৰাখিলে; বাঁৰীক পোনেই নি বিষয়ানীৰ আগত থিয় কৰোৱা হল। কাৰ্য্যৰ গতি-গোত্ৰলৈ মন কৰিয়েই চতুৰা বাঁৰী বাইৰ গা বাজিল! তাই, কোনেও একো সুধিবলৈ নৌ পাওঁতেই, নিজে নিজে ঘটনাটোৰ আদ্যোপান্ত বৰ্ণাবলৈ ধৰিলে। তাই বিষয়ানীৰে পাৱত পৰি কান্দি কান্দি এই বুলি কৈ গলে যে, এই বিষয়ত তাই নথৈ অপৰাধ কৰিছে সঁচা, কিন্তু যাৰ উদগনিত তাই এনে কাম কৰিবলৈ আগ বাঢ়িছিল, সি তাতোকৈ অপৰাধী নহয় জানো? তাই আৰু কলে যে, সি তাইত চাপি সদায় পোহ-পাল কৰি থাকিবলৈ বুলি আজি ইমান দিন তাইৰে সৈতে গৃহবাস কৰি আছে; সেই কাৰণে হে তাৰ গুপুত উদ্দেশ্য সিদ্ধি কৰিবৰ কাৰণে, জয়ন্তীয়ে পূৰ্ণ গোহাঞিদেৱলৈ লিখা চিঠিবোৰ যোৰহাটলৈ যোৱা মানুহৰ হাতত দিবলৈ নিওঁ বুলি তাই চপনীয়া মতাটোক দিছিল গৈ। বাঁৰীৰ কথা শুনি চাৰিওকালৰপৰা ডেকা, বুঢ়া সকলোটি চাপিলহি। সেই সকলোৰে মাজে দি বাট লৈ পূৰ্ণ গোহাঞিদেৱে শাহুৱেকত সেৱা জনাই ক্ষমা মাগিলে গৈ। বিষয়ানীয়েও অতি সন্তোষেৰে ভাবী-জোঁৱায়েকক আশ্বাস দি শান্ত কৰিলে। ইফালে, বাহিৰত ডবা-চৰ,

গেমেহা-ভুকু, কাণ-মোচৰা, নাক-টনা, শিলৰ খুন্দা ইত্যাদিৰে সৈতে চুবুৰীয়াই সেই চপনীয়া মতাক আধামৰা কৰিব লাগিছে! শেহত, তাৰ চিয়ঁৰ সহিব নোৱাৰি হাতত বস্তি লৈ গোহাঞিদেৱ আৰু জনচাৰেক মানুহে বাহিৰলৈ আহি দেখেচোন, সেইটো বক্তেশ্বৰ বৰমতা! ছোৱালী বাচোঁতে বাছোঁতে এঙ্গাৰ-কলী, নাক-থাঁৰী, ফেঁচামুই, এলাইঙ্গাঁপৰী বাঁৰীত চপনীয়া চাপি লোকৰ পৱিত্ৰ প্ৰেমত বিঘিনি ঘটাবলৈ বক্তেশ্বৰ ধুনীয়া ডেকাই বাঁৰী-বাইৰ এৰাবাৰী ৰখীয়া হৈছেহি! গোহাঞিদেৱ বৰ মৰমিয়াল মানুহ; তেওঁ বক্তেশ্বৰক সিমান জলপানেৰেই তুষ্ট হবলৈ দি, তাৰপৰা মুক্তি দিয়ালে।

আগেয়ে জয়ন্তীৰ বিয়াৰ আয়োজন লাহে লাহে হে চলিছিল। বিয়াৰ দিন ফাগুন বা বহাগত হে স্থিৰ হৈছিল। কিন্তু, বক্তেশ্বৰৰ ধূৰ্ত্তালিয়ে জয়ন্তী আৰু পূৰ্ণ গোহাঞিদেৱৰ বাহ্যিক আৰু আন্তৰিক সম্বন্ধ আগতকৈও দৃঢ়তৰ কৰিলে। পূৰ্ণ গোহাঞিদেৱ তাত থাকোঁতেই, ইফালে বিৰয়ানীয়ে গাৱঁৰ জনচাৰেক ভদ্ৰলোকক যোৰহাটলৈ পঠিয়াই আঘোণতে বিয়া পাতিবলৈ বুলি গোহাঞিদেৱৰ ঘৰৰপৰা সম্মতি অনালে। অদৃষ্টৰ গুণত বিধবা বুলিও বিয়ানীৰ অৱস্থা বৰ টনকিয়াল আছিল। তেওঁ নিজে সকলো খৰছ-পাতি দি ছোৱালী বিয়া দিবলৈ সাজু হোৱাত, যথাসময়ত দৰা-ঘৰীয়া সকলোটি চাপিকুচি বিৰয়ানীৰ ঘৰৰ কাষত যুগুত কৰি থোৱা বাহৰত উপস্থিত হলহি। মহা আড়ম্বৰেৰে বিয়াৰ কাৰ্য্য আৰম্ভ হল। ওচৰ-চুবুৰীয়া ভাল-ভদ্ৰ, সক-বৰ অলেখ মানুহে বিয়াত যোগ দিলেহি; নানা তৰহৰ গান-বাজনা, নাচ যেমালিৰে সৈতে পূৰ্ণ গোহাঞিদেৱৰে সৈতে জয়ন্তী আইদেউৰ সাদিনীয়া শুভবিবাহ সম্পাদিত হৈ গল। তাৰ পাচত, এপৰমান জিৰণিৰ ঘৰতে মহা সন্তোষেৰে থাকি, দৰাঘৰীয়াসকল বৰ-কন্যাৰে সৈতে মহা ধুম্‌ধামেৰে ঘৰলৈ উলটিল। বক্তেশ্বৰ ধুনীয়া ডেকা বাঁৰী-বাইৰ ভগা-বহাতে ঘূনীয়া হৈ পৰি থাকিল!

# ১৯। আধ্যা।

## পাপৰ পৰিণাম।

মানহঁতে খঙ্গৰ জালত গায়পতি একো ঘাপ্‌কৈ ঘপিয়াই পামপুৰীয়াক তাতে টুকুৰাটুকুৰ কৰি, তাৰ পাচত সিহঁত ঘৰলৈ উলটিল। উলটিল, কিন্তু শুদা হাতে ঘৰলৈ। ওলটা চিকাৰীৰ দৰে সিহঁতৰ পেটৰ ভোক, গাৰ ভাগৰ অসহনীয় হৈ উঠিল। আধা মাইলমান বাট গৈয়ে এজোপা ডাঙৰ বৰগছৰ তলত আটাইবিলাক মৰা-শ পৰা দি পৰিলগৈ। সেই অৱস্থাৰেই মূৰ্খ পাষণ্ড-হঁতে আধা ঘণ্টামান চাটিফুটি কৰি আছে, এনেতে এটা বুকুৰহল ডেকাই এই বুলি মাত লগালে, "কাকাহঁতঐ, আমিচোন ৰত্নেশ্বৰক একো কৰিবা নোৱাৰিলুঁঐ! হি আমাক ভুৱা দি হাৰিলচোনঐ! আমি তাৰ ঘৰ আৰু গাওঁকে ভাঙিবগৈ নোৱাৰুঁ না?" ডেকাৰ কথা শুনা মাত্ৰকে খঙত উতলি থকা মানহঁত আকৌ মতলীয়া হৈ উঠিল; ক্ষন্তেকৰ নিমিত্তে পাপ-তেজৰ বলত ভোক, পিয়াহ, ভাগৰ সকলো পাহৰি আটাইবিলাক উত্ৰাৱল হৈ আকৌ উভতিল। আটাইবিলাক আহি পোনেই ৰত্নেশ্বৰৰ ঘৰৰ বাহিৰে, ভিতৰে, ছালে, বাৰে মৌ-গুটী ওলমি পৰাছি পৰিল। ভিতৰ সোমোৱাবিলাকে হুঁটা চাউল আৰু খোঁৱাছাঙৰ গুৰৰ সোৱাদত মজি বাহিৰৰ বিলাকলৈ পাহৰিলেই; বাহিৰৰ বিলাকে ঘৰ-দুৱাৰ ভাঙি নিজৰ খং সৰাৰ সুখতে মগ্ন হল; ছালৰ ওপৰত থকাবিলাকে ঘৰটোকে চৰাই-পখিৱা দি, খঙত উন্মত্ত হৈ আছে। তাৰ পাচত, গোটাচাৰেকৰ মনত এনে বুদ্ধি ওলাল যে, ফাঁকিদাৰ ৰত্নেশ্বৰৰ ঘৰকে পুৰি ছাই কৰা

যাওক। এই বুলি, এটাই [illegible]কৰপৰা টিঙিৰি-তুলা উলিয়াই লৈ ঘৰৰ ছালৰ চুকে চুকে জুই দিবলৈ ধৰিলে। দুপৰীয়া ৰ'দত শুকাই থকা ঘৰৰ ছালত কেইওফালৰপৰা জুই লগোৱা মাত্ৰকে জুই অভ্ৰংলেহী জিভা মেলি 'গগণ ভেদি জ্বলি উঠিল। তিনদিনীয়া লঘোনত ভিতৰ সোমাই লাগিওবেথে সনা হুঁতা চাউলৰ লাৰু চোবোৱাবিলাক ভিতৰতে ৰল! ছালৰ ওপৰত থকা বৰতীয়াবিলাক পাখি-ভগা শালিকীৰ দৰে অলপ পৰ ধপধপাই তললৈ সৰি সৰি পৰিল! বাৰে-ছাগে মৌ-গুটীৰ দৰে ওলমি থকাবিলাকৰ কিছুমানে বাহিৰলৈ ওলাবৰ বাট বিচাৰি, অচিনাকী দুৱাৰেদি ভিতৰলৈ হে সোমাই গৈ লগৰীয়া ভাইসকলৰ লগতে জাহ গল! তাৰে গোটাচাৰেকে আধা-পোৰা হৈ ওলাই আহি চোতালৰ বননিত বাগৰ দি আধা-পোৰা ৰৰালি মাছৰ দৰে হল! বাহিৰত চিঞঁৰ-বাখৰ কৰি ধপচালি কোৱাই থকা তিনটা মাথোন মান নিঘুনি হৈ ৰল; সিহঁতেও লগৰ হুকুৰি-তেৰটাক একেবাৰে হেৰুৱাই আৰু চৈধ্যটাক আধা-পোৰা আধা-মৰা অৱস্থাত দেখি বৰ ব্যাকুল হৈ পৰিল। এনে সুযোগতে গাৱঁৰ ডেকা, বুঢ়া সকলোটি চাপি আহি সেই গৰীয়া পৰি থকা নৰ-পাষণ্ড মান কেইটাক নানা শাস্তি দি বন্দী কৰি ৰাখিলে!

যাঁৰ তেজৰ আৰু যাঁৰ তেৰঙ। মহা চতুৰা সেই লাহদৈগৰীয়ানী যাঁৰী বায়েও, গাৱঁত জয়ন্তী আইদেউৰ বিয়াৰ ধুমধাম্ মাৰ যাবলৈ হে বাট চাই আছিল। জয়ন্তী আইদেৱক লৈ দৰা-ঘৰীয়া ঘৰলৈ ওলটাৰ কেইদিনমানৰ পাচত, যাঁৰীয়ে বিষয়ানীৰ চ'ৰাত গাৱঁৰ বৰমূৰীয়াসকলক চপাই এখন চালিচ পাতিলে। বয়েস্বৰে প্ৰথমে সেই চালিচ অমান্য কৰি তাত উপস্থিত হবলৈ অমান্তি হৈছিল। কিন্তু অলপ টানমুখীয়া হুকুম পোৱা মাত্ৰকে তেওঁ পূৰ্ব্বৰ গিটিনলৈ মনত কৰি, আকৌ সেও হৈ কলে যে, তেওঁ গাৰ বিৰুত উঠিবই নোৱাৰে। চালিচৰপৰা আদেশ পৰিল যে,

গোটাচাৰেক ডেকা লৰা গৈ তাক মাটি-অনা চাঙ্গীত তুলি দাং-দোলাকৈ আনকগৈ। ৰত্নেশ্বৰক সিমানলৈকে পোৱা অপমানৰ জলপানেই আঁটিছিল; গতিকে তেওঁ মাটি-অনা চাঙ্গীত উঠি বহুৱা ওলোৱাতকৈ কেঁকাই-গোঁঠাই নিজে যোৱাটোকে উচিত দেখিলে। যথা সময়ত মেলৰ বিচাৰ আৰম্ভ হল। গুচৰীয়ানীয়ে তাইৰ কবলগীয়া কৈ অন্ত কৰি, সামৰণি কলে, “মই চাওঁতে সিটোৱেও আৰু ইফাল-সিফাল কৰিব নোৱাৰা দেখোন; এবেলি আপোন ইচ্ছাৰে চাপি আকৌ নো ঘটংমটং লগাব নে? তথাপি, ‘নেজানি দৈবৰ গতি’। পাচত কাৰ মন কি হয়, কোনে জানে? সেই দেখি ৰাইজৰ আগতে এটা পকাকৈ বন্ধা-ছতা হৈ গলে যেনিবা ভাল।” চালিচে বাঁৰীৰ কথাত হয় দি, তাত ৰত্নেশ্বৰৰ মত কি জানিবলৈ ইচ্ছা কৰিলে। ৰত্নেশ্বৰে সিমান পৰলৈকে বাঁৰীৰ মলিয়ন বৰকাপোৰেৰে ঘুম্ মাৰি আঁঠুৰ তলত মুৰ সুমাই গুনি গুনি কান্দি আছিল। চালিচৰ প্ৰশ্ন শুনি অতি কাতৰ ভাৱে কিবা এটি উত্তৰ দিব খুজিছিল, কিন্তু ৰত্নেশ্বৰৰ জিভাই দোৰোল্ নেখালে; তেওঁ আপোনাৰ মুৰত আপুনি ভুকুৱাই ধাৰাসাৰে চকু-লো বোৱাবলৈ ধৰিলে। ৰত্নেশ্বৰৰ তেনে অৱস্থা দেখি এজন সমজুৱাই পুতৌ কৰি কবলৈ ধৰিলে, “এৰা, দেহি, আগৰ ভাল অৱস্থাৰ মানুহ, এতিয়া দুখত পৰি শোক কৰিছে! তেওঁ নো আৰু কব কি? বাঁৰীয়ে যি কলে, তাতে তেওঁ মান্তি; সিইঁতে ঘৰত কথা-বাৰ্ত্তা স্থিৰ নকৰাকৈ নো আহিছে নে?” তেওঁৰ কথাতে আনবিলাক সমজুৱায়ো হয় দি উঠিল। সদৌশেহত এয়ে স্থিৰ হল যে, সেই বাঁৰীৰ ঘৰতে এতিয়া থকাৰ দৰেই ৰত্নেশ্বৰ চপনীয়া মতা হৈ গৃহবাস কৰি থাকিব। নাইবা, এৰি যাব লগীয়া হলে, বাঁৰীয়ে সেই সময়ত গৰ্ভত ভাৰ বোৱা ভাবী-সন্তানৰ পোহ-পালৰ নিমিত্তে ৰত্নেশ্বৰে ১০০্ এশ টকা দি যাব লাগিব। এই সিদ্ধান্ত দি মেলুৱইসকল ঘৰাঘৰি

গল। লাখ-টকীয়া বজ্ৰেশ্বৰে আজি শ-টকীয়া লেঠা মাৰিব নোৱাৰি বাঁৰী-বাইৰ পিছে পিছে এমুৰীয়া ভগা-বহালৈ উঠিলে।

পকা বন্দবস্তৰে সৈতে বজ্ৰেশ্বৰে বাঁৰী-বাইৰ লগত গৃহবাস কৰি থকা ভালেমান দিন হল। বজ্ৰেশ্বৰৰ হাতত যি দুই-চাৰি টকা বাকী আছিল, তাক কুমন্ত্ৰণাৰ কৌশলেই অন্ত কৰিলে। পাচলৈ বজ্ৰেশ্বৰে বাঁৰীক খুৱাওক ছাৰি নিজৰ দুসন্ধ্যা ভাতৰ নিমিত্তেই আৰ্জ্জন কৰিব নোৱাৰি তেওঁ মেমেৰা আৰু কণীয়া হৈ পৰিল। ভালত হে ভাল; বজ্ৰেশ্বৰৰ মনকাল চপাৰ লগে লগে তেওঁৰ ওপৰত বাঁৰী-বাইৰ চটচটনি গালি-বৰষণিৰ কোনো চৰি আছিল। ওলাওঁতে চপনীয়া, সোমাওঁতে বগৰা, উঠোঁতে এলেহুৱা, বহোঁতে চুৱাখোৱা ইত্যাদি বাঁৰী-বাইৰ চোকা মাতৰ খোঁৱাই বজ্ৰেশ্বৰৰ কলিজা কলা কৰিলে। সদৌশেহত, তেওঁ নিজৰ প্ৰাণকে অসহনীয় বোধ কৰি, এদিন যঁতে-তঁতে মৰোঁগৈ বুলি নিজানে নিজানে বজ্ৰেশ্বৰ বাঁৰীৰ ঘৰৰপৰা বাজ হল। লাহদৈগড়ৰপৰা দুমাইলমান বাট আহি বজ্ৰেশ্বৰৰ মনত সাহ হল; প্ৰাণত নতুন বলৰ সঞ্চাৰ হল। তেওঁ নিজৰ গাৱঁলৈ, নিজৰ ঘৰলৈ যোৱা বাট ধৰাৰ লগে লগে, নিজৰ-ঘৰ-বাৰীৰ সোঁৱৰণীয়ে আহি তেওঁৰ মনত খিত্ ললে। তেওঁ মনতে পাঙিলে যে, সকলো কথা এৰি দি, এইবাৰ তেওঁ ভালকৈ ঘৰখন চলাই টনকিয়াল ভাৱে দিন নিয়াবগৈ। এনে সুখৰ ভাবনাত উলাহিত হৈ বজ্ৰেশ্বৰে যিমান বেগাই পাৰে ঘৰমুৱাকৈ খোজ ধৰিলে। এইদৰে দিনে-ৰাতিয়ে বাটকুৰি বাই দুদিনৰ মূৰত বজ্ৰেশ্বৰ নিজৰ গাৱঁত সোমালগৈ। দিন-দুপৰত চাৰি-সজীয়া লঘোনত বজ্ৰেশ্বৰে নিজৰ ঘৰৰ ভেঁটিৰ ওপৰত আধাপোৰা খুঁটা-চতি আদি চাই তেওঁৰ ভোক-পিয়াহ জুৰাব লগীয়া হল। এখনমান তামোল খাবৰ পৰ চোতালতে চৰগ-পৰা মানুহৰ দৰে ঠৰ্ লাগি থাকি, বজ্ৰেশ্বৰে উদাস ভাবত এটি উন্মাদী হাঁহি মাৰিলে। হাঁহিলে, বজ্ৰেশ্বৰে আৰু সেই হাঁহিৰ বাগী মাৰ নিবাৰ নোৱাৰিলে। সোৱা-ঘৰৰ কেঁচিটোতে চাৰি পাক-মান ঘূৰি বজ্ৰেশ্বৰে এটা অৰ্দ্ধস্ফুট কেঁকোৰনি মাৰি উজনমুৱাকৈ দৌৰাচুটি মেলি কলৈ গৈছেগৈ কেৱে কব নোৱাৰে, নিজেও নাজানে গৈছে কলৈ।

# ২০। আধ্যা।

## মহামিলন,—বাঞ্ছাসিদ্ধি।

সেই দিনা লাহৰী আৰু বুঢ়া-বুঢ়ীক বিগত ঘটনাৰ বিস্ময়জনক উদ্‌ঘাটনৰ হেন্দোলনিৰ মাজত এৰি অহাৰ পাচত, সিবিলাকৰ বিষয়ে জানিবলৈ পাঠকৰ মনত উগুল-থুগুল লাগি আছে চাগৈ। লাহৰীয়ে সেই দিনা গোনেই একো তত্ ধৰিব নোৱাৰি অলপ পৰ তধা লাগি চাই আছিল। কিন্তু স্বৰূপ কথা আৰু বেচি পৰ ঢাক খাই নাথাকিল; লাহৰীয়ে বেচ্‌কৈ বুজি উঠিলে যে, তেতিয়া তেওঁ প্ৰাণৰ প্ৰাণ কমলৰ অতি চেনেহৰ আইতাক আৰু দেউতাকৰ বুকুত! সেই ভাব অনুভৱ কৰা মাত্ৰকে আনন্দ-বেজাৰৰ উগুল-থুগুলনিয়ে লাহৰীক কঁপাবলৈ ধৰিলে। শান্তিৰাম গোহাঞি-বৰুৱাই চেনেহী লাহৰীক আচৰিত ভাৱে চাই থাকি, কঁপিবৰ দেখি, যেতিয়া আঁকোৱাল মাৰি বুকুত লবলৈ হাত মেলিলে, তেতিয়া লাহৰীৰ আনন্দৰ লগত মিহলি হৈ থকা বেজাৰৰ ঠাইত লাজে থিত ললেহি; তেওঁ মাহি-মুহাকৈ পিচ হোঁহকা মাৰি আঁতৰ হৈ ভিতৰ সোমালগৈ। ইফালে কমলৰ আইতাকে অলপ ধৈৰ্য্য ধৰি লাহৰীৰ মুখে শুনা সমুদায় বৃত্তান্ত তেওঁৰ স্বামী ডাঙৰীয়াক ভাঙ্গি কলে। শুনি শুনি শান্তিৰাম গোহাঞি-বৰুৱাই লাহৰী হেন বোৱাৰী লাভৰ সুখ অনুভৱ কৰি এটি মিচিকিয়া হাঁহি মাৰি গুণিবলৈ ধৰিলে। তাৰ পাচৰপৰা লাহৰীয়ে বুঢ়ীৰ আগতো আগৰ দৰে মুকলিমুৰীয়াকৈ কথা পাতিবলৈ লাজ কৰিবলৈ ধৰিলে। এই দৰেই কেদিনমান গল। বুঢ়া-বুঢ়ীৰে সৈতে লাহৰীৰ আন্তৰিক সম্বন্ধ স্বভাৱতে দৃঢ়তৰ হৈ

আহিবলৈ ধৰিলে। বুঢ়া-বুঢ়ীয়েও লাহৰীক পাই যেন হাতত মমম হেৰোৱা পুতেকক আকৌ পালে, এনে ভাবিলে; আৰু দিনক-দিনে লাহৰীৰ প্ৰতি সিবিলাকৰ আন্তৰিক মায়া-মোহ বাঢ়িবলৈ ধৰিলে।

এনে অপাৰ আনন্দত বিভোল হৈ বুঢ়া-বুঢ়ী আৰু লীলাময়ী লাহৰীয়ে পৃথিবীতে স্বৰ্গ-সুখ ভুঞ্জি আৰু এমাহ কটালে। সেই আনন্দ অপ্ৰতুল কৰিছিল মাথোন কমল আৰু লাহৰীৰ আইতাক-দেউতাক সকলোটিৰ সম্মিলনৰ অভাৱে। সেই কাৰণে, তিনিওৰে ইচ্ছাসোঁতে এক্কে সোঁতা হৈ সিবিলাকৰ মহানন্দ অপূৰ্ণ কৰা বাকী তিনি প্ৰাণীক বিচাৰি যাবলৈ ঢাল খালে। কমলৰ আইতাকে পোন্-প্ৰথমেই প্ৰস্তাৱটি আগ বঢ়ালে; আৰু কমলৰ দেউতাকে ততালিকে সমৰ্থন কৰিলে; শেহত লাহৰীৰ অনুমোদনেৰে সৈতে সেই প্ৰস্তাৱ গৃহীত হল। যথাসময়ত সকলো আয়োজন কৰি লৈ, ঘৰৰ লগুৱা ছুটা, লিগিৰী এজনী আৰু গাৱঁৰ চুবুৰীয়া দুজনমান মানুহ লগত লৈ সিবিলাকে পামপুৰলৈ যাত্ৰা কৰিলে। আহিবৰ সময়ত ঘৰত লৰা-তিৰোতা-লগা লগুৱা এটাক বয়-বস্তু ভালকৈ গতাই দি অহা হল। সিবাৰৰ দুৰ্ঘটনা ঘটিবৰেপৰা বুঢ়া-বুঢ়ীয়ে আজি হে আকৌ নাৱত উঠিবলগীয়া হৈছে। এই বাৰ গোহাঞি-বৰুৱা ডাঙৰীয়াই বৰলৈ পাৰ হবলৈ বুলি নাৱত ভৰি দিয়াৰ আগতে সকলোকে সতৰ্ক কৰি দিছিল; আৰু নিজেও বিশেষ সাৱধানে আছিল; বিশেষকৈ, লাহৰীৰ ওপৰত তেওঁ বৰকৈ চকু ৰাখিছিল। তথাপি, বৰলৈৰ মাজ পাওঁতে বৰুৱানীৰ গা কঁপি উঠিল, বৰুৱাৰো মন-প্ৰাণ অস্থিৰ হৈ পৰিছিল। নাৱৰীয়াহঁতে সিবিলাকৰ মনৰ অৱস্থা বুজিব পাৰি, কোৱাকুৰিকৈ নাও বাই, সকলোটিকে নিৰ্ব্বিঘ্নে সিপাৰত তুলি দিলেহি।

আগবঢ়াই থবলৈ যোৱা চুবুৰীয়া মানুহ সকলোটি বৰলৈৰ ইপাৰৰপৰাই উভতিল। লাহৰী আৰু বুঢ়া-বুঢ়ী প্ৰমুখ্যে উজনপৰীয়া হোৱা দলে মানুহক সুধি সুধি উজনিৰ ন-জনীয়া বিৰাসকলে ন-কৈ পজা পামপুৰলৈ বাট ললে।

বাটে বাটে আনন্দৰ কথা-বাৰ্ত্তা পাতি যাওঁতে যাওঁতে সিবিলাক পামপুৰ সোমালগৈ। আৰু দুঘৰ-তিনিঘৰ পাৰ হৈ অলপ বাট যাওঁতেই কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ কাষে ঘূৰিবলগীয়া বাটৰ পাকটো পোৱা গল। সেই খিনিত ভৰি দিওঁতে লাহৰীৰ গোটেই গাত কি যে এক হৰ্ষ-বিষাদৰ পিৰ্‌পিৰণি উঠিছিল, তাক কথাৰে ফুটাই কৰলৈ টান। লাহৰীয়ে মাটিত ভৰি পেলাইছে আৰু কিবা এক শক্তিয়ে যেন লাচতে তেওঁৰ খোজ তুলি তুলি দিছে! বাস্তৱতে, আজি কীৰ্ত্তিনাথ গোহাঞিৰ পদূলিৰ শোভা দেখিলে বেজাৰত জঠৰ হোৱা মানুহৰ গাতো আনন্দৰ পিৰ্‌পিৰণি উঠে! সবাৰৱে আগত বাট দেখুৱা মানুহ এটি, তাৰ পাচত শান্তিৰাম গোহাঞি-বৰুৱা, তেওঁৰ পাচত তেওঁৰ ভাৰ্য্যা, তেওঁৰ পাচতে তেওঁবিলাকৰ ভাবী-বোৱাৰী লাহৰী, তেওঁৰ পাচত লিগিৰীজনী, সকলোৰে পাচত লগৰীয়া লগুৱা আৰু ভাৰী দুটাই লানী পাতি পদূলি গুৰনি কৰি সোমাইছেগৈ। কীৰ্ত্তিনাথ গোহাঞি বাজ-চ'ৰাতে কমলক কাষত বহুৱাই লৈ বহি কথা পাতি আছিল; এনেতে আলহীসকল চাপি আগতে থিয় দিলেগৈ। কীৰ্ত্তিনাথ গোহাঞি-ফুকনে তধা লাগি চিনোঁ চিনোঁ ভাৱেৰে শান্তিৰাম গোহাঞিবৰুৱাৰ মুখলৈ চায়ে বল; কমলেও সপোনেই নে দিঠকেই তত ধৰিব নোৱাৰি বিস্ময় মানি চাবলৈ ধৰিলে। কিন্তু, পিচ মুহূৰ্ত্ততে "ঔ, আইতাঔ, মোৰ দেউতাঔ, লাহৰীঔ" বুলি কমলে আইতাক আৰু দেউতাকৰ পাৱত আকোঁৱাল মাৰি ধৰিলে গৈ; ইফালে উভলি-পৰা কল-পুলিটিৰ দৰে আকুল হৈ লাহৰী নিজৰ দেউতাকৰ পাৱত পৰিলহি! এই দৰে দুই ঘোৰাৰে হেঁপাহৰ আন্দোলনিত কোচাল লাগি উঠিল; এনেতে ভিতৰত লাহৰীৰ আইতাকে তাৰ গম্ পালে। 'লাহৰী' নাম তেওঁৰ কাণত পৰা মাত্ৰকে তেওঁ সকলো পাহৰি হাতৰ কাম হাততে লৈ অলপ পৰ তধা মাৰি বল। তাৰ পাচত, "ঔ, সঁচাকৈয়ে মোৰ আই ওলাইছেহি নে ঔ?" বুলি উৰি যোৱা দি গৈ, তেওঁ লাহৰী আৰু দেউতাকৰ মাজত সোমাই বিস্ময়জনক আনন্দৰ চিঞৰেৰে

থলক্ লগাবলৈ ধৰিলে। তাৰ পাচত, কীৰ্ত্তিনাথ গোহাঞি-ফুকন আৰু শান্তিৰাম গোহাঞি-বৰুৱাই ধৈৰ্য্য ধৰি, মাক-জীয়েক আৰু মাক-পুতেকক আলিঙ্গনৰ হেঁপাহ গুচাবলৈ এৰি দি, দুয়ো সাদৰৰ আলিঙ্গন বিনিমিলিত ধৰিলে! এই মহা আনন্দৰ ঢৌ অলপ মাৰ নিয়াই লাহৰীৰ আইতাকেও কমলৰ আইতাকক আকোঁৱাল মাৰি ধৰি আদৰেৰে সৈতে ভিতৰলৈ লৈ গল। ইতিমধ্যতে লাহৰী কমলেও চকুৱে-চকুৱে পুনৰ্ম্মিলনৰ আন্তৰিক আলিঙ্গন জনাই লাজৰ ঢাকনি পিন্ধি মুহূৰ্ত্তৰ ভিতৰতে দুয়ো দুফালে হিয়াকাটিলে। কীৰ্ত্তিনাথ গোহাঞি-ফুকনে আগৰ পুৰণি বন্ধু শান্তিৰাম গোহাঞি বৰুৱাক লগ পাই পৰম প্ৰীতি লাভ কৰিলে। তেওঁ অতি আদৰেৰে গোহাঞি-বৰুৱাক একাসনতে বহুৱাই লৈ আনন্দৰ আলাপ কৰিবলৈ ধৰিলে। ভিতৰত সিফালে দুই আইতাকৰ আনন্দৰ সীমা নোহোৱা হল। এগৰাকীয়ে কয়, "মোৰ নহয়, আপোনাৰ হে জীয়েক", ইগৰাকীয়ে সমিধান দিয়ে "মোৰ নহয়, আপোনাৰ হে পুতেক"! এই দৰেই দুইবো সঘন আলিঙ্গনত বুকুনী ৰব আনন্দৰ চমকনিত চকমকাই জলি উঠিল। এই ভাবে বহুপৰৰ পাচত, দুয়ো মহা আনন্দৰ মেল পাতিবলৈ বহিলে। ইফালে লাহৰীয়ে ইবিলাকৰ আনন্দৰ উতলনিতে এৰি, তেওঁৰ মৰমৰ আহিনী বাইক বিচাৰি সলেগৈ। আহিনীৰ মুখত কথা নুফুটে! এহাতে আনন্দৰ চকু-লো বয়ে, ইহাতেৰে লাহৰীক আকোঁৱাল মাৰি ধৰি, তাই এতিয়া নেৰে! লাহৰীয়ে মৰমৰ বুজনিৰে আহিনীৰ চেনেহৰ বান্ধনী সৰকেকলৈ এৰাই, একেলৰে তেওঁৰ হেঁপাহৰ ফুলনিত সোমালে গৈ। সোমাই, প্ৰত্যেক জুপি ফুলৰ ওচৰলৈকে গৈ তেওঁ দেখে, সেখোন এজুপি ফুলবো এপাহীও ফুলা নাই! কমলৰ বয়-পানীত ফুল আটাইকেইওজুপি জীয়াই আছে হয়, কিন্তু লাহৰীৰ বিয়োগ-বেজাৰত যেন আটাইকেইটি ম্লান পৰি হতুলাই আছে! লাহৰীয়ে মৰমৰ লগা-হোৱালীৰ মৰম-ভুলনি নিয়াৰ দৰে প্ৰত্যেক জুপি ফুলকে সাৰি-চাৰি আদৰ কৰিবলৈ

ধৰিলে। এনে সময়তে, পুনৰোদয়ত সূৰ্য্যৰ ভুমুকনিৰ দৰে ফুলনিৰ পূব চুকেদি কমলে দেখা দিলেহি। সেই ছেগতে, লাহৰীয়ে লৰি গৈ কমলক সাবটি ধৰি, মিলনৰ এটি হেঁপাহ-ভৰা চেপা দি তেওঁৰ মুখলৈ চাই আধাভঙ্গা মাতেৰে সম্বোধন কৰিলে "প্ৰাণনাথ!"—কমলেও লাহৰীৰ জেটুলীপকা যেন ৰঙ্গা ওঁঠটিত দুটি আঙ্গুলিৰে চেনেহৰ চেপা এটি দি সমিধান দিলে, "প্ৰিয়া"! এনে অৱস্থাতে, লাহৰীক কন্তেকলৈ নেদেখি আতুৰা হোৱা আহিনী বাই আহি উপস্থিত! কমলে তাইক দেখা মাত্ৰকে লাহৰীক তাতে এৰি তাৰপৰা বিজুলী-চমকনিৰে ছুঁয়া কাটিলে। লাহৰীয়ে "কি বাই, কি লাগে?" এই বুলি মিৰ্চিকি মিচিকি হাঁহিবলৈ ধৰিলে। এইবাৰ কমলে লোকে দেখাৰ ভয়ত চঁকি পলোৱা নাই,—তেওঁক লাজৰ টানে হে নিলগাই নিলে। এইবাৰ লাহৰীয়েও শোকৰ খুন্দাত ভগা-ভগা মাতেৰে কমলক সম্বোধন ধৰা নাছিল,—আনন্দৰ ওপচনিয়ে হে তেওঁৰ হিয়া-ভৰা ভাবক ভেটি ধৰি মাত ভগা-ভগা কৰিছিল!

"লাহৰী আকৌ ঘৰত ওলাইছেহি" এই সুখৰ বাতৰি কন্তেকৰ ভিতৰতে পামপুৰৰ ইমুৰৰপৰা সিমুৰলৈকে বিয়াপি পৰিল। যেয়ে যতে যি কৰিছিল, সেয়ে হাতৰ কাম-বন তাতে পেলাই থৈ কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰৰ মুখে পখিলা-উৰা দি উৰিবলৈ ধৰিলে; ডেৰঘণ্টামানৰ ভিতৰতে গোটেই পামপুৰৰ গঞা উবুৰি খাই পৰিলহি। কীৰ্ত্তিনাথ গোহাঞিৰ ঘৰত বাজে-ভিতৰে মানুহৰ মাজত বিৰ দি বাট পাবলৈ নোহোৱা হল। তাৰ পাচত বিষয়াসকল আহি উপস্থিত। সিবিলাকে শান্তিৰাম গোহাঞি-বৰুৱাক বহু-দিনৰ হেৰোৱা আদৰৰ ধন পোৱা দি পাই আনন্দত সকলোটিয়ে তেওঁৰে সৈতে আলিঙ্গন সলনাসলনি কৰিবলৈ ধৰিলে। কন্তেকৰ নিমিত্তে পামপুৰ আকৌ আনন্দৰ ৰম্যপুৰি আৰু শান্তিধাম যেন হৈ উঠিল। বিষয়াসকলৰ মাজত কমলৰ ধৰ্ম্মপিতৃ ৰঙ্গৰাম গোহাঞি-ফুকনো আছিল। কীৰ্ত্তিনাথ গোহাঞি ফুকনে

আদ্যোপান্ত ভাঙি কৈ, কৃষ্ণৰাম গোহাঞি-ফুকনক দেঁখুৱাই দিয়াত, শান্তিৰাম গোহাঞি-বৰুৱাই অতি কৃতজ্ঞ অন্তৰেৰে তেওঁক আলিঙ্গন কৰিলে। কৃষ্ণৰাম গোহাঞি ফুকনেও সেই আনন্দত উতলি আহি হে তেওঁৰ প্ৰকৃত চিনাকি দিলে, তেওঁ খাৰঘৰীয়া গোহাঞি ফুকনৰ ঘৰৰ বংশধৰ বুলি; পোন্‌-প্ৰথম মান-ভগনৰ দিনতে তেওঁ সপৰিয়ালে ভাগি আহি, ন-পমুৱা বিষয়াবৰ্গৰ আগেয়েই, সেই ঠাইত থিতাপি লৈ আছিল। বিষয়াসকলে তেওঁৰ আঁতি-গুৰিৰ প্ৰকৃত কথা জানিবলৈ পাই আকৌ এক নতুন আনন্দৰ ঢৌ তুলি দিলে। একে ঘৰেই ভিতৰতো বিষয়ানাসকলৰে নৈতে দুই আইতাকৰ আলাপ-পৰিচয়ত আনন্দৰ সীমা নোহোৱা হল। সেই একে ঘৰেই সকলোৱে নিজ নিজ কামলৈ পাহৰি কীৰ্তিনাথ গোহাঞিৰ ঘৰতে সন্ধিয়ালৈকে বিহোল হৈ থাকি, ৰাতি হে ঘৰাঘৰি হল। কীৰ্তিনাথ গোহাঞি ফুকনে তাৰ পাচত মহা আয়োজনেৰে মিত্ৰ-ভোজন কৰাই পৰম সন্তোষ লাভ কৰিলে; আৰু ৰাতিটোৰ নিমিত্তে সকলোটিয়ে সপোনত স্বৰ্গসুখ ভুঞ্জি নিদ্ৰাদেৱীৰ কোলাত বিশ্ৰাম ললেগৈ।

এপৰমানলৈকে এই মিলনৰ আনন্দৰ ঢৌ মাৰ যোৱা নাই। প্ৰত্যেক দিনে বিষয়াসকল চাপি কীৰ্তিনাথ গোহাঞি ফুকনৰ চ'ৰাত বহি মেল পাতেহি। শান্তিৰাম গোহাঞি-বৰুৱাই নিজৰ জীৱনৰ ঘটনাৱলী দিনৌ বৰ্ণাবলৈ ধৰিলে। তিতৰৰ কালৰ বিষয়ে নকলেও হয়; যি তিৰোতা সমাজৰ মেলৰ পৰ্‌-পতি কেতিয়াবা পাই থৈছে, তেওঁ কমলৰ আইতাক আৰু দেউতাকে ৰৰলৈৰ বুকৰপৰা কেনে আচৰিত ভাৱে উদ্ধাৰ পালে তাৰ বৰ্ণনা অনুভৱতে উপভোগ কৰিব পাৰিব; তাকে পাবলৈ তিৰোতাসকলে একাগ্ৰচিত্তৰ মনোযোগ দি শুনিবলৈ ধৰিলে। এই ঘৰেই আৰু এপৰমান যাব লগা হৈছিহি। নিদানতে, বিষয়াসকলে পুনৰ মিলি শান্তিৰাম গোহাঞি-বৰুৱাক নিৰ্বিবাদৰ পাকদুৱাতে বিতাপিত হবৰ কাৰণ প্ৰস্তাৱ কৰিলে। গোহাঞি-বৰুৱা

ভাণ্ডৰীয়াই, বুঢ়া কালত পতা সিখন ঘৰৰ মোহ এৰিব নোৱাৰি পোনতে মাস্তি হবলৈ টান পাইছিল। কিন্তু, সমান মিত্র আৰু জ্ঞাতি-কুটুম্বৰ লগ-সঙ্গৰ আশাই তেওঁৰ সেই মায়া-মোহ জিনি পেলালে। বিষয়াসকলে, বিশেষকৈ কীৰ্ত্তিনাথ আৰু কৃষ্ণৰাম গোহাঞি-ফুকনদ্বয়ে টানি ধৰাত তেওঁ নতুনকৈ পতা ঘৰ তুলি আনি পামপুৰতে নিগাজীকৈ ঘৰ পাতিবলৈ স্থিৰ কৰিলে। অহঃ, সেই সুখৰ সিদ্ধান্তটিয়ে লাহৰী-কমলৰ অন্তৰত কি যে মৌ-বৰষাইছিল! ঘৰ নো কি তুলি আনিব, বিষয়াসকলে গোহাঞি বৰুৱাৰ সেই ন-পমুৱা ঘৰত এৰি অহা লৰা-তিৰোতা-লগা লগুৱাটোৰে সৈতে বয়-বস্তু অনাই সিবিলাকৰ মাজতে এখন আহল-বহল বাৰীত তেওঁক নিয়মীয়াকৈ বিষয়াৰ যোগ্য ঘৰ-বাৰী যুগুত কৰি দিলে। শান্তিৰাম গোহাঞি-বৰুৱায়ো পুত্র-পৰিয়ালবে সৈতে মহাসুখে নতুন ঘৰ-বাৰীত বাস কৰিবলৈ ধৰিলে। কিন্তু, কমলৰ হলে তেতিয়াও দুখন ঘৰ; তেওঁ, যেতিয়াই মন যায়, কৃষ্ণৰাম গোহাঞি-ফুকনৰ ঘৰতো আগৰ দৰেই থাকেগৈ।

শান্তিৰাম গোহাঞি-বৰুৱাই নতুন ঘৰ-বাৰী পাতি সুখেৰে বাস কৰি থকাও ভালেমান দিন হল। ইয়াৰ ভিতৰত লাহৰী-কমলৰ বিয়া সম্বন্ধীয় কথা ঘৰে-ঘৰে সদায় কোৱা-মেলা হৈয়ে থাকে; তথাপি দেশাচাৰ মতে খোজা-বচা আদি হোৱা নাই এথোন। পিছে, এদিন কৃষ্ণৰাম গোহাঞি-ফুকনে শান্তিৰাম গোহাঞি-বৰুৱাৰ চ'ৰাত জনচাৰেক বিষয়াৰে সৈতে বহি থাকোঁতে ছেগ বুজি লাহেকৈ প্রস্তাৱটি তুলিলে। বিষয়া কেইজনেও পাহৰি থকা কথা মনত পেলাই দিয়াৰ দৰে হে ভাবিলে। সিবিলাকে তেতিয়াই স্থিৰ কৰিলে যে, দুই-চাৰি দিনৰ ভিতৰতে কন্যাৰ ঘৰত শৰাই পেলোৱাগৈ হওক; আৰু, অহা ফাগুন মাহতে বিয়াৰ শুভদিন স্থিৰ কৰা যাওক। তালৈকো সৰহ দিন নাই; মাজতে মাঘ মাহটো মাথোন আছে। পিছে, যথাসময়ত কৃষ্ণৰাম গোহাঞি ফুকন আৰু শান্তিৰাম গোহাঞি-বৰুৱাই বিষয়াসকলক লগাই লৈ

কীৰ্ত্তিনাথ গোহাঞিৰ চ'ৰাত জোৰালী খুজিবলৈ বহিলহি। বাহিৰে-ভিতৰে আনন্দত ঠাই নাই; কীৰ্ত্তিনাথ গোহাঞি আৰু তেওঁৰ মৰমৰ ভাৰ্য্যাই আনন্দৰ মিচিকিয়া হাঁহি সামৰিব পৰা নাই। মানুহক বন দিহাঁ ফুৰোঁতেও মাজে-সময়ে অৰ্থশূন্য হাঁহি মাৰি সিবিলাক ধৰা পৰিছে! কিন্তু পাঠক, সেই সময়ত সেই আনন্দৰ ঢৌ আমাৰ লাহৰী-কমলৰ হিয়াত কি দৰে খেলাইছিল, অনুমানত এবাৰ অনুভৱ কৰি চাওক। হায়, সেইদিন, আৰু এইদিন! সেইবাৰ জোৰালী খুজিবলৈ অহাত লাহৰীৰ অৱস্থা; আৰু আজি তিৰোতাৰ সমাজত লাহৰী!—আকাশ আৰু পোহৰৰ বিজনি! খোজা-বচাৰ ফল কি ধৰিল, আমি নৌ কওঁতেই পাঠকসকলে বুজিছেই; এতেকে তাক বৰ্ণাবৰ সকাম নাই।

ফাগুণ মাহ পালেহি। বসন্তৰ উলাহত প্ৰকৃতি দেৱীয়ে মোহিনী সাজেৰে গা দেখা' দিলেহি। বিৰ্ বিৰ্ কৈ মলয়া বতাহে প্ৰেমিক প্ৰেমিকাৰ কাণে কাণে মধু-মিলনৰ শুভ বাতৰি বিলাবলৈ ধৰিলে। গতিকে, আমাৰ পুৰণি চিনাকী প্ৰেমিক-প্ৰেমিকাৰো হিয়াৰ ভাৰ হৃদয়-কটকীৰ জৰীয়তেই দিয়া-দিয়ি হল। ঘৰে-বাহিৰে সকলোৰে মন-প্ৰাণ বিয়াৰ বতাহে অলপ অচৰপকৈ নচুৱাবলৈ ধৰিলে। 'লাহৰী আইদেউৰ বিয়া চাপিছে' এই ভাবত ঘৰে ঘৰে লৰা, ডেকা, বুঢ়া, বুঢ়ি, তিৰোতা, জীয়াৰী, বোৱাৰী, ডুবীয়া, মুধীয়া, সক, ডাঙৰ, বিয়ৈ, বিয়নী সকলোৰে মন উলাহত নাচিবলৈ ধৰিলে। বহু দূৰণিবপৰাও সগ্ৰা বন্ধু সকলে সুবী-সুবী অভ্যাসে যেয়ে যি পাৰিছিল একোখন বিয়া-ভাৰ-ভৈঁটাবেৰেসৈতে বিয়াৰ যো-বা কৰি দি, বিয়াৰ্থীয়া ডুৱৰক উপৰাচি সহায় কৰিবলৈ ধৰিলে। বিয়াসকলে বিশেষকৈ ধ্বাৰ ধৰত সহায় কৰিবলৈ মন কৰিলে। এনেতে, এখোৰা তামোল, এদুখা পাণ, একাধি বালতোপ কল, একোৰ কেৰিভঙ্গ, এটেকেলি দৈ, এটোম কোমল চাউলৰ ভাৰ এখনৰে সৈতে আনন্দীয়া সগ্ৰা এটি বৰাবৰত উপস্থিত হলহি; বাৰলগা

ভাবথন নমোৱা মাত্ৰকে কমলে উধাতু খাই লৰি গৈ মানুহটিক সবামাৰি ধৰিলে! শান্তিৰাম গোহাঞি বৰুৱা তধা লাগিল! গোহাঞি-বৰুৱানীয়েও বুলনীৰপৰাই চাই বিস্ময় মানিলে!—কিয়? সেইটি নো কোন্?—সেইটি আন নহয়, সেই নাও বুৰি তল যোৱা ভোগৰাম লিগিৰা! সি এতিয়া এটি গহপুৰীয়া গঞা। এই দৰেই বিয়াৰ চাৰি-পাঁচ দিনৰ আগতে দুয়ো ঘৰত সকলো আয়োজন যুগুত হৈ উঠিল। বিয়াৰ দিন যিমানেই চাপি আহিল, গাৱঁৰ মানুহৰ গা-মন উলাহত সিমান বেচিকৈ উৎফুলীকৃত হবলৈ ধৰিলে। যথাসময়ত শুভ-বিয়াৰ উৎসৱ আৰম্ভ হল। মহা আড়ম্বৰ আৰু ধুম্‌ধামেৰে পামপুৰৰ মানুহৰ অতি হেঁপাহৰ সাদিনীয়া বিয়াৰ শুভকাৰ্য্য নিৰাপদে সম্পাদিত হল। আজি ইমান দিনে অনেক লীলা-খেলা দেখুৱাই লীলাময় পৰমেশ্বৰে লাহৰী-কমলৰো বহুদিনৰ মনোবাঞ্ছা সিদ্ধি কৰিলে। লাহৰী-কমলেও সেই দীনবন্ধু দয়াময় পৰমেশ্বৰৰ অভয়-চৰণত তেওঁবিলাকৰ একান্ত ভক্তি গাঢ়তৰ কৰি মহাসুখেৰে দিন নিয়াবলৈ ধৰিলে।

পামপুৰৰ সেই মহোৎসৱৰ আনন্দৰ ঢৌ লাহৰী-কমলৰ শুভ-বিয়া সম্পাদন হৈ যোৱাৰ বছেৰেকৰ পাচলৈকো পামপুৰীয়া সুখী-দুখী আৰু বিষয়া-সকলৰ হিয়াত মাৰ যোৱা নাছিল। এনে আনন্দৰ বুৰবুৰণিৰ মাজে দি লাহৰী-কমলৰ পৱিত্ৰ দাম্পত্য সুখৰ সোঁত নিৰুদ্বেগে বৰলৈ ধৰিলে। দুপৰ-সুৰুজৰ দকৃমকীয়া কিৰণৰ দৰে সিবিলাকৰ নৱ সংসাৰৰ পুণ্যপ্ৰভা দকৃমকাই উঠিল। লাহৰী-কমল এতিয়া মিলন-মালা পিন্ধি আপোন-পাহৰা পৱিত্ৰ ভাবত বিভোল! মাজে মাজে মাথোন লাজে সেই সৰল প্ৰাণী দুটিক মনমোহা সাজেৰে সজাই সিবিলাকৰ মিলন-জ্যোতিৰ জেউতি চৰায়; পৰৰ সুখত অনুপম সুখ অনুভৱ কৰিব জনা পামপুৰৰ সৰল মানুহবিলাকে তাকে চাই অতুল সুখৰ অধিকাৰী হয়। সৰুৰেপৰা হাতত ধৰাধৰিকৈ উঠা, মনত পৰাৰেপৰা দুয়ো মুকলি মনেৰে মনোভাব সৰুৰা-সৰুৰি কৰি পৃথিৱীতে

স্বৰ্গৰাজ্য পতা, সৰল ভাৱত ডিঙি-ধৰাধৰিকৈ কৰুণ দৃষ্টিৰে লাজৰ পাখি কাটি মুকলিমূৰীয়াকৈ ফুৰা লাহৰী কমলৰ এতিয়া মানুহে দেখাকৈ দেখা-দেখি হলেও চকুত টাঁট্ মাৰে; মানুহৰ আগতে দুয়ো মনৰ ভাব সপাৰ লগা হলে চকু মুদ খাই যায়; হঠাৎ ওচৰা-উচৰি বা ভেঁটা-ভেঁটী হওঁতে কাপোৰৰ বা-লাগি যোৱা ধৰা পৰিলেও দুয়ো লাজত জঁয় পৰে! লাহৰীৰ আগত "দেউতাবাৰ ঘৰ" বুলিলে, তেওঁক কি যে এক আনন্দ-বেজাৰে ভেটি ধৰেহি তেওঁ কব নোৱাৰে, কিন্তু তেওঁৰ মুখৰ সঘন বৰণ-সলনিয়ে তাৰ চিনাকি দিয়ে। লাহৰীয়ে এতিয়াও তেওঁৰ মনমৰ ফুলনি বাৰীটো পাহৰিব পৰা নাই, এতিয়াও তেওঁ মাজে মাজে ছেগ বুজি একোপাকত চাই প্ৰাণ জুৰ কৰি আহেগৈ! কিন্তু, ঘৰৰ বা পৰৰ কোনোবাই তাত ধৰা পেলালে হে তেওঁ নিলাজী জুপিৰ দৰে সেই পোনেই জঁয় পৰি যায়! বিশেষকৈ, কেতিয়াবা তেনে অৱস্থাত কমলৰে সৈতে দেখা-দেখি হব লগাত পৰিলে, তেওঁ ওলমি-পৰা গোলাপৰ পাহীটিৰ দৰে লাজভৰা লাহৰী মুখখনি ওলমাই শুৱনি ফুলনিৰ চতুৰ্গুণে শোভা বঢ়ায়। তাকে চাই চাই সৰল প্ৰাণী ডালৰ কপৌ-কপৌৱনীয়েও প্ৰেমৰ বাগীত চকু পিৰিকিয়াই উঠে! বিষয়াসকলৰ কোনোবা এখৰৰ পোহনীয়া হৰিণাপুৱিয়ে ডিঙি ভঙা বেঁকা দৃষ্টিৰে তাকে চাই যেন অনুপম সুখত পমিয়েই যায়! গাভৰ চালুকীয়া লৰা-ছোৱালীয়ে লাহৰীক সেই অৱস্থাত লগ পাই সকলোৱে আনন্দত উখাও হৈ জঁপিয়াবলৈ ধৰে! সেহি! লাহৰী-কমল যেখোন কেনিও ওলাবই নোৱাৰা হল! যেনিয়েই চকু মেলে, সেই ফালকেপৰা কিবা অৰ্দ্ধস্ফুট মিহলি ভাবৰ চমকনিয়ে লাহৰী-কমলক চকুত চাই মাৰেহি। কিন্তু সেই বুলি লাহৰী-কমলৰ অশান্তি নে? সেই বুলি ৰং-চোৱা কপৌ-কপৌৱনী, হৰিণা-হৰিণী, লৰা-ছোৱালীৰ প্ৰতি সিহঁতৰ অন্তৰত বিৰক্তি ভাব ওপজে নে? লাহৰী-কমলে যেখোন বাহিৰত চকু মেলিব নোৱাৰে হলেও,

ভিতৰি তুয়ো সেই অজলা সৰল প্ৰাণীবোৰক ধৰি আনি বুকুত সুমাই লবলৈ হে মন কৰে। বাহিৰৰ জঞ্জালৰপৰা গা সৰাই লাহৰী-কমল যেতিয়া নিজান কুঁঠৰীৰ মিলন-পীৰাত বহি প্ৰেমালাপত মগ্ন হয়, তেতিয়া সিবিলাকে সেই সৰল প্ৰাণীবোৰৰ কথা, ফুলি ফুলি শলাগ লোৱা ফুল কেইপাহীৰ কথা, কেঁৰাকেঁৰিকৈ চকু দি সিবিলাকৰ লাজ বঢ়োৱা বোৱাৰী-জীয়াৰীসকলৰ কথাৰেই হে পৱিত্ৰ প্ৰেমালাপৰ পকনি তোলে! পুৰণি সোৱঁৰণীৰে সৈতে তুয়ো নিতৌ নতুন প্ৰেমভাৱৰ নৱ ৰস ওপচাই লয়! ইটিয়ে সিটিক তাহানিৰ চিঠিৰ কথা সোৱঁৰাই চেনেহৰ লাজ দিয়া-দিয়ি কৰে! যতনেৰে সাঁচি থোৱা চিঠিৰ একোখনি উলিয়াই ইটিয়ে সিটিক ধৰা পেলোৱা-পেলুই কৰে! বিপদৰ সময়ত তুইকো তুয়ো বুজনি দিয়া-দিয়ি কৰা কথা উলিয়াই আনন্দৰ বাগী চৰায়! কমলক ধৰি নিয়া দেখি লাহৰীয়ে বিপদত জাঁপ দিয়া আৰু লাহৰীৰ নিমিত্তেই কমলে মানইতৰ গঁতা-খোঁকটা খাই আধামৰা হোৱাৰ সোৱঁৰণীয়ে মাথোন কন্তেকৰ নিমিত্তে অন্তৰৰ তপত ভাব জেকা কৰে; মানৰ হাত এৰাই পলাওঁতে বাটত লাহৰীৰ গাৰ দুৰ্গতিৰ বৰ্ণনা আৰু ইকালে ধৈৰ্য্যতাৰ আধাৰ স্বৰূপ কমলৰ বাতুল অৱস্থাৰ বিষয় উত্থকিয়নিৰ বেজাৰ-সোৱঁৰণীৰে প্ৰেমালাপত উতলি তৰল হোৱা প্ৰেমৰস আগতকৈও ডাঠ্ হয়। এই দৰেই লাহৰী-কমলৰ সুদিনৰ সোঁত গম্ ধৰিব নোৱাৰাকৈ বৈ-বৈ যাবলৈ ধৰিলে।

পামপুৰৰ সেই শুভ-বিয়া সম্পাদন হৈ যোৱাৰপৰা পাঁচ বছৰ পাৰ হৈ গল। ইয়াৰ ভিতৰত নৱ দম্পতীৰ সুখ-সম্ভোগ আৰু পৱিত্ৰ মিলনত বিৰিঙি উঠা প্ৰেম-পৰিচয়ৰ বিষয়ে অনেক, অলেখ কথা কবলৈ থাকিল। থাকিল থাওক, তাক অনুমানত লবলৈকে থোৱা হল। এই দম্পতীৰ পূৰ্ব্বৰাগৰ চিত্ৰেৰে বিজাই, এই হোৱাৰ মনে-পৰা এটি চিত্ৰ চাবে পাঠকে মন পতিয়াওক। যোৱা পাঁচ বছৰৰ আনন্দময় সংসাৰৰ শুভ-ফল ভুঞ্জি

জাহ্নবী-কমল আৰু সিবিলাকৰ মৰমৰ পিতৃ-মাতৃ সদায় আনন্দত আমোদ-পাহবা! আৰু, তাৰ ফল স্বৰূপ, তেতিয়া জাহ্নবীৰ কোলাত এটি বহেবেকীয়া চালুকীয়া পুত্ৰধন আৰু কমলৰ কোলাত তিনি-বছৰীয়া এটি কন্যাৰত্ন। ছোৱালীটি লৰি ফুৰে, কথা কব পৰাও হৈছে। ঘৰৰ সকলোৱে ছোৱালীটিক 'মইনি' বুলি মাতে। মইনিয়ে বাহিৰত উমলি থাকোঁতে যি দেখে, যি শুনে সকলো আইতাকৰ আগত বৰ্ণায়হি। এই দৰে সুখৰ দিন বৈ-বৈ গৈছে। এনেতে, এদিন শান্তিবাম গোহাঞি-বৰুৱাৰ চোতালত এটা চেবাবলিয়া ধঁচীয়া বৰাগীয়ে লাউ-টোকাৰি বাই হাঁহি-কিৰিলিৰে নাচোন ধৰিলেহি। মইনিয়ে দেখিয়েই ভিতৰলৈ লৰি সোমাই আনন্দত উধাও হৈ, এহাতে দেউতাক আৰু ইহাতে আইতাকক আঙুলিত ধৰি বাহিৰলৈ টানি আনিলেগৈ। বলিয়া বৰাগীয়ে মূৰ জোকাৰি টোকাৰি বায় আৰু যোঁৱাৰ দৰে চেক্‌চেকাই অৰ্দ্ধশূন্য হাঁহি মাৰে! জাহ্নবী-কমলে অলপ পৰ মন পাৰি চাই চিনিলে, সেহি, সেইটি তাহানিৰ বন্ধেৰৰ ধুনীয়া ভেকা! তাৰ পিচমুহূৰ্ত্তৰপৰা সেই বলিয়া বৰাগী কোন্‌কালে কলৈ গলগৈ কেৱে কব নোৱাৰে।

# ২১। আধ্যা।

## শান্তিপুৰ।

লাহৰী-হৰণ আপদীয়া ঘটনাই পামপুৰৰ শ্ৰী হঠাৎ বিশ্ৰী কৰি পেলাইছিল। সদৌ গঞাৰ মনত আকৌ 'মানৰ দিনৰ' ভয়াবহ ভাবে অযাচিতে থিত লৈছিল। মানুহৰ মনত উলাহ নাই, কাম-বনত ৰাপ্ নাই, কোনোমতে পেটে-ভাতে জীবিকা লৈ জীৱন ধৰিছিল। ফলত, পামপুৰৰ বাহিক দৃশ্যও ক্ৰমাৎ মৰামুৱা হৈ আহিছিল। সেইদৰেই বিষাদী পামপুৰৰ ভালেমান দিন পাৰ হৈছিল। কিন্তু, পামপুৰৰ জেউতি জঁয় পৰিছিল বুলিও, সি সমূলে নাশ পাবলৈ নহল, লাহৰীৰ পুনৰুদ্ধাৰৰ ফলস্বৰূপ সেই অদ্ভুত মহামিলনে পামপুৰৰ পূৰ্ব্বৰ জেউতি পুনৰপি বাহিৰে-ভিতৰে চৰাই আনিলে। গঞাৰ মনত আকৌ উলাহ আৰু কাম-বনলৈ ৰাপ্ বাঢ়ি আহিল। ফলত, ন-পমুৱা বিষয়াসকলৰ পামপুৰ নগৰ সুখ-শান্তি আৰু ঐশ্বৰ্য্য-বিভূতিৰে সৈতে আগতকৈও টনকিয়াল হৈ উঠিবলৈ ধৰিলে। দৈহিক, নৈতিক, আৰ্থিক, সামাজিক, শিক্ষা, শিল্প, বাণিজ্যাদিৰ উন্নতিয়ে ৰাইজৰ সুখ-সমৃদ্ধি বঢ়াই পামপুৰৰ ক্ৰমাৎ শ্ৰীবৃদ্ধি কৰি আনিলে।

শান্তিৰাম গোহাঞি বৰুৱা এজন বৰ শিক্ষা-অনুৰাগী পুৰুষ আছিল। উচ্চশিক্ষা বিস্তাৰলৈ তেওঁৰ বৰ ধাউতি। বিয়েয়াক কীৰ্ত্তিনাথ গোহাঞি-ফুকনো এজন বিদ্যোৎসাহী লোক ; পামপুৰ নগৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে তেওঁ পোন্-প্ৰথমতে এটি পঢ়াশালি পাতি দি, লৰা-ছোৱালীৰ লিখা-পঢ়া শিক্ষাৰ বাট মোকলাই দিয়াৰ কথা ইতিপূৰ্ব্বতে উল্লেখ কৰা হৈছে। এতিয়া, গোহাঞি-বৰুৱাই তাতে খোপনি-পিটি লৈ এই ন-নগৰত উচ্চশিক্ষা

বিস্তাৰ কৰিবলৈ মন মেলিলে। তেওঁ লগৰীয়া বিষয়াবৰ্গৰ লগত আলোচনা কৰি, আগৰ সেই পঢ়াশালিটিক উচ্চশ্ৰেণীলৈ তুলিবলৈ দিহা লগালে। তন্মধ্যে, তেওঁ দক্ষিণপাৰবাসী শ্ৰীবেশ্বৰ শৰ্ম্মা-বৰুৱা নামেৰে আহোম ৰজাদিনীয়া বিষয়া-বংশধৰ উচ্চশিক্ষিত সংস্কৃতজ্ঞ সুপণ্ডিত এজন অনাই সেই পঢ়াশালিৰ প্ৰধান শিক্ষক পাতি, তেওঁৰ তলে আৰু দুজন শিক্ষক নিযুক্ত কৰি দি, পাপপুৰ নগৰত উচ্চশিক্ষা বিস্তাৰৰ পথ প্ৰশস্ত কৰি দিলে। সেই অনুক্ৰমে সেই নপাপ নগৰখন অনতিপলমে লিখা পঢ়া শিক্ষা-শিল্প-অনুশীলন, সাহিত্য-চৰ্চ্চা, বাণিজ্যবিস্তাৰ আদি উন্নত অনুষ্ঠানৰ কেন্দ্ৰস্থল হৈ উঠিল। ফলিতাৰ্থত, সৰ্ব্বতোভাৱে সৰ্ব্ববিষয়ত উন্নতি লাভ কৰি নগৰখন শান্তিধাম যেন হৈ জিলিকি উঠিল; আৰু সেই আনন্দত, সন্তোষেহেতু, 'পাপপুৰ' নগৰ 'শান্তিপুৰ' নামে খ্যাত হল। এনে হেন শান্তিময় স্থানত নৱ-দম্পতী জাহ্নবী-কমলে মহা সুখ-শান্তিৰে সংসাৰ যাপন কৰিবলৈ ধৰিলে।

# ২২। অধ্যায়।

## দেৱী জাহ্নবী—আদৰ্শ দম্পতী।

নাৰী-জীৱনকাল থাইকৈ তিনি ভাগ ;—জীয়াৰী, বোৱাৰী আৰু দেৱী। প্ৰেমিকা জাহ্নবীৰ প্ৰেমময় জীয়াৰী কালৰ কথা আগতে বহলাই কোৱা হৈছে; লাজুকী জাহ্নবীৰ লাৱণ্য বোৱাৰী কালৰ বিষয়ে মাজতে উল্লেখিলাই অহা হৈছে; পতিপ্ৰাণা জাহ্নবীৰ আদৰ্শ দেৱীকালৰ অদ্ভুত বিবৃতিৰ এতিয়া আভাস মাথোন দিয়া যায়।

জাহ্নবী পাঁচোটি সন্তানৰ মাক হওঁতেই, জাহ্নবী-কমলৰ পিতৃ-মাতৃ আৰু শাহু-শহুৰ বিয়োগ হয়। সেই অৱধি জাহ্নবী-কমলে স্বতন্ত্ৰভাৱে ঘৰ-গৃহস্থী কৰিব লগাত পৰে। তেতিয়াৰপৰাই জাহ্নবীয়ে ভিতৰত গৃহিণীৰ কৰ্ত্তব্য পালনত আৰু কমলে বাহিৰত বিবিধ বিষয়ক সংসাৰিক কাৰ্য্য চলোৱাত একাপতীয়াকৈ লাগি যায়। কিন্তু বাহিৰ-ভিতৰ দুয়োবিধ মৰম কাম-বনত দুয়ো দুইকো সততে সোধা-পোছা কৰি হে গৃহস্থালী ধৰ্ম্ম পালন কৰে। জাহ্নবীৰ মনত স্বামী-গুৰু কমল সাক্ষাৎ আৰাধ্য দেৱতা;—স্বামী-সেৱা, স্বামী-পূজা জাহ্নবীৰ দৈনন্দিন-কৰ্ত্তব্য। কমলৰ মনত প্ৰিয়তমা ভাৰ্য্যা জাহ্নবী সকলোতোপৰি সাধ্বী সতী; তেনেহেন ভাৰ্য্যাৰ প্ৰতি অশ্ৰদ্ধা-অপ্ৰীতি নকৰিবলৈ কমল সততে সতৰ্ক। সন্তান-পালন, সন্তানৰ চৰিত্ৰ গঠন, সন্তানক শিক্ষা-জ্ঞান-দান এই কেইটা গৃহিণীৰ মাই মাই কৰ্ত্তব্য বুলি মানি জাহ্নবীয়ে তাক নিয়মিতকৈ পালন কৰাত পাৰিতপক্ষে কাতিকো ত্ৰুটি নকৰে। কমলনাথ গোহাঞি-বৰুৱাই পৰিয়াল পালনৰ উপৰিও দেশ জাতি, জাতি আৰু সমূহ গঞা-বাইজৰ মঙ্গল চিন্তা আৰু নিজ বংশৰ পাসপুৰৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনত তেওঁৰ পূজনীয় পিতৃদেৱতা ৺পাৰ্ব্বতীৰাম গোহাঞি বৰুৱাৰ আৰম্ভ কৰা সৎ সংকল্প আগত লৈ, অক্লান্ত-বায়াত কৃতকৃত্য হৈ আগবাঢ়িবলৈ ধৰিলে। এই অনুক্ৰমে, জাহ্নবী-কমলৰ আদৰ্শ দম্পতীয়ে আপোন চৰিত্ৰৰ গুণেৰে গঞা-বাইজক বিমোহিত কৰি, পাসপুৰত মুকুটবিহীন ৰজা-ৰাণী সদৃশ, মান-সংকাৰ উপভোগ কৰি নিৰিবিলিকৈ সোণায়ৰ সংসাৰৰ জেউতি চৰাবলৈ ধৰিলে।

[illegible] সমাপ্ত।